
# সুদক্ষিণা

সপ্তবিংশতিতম সংখ্যা, ২০১৯ ইং চন

## দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা







27

সম্পাদিকা ঃ মিতালী কলিতা

D.K. GIRLS' COLLEGE LIBRARY
MIRZA
Class No.............................
Book No.............................
Acc. No.............................

## সুদক্ষিণা সম্পাদনা সমিতি




বহি বাওঁফালৰ পৰা : ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° জগন্নাথ বৰ্মন, ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), ড° লীলাৱতী চৌধুৰী, কমলেশ্বৰ বৰা।
থিয় হৈ বাওঁফালৰ পৰা : ললিতা দাস, মিতালী কলিতা, শিখাৰাণী ঠাকুৰীয়া, ৰীতা দাস।

## মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ তথা তত্বাৱধায়ক-তত্বাৱধায়িকাৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যসকল




বহি বাওঁফালৰ পৰা : শিখাৰাণী ঠাকুৰীয়া, জিন্নু [illegible], ড° লীলাৱতী চৌধুৰী, ড° জগন্নাথ বৰ্মন, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), হবিবুৰ ৰহমান, অলকা দাস, কমলেশ্বৰ বৰা।
থিয় হৈ বাওঁফালৰ পৰা : মিতালী কলিতা, মমী দাস, ৰুমা নাথ, প্ৰিয়ংকা দাস, কাংকনা দাস, ৰীতা দাস।

LIBRARY COPY

# সুদক্ষিণা

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন

সপ্তবিংশতিতম সংখ্যা, ২০১৯ ইং

প্ৰীতি আৰু শ্ৰদ্ধাৰে—

NOT FOR ISSUE

তত্বাৱধায়িকা ঃ
ড° লীলাৱতী চৌধুৰী

সম্পাদিকা ঃ
মিতালী কলিতা

LIBRARY COPY

Dakshin Kamrup Girls' College, Estd. 1988, Mirza

## "সুদক্ষিণা' সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° গজেন্দ্ৰ অধিকাৰী, *অধ্যক্ষ* |
| উপ-সভাপতি | ঃ | ড° ৰঞ্জন ভূঞা, *উপাধ্যক্ষ* |
| তত্বাৱধায়িকা | ঃ | ড° লীলাৱতী চৌধুৰী |
| সম্পাদিকা | ঃ | মিতালী কলিতা |
| শিক্ষক সদস্য | ঃ | ড° জগন্নাথ বৰ্মন |
| | | অধ্যাপক কমলেশ্বৰ বৰা |
| ছাত্ৰী সদস্যা | ঃ | লভিতা দাস |
| | | ৰীতা দাস |
| | | লক্ষী দাস |
| | | পল্লৱী ঠাকুৰীয়া |

NOT FOR ISSUE



বেটুপাত পৰিকল্পনা ঃ ড° গজেন্দ্ৰ অধিকাৰী

ড° লীলাৱতী চৌধুৰী

মুদ্ৰক ঃ চাৰু প্ৰকাশন

উপৰহালী - ৭৮১১২২


# শ্ৰদ্ধাঞ্জলি



প্ৰয়াত বেণু মিশ্ৰ

জন্ম ঃ ২৭ নৱেম্বৰ, ১৯৩৯ ইং চন

মৃত্যু ঃ ২৯ মে', ২০১৯ ইং চন



প্ৰয়াত পূৰবী বৰমুদৈ

জন্ম ঃ ৮ মে', ১৯৫৫ ইং চন

মৃত্যু ঃ ১৫ জুলাই, ২০১৯ ইং চন



প্ৰয়াত দিলীপ কুমাৰ দত্ত

জন্ম ঃ ১১ ডিচেম্বৰ, ১৯২২ ইং চন

মৃত্যু ঃ ২৬ চেপ্তেম্বৰ, ২০১৯ ইং চন



প্ৰয়াত ৰত্ন ওজা

জন্ম ঃ ৫ ডিচেম্বৰ, ১৯৩১ ইং চন

মৃত্যু ঃ ৩১ ডিচেম্বৰ, ২০১৯ ইং চন



প্ৰয়াত গিৰীশ কাৰ্নাড

জন্ম ঃ ১৯ মে', ১৯৩৮ ইং চন

মৃত্যু ঃ ১০ জুন, ২০১৯ ইং চন

*আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই যোৱা অসমৰ বিশিষ্ট চিত্ৰ শিল্পী বেণু মিশ্ৰ,*
*শান্তনুকুলনন্দন'ৰ স্ৰষ্টা, বিশিষ্ট উপন্যাসিক, গল্পকাৰ লেখিকা, পূৰবী বৰমুদৈ,*
*বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ দিলীপ কুমাৰ দত্ত,*
*প্ৰখ্যাত সাংস্কৃতিক কৰ্মী, লেখক, ৰত্ন ওজা তথা দক্ষিণ ভাৰতীয় আৰু হিন্দী বোলছবি জগতৰ খ্যাতনামা*
*অভিনেতা, পৰিচালক, পদ্মশ্ৰী গিৰীশ কাৰ্ণাডৰ লগতে জ্ঞাত-অজ্ঞাত ব্যক্তি সকললৈ*
*'সুদক্ষিণা'ৰ জৰিয়তে মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা*
*'শ্ৰদ্ধাঞ্জলি' জ্ঞাপন কৰিলোঁ।*

সম্পাদনা সমিতি—

'সুদক্ষিণা'

# তত্ত্বাৱধায়িকাৰ কলম

২০১৮-২০১৯ ইংৰাজী বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকাৰ দায়িত্ব পালনৰ সুযোগ দিয়া বাবে প্ৰথমে অধ্যক্ষ মহাশয়লৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই দায়িত্ব সুকলমে পালন কৰাত অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰীসকলৰ সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা জনালোঁ। এই বৰ্ষটোত নিৰ্দিষ্ট সময়ত কলেজ সপ্তাহ পাতিব পৰা নগ'ল বাবে সুদক্ষিণাৰ প্ৰস্তুতিও পলমকৈ হয়। তথাপিও সকলোৰে সহায়-সহযোগিতাৰ বাবে 'সুদক্ষিণা'ক পূৰ্ণ ৰূপ দিবলৈ সক্ষম হওঁ।

এই শিক্ষা বৰ্ষটোত বিভিন্ন সময়ত বিভিন্ন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। বিশেষকৈ শিক্ষা বৰ্ষৰ দোকমোকালিৰ পৰা "হাৰাঘাট"ৰ দুটি সংখ্যা প্ৰকাশ হৈছে। ইয়াৰে এটি সংখ্যা মহাবিদ্যালয় সপ্তাহ উপলক্ষে আৰু আনটি নৱাগত আদৰণি সভাত উন্মোচন কৰা হয়। ইয়াৰ মাধ্যমেৰে ছাত্ৰীসকলে মনৰ ভাব, কল্পনা, নতুন, নতুন চিন্তা প্ৰকাশ কৰাৰ সুবিধা পায়। নিজৰ মাজত গুজৰি-গুমৰি থকা চিন্তাৰ খোৰাক এই প্ৰাচীৰ পত্ৰিকাৰ মাজেৰে প্ৰকাশৰ সুবিধা পায়। অৱশ্যে আমাৰ ছাত্ৰীসকল কিছু লাজকুৰীয়া হোৱা বাবে তেওঁলোকক উৎসাহ যোগোৱা অতিকৈ প্ৰয়োজন। সাম্প্ৰতিক সময়ৰ সোঁতে সকলোকে যন্ত্ৰমানৱ সদৃশ ৰূপ তুলিছে। ফলস্বৰূপে নিজৰ মাজতে সৃষ্টিশীল প্ৰতিভা লুপ্ত হোৱাৰ উপক্ৰম হৈছে। তথাপিও বতৰৰ লগত খোজ মিলাই আমি আগবাঢ়িব লাগিব। ইয়াৰ অন্যতম উদাহৰণ সৰস্বতী পূজাত অতি কম সময়ৰ ভিতৰত প্ৰাচীৰ পত্ৰিকা "শ্ৰীপঞ্চমী" প্ৰকাশ কৰি উলিয়াবলৈ সক্ষম হওঁ।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ আন এক আকৰ্ষণীয় অনুষ্ঠান হৈছে "নীহাৰিকা"ৰ উন্মোচন। এই আলোচনীখন হাতে লিখি উলিওৱা হয়। আমাৰ অতি মৰমৰ ছাত্ৰী জ্যোৎস্না নাথে ৰূপীয়া দেহাৰে যথেষ্ট কষ্টৰ মাজেৰে বেটুপাত অংকন কৰি "নীহাৰিকাক" সম্পূৰ্ণ ৰূপ দিয়াত সহায় কৰে।

বৰ্তমান ভৰ যৌৱনা সুদক্ষিণাই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সাহিত্যৰ ভঁৰাল পৰিপূৰ্ণ আকাৰত গঢ়ি তুলিছে। এই ভঁৰাল আৰু চহকী কৰাৰ বাবে মৰমৰ ছাত্ৰীসকলক আদৰণি জনালোঁ। সুদক্ষিণাৰ পাতে পাতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলে নিজৰ নিজৰ চিন্তা, ভাৱনাক গল্প, কবিতা আৰু বিভিন্ন ৰস ৰচনাৰ মাজেৰে প্ৰকাশ কৰিব পাৰে।

মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগৰ ফালৰ পৰা বিভিন্ন প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতাত উচ্চ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শ্ৰেণীলৈ সকলো ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি সাহিত্যৰ প্ৰতি থকা অনুৰাগ প্ৰকাশ কৰে। এই ছেগতে মৰমৰ ছাত্ৰীসকলক আন্তৰিক ধন্যবাদ জনালোঁ। ছাত্ৰীসকলৰ সৰ্ব্বাংগীন উন্নতিৰ বাবে খেলা-ধূলাৰ লগতে সাহিত্য আৰু সংস্কৃতিৰো অতিকৈ প্ৰয়োজন। মনৰ চিন্তা, আবেগ, অনুভূতি আৰু সৃজনী শক্তিক সাহিত্য আৰু সংস্কৃতিয়ে নতুন ৰূপত সজাই তুলিব পাৰে। সেয়ে ছাত্ৰীসকলক এই দিশটো আন্তৰিকতাৰে আঁকোৱালি লোৱাৰ বাবে আহ্বান জনালোঁ। ভৱিষ্যতে যাতে সুদক্ষিণাৰ সৌন্দৰ্য আৰু মানদণ্ডই সকলোকে আকৰ্ষণ কৰিব পাৰে।

ইয়াৰ উপৰিও এই বছৰটোত কিছুমান গঠনমূলক কাম সম্পন্ন হয়, বিশেষকৈ ক্ৰীড়া ভৱন নিৰ্মাণ, ছাত্ৰী নিবাস নিৰ্মাণ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আন্তঃ মহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হয়। লগতে আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ অধীনত এই বৰ্ষত কিছুমান কাৰ্যসূচী সম্পন্ন কৰা হয়।

মাননীয়া শ্ৰীযুতা হীৰা লেওগ বাইদেউ আৰু মাননীয় অধ্যাপক প্ৰতাপ জ্যোতি সন্দিকৈ ছাৰে বহুমূলীয়া সময় খৰছ কৰি সুদক্ষিণালৈ শুভেচ্ছা বাণী পঠোৱা বাবে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

এই শিক্ষা বৰ্ষটোত বিভিন্ন বিষয় বস্তুৰ ওপৰত বিভিন্ন গণ্য-মান্য ব্যক্তিয়ে সবল বক্তৃতা প্ৰদান কৰিছে। তেখেত সকলোকো সুদক্ষিণাৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা জনালোঁ।

শেষত সুদক্ষিণা প্ৰস্তুতকৰণত প্ৰথমৰ পৰা শেষলৈ দিহা-পৰামৰ্শ আগবঢ়াই অহা মাননীয় অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰলৈ কৃতজ্ঞতা জনালোঁ। লগতে উপাধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দলৈ সুদক্ষিণা সম্পাদনা সমিতিৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জনালোঁ আৰু চাক প্ৰকাশনৰ সকলো কৰ্মচাৰীলৈ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত সম্পাদনা সমিতিৰ সভাপতি অধ্যক্ষ মহাশয়, শিক্ষক সদস্য ড° জগন্নাথ বৰ্মন আৰু অধ্যাপক কমলেশ্বৰ বৰাক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে সম্পাদিকাক আৰু মোক সহায় আগবঢ়াই থকা ছাত্ৰীসকলক মৰমৰ যাচি সুদক্ষিণাৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"

*ধন্যবাদেৰে-*

তাৰিখ ঃ ইং ১৮-০৩-২০২০ চন

ড° লীলাৱতী চৌধুৰী

# সম্পাদকীয়



প্ৰথমে মই শ্ৰদ্ধা যাচিছোঁ সেই সকল ব্যক্তিক যিসকল ব্যক্তিৰ দ্বাৰা আমাৰ এই মহাবিদ্যালয়খন স্থাপিত হৈছিল; কিয়নো সেই মহান ব্যক্তিসকলৰ বাবেহে আমি এই মহাবিদ্যালয়ত পঢ়িবলৈ সুযোগ পাইছো। এই ব্যক্তিসকলৰ বহু কষ্ট ত্যাগৰ বাবে দক্ষিণ কামৰূপত এনে এখন স্ত্ৰী শিক্ষাৰ মহাবিদ্যালয় গঢ়ি উঠিছে আৰু আজি আমি সকলোৱে দেখিছো আমাৰ মহাবিদ্যালয়খনে কিমান পাৰদৰ্শিতা দেখুৱাই আহিছে।

সম্পাদিকা হিচাপে মই আমাৰ বাইদেউ, সহপাঠী তথা ভণ্টিসকলক ক'ব বিচাৰো যে আমি এনে এখন সুন্দৰ বিদ্যাৰ মন্দিৰ পাইছো য'ত আমি মনৰ প্ৰতিভা বিকাশ কৰাৰ সুবিধা পাওঁ। সেইবাবেই আটাইলৈ আহ্বান ৰাখিছো যে আমি আমাৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাখিনি বিলাই দিব লাগে যাৰ প্ৰেৰণাত নব প্ৰজন্মই জীৱন যুদ্ধত সফলতাৰে আগবাঢ়ি যাব পাৰে। ড° ভূপেন হাজৰিকাই কৈছিল— "গভীৰ অমানিশা অথবা কালৰাত্ৰিৰ বুকুতে যেনেদৰে প্ৰভাত লুকাই থাকে, তেনেদৰেই বুকুত সাহস বান্ধি আগুৱাই গৈ থাকিলে হেজাৰ পৰাজয়ৰ পাছতো জয়লাভ নিশ্চিত হৈ উঠে।"

মনৰ মাজত বহু আশা-আকাংক্ষা পুহি ৰাখি মই ২০১৮-১৯ বৰ্ষত ছাত্ৰী একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰো। মানুহৰ সপোনৰ শেষ নাই, মৃত্যুৰ আগমুহূৰ্তলৈ মানুহে সপোন দেখে। ঠিক তেনেকৈ মইও মোৰ কাৰ্যকালত বহুত বেছি ভাল কৰিব নোৱাৰিলেও যিমানখিনি কৰিছো সেয়া মোৰ জ্ঞানৰ সামৰ্থ্য আৰু একমাত্ৰ তত্ত্বাৱধায়িকা শ্ৰদ্ধাৰ ড° লীলাৱতী চৌধুৰী বাইদেউৰ লগতে মোৰ বাইদেউ, সহপাঠী তথা ভণ্টিসকলৰ সহযোগতহে সম্ভৱ হৈছে।

মোৰ কাৰ্যকালত সাহিত্য সৃষ্টিৰ সমল হিচাপে প্ৰথমতে, মহাবিদ্যালয় সপ্তাহ উপলক্ষে প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' প্ৰথম সংখ্যাত আমাৰ ছাত্ৰীসকলৰ মনৰ যি প্ৰতিভা তাক উলিয়াই অনাৰ বাবে মই চেষ্টা কৰিছো। সাহিত্য বিভাগৰ বিভিন্ন কাৰ্যসূচীৰ দ্বাৰা ছাত্ৰীসকলক সাহিত্যৰ প্ৰতি এক অনুৰাগ সৃষ্টি কৰাৰ প্ৰচেষ্টা চলাইছো। দ্বিতীয়তে, হিন্দু সমাজৰ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ তিথি উপলক্ষে আয়োজিত সৰস্বতী পূজাত এখন প্ৰাচীৰ পত্ৰিকা "শ্ৰীপঞ্চমী" আৰু এইখনক পুথি আকাৰতো ছপা কৰা হয়। তৃতীয়তে, মহাবিদ্যালয়ত নতুনকৈ নামভৰ্ত্তি কৰা ছাত্ৰীসকলৰ উদ্দেশ্য আগত ৰাখি নৱাগত আদৰণি সভা পতা হয়। ইয়াৰ লগত সংগতি ৰাখি ছাত্ৰীসকলৰ প্ৰেৰণাৰ উৎস হিচাপে হাতে লিখা আলোচনী "নীহাৰিকা" আৰু "হাৰাঘাট"ৰ দ্বিতীয় সংখ্যাৰ লগতে "জোনাকী" নামৰ আন এখন প্ৰাচীৰ পত্ৰিকা এই দিনটোতেই উলিওৱা হয়। মহাবিদ্যালয় যে এক সাহিত্য চৰ্চাৰ থল তাক আমি কেতিয়াও পাহৰিব নোৱাৰো।

আমাৰ মহাবিদ্যালয়ত বহু দূৰ-দূৰণিৰ ছাত্ৰী আহি পঢ়ি আছে। ইয়াৰ ভিতৰত পিছপৰা দুখীয়া গাঁৱৰ ছাত্ৰীয়ে অধিক। সিহঁতৰ অহা-যোৱা কৰাত বহুত অসুবিধা হোৱাৰ পিছতো বহুতো কষ্ট স্বীকাৰ কৰি অভাৱ অনাটনৰ মাজেদি আগবাঢ়ি গৈ আছে। এতিয়াও দেশৰ গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ পৰা বঞ্চিত; আনপিনে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পিছতো দেশত নাই উপযুক্ত সংস্থাপনৰ ব্যৱস্থা। এইবোৰ চিন্তনীয় বিষয়।

বৰ্তমান শিক্ষা ব্যৱস্থাৰ প্ৰতি আমি ছাত্ৰ-ছাত্ৰীসকলে চকু দিব লাগে। কিয়নো আমাৰ চকুৰ পলকতে চৰকাৰী স্কুলৰ অৱস্থা অতি ভয়ানক হ'ব ধৰিছে। আজি চৰকাৰে প্ৰয়োজন অনুপাতে শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থা কৰিব পৰা নাই। যাৰ পৰিণতিত চৰকাৰী বিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে কমি আহিছে। আনপিনে গাঁৱে-ভূঁঞে, চহৰে-নগৰে কাঠফুলাৰ দৰে গঢ়ি উঠিব ধৰিছে ব্যক্তিগত খণ্ডৰ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়বোৰ। অৰ্থাৎ শিক্ষা এক লাভজনক ব্যৱসায়ৰ দৰে ৰূপান্তৰিত হৈছে। সঁচাকৈয়ে ই আমাৰ বাবে এক ভয়ংকৰ ভৱিষ্যতৰ ইংগিত নহয়নে?

বৰ্তমান পঢ়া-শুনা কৰিলেও শাস্তি আৰু নপঢ়ি থাকিলেও শাস্তি। জীৱনৰ কোনো নিৰাপত্তাই নাই। এই বেদনা পিতৃ-মাতৃৰ বাবে কিমান যন্ত্ৰণাদায়ক কোনে বুজিব? যেতিয়া সন্তানে কিবা এটা পোৱাৰ বাবে অপেক্ষা কৰাৰ পিছতো দিব নোৱাৰিব। এয়াই হৈছে আমাৰ সমাজত প্ৰচলিত শিক্ষা ব্যৱস্থা। আজি দেশৰ যিমানবোৰ সমস্যা এই সমস্যাৰ হকে ছাত্ৰ সমাজ সদায় সজাগ-সচেতন হৈ থাকিব লাগিব।

আজি দেশৰ যি অস্থিৰ পৰিস্থিতি তাৰপৰা ছাত্ৰ সমাজ আঁতৰি থাকিব নোৱাৰে। বহুতে কয় যে, ছাত্ৰ-ছাত্ৰীসকলে ৰাজনীতি কৰা উচিত নহয়। যিহেতু সমাজৰ প্ৰতিটো সমস্যাৰ সৈতেই ৰাজনীতি ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। ছাত্ৰ জীৱন প্ৰচলিত ৰাজনৈতিক সমস্যাৰ পৰা আঁতৰত কেতিয়াও থাকিব নোৱাৰে। পঢ়া-শুনা কৰাৰ পিচতো তাৰ সমান্তৰালভাৱে দেশৰ অৱস্থাৰ কথা আমাৰ জীৱনৰ ভৱিষ্যতৰ কথা, আমি নিজেই ভাবিব লাগিব। এইবোৰ চিন্তা কৰাটো ছাত্ৰ জীৱনতেই আটাইতকৈ গুৰুত্বপূৰ্ণ সময়। গতিকে এই সময়তেই ভৱিষ্যত জীৱনৰ আচল লক্ষ্য স্থিৰ কৰা উচিত সময়।

মোৰ কাৰ্যকালৰ শেষ দায়িত্ব হিচাপে মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী "সুদক্ষিণা"খন নতুন ৰূপেৰে, নতুন প্ৰভাতৰ নৱ জেউতিৰে প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছো। মোৰ এই প্ৰচেষ্টাত মই কিমান দূৰ সফল হ'ব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। আশাকৰোঁ সুদক্ষিণাৰ এই সংখ্যাই সকলোৰে হৃদয় জয় কৰিবলৈ সক্ষম হ'ব।

"সুদক্ষিণা" সম্পাদনাত মোক সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় ড° গজেন্দ্ৰ অধিকাৰী ছাৰ দেৱৰ লগতে মোৰ প্ৰতিটো পদক্ষেপতে সাৰুৱা উপদেশ দি বাট দেখুৱাই যোৱা মোৰ তত্বাৱধায়িকা ড° লীলাৱতী চৌধুৰী বাইদেউ, উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰ আৰু অসমীয়া বিভাগৰ অধ্যাপক ড° জগন্নাথ বৰ্মন ছাৰ দেৱলৈ মই মোৰ শ্ৰদ্ধা তথা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিশেষকৈ বাইদেউৰ উপদেশেৰে মই সৰু বৰ অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হৈছো। সেইবাবে মই তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ।

'সুদক্ষিণা' সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাবৃন্দ, ছাত্ৰী একতা সভাৰ সদস্যাসকল তথা মোৰ বাইদেউ চেমিম চুলতানা, থুনুমণি দাস, চাবিয়ুন নেছা, সংগীতা কলিতা, নমিতা কুমাৰী, ৰীতা কলিতা, পল্লৱী ঠাকুৰীয়া, লক্ষ্মী দাস, কিংকি দেৱী, নমিতা দেৱী, ইলোৰা মজুমদাৰলৈ কৃতজ্ঞতা জনাইছো। মোৰ বান্ধৱী ৰঞ্জনা ৰাভা, লভিতা নাথ, গীতাঞ্জলি দাস আৰু ভণ্টি জ্যোৎস্না নাথ, কংকনা দাস, আকৌ নজনাকৈ যিসকল ছাত্ৰীয়ে মোক সহায়ৰ হাত আগবঢ়াই মোৰ কাৰ্যকালৰ সমূহ কাৰ্য সম্পন্ন কৰাত মোক সাফল্যমণ্ডিত কৰিলে সেই সকললৈ মই অসীম কৃতজ্ঞতা তথা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি 'সুদক্ষিণা'ৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি সম্পাদকীয় কলমৰ ইতিৰেখা টানি ইমানতে সামৰণি মাৰিছোঁ।

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"

*ধন্যবাদেৰে-*
মিতালী কলিতা

# অধ্যক্ষৰ টোকা

১ঃ১ এই বছৰটো আমাৰ মহাবিদ্যালয়ৰ বাবে কেবাটাও কাৰণত গুৰুত্বপূৰ্ণ। এই বছৰৰ পৰা স্নাতক মহলাত ছাত্ৰীসকলে নিজৰ পছন্দ মতে বিষয় নিৰ্বাচন কৰি অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিছে। ফলত ছাত্ৰী সকলৰ নিজৰ সুপ্ত প্ৰতিভা আৰু আনুষ্ঠানিক শিক্ষাৰ মাজত এক সু-সমন্বয় সাধন হোৱাৰ বাট মুকলি হৈছে। ছাত্ৰী সকলৰ সুবিধাৰ্থে NEEPCO ৰ অৰ্থ সাহায্যৰে নিৰ্মিত কম্পিউটাৰ শিক্ষা কেন্দ্ৰত নামমাত্ৰ মাচুলেৰে Basics, Talley আদি পাঠ্যক্ৰমৰ শিক্ষা আগবঢ়োৱা হৈছে। সাংবাদিকতা আৰু গণ মাধ্যম বিভাগৰ ছাত্ৰী এগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি সদ্যহতে তেজপুৰ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শিক্ষা লৈ আছে। অসম সাহিত্য সভাৰ দ্বাৰা আয়োজিত সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতাত অংশ লৈ আমাৰ ছাত্ৰী এগৰাকীয়ে দ্বিতীয় স্থানেৰে পুৰস্কৃত হৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে। এই বছৰটোত একাধিক ক্ৰীড়া প্ৰতিভাই ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ প্ৰতিযোগিতাত অংশ লৈ সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক বুটলি আনিছে। এই উৎসাহতে এইবেলি গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ৰ সৌজন্যত অনুষ্ঠিত কৰা হৈছে। এই প্ৰতিযোগিতাতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী দলে ক্ৰমে খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতাত ২য় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰি গৌৰৱ অক্ষুণ্ণ ৰাখিছে। মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী বিষয়া গৰাকীয়ে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় গণৰাজ্য দিৱসৰ পেৰেডত ভাগ লৈ গৌৰৱ কঢ়িয়াই আনিছে। কেবাগৰাকী শিক্ষকে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত গৱেষণা পত্ৰ পাঠ কৰি স্বীকৃতি লাভ কৰিছে। এই স্তম্ভৰ লেখকেও গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান লৈ Post Graduate Diploma in Basics of Law (PGDBL) লাভ কৰিছে। তদুপৰি World Innovation Congress (WIC)ৰ দ্বাৰা যোৱা 17 February, 2020 তাৰিখে এই লেখকক 50 Fabulous World Leader (Innovation) সন্মান প্ৰদান কৰা হৈছে। তেখেতেই ভাৰতীয় ইতিহাস গৱেষণা পৰিষদ (Indian Council of Historical Research) ৰ আমন্ত্ৰণ ক্ৰমে ধৰ্ম আৰু ৰাজনীতি ঃ আহোম প্ৰশাসনৰ এটি ক্ষেত্ৰ অধ্যয়ন (Religion and Politics : A Case Study under the Ahom Administration) শীৰ্ষক ৰাষ্ট্ৰীয় বক্তৃতা প্ৰদান কৰিছে। ইয়াৰোপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণত অনিৰুদ্ধ দেৱ স্মাৰক বক্তৃতাও নিম্ন স্বাক্ষৰকাৰীয়ে প্ৰদান কৰি মহাবিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰিছে।

১ঃ২ মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ শৈক্ষিক উৎকৰ্ষৰ মান পূৰ্বতকৈ অধিক বৃদ্ধি পাইছে। বিগত পৰীক্ষা সমূহত তাৰ প্ৰতিফলন ঘটিছে। তলত তাৰ থূলমূল আভাস দিয়া হ'ল -

স্নাতক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ ১৮৫; উত্তীৰ্ণ ১৩৪; শতকৰা হাৰ ৭২.৪৩ শতাংশ
উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ ৪১৪; উত্তীৰ্ণ ২৬৭; শতকৰা হাৰ ৬৪.৪৯ শতাংশ
স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ ২৮; উত্তীৰ্ণ ১৮; শতকৰা হাৰ ৭৫ শতাংশ
সাংবাদিকতা আৰু গণ মাধ্যম বিভাগৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ ৩; উত্তীৰ্ণ ১; শতকৰা হাৰ ৩৩.৩৩ শতাংশ

১ঃ৩ অসম চৰকাৰেও এইবেলি আমাৰ মহাবিদ্যালয়খনক নতুনকৈ বিজ্ঞান শাখা খোলাৰ বাবে নিৰ্ব্বাচন কৰা ৫০ খন মহাবিদ্যালয়ৰ তালিকাভুক্ত কৰিছে। বিজ্ঞান শাখাৰ পৰীক্ষাগাৰ স্থাপনৰ বাবে ইতিমধ্যে ১০ লাখ (দহ লাখ) টকাৰ মঞ্জুৰী দিছে আৰু সেই টকাৰে পৰীক্ষাগাৰ নিৰ্মাণ কৰা হৈছে। ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ পৰা বিজ্ঞান ভৱন নিৰ্মাণ আৰু পুৰণি শ্ৰেণী কোঠাৰ মেৰামতি আদিৰ বাবে ২ কোটি টকা অনুদান দিছে। এই টকাৰে চৰকাৰৰ নিৰ্দেশ মৰ্মে গৃহ নিৰ্মাণ পৰিষদে বিজ্ঞান ভৱন নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যৰে ইতিমধ্যে ছাত্ৰী নিবাসৰ দ্বিতীয় মহলা আৰু আভ্যন্তৰীণ খেলগৃহ নিৰ্মাণ কৰি উলিওৱা হৈছে।

২ঃ১ সবাতোকৈ গুৰুত্বপূৰ্ণ কথা যে মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ পিতৃ-মাতৃ সকলৰ দ্বাৰা স্বতঃস্ফূৰ্তভাৱে 'দক্ষিণ কামৰূপ ছোৱালী কলেজ অভিভাৱক সন্থা' সংগঠিত হৈছে। তেখেত সকলৰ সংগৃহীত পুঁজিৰ পৰা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ পোন্ধৰ হাজাৰ

টকা আগবঢ়াইছে। ইয়াৰ লগত মহাবিদ্যালয়ৰ কৰ্মচাৰী গোট, ছাত্ৰী একতা সভা আৰু পৰীক্ষা পৰিচালনা সমিতিও নিজৰ হিচাপৰ পৰা টকা যোগ দি মুঠতে ৫০,০০০/- (পঞ্চাশ হাজাৰ) টকা যোৱা বছৰৰ অভাৱনীয় বানপানীত পীড়িতসকলৰ সাহায্যাৰ্থে মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰিছে। অভিভাৱক সন্থাৰ পুঁজিৰেই আভ্যন্তৰীণ খেল গৃহৰ বাৰান্দাৰ ওপৰত ৬০X১৫ ফুটৰ এটা ডাঙৰ কোঠালী নিৰ্মাণ কৰা হৈছে। ইয়াতে Start up Assam আঁচনিৰ অধীনত মহিলাৰ কেশবিন্যাস আৰু সৌন্দৰ্য্য চৰ্চাৰ কেন্দ্ৰ এটা আৰম্ভ কৰা হৈছে। ইয়াৰোপৰি মহাবিদ্যালয়ৰ নিজস্ব গৌৰৱ সংগ্ৰহালয়টোৰ নিজাববীয়া গৃহ এটিৰ বাবে দুই-এজন শুভাকাঙ্খীৰ লগত প্ৰাৰম্ভিক কথা-বতৰা চলাই থকা হৈছে।

২ঃ২ চৰকাৰী অনুদান নোহোৱাকৈয়ে পুথিভঁৰালী গৰাকীৰ উদ্যোগত পুথিভঁৰালী সকলৰ মাজত ২১ দিনীয়া পৰিশীলন পাঠ্যক্ৰম সফলতাৰে আয়োজন কৰা হৈছিল। সদৌ অসম কলেজ পুথিভঁৰালী সন্থাৰ বাৰ্ষিক সভাখনো আমাৰ মহাবিদ্যালয়তে অনুষ্ঠিত হৈ যায়। একেদৰে অসম কলেজ অধ্যক্ষ পৰিষদৰ কামৰূপ মণ্ডলৰ দ্বি-বাৰ্ষিক অধিৱেশন খনিও আমাৰ মহাবিদ্যালয়ৰ উদ্যোগতে সুকলমে অনুষ্ঠিত হয়।

৩ঃ১ উপৰোক্ত কাৰ্য্যক্ৰমণিকাবোৰৰ আৰম্ভণী আৰু সামৰণী অনুষ্ঠানবোৰত কেবাগৰাকীও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পণ্ডিত, গৱেষক উপস্থিত থাকে। এখেতসকলৰ ভিতৰত ক্ৰমে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক দীপক কুমাৰ শৰ্ম্মা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ উপ-সচিব ড° এম, জি, মিৰেঙ, আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

৩ঃ২ ওপৰৰ চমু বিৱৰণৰ পৰাই পঢ়ুৱৈসকলে বুজিব পাৰিব, মহাবিদ্যালয়খনে কেনেকৈ পুথিগত অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়াৰ উপৰিও ছাত্ৰী সকলৰ সৰ্ব্বাত্মক নৈতিক, আধ্যাত্মিক বৌদ্ধিক তথা ব্যক্তিত্ব বিকাশৰ বাবে নানা ৰকমে চেষ্টা কৰি আহিছে আৰু ই বহুদূৰ সফলকামো হৈছে। কিন্তু আমি ইয়াতেই আত্মতুষ্টি লভাৰ সময় হোৱা নাই। বৰং অধিক মনোযোগ, ত্যাগ আৰু আত্মোৎসৰ্গেৰে সকলোৱে আগবাঢ়িব লাগিব। আমি মনত ৰাখিব লাগিব, নিজকে সহায় কৰা জনকহে ভগৱানেও সহায় কৰে।

৩ঃ৩ মহাবিদ্যালয়খন সুচাৰুকৈ চলোৱাত সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, অভিভাৱক, পৰিচালনা সমিতি আৰু ছাত্ৰীসকলে আমালৈ যি ধৰণৰ আন্তৰিক সহায়-সহযোগ আগবঢ়াই আহিছে তাৰবাবে কৃতজ্ঞতা জনোৱাৰ উপযুক্ত শব্দ আমি এই মুহূৰ্ততে বিচাৰি পোৱা নাই। একে আষাৰে মাথোন কব পাৰি যে তেনে ধৰণৰ সহায় সহযোগিতা অসমৰ মহাবিদ্যালয়সমূহৰ বৰ কম সংখ্যক অধ্যক্ষইহে লাভ কৰা দেখা যায়। নিজৰ কাৰ্যকালৰ ভিতৰত অসম চৰকাৰৰ মাননীয় শিক্ষামন্ত্ৰীদ্বয় শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য্য আৰু ড° হিমন্ত বিশ্ব শৰ্মা মহাশয় আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীসকলেও সকলো সময়তে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়লৈ সকলো ধৰণৰে সহায়-সহযোগিতা আৰু অনুদান আগবঢ়াই আহিছে। তাৰ বাবে তেখেত সকল নিঃসন্দেহে ধন্যবাদৰ্হ। আশাকৰোঁ ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ "বেটী বচাও বেটী পঢ়াও" কেৱল মাত্ৰ এটা শ্ল'গান হৈ নাথাকিব। দৰাচলতে ই সাৰ্থক হ'ব। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে এই দিশত শক্তিশালী নেতৃত্ব দি দেশ আৰু দহৰ কল্যাণ সাধনত ব্ৰতী থাকিব। জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়।

ইতি-

ড° গজেন্দ্ৰ অধিকাৰী

মিৰ্জা
০২-০৩-২০২০ ইং
সোমবাৰ

# গুৱাহাটী বিশ্ববিদ্যালয়

## GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Hanique**
Vice Chancellor
Phone : +91 361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in.
pjhandique@rediffmail.com



## MESSAGE

I am happy to learn that Dakshin Kamrup Girls' College, Mirza is going to publish its Annual College Magazine very soon. College Magazine is a strong medium for the constituent members of a college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I hope that the said publication will be richly endowed with contributions from both the students and teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

Date : 20.02.2020

P. J. Handique
(P.J. Handique)

Address : Gopinath Bardoloi Nagar
Jalukbari, Guwahati - 781014
Assam : Indian
Phone : 0361 257 0412
Web : www.gauhati.ac.in




**হীৰা নেওগ**
সভানেত্ৰী, পৰিচালনা সমিতি
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মির্জা


## শুভেচ্ছা সন্দেশ

অন্যান্য বেলিৰ দৰে এই বছৰো দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন 'সুদক্ষিণা' প্ৰকাশৰ যো-জা চলা বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনেই হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক কছৰতৰ কঠীয়াতলি।

মোৰ পৰম বিশ্বাস যে পূৰ্ব্বৰ সংখ্যাবোৰৰ দৰে এই সংখ্যা 'সুদক্ষিণা'তো ছাত্ৰী-শিক্ষক-কৰ্মচাৰী সকলৰ উন্নত লেখনিৰ পয়োভৰ ঘটিব। মই এই ছেগতে 'সুদক্ষিণা'ৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় পৰিয়ালবৰ্গলৈও হিয়াভৰা শুভ-কামনা জনালোঁ।

তাৰিখ ঃ ২১.০২.২০২০ ইং

(হীৰা নেওগ)

## সূ চী প ত্ৰ


❑ সম্পাদকীয়—
❑ অধ্যক্ষৰ টোকা—
❑ তত্বাৱধায়িকাৰ কলম—

### প্ৰবন্ধ শিতান ঃ

- সাঁচিপাত - ইয়াৰ ব্যৱহাৰ আৰু সংৰক্ষণ ✍ চেমিম চুলতানা/১
- আন্তঃৰাষ্ট্ৰীয় কৃত্ৰিম ভাষা ঃ এছপিৰেন্ট' ✍ ড° জগন্নাথ বৰ্মন/১০
- জাঁ-প'ল- ছাৰ্ত্ৰেৰ অস্তিত্ববাদ ✍ মিতালী গোস্বামী/১৩
- ঈশ্বৰবাদৰ বিৰোধী মতবাদ ✍ অলকা দাস/১৫
- বীৰেন্দ্ৰ স্মৰণ ✍ ড° জাহ্নৱী দেৱী/১৭
- শ্ৰীমন্ত শংকৰদেৱৰ ভক্তিতত্ব আৰু বৈদিক চিন্তা ✍ কমলেশ্বৰ বৰা/১৯
- ISSUES OF ENVIRONMENTAL DEGRADATION AND CONSERVATION ✍ Dr. Lilabati Choudhury/২১
- Citizenship Amendment Act (CAA) in India ✍ Indrani Devi/২৫
- NOBEL IN ECONOMICS-2019 ✍ Dr. Nibedita Devi/২৭

### কবিতা শিতান ঃ

- কুঁৱলী ✍ চন্দ্ৰানী কলিতা/২৯
- নিৰৱতাত সপোনৰ জংচন ✍ ৰশ্মিউল চুলতানা/২৯
- পতঙ্গ ✍ শেৱালি মেধি/৩০
- ব'হাগ ✍ অনামিকা ঠাকুৰীয়া/৩০
- মিছৃহিল মানৱ ✍ নাজনিন বেগম/৩১
- স্মৃতি ✍ কণিকা তালুকদাৰ/৩১
- জোনাকী পৰুৱা ✍ সংগীতা বৈশ্য/৩১
- সৰু তৰা ✍ মণিকংকনা দাস/৩২
- সপোন ✍ বিতুমণি পাঠ/৩২
- হে শ্বহীদ তোমাক শত প্ৰণাম ✍ ৰীতা দাস/৩৩
- সেউজীয়া বৰষুণ ✍ বনশ্ৰী মহন্ত/৩৩
- আমাৰ গাঁও ✍ বন্দনা বড়ো/৩৩
- অমৃত হ'ব পাৰে বিহ ✍ নমিতা দেৱী/৩৪
- স্মৃতি ✍ প্ৰণিতা কুমাৰী/৩৪
- নাৰী ✍ কল্পনা কাকতি/৩৪

### গল্প শিতান ঃ

- 'বাবটু' ✍ যমুনা মালী/৩৫
- শৰতৰ জোনাক ✍ গায়ত্ৰী কলিতা/৩৭
- অভিশপ্ত দিন ✍ নমিতা ঠাকুৰীয়া/৩৯
- কৰ্মৰ প্ৰতিফল বা পৰিণাম ✍ জুৰি মহন্ত/৪০
- জীৱনৰ সাহস আৰু অত্যাচাৰ ✍ ধৰিত্ৰী কলিতা/৪১
- হেঁপাহৰ দুটি খোজ ✍ ৰশ্মিউল চুলতানা/৪৩

## সাহিত্য প্ৰতিযোগিতা শিতান ঃ


- শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন উপলক্ষে অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰা ৰচনাসমূহ/৪৫
- ৰচনা প্ৰতিযোগিতা/৫৪
- ৰস ৰচনা প্ৰতিযোগিতা/৫৭
- কবিতা লিখা প্ৰতিযোগিতা/৫৯
- পেৰডী কবিতা প্ৰতিযোগিতা/৬১
- মুকলি চিঠি প্ৰতিযোগিতা/৬১
- আকস্মিক লিখিত প্ৰতিযোগিতা/৬৩
- চুটি গল্প লিখা প্ৰতিযোগিতা/৬৫
- চিত্ৰাংকন প্ৰতিযোগিতা/৬৭


## সংস্কৃতি শিতান ঃ


- আনাকটা কাপোৰ ঃ ব্যৱহাৰ আৰু প্ৰয়োজন ✍ প্ৰাণজিৎ শৰ্মা/৬৯
- দেৱালী ✍ ভনিতা দাস/৭০
- মুখা শিল্প ✍ জুপি ভূঞা/৭০
- পুতলা নাচ ঃ চমু আভাস ✍ ৰবযা মহন্ত/৭১
- বসুদেৱ দৈৱকীৰ বিবাহ ✍ ৰীতা কলিতা/৭২


## শিক্ষামূলক ভ্ৰমণ শিতান ঃ


- জয়পুৰলৈ যোৱা দীঘলীয়া যাত্ৰাৰ অভিজ্ঞতা ✍ পুৰবী কলিতা/৭৩
- ভুবনেশ্বৰ আৰু জগন্নাথ পুৰী দৰ্শন ঃ শিক্ষামূলক ভ্ৰমণ ✍ জিনু দাস/৭৭


## ভিন্ন দৃষ্টিভঙ্গী শিতান ঃ


- কলেজীয়া জীৱনৰ অভিজ্ঞতা ✍ ধীৰামণি তালুকদাৰ/৭৯
- কোন পিনে অসমীয়াৰ জাতীয় উৎসৱ বিহু ✍ মমতা দাস/৮০
- গীতাৰ জীৱনৰ লক্ষ্য ✍ জিমি কলিতা/৮০
- সংৰক্ষণ ✍ নিবল শৰ্মা/৮১
- মানুহৰ ভুল ধাৰণা আৰু ইয়াৰ পৰিণতি ✍ চন্দামিতা শৰ্মা/৮২
- নাৰীৰ মুক্তি কেতিয়া ✍ মিতালী কলিতা/৮৩
- নাৰী শিক্ষাৰ আৱশ্যকতা ✍ হৰ্ষিতা গোস্বামী/৮৪
- জীৱন দলিচা ঃ এক অভিজ্ঞতা ✍ গীতাঞ্জলি দাস/৮৫
- Report on Republic day Parade Camp 2020, New Delhi ✍ Dr. Mitali Kathkatia/৮৬
- গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা
  দিনাংক ঃ ০৩ ৰ পৰা ০৬ ফেব্ৰুৱাৰীলৈ, ২০২০ চন
  ✍ হবিবুৰ ৰহমান/৮৯
- বিধবাৰ বিয়া ঃ এক চিন্তা ✍ ৰূপালী নাভা/৯০



## মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা ঃ


- দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ আৰু কিছু ইতিবাচক প্ৰাসংগিক চিন্তা ✍ ড° কিশোৰ শৰ্মা/ ৯১.
- দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয় ✍ চাবিফুল নেচা/ ৯৪
- দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সংৰক্ষিত বাতৰি কাকত ✍ নমিতা কুমাৰী/ ৯৮
- বিভাগীয় প্ৰতিবেদন/ ১০১
- ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল/ ১১০
- অন্যান্য/ ১১৪


# প্ৰবন্ধ শিতান

- সাঁচিপাত - ইয়াৰ ব্যৱহাৰ আৰু সংৰক্ষণ
- আন্তঃৰাষ্ট্ৰীয় কৃত্ৰিম ভাষা ঃ এছপিৰেণ্ট'
- জাঁ-প'ল- ছাৰ্ত্ৰেৰ অস্তিত্ববাদ
- ঈশ্বৰবাদৰ বিৰোধী মতবাদ
- ৰীৰেন্দ্ৰ স্মৰণ
- শ্ৰীমন্ত শংকৰদেৱৰ ভক্তিতত্ত্ব আৰু বৈদিক চিন্তা
- ISSUES OF ENVIRONMENTAL DEGRADATION AND CONSERVATION
- Citizenship Amendment Act (CAA) in India
- NOBEL IN ECONOMICS-2019





# সাঁচিপাত - ইয়াৰ ব্যৱহাৰ আৰু সংৰক্ষণ

✍ চেমিম চুলতানা
স্নাতক, ৫ম ষাণ্মাসিক

**আৰম্ভণি ঃ**


পুৰণি অসমৰ এবিধ মূল্যবান সামগ্ৰী হৈছে সাঁচিপাত। এই সাঁচিপাত সমূহ অতীত কালত লেখাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। সাঁচিপাত হ'ল সাঁচিগছৰ বাকলিৰ পৰা তৈয়াৰ কৰা পুথি। এই সাঁচিগছ সমূহ উত্তৰ পূব-ভাৰতৰ এক গুৰুত্বপূৰ্ণ আৰু সুগন্ধযুক্ত উদ্ভিদ। ইয়াৰ বৈজ্ঞানিক নাম হ'ল Aquilaria agallocha। অসম ৰাজ্যৰ অন্তৰ্গত নগাঁও, গোলাঘাট, যোৰহাট আৰু শিৱসাগৰ জিলাত এইবিধ গছৰ অস্তিত্ব পোৱা যায়। ৰজনৰ দৰে সুগন্ধিযুক্ত এই সাঁচিগছক অগৰু বুলিও কোৱা হয়। এই গছৰ পৰাই সুগন্ধিযুক্ত তেল আৰু আতৰ তৈয়াৰ কৰা হয়।

উল্লেখযোগ্য যে এই অগৰু বহনকাৰী সাঁচিগছজোপা দেখিবলৈ বেমাৰী গছ এজোপাৰ নিচিনা আৰু পাঁচ বছৰতকৈ অধিক বয়সৰ গছহে এইক্ষেত্ৰত ব্যৱহাৰযোগ্য। সাঁচিগছৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হৈছে সাঁচিপাত।

**সাঁচিপাতৰ প্ৰস্তুতি ঃ**

পুৰণি কালত অসমত লেখন কাৰ্যৰ বাবে সাঁচিগছৰ বাকলিৰ পৰা বিশেষ প্ৰক্ৰিয়াৰে সাঁচিপাত তৈয়াৰ কৰা হৈছিল। চাৰ এডৱাৰ্ড গেইটে "A History of Assam" গ্ৰন্থত সাঁচিপাতৰ প্ৰস্তুতিৰ বিষয়ে বিস্তৃত বৰ্ণনা আগবঢ়াইছে। তেওঁ লিখিছে যে- ৩০/৩৫ ইঞ্চি বেৰৰ পোন্ধৰ-যোল্ল বছৰীয়া অগৰু গছ এডাল বাচি লৈ মাটিৰ পৰা চাৰি ফুটমান ওপৰৰ বাকলি ছয় ফুটৰ পৰা ওঠৰ ফুটলৈ দীঘল আৰু তিনিৰ পৰা সাতাইশ ইঞ্চিলৈ বহল কৰি একবাই ভিতৰৰ ফালটো বাহিৰলৈ কৰি নুৰিয়াই লৈ ৰ'দত কেইবাদিনো শুকুৱাব লাগে। বাকলিৰ ওপৰৰ টান ভাগটো এৰুৱাবৰ বাবে হাতেৰে কাঠৰ তক্তা বা তেনে জাতীয় আন বস্তুৰে ঘঁহি নিয়ৰত এনিশা ৰাখি পিছদিনা পুৱাৰ ভাগতে অতি সাৱধানে ওপৰৰ নিকনিখন গুচাই সুবিধামতে ৯ ইঞ্চিৰ পৰা ২৯ ইঞ্চিলৈ বহল কৰি কাটিব লাগে। তেনেকৈ কাটি লোৱা ছালৰ পৰা খাৰ পানী গুচাবলৈ এঘণ্টা চেঁচা পানীত ডুবাই থৈ কটাৰীৰে চাচি ওপৰফালটো মিহি কৰা প্ৰয়োজন।

তাৰ পিছত ভালদৰে ৰ'দত দি পোৱা ইটাৰে ঘঁহিব লাগে। একেবাৰে শেষত মাটি মাহেৰে তৈয়াৰ কৰা কৰাল আৰু হালধীয়া ৰং সানি পাতবোৰ ৰ'দত শুকুৱাই ধাতুৰে মোহাৰি চিক্‌মিকীয়া কৰাব



(সাঁচি পাতৰ ছবি)



(অগৰু গছৰ ছবি)

পিছতহে সেইবোৰ লিখাৰ বাবে উপযোগী হয়। লিখাৰ উপযোগী হৈ উঠা সাঁচিপাতবোৰ এখনৰ ওপৰত এখন জাপি কুটনিৰে জুখি সোমাজত এটা বিন্ধা কৰিব লাগে। এই বিন্ধাটোৰ নাম নাভিৰন্ধ্ৰ। ইতিমধ্যে সাজু কৰি লোৱা সাঁচিপাতত লিখা কাম আৰম্ভ কৰাৰ আগতেই জোখ কৰি সূক্ষ্ম কলমেৰে সমান দূৰত্বত শাৰী টনা হয়

যাতে আখৰবোৰ নিমজ আৰু শাৰীবোৰ পোন হয়। দুয়ো পিঠিত লিখা পাতবোৰৰ নাভিটোৰ চাৰিওফালে কিছু উকা ঠাই ৰখা হয় আৰু কূট দিয়া পাতবোৰত ক্ৰমাংক বহুওৱা হয়। বিভিন্ন দ্ৰব্যৰে তৈয়াৰী চিয়াহী আৰু প্ৰকৃতি প্ৰদত্ত কলম কুটনী আঁকনি-মাৰি আৰু বিষ্কনা আদি সামগ্ৰী ব্যৱহাৰ কৰি লিপিকৰে অতি যত্নৰে একেধৰণৰ চিকুনিকীয়া আখৰ লিখিছিল। বিভিন্ন দ্ৰব্য মোহাৰি গুৰি কৰি মিশ্ৰিত কৰাৰ পিছত 'মহী'ৰ ৰূপ লোৱাৰ বাবে পুৰণি কালত ব্যৱহৃত চিয়াহীক 'মহী' বোলা হৈছিল। এই চিয়াহী আছিল পিছল, মিহি আৰু স্বচ্ছ। সাঁচিপাতত লিখা সকলো ধৰণৰ চিয়াহী ৰাখিবলৈ ব্যৱহাৰ কৰা পাত্ৰটো বাঁহেৰে তৈয়াৰী আছিল। এই পাত্ৰটোক চুঙা বা মহীচুঙা বোলা হৈছিল। এইদৰে প্ৰস্তুত কৰি থোৱা চিয়াহীৰে বাঁহৰ গুৰি চাঁচি কৰা কলম নাইবা ঢেকীয়াৰ ঠাৰিৰে লিখিছিল আৰু কোনো কোনোৱে হাঁহ, ম'ৰা চৰাইৰ পাখিৰেও লিখিছিল। দীঘলে দহ, আঠ আৰু চাৰি আঙুলিৰ ভিতৰত হ'বলগীয়া জোখৰ এই কলম সমূহক কাপ বোলা হৈছিল। এনেদৰে অতি শ্ৰমেৰে সাঁচিপাত সমূহ প্ৰস্তুত কৰি উলিয়াইছিল।

সাঁচিপাতৰ ব্যৱহাৰ ঃ

সাঁচিপতীয়া পুথিসমূহে সমসাময়িক অসমৰ ইতিহাসৰ বিভিন্ন ঘটনাৱলীৰ তথ্য বা বিভিন্ন দিশ আমাৰ আগত দাঙি ধৰে। সেয়ে এই পুথিসমূহ অত্যন্ত গুৰুত্বপূৰ্ণ তথা ব্যৱহাৰ উপযোগী। এই সাঁচিপাত সমূহে সমসাময়িক অসমৰ সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতি, শিক্ষা ব্যৱস্থাৰ নিদৰ্শন বহন কৰিছে। বেজালি পুথিসমূহে অসমৰ চিকিৎসা পদ্ধতিৰ এক পৰম্পৰা বহন কৰিছে। বনৌষধি বিষয়ক পুথিসমূহত অসমৰ বহুতো মূল্যবান গছ-লতা, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ নাম পোৱা যায়। অসমীয়া লিপি বা অসমীয়া আখৰৰ বিভিন্ন ভাগ এই পুথি সমূহত প্ৰতিফলিত হৈছে।

ওপৰত উল্লেখ কৰা ধৰণে সাঁচিপতীয়া পুথিসমূহে বিভিন্ন সময়ৰ ঘটনাৱলীৰ তথ্য আমাৰ আগত দাঙি ধৰি সাঁচিপাতবোৰৰ বিভিন্ন কাৰ্যৰ পৰিচয় দিছে। নিত্যানন্দ কায়স্থৰ "শ্ৰী ভাগৱত মহা চৰিত্ৰ, লৱ-কুশৰ যুদ্ধ, ধৰ্ম পুৰাণ কীৰ্তন লতা কটা পুথি, চাহাপৰী উপাখ্যান, শল্যপৰ্ব" আদি প্ৰাপ্ত পুথি সমূহে ইয়াৰ উদাহৰণ দাঙি ধৰে। এই পুথিসমূহত লিখাবোৰৰ মাজে মাজে চিত্ৰও অংকন কৰা দেখা যায়। ধৰ্মগ্ৰন্থ, চৰিত পুথি, বুৰঞ্জী, গণিত, জ্যোতিষ, স্থাপত্য, ভাস্কৰ্য্য, তন্ত্ৰমন্ত্ৰ পুথি, নিদান, হাতী, ঘোঁৰা, গৰু আদিৰ চিকিৎসা পুথি, পুখুৰী খন্দা আদি বিষয়ৰ পুথি সাঁচিপাতত লিখা পোৱা গৈছে। ভিন্নৰঙী চিত্ৰবোৰৰ বাবে সাঁচিপতীয়া পুথিসমূহে মনোমোহা ৰূপ ধাৰণ কৰি সকলোকে আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। সাঁচিপাতৰ আন আন ব্যৱহাৰ হ'ল ইয়াক আহোম সকলে ৰাজকীয় নথি-পত্ৰ, গোচৰৰ প্ৰতিলিপি লিখাৰ বাবেও ব্যৱহাৰ কৰিছিল। এই কামৰ তদাৰক কৰিবলৈ 'বৰুৱা' নিয়োগ কৰা হৈছিল।



(সাঁচিপাত সমূহ সংৰক্ষিত আলমিৰাৰ ছবি)

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সংৰক্ষিত সাঁচিপাত ঃ

কামৰূপ জিলাৰ মিৰ্জাত ১৯৮৮ চনত প্ৰতিষ্ঠিত এই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়। এই মহাবিদ্যালয়ত ১৯৯৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ১১ তাৰিখে পলাশবাৰী সাহিত্য সভাৰ চতুৰ্ত্ৰিংশতিতম্ অধিবেশনৰ লগত সংগতি ৰাখি আয়োজন কৰা প্ৰদৰ্শনীৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ৰ শুভাৰম্ভ কৰা হৈছিল। এই সংগ্ৰহালয় স্থাপন কৰাৰ উদ্দেশ্য আছিল আমাৰ অসম তথা দক্ষিণ কামৰূপ অঞ্চলৰ ঐতিহাসিক মূল্যবান সামগ্ৰীসমূহ সংৰক্ষিত কৰি ৰাখি তাৰ বিষয়ে ছাত্ৰীসকলক জ্ঞান প্ৰদান কৰা। গতিকে আমাৰ এই মহাবিদ্যালয়ত কিছুমান পুৰণি মূল্যবান সামগ্ৰী যেনে- মুদ্ৰা, দোলা, পানীৰ পাত্ৰ, যুদ্ধ সামগ্ৰী আদিৰ লগতে কিছুমান হাতে লিখা পুথি অৰ্থাৎ সাঁচিপাত সংৰক্ষিত কৰি ৰখা হৈছে। আমাৰ মহাবিদ্যালয় সংগ্ৰহালয়ত থকা সাঁচিপাত সমূহ হ'ল—





| Sl. No. | Title | Data |
|---|---|---|
| 1 | Title of Manuscripts | Mahavharata (Vanaparva) (Incomplete) |
| | Subject | Epic |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Ram Sawaswati |
| | No. of folios | 20 |
| | Line per folio | 8 |
| 2 | Title of Manuscripts | Dasam (Adi) (Incomplete) |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Sanakardeva |
| | No. of folios | 18 |
| | Line per folio | 7 |
| | Size in C.M | L-27.8/B-11 |
| 3 | Title of Manuscripts | Panclava Nirjuna (?) Incomplete (demaged) |
| | Subject | Religious/Epic |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Sanakardeva |
| | No. of folios | 33 |
| | Line per folio | 11 |
| | Size in C.M | L-21/B-10 |
| 4 | Title of Manuscripts | Vishnavamitra (Incomplete) |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Aspcryphal |
| | No. of folios | 11 |
| | Line per folio | 9 |
| | Size in C.M | L-27.7/B-13 |
| 5 | Title of Manuscripts | Santi parva (Mahabharata) (Incomplete) |
| | Subject | Epic |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Ram saraswati |
| | No. of folios | 1 |
| | Line per folio | 6 |
| | Size in C.M | L-28.3/B-10.9 |
| 6 | Title of Manuscripts | Suchi (Incomplete) |
| | Subject | Inde of a MS |
| | Material | Sanchipat |
| | Language | Sanskrit |
| | Script | Bamuniya |
| | Writer | Ram saraswati |
| | No. of folios | 1 |
| | Line per folio | 14 |
| | Size in C.M | L-43.5/B-8 |
| 7 | Title of Manuscripts | Prayascitta Prakarse (Complete) |
| | Subject | Purificatory Rites |
| | Material | Paper |
| | Language | Sanskrit |
| | Script | Mixed bamuniya |
| | Writer | Purnachandra |
| | No. of folios | 84 |
| | Line per folio | 7 |
| | Size in C.M | L-44/B-9 |
| 8 | Title of Manuscripts | Nam-Ghosa (Incomplete) |
| | Subject | Devotinal Song |
| | Material | Sanchipat |
| | Language | Old Assamese |
| | Script | Kaithali |

| | | |
|---|---|---|
| | Writer | Madhavadeva |
| | No. of folios | 41 |
| | Line per folio | 10 |
| | Size in C.M | L-27.8/B-8 |
| 9 | Title of Manuscripts | Puja Vidhi |
| | Subject | Rites |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Modern Mixed Kaithali |
| | No. of folios | 1 |
| | Line per folio | 7 |
| | Size in C.M | L-32/B-10.3 |
| 10 | Title of Manuscripts | Not found |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Modern Mixed Kaithali |
| | No. of folios | 1 |
| | Line per folio | 7 |
| | Size in C.M | L-32/B-10.3 |
| 11 | Title of Manuscripts | Prayaga Rtanamala vyakarn (Incomplete) |
| | Subject | Grammer |
| | Material | Paper |
| | Language | Sanskrit |
| | Script | Bamuniya |
| | Writer | Pururspttom Bhattacharya |
| | No. of folios | 36 (1 cover) |
| | Line per folio | 7 |
| | Size in C.M | L-31.5/B-9.5 |
| 12 | Title of Manuscripts | Vidhi (Incomplete) |
| | Subject | Rites |
| | Material | Paper |
| | Language | Sanskrit |
| | Script | Bamuniya |

| | | |
|---|---|---|
| | No. of folios | 32 |
| | Line per folio | 8 |
| | Size in C.M | L-31/B-10.5 |
| 13 | Title of Manuscripts | Prayacitta Prakarana (Incomplete) |
| | Subject | Rites |
| | Material | Sanchipat |
| | Language | Sanskrit |
| | Script | Bamuniya |
| | No. of folios | 62 |
| | Line per folio | 10 |
| | Size in C.M | L-34.5/B-8.5 |
| 14 | Title of Manuscripts | Bhakti ratnawali (?) (Incomplete) |
| | Subject | Religious |
| | Material | Sanchipat |
| | Language | Old Assamese |
| | Script | Kaithali |
| | No. of folios | 47 |
| | Line per folio | 14 |
| | Size in C.M | L-26/B-9 |
| 15 | Title of Manuscripts | Prayacitta Prakaran (Incomplete) |
| | Subject | Vidhi |
| | Material | Paper Pulp |
| | Language | Sanskrit |
| | Script | Bamuniya Mixed |
| | No. of folios | 67 |
| | Line per folio | 7 |
| | Size in C.M | L-36.7/B-9 |
| 16 | Title of Manuscripts | Nam-ghosa (Complete) |
| | Subject | Verse |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Madhavadeva |
| | No. of folios | 69 |





| | | |
|---|---|---|
| | Line per folio | 10 |
| | Size in C.M | L-22.2/B-9.5 |
| 17 | Title of Manuscripts | Vyavastha Sara (?) (Incomplete) |
| | Subject | Rites |
| | Material | Sanchipat |
| | Language | Sanskrit |
| | Script | Kaithali Mixed |
| | No. of folios | 23 |
| | Line per folio | 8 |
| | Size in C.M | L-34.2/B-8 |
| 18 | Title of Manuscripts | Bhagavata canyo (VIII) (Incomplete) |
| | Subject | Religious |
| | Material | Sanchipat |
| | Language | Old Assamese |
| | Script | Kaithali |
| | No. of folios | 91 |
| | Line per folio | 12 |
| | Size in C.M | L-33.5/B-9 |
| 19 | Title of Manuscripts | Srimad Bhagavat Gita (Incomplete) |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Modern Mixed Kaithali |
| | Writer | Govinda Mishra |
| | No. of folios | 38 |
| | Line per folio | 9 |
| | Size in C.M | L-32/B-10.7 |
| 20 | Title of Manuscripts | Katha ghosa (Incomplete) |
| | Subject | Religious Prose |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | No. of folios | 18 |
| | Line per folio | 12 |

| | | |
|---|---|---|
| | Size in C.M | L-31.1/B-14.1 |
| 21 | Title of Manuscripts | Nam-Ghosa (Incomplete) |
| | Subject | Religious Verse |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Modern |
| | No. of folios | 3 |
| | Line per folio | 7/8 |
| | Size in C.M | L-26.3/B-9.3 |
| 22 | Title of Manuscripts | Kirttan (Lila Mela) (Incomplete) |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali Bamuniya style |
| | Writer | Sankaradeva |
| | No. of folios | 6 |
| | Line per folio | 7 |
| | Size in C.M | L-16.7/B-6.7 |
| 23 | Title of Manuscripts | Vishavamrita (Incomplete) |
| | Subject | Religious |
| | Material | Sanchipat |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Apocryhal |
| | No. of folios | 17 |
| | Line per folio | 8 |
| | Size in C.M | L-27.7/B-6.7 |
| 24 | Title of Manuscripts | Sattya naraynar pdda (Incomplete) |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | No. of folios | 12 |
| | Line per folio | 9 |

| | | |
|---|---|---|
| | Size in C.M | L-27/B-10 |
| 25 | Title of Manuscripts | Prayacitta vidhi (Incomplete) |
| | Subject | Rites |
| | Material | Paper |
| | Language | Sanskrit |
| | Script | Bamuniya |
| | No. of folios | 7 |
| | Line per folio | 7 |
| | Size in C.M | L-31.1/B-10.5 |
| 26 | Title of Manuscripts | Vidhi (Incomplete) |
| | Subject | Rites |
| | Material | Paper |
| | Language | Sanskrit |
| | Script | Kaithali Mixed Modern |
| | No. of folios | 4 |
| | Line per folio | 3/8 |
| | Size in C.M | L-23.9/B-9.5 |
| 27 | Title of Manuscripts | Vidhi (Incomplete) |
| | Subject | Rites |
| | Material | |
| | Language | Sanskrit |
| | Script | Mixed |
| | No. of folios | 10 |
| | Line per folio | |
| | Size in C.M | L-25.9/B-10 |
| 28 | Title of Manuscripts | Bhag - XI (Incomplete) |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Modern Mixed Bengali |
| | Writer | Sankaradeva |
| | No. of folios | 1 |
| | Line per folio | 7 |

| | | |
|---|---|---|
| 29 | Title of Manuscripts | Kirttan (Sisu lila) (Incomplete) |
| | Subject | Religious Verse |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | No. of folios | 6 |
| | Line per folio | 6 |
| | Size in C.M | L-21.3/B-8.5 |
| 30 | Title of Manuscripts | Vyadha caritra (Incomplete) |
| | Subject | Assamese Verse |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | No. of folios | 1 |
| | Line per folio | 6 |
| | Size in C.M | L-21.3/B-8.5 |
| 31 | Title of Manuscripts | Sttya Narayana Stava (Incomplete) |
| | Subject | Hymn |
| | Material | Paper |
| | Language | Sanskrit & Old Assamese |
| | Script | Bamuniya Mixed |
| | Writer | Sridhar |
| | No. of folios | 18 |
| | Line per folio | 7 |
| | Size in C.M | L-27.3/B-9.3 |
| 32 | Title of Manuscripts | Prayacitta vidhi (?) (Incomplete) |
| | Subject | Rites |
| | Material | Sanchipat |
| | Language | Sanskrit |
| | Script | Bamuniya |
| | No. of folios | 2 |
| | Line per folio | 9 |
| | Size in C.M | L-32/B-8.5 |





| | | |
|---|---|---|
| 33 | Title of Manuscripts | Suddhi tattua (?) (Incomplete) |
| | Subject | Rites |
| | Material | Sanchipat |
| | Language | Sanskrit |
| | Script | Bamuniya |
| | No. of folios | 1 |
| | Line per folio | 11 |
| | Size in C.M | L-30.7/B-8.4 |
| 34 | Title of Manuscripts | Jyotish (Incomplete) |
| | Subject | Astrologycal Account |
| | Material | Sanchipat |
| | Language | Sanskrit |
| | Script | Bamuniya |
| | Writer | Banslloadaw Pwija |
| | No. of folios | 2 |
| | Line per folio | 11 |
| | Size in C.M | L-32.5/B-7.8 |
| 35 | Title of Manuscripts | Ritu Samihara (Incomplete) |
| | Subject | Kavya |
| | Material | Paper |
| | Language | Sanskrit |
| | Script | Bamuniya |
| | Writer | Kalidasa |
| | No. of folios | 8 |
| | Line per folio | 5 |
| | Size in C.M | L-27/B-8.3 |
| 36 | Title of Manuscripts | Vidhi (Incomplete) |
| | Subject | Rites |
| | Material | Sanchipat |
| | Language | Sanskrit |
| | Script | Kaithali |
| | No. of folios | 1 |
| | Line per folio | 14 |
| | Size in C.M | L-30.9/B-9.2 |

| | | |
|---|---|---|
| 37 | Title of Manuscripts | Uttrakanda Ramayana (Complete) |
| | Subject | Epic |
| | Material | Sanchipat |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Sankardeva |
| | No. of folios | 75 |
| | Line per folio | 9 |
| | Size in C.M | L-27.4/B-7 |
| 38 | Title of Manuscripts | Ramayana lanka kanda (?) (Incomplete) |
| | Subject | Epic |
| | Material | Sanchipat |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Madhava Kandali |
| | No. of folios | 24 |
| | Size in C.M | L-36.2/B-10 |
| 39 | Title of Manuscripts | Vaisnava mrita (Incomplete) |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Apocryphal |
| | No. of folios | 9 |
| | Line per folio | 10 |
| 40 | Title of Manuscripts | Bhagavata Katha canto I to X (Incomplete) |
| | Subject | Religious |
| | Material | Sanchipat |
| | Language | Old Assamese |
| | Script | Kaithali |
| | Writer | Vaikuntha Nath Bhattacharya |
| | No. of folios | 188 |
| | Line per folio | 17 |
| | Size in C.M | L-37.7/B-10.2 |

| | | |
|---|---|---|
| 41 | Title of Manuscripts | Gita (Verse) (Incomplete) |
| | Subject | Religious |
| | Material | Paper |
| | Language | Old Assamese |
| | Script | Kaithali Bamuniya Style |
| | Writer | Givinda Misra |
| | No. of folios | 55 |
| | Line per folio | 11 |
| | Size in C.M | L-31.5/B-11 |

**সাঁচিপতীয়া পুথিৰ অসুবিধা ঃ**

সাঁচিপাত সমূহ অতি মূল্যবান যদিও এই সাঁচিপতীয়া পুথিৰ প্ৰধান অসুবিধা হ'ল- এই পুথিসমূহ বিভিন্ন কাৰণত নষ্ট হোৱা পৰিলক্ষিত হয়। পুথিবিলাকৰ ক্ষয় ক্ষতিৰ কাৰণসমূহ তলত উল্লেখ কৰা হ'ল—

১। পুথিৰ পাতবিলাকৰ বিভিন্ন ঠাইত দাগ পৰে।

২। সাধাৰণতে সৰহভাগ পুথিৰেই পাত বিলাকৰ দাঁতিত ক'লা দাগ পৰে। অযতনে পেলাই থলে ঘনাই হাতেৰে স্পৰ্শ কৰিলে আৰু তেল ঘহিলে এনে দাগ পৰে।

৩। সাঁচিপাতৰ পুথি পোকৰ দ্বাৰা আক্ৰান্ত হয়। Gastrallus indicus নামৰ এবিধ সৰু পোক। সাঁচিপাতৰ পুথি একোখন এই বিধ পোকে সম্পূৰ্ণৰূপে বিনষ্ট কৰি পেলাব পাৰে।

৪। ভেঁকুৰ বা কাঠফুলাৰ দ্বাৰা সাঁচিপাতৰ পুথি নষ্ট হয়।

৫। বহুতো পুথিৰ পাতবিলাকৰ মাজত দাঁতিৰ ফালে ছিগি নষ্ট হয়।

৬। কেতিয়াবা পাতবিলাকৰ আখৰ উঠি যায়।

৭। পুথিৰ পাতবিলাক দুৰ্বল হ'লে পুথিখন সোনকালেই ছিগি বা ফালি নষ্ট হয়।

**সাঁচিপাত সংৰক্ষণ পদ্ধতি ঃ**

অধিকাংশ ধৰ্মীয় কথাৰ সম্ভাৰ এই সাঁচিপতীয়া পুথিসমূহক পৰম্পৰাগতভাৱে পৈত্ৰিক সম্পত্তিৰ নিচিনাকৈ সংৰক্ষণ কৰি ৰখা ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত ইতিহাসৰ মূল্যবান তথ্য সম্পৰ্কে আমি জানিব পাৰিছো। বিভিন্ন আকৃতিত প্ৰাপ্ত এই পুথিসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুঢ়া আঙুলিৰ সমান জোখৰ শংকৰদেৱৰ সম্পূৰ্ণ গীতা, ড° ভূঞাই পোৱা ডেৰ ইঞ্চি পুতল আৰু তিনি ইঞ্চি দীঘল জোখৰ আহোম মন্ত্ৰৰ পুথি, ২.৮X১.৫ ছেমিঃ জোখৰ গুণমালাৰ প্ৰতিলিপি উল্লেখযোগ্য। আনহাতে 'বকলা পুথি' নামে খ্যাত দীঘলীয়া সাঁচিপাতত জাপে জাপে আখৰ লিখা এই পুথিখন আঠফুট দীঘল আৰু ছয় ইঞ্চি বহল জোখৰ। শোণিতপুৰৰ নিকামূল সত্ৰৰ সৌৰৱণীত লিখা 'বকলা পুথি' নামে সাঁচিপাত কেৰাখনো সংৰক্ষিত আছে বুলি জনা যায়। সাঁচিপাতৰ পুথি সমূহ বিভিন্ন উপায়েৰে সংৰক্ষণ কৰি ৰাখিব পাৰি। তলত এই উপায় সম্পৰ্কে আলোচনা কৰা হ'ল।

১। সাঁচিপাতৰ পুথি পোনতেই ধূলি মুক্ত কৰিব লাগে। নিমজ ব্ৰাছৰ সহায়েৰে পাতবিলাক খুব সাবধানেৰে লাহে লাহে মচি ধূলি আঁতৰাব লাগে।

২। পাতিত পানীয়েই (Distilled Water) সাঁচিপাতৰ মলি অথবা দাগ পৰিষ্কাৰ কৰাৰ উত্তম পদাৰ্থ। মিহি কপাহী কাপোৰ এডোখৰ পাতিত পানীত তিয়াই পাত একোখিলা মচি পৰিষ্কাৰ কৰিব লাগে। পৰিষ্কাৰ কৰাৰ অন্তত পাতখিলা দুখন Blotting Paper ৰ মাজত থৈ শুকাই দিব লাগে।

৩। পাতিত পানীৰ অভাৱ হ'লে Hydrogen Perxide ব্যৱহাৰ কৰিও সাঁচিপাত পৰিষ্কাৰ কৰিব পাৰি।

৪। যিবিলাক সাঁচিপাতত ছবি অঁকা থাকে বা যিবোৰ চিত্ৰাংকিত সাঁচিপাত সেইবোৰৰ ক্ষেত্ৰত পানী ব্যৱহাৰ কৰিব নোৱাৰি। এইবোৰ পৰিষ্কাৰ কৰিবলৈ হ'লে অজলীয় দ্ৰাৱক যেনে ঃ Ethyl alcohol বা tolune or xylen বা trichloroethlene ব্যৱহাৰ কৰিব লাগে। একেবাৰে জৈৱিক দ্ৰাৱকৰ ব্যৱহাৰ সাঁচিপাতৰ বাবে ক্ষতিকাৰক। জৈৱিক দ্ৰাৱক সঘনাই প্ৰয়োগ কৰিলে সাঁচিপাতৰ বহুতো স্বাভাৱিক উপকৰণ Natural Products নোহোৱা হৈ যায়।

৫। পাতবিলাক আঠা লগাৰ দৰে হ'লে Acetone ব্যৱহাৰ কৰি পৰিষ্কাৰ কৰিব লাগে।

৬। মিহি কপাহী কাপোৰ এডোখৰ পাতিত পানীত তিয়াই ethanal সানি সাঁচিপাতৰ ভেঁকুৰ পৰিষ্কাৰ কৰিব পাৰি।

৭। সাঁচিপাতৰ পুথিৰ পাতবিলাকৰ মাজডোখৰ অথবা দাঁতিৰফাল ছিগি নষ্ট হয়। প্ৰতিকূল জলবায়ুৰ বাবেই পাতবিলাক এইদৰে ছিগি নষ্ট হয়। ছিগা পাত লগ লগাই আগৰ অৱস্থালৈ অনাটো বিশেষজ্ঞৰ কাম। ছিগা পাতবিলাক তৰল Polyvinyl acetatcmulsion ৰ সহায়ত পুনৰ লগ লগাব পাৰি।

৮। সাঁচিপাতৰ পুথিৰ আখৰ অস্পষ্ট হ'লে বা আখৰ বিলাক উঠি যোৱাৰ দৰে হ'লে তেলৰ লগত পৰিষ্কাৰ Characoal Powder মিহলাই প্ৰয়োগ কৰিলে আখৰবিলাক স্পষ্ট হয়।

৯। সাঁচিপাতৰ পুথিৰ উপৰিভাগৰ আখৰ বহুসময়ত চিয়াহী বিয়পি পৰাৰ হেতুকে আখৰখিনি অস্পষ্ট হৈ পঢ়িব নোৱাৰা হয়। দ্ৰৱণীয় Nylon ৰ ২% দ্ৰব্য Ethyle alchohal ৰ সৈতে মিহলাই প্ৰয়োগ কৰি বিয়পি পৰা চিয়াহীখিনি মচি পেলাব পাৰি বা উঠাই দিব পাৰি।

১০। প্ৰস্তুত কৰাৰ পিছত সাঁচিপাতৰ পাত বিলাক কোমল বা নমনীয় অৱস্থাতেই থাকে। দিন বাগৰাৰ লগে লগে পাত বিলাক ডাঠ হয় আৰু তেতিয়া সহজেই ছিগি যায়। পাতবিলাকৰ কোমলতা অটুট ৰাখিবলৈ চিত্ৰনলা অথবা Lemon grass তেল পাতবিলাকত প্ৰয়োগ কৰিব লাগে।

১১। সাধাৰণতে পাতবিলাকৰ দাঁতিৰ অংশ মাজৰ অংশতকৈ দুৰ্বল হয়। দাঁতিৰ ফালে কোমল ব্ৰাছৰ সহায়েৰে aerylie emulsion ৰ প্ৰয়োগৰ দ্বাৰাই পাতল স্তৰ এটা তৈয়াৰ কৰিব পাৰি। ই পাতবিলাকৰ আঁহবিলাক একত্ৰিত কৰি ধৰি ৰখাত সহায় কৰে।

সাঁচিপাতৰ পুথিসমূহ অসমৰ সংস্কৃতিৰ অতিশয় মূল্যবান সম্পদ। যিখিনি, পুথি বৰ্তমান আছে সেইখিনি পুথি উপযুক্তভাৱে সংৰক্ষণ কৰাটো অতি প্ৰয়োজন। গতিকে ওপৰত উল্লেখ কৰা পদ্ধতিৰ জৰিয়তে এই পুথিসমূহ সংৰক্ষিত কৰি ৰাখিব পাৰিলে ভবিষ্যত প্ৰজন্মই জনাত সুবিধা পাব।

**সামৰণি ঃ**

সাঁচিপাতৰ পুথিসমূহ অসমৰ সংস্কৃতিৰ অতিশয় মূল্যবান সম্পদ। এই পুথিসমূহৰ পৰা আমি সমসাময়িক অসমৰ ইতিহাস বা অতীত অসমৰ সংস্কৃতিৰ বিষয়ে কিছুমান ধৰ্মীয় ৰীতি-নীতিৰ কথা জানিব পাৰো। সেয়েহে এই মূল্যবান পুথি সমূহ উপযুক্তভাৱে সংৰক্ষণ কৰি ভবিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষিত কৰি ৰাখিব লাগিব। তেতিয়াহে ভবিষ্যত প্ৰজন্মই এই পুথি সমূহৰ বিষয়ে আৰু তাৰপৰা অতীত অসমৰ সাহিত্য, সংস্কৃতি চৰ্চাৰ বিষয়ে জানিব পাৰিব। সাঁচিপতীয়া পুথিসমূহ যিহেতু এবাৰ আমাৰ মাজৰ পৰা হেৰালে ইয়াক আৰু পাবলৈ নাই সেয়েহে পুথিসমূহ উন্নত বিজ্ঞান সন্মত পদ্ধতিৰে পৰিষ্কাৰ পৰিচ্ছন্নকৈ ৰাখিলে শিক্ষাৰ্থী সকলৰ বাবে আকৰ্ষণীয় হৈ পৰিব আৰু সকলো ধৰণৰ ক্ষয়-ক্ষতিৰ পৰাও ৰক্ষা পৰিব। ■


**প্ৰকল্প প্ৰস্তুত কৰণত সহায়ক পুথিসমূহ ঃ**

১। ছমৰীয়াসত্ৰৰ হাতেলিখা পুথি পাজি সাঁচিপাত, তুলাপাত ইত্যাদি- নবকান্ত অধিকাৰী।
২। Museum Buletin - Dakshin Kamrup Girls' College Museum (Volume - 1, 2002)
৩। Museum Buletin (Volume-III, 11 February-2010)
৪। ৰূপালীম (2012-13)



**প্ৰকল্পপত্ৰৰ তথ্য সংগ্ৰহ কৰোতে সহায় কৰা ব্যক্তিসকল ঃ**

১। ড° লীলাৱতী চৌধুৰী
২। সংঘমিত্ৰা সিন্‌হা
৩। ড° নবকান্ত অধিকাৰী
৪। বিপুন দলে

# আন্তঃৰাষ্ট্ৰীয় কৃত্ৰিম ভাষা ঃ এছ্‌পিৰেণ্ট'

✍ ড° জগন্নাথ বৰ্মন
*অসমীয়া বিভাগ*



ডাঃ ঝমেনহফ

ভাষাৰ ৰূপ বিভিন্ন। একে ভাষাৰ মাজত বিভিন্ন ৰূপ থকাৰ দৰে ভিন্ন ভাষাৰ মাজতো সুযোগ, পৰিস্থিতি ইত্যাদি কাৰণত নানা ৰূপ থাকে। ব্যক্তি ভাষা, আঞ্চলিক ভাষা, মান্যভাষা, উপভাষা, কথিত, লিখিত, সামাজিক উপভাষা আদি একে ভাষাৰ ভিতৰৰ বিভিন্ন ৰূপ। মাতৃভাষা, ৰাজ্যভাষা, ৰাষ্ট্ৰভাষা, উমৈহতীয়া ভাষা, মিশ্ৰ ভাষা, গোপন ভাষা, আন্তঃৰাষ্ট্ৰীয় ভাষা আদি ভিন্ন ভাষাৰ অন্তৰ্ভুক্ত বিভিন্ন ৰূপ। বিভিন্ন ৰাষ্ট্ৰৰ মাজত ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, বাণিজ্যিক, সাংস্কৃতিক বিনিময় ইত্যাদি দিশৰ যোগাযোগ সৃষ্টিৰ বাবে আন্তঃৰাষ্ট্ৰীয় মান লাভ কৰা ভাষাকে আন্তঃৰাষ্ট্ৰীয় ভাষা বোলে। আন্তঃৰাষ্ট্ৰীয় ভাষা এটা কোনেও কাৰো ওপৰত বলপূৰ্বকভাৱে জাপি দিব নোৱাৰে। প্ৰতিখন ৰাষ্ট্ৰই এটি ভাষাৰ অন্তৰ্গত উপভাষীয়ে মান বা মৰ্য্যাদাৰে গ্ৰহণ কৰা মান্য ভাষাৰ নিচিনাকৈ আন্তঃৰাষ্ট্ৰীয় ভাষা মানি ল'ব লাগিব। অৰ্থাৎ অসমীয়া ভাষাৰ মান্যৰূপ শিৱসাগৰ অঞ্চলৰ ভাষাক কামৰূপ, নগাঁও, গোৱালপাৰা, দৰং আদি অঞ্চলৰ উপভাষীয়ে যেনেদৰে মানি লৈছে তেনেভাৱে পৃথিৱীৰ প্ৰতিখন দেশে মানি ল'ব লাগিব। আন্তঃৰাষ্ট্ৰীয় ভাষা বিশ্বভাষা পৰ্য্যায়ৰ। ১৯৫১ চনৰ ৰাষ্ট্ৰ সংঘৰ প্ৰতিবেদনত ইয়াৰ বিষয়ে এনেদৰে কোৱা হৈছে ঃ "A language used over wide areas of the world is known to world language" অৰ্থাৎ যিটো ভাষা সমগ্ৰ বিশ্বৰ বিস্তৃত অঞ্চল ব্যাপী ব্যৱহাৰ হয় তাকে বিশ্বভাষা বোলে।

ৰাষ্ট্ৰভাষা আৰু আন্তঃৰাষ্ট্ৰীয় ভাষাৰ ধাৰণা সকলো ক্ষেত্ৰতে একে নহয়। ৰাষ্ট্ৰভাষা এটা এখন দেশত সৰ্বসন্মত চৰকাৰৰ সিদ্ধান্ত অনুযায়ী নিৰ্ণয় কৰিব পাৰি। প্ৰশাসনীয় দিশৰপৰা স্বয়ং সম্পূৰ্ণ এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ এই মৰ্মে ঘোষিত ভাষাই ৰাষ্ট্ৰভাষা। ৰাষ্ট্ৰভাষা নিৰ্ণয়ত পাৰস্পৰিক বোধগম্যতাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হয়। কিন্তু সকলো ক্ষেত্ৰতে নিৰ্ণেয় কাৰক নহয়। কাৰণ এশ শতাংশ পাৰস্পৰিক বোধগম্যতা থকা মাৰ্কিন ইংৰাজী আৰু বৃটিছ ইংৰাজী দুখন ৰাষ্ট্ৰৰ দুটা ভাষা। সেইদৰে পাৰস্পৰিক বোধগম্যতা নথকা অথবা সকলো ক্ষেত্ৰতে ভাষাগত বিভিন্নতা থকা পৰিস্থিতিৰ মাজতো ৰাষ্ট্ৰভাষা নিৰ্ণয় হৈছে। চীনা সাম্ৰাজ্যৰ মান্দাৰিণ ভাষা ইয়াৰ অন্যতম উদাহৰণ। মান্দাৰিয়ান, কেণ্টানিছ, উ নৰ্থমিন, চাউথ মিন, হাক্কা আদি পৰস্পৰ অবোধগম্য ভাষা। চৰকাৰী ঘোষণা অনুযায়ী সমগ্ৰ চীনৰ শিক্ষা প্ৰশাসন মান্দাৰিণ ভাষাত চলে, ই ৰাষ্ট্ৰভাষা। ৰাষ্ট্ৰ ভাষাৰ দৃষ্টিৰে চালে কোনো ভাষাকে আন্তঃৰাষ্ট্ৰীয় ভাষা হিচাপে বিশ্বত স্থাপন কৰিব নোৱাৰি। প্ৰায়বোৰ দেশে এই কথা গ্ৰহণ নকৰিব। এটা ভাষা বলপূৰ্বকভাৱে অথবা পৃথিৱীৰ দেশসমূহৰ সৰ্বসন্মত সিদ্ধান্তৰ মৰ্মে আন্তঃৰাষ্ট্ৰীয় ভাষা হ'ব নোৱাৰে। এটা ভাষা আন্তঃৰাষ্ট্ৰীয় ভাষাৰ মান পাবলৈ কিছুমান গুণৰ আৱশ্যক। সেই গুণবোৰৰ ভিতৰত সৰল গঠন প্ৰণালী, বিস্তৃতি বিশাল, বাণিজ্যিক শক্তি, ৰাজনৈতিক শক্তি, বিশাল শব্দ ভাণ্ডাৰ আদি উল্লেখযোগ্য। এনে গুণবোৰৰ কাৰণেই এটা সময়ত ফৰাচী ভাষাই; তাৰ পিছত ইংৰাজী ভাষাই আজি পৰ্যন্ত আন্তঃৰাষ্ট্ৰীয় ভাষাৰ স্বীকৃতি লাভ কৰি আহিছে। এতিয়া জাৰ্মানী, ফৰাচী, ৰুচ প্ৰভৃতি ভাষাৰ সমৃদ্ধি, প্ৰতিপত্তি, প্ৰভাৱ বৃদ্ধি পোৱাত এইবোৰ দেশৰ লোকসকলেও নিজ নিজ দেশৰ ভাষাক আন্তঃৰাষ্ট্ৰীয় ভাষা হিচাপে প্ৰতিষ্ঠাৰ যত্নৰ ত্ৰুটি কৰা নাই।

আন্তঃৰাষ্ট্ৰীয় ভাষা এটা স্বাভাৱিক নাইবা কৃত্ৰিম হ'ব পাৰে। ইংৰাজী ভাষা স্বাভাৱিক আন্তঃৰাষ্ট্ৰীয় ভাষাৰ উদাহৰণ। ইংৰাজী ভাষাই নিজৰ ভৌগলিক সীমা পাৰ হৈ আন্তঃৰাষ্ট্ৰীয় ভাষাৰ মান লাভ কৰিছে। কিন্তু বিশ্বত এনেদৰে বহু কাল আগৰে পৰা স্বাভাৱিকভাৱে আন্তঃৰাষ্ট্ৰীয় ভাষা প্ৰতিষ্ঠাৰ যত্ন কৰিছিল। সেয়া কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষাৰ প্ৰচেষ্টা আছিল। প্ৰত্যেক জাতিৰ ভাষা নিজস্ব সংস্কৃতিৰ বাহক, পৰিচয়। কিন্তু ভাষাৰ পাৰ্থক্য মাত্ৰেই আন্তৰ্জাতিক যোগাযোগৰো প্ৰতিবন্ধক। এটা বা দুটা ভাষা শিকি সকলো দেশৰ সকলো জাতিৰ সৈতে ভাব বিনিময় কৰিব নোৱাৰি। যদি এটা ভাষা থাকিলহেঁতেন আৰু সেই ভাষা শিকি পৃথিৱীৰ সকলো লোকৰ সৈতে ভাব বিনিময় কৰিব পৰা গ'লহেঁতেন। ভাষাৰ নামত মানুহে ইমান কষ্ট কৰাৰ দৰকাৰো নহ'লহেঁতেন। এনে ভাব ধাৰণাৰ ওপৰত ভিত্তি কৰি পৃথিৱীৰ অনেক শুভবুদ্ধি সম্পন্ন ব্যক্তিয়ে আন্তৰ্জাতিক ভাব বিনিময় আৰু বিশ্ব মানৱৰ এক ভাষাৰ স্বপ্ন দেখিছিল। ফলস্বৰূপে বিশ্ব ঐক্য আৰু আন্তৰ্জাতিক ভাৱনা গঢ় লৈ উঠিছিল। এই উদ্দেশ্যে কৃত্ৰিমভাৱে আন্তৰ্জাতিক ভাষা সৃষ্টিৰ প্ৰচেষ্টা চলিছিল। অথচ প্ৰত্যেক জাতিৰ নিজস্ব ভাষা তাৰ স্বাভাৱিক বিকাশ, প্ৰকৃতিৰ দান। প্ৰকৃতিয়ে পৃথিৱীৰ বিভিন্ন লোকৰ কাৰণে এটি মাত্ৰ ভাষা গঢ়ি তোলা নাই। এনেস্থলত সকলো জাতিৰ কাৰণে যদি এটি মাত্ৰ ভাষা গঢ়ি তোলা হয়, সেই ভাষাটো নিশ্চিতভাৱে সচেতন পৰিকল্পনাৰে গঢ়ি তোলা কৃত্ৰিম ভাষা হ'বলৈ বাধ্য।

বিশ্ব মানৱৰ এক ভাষাৰ ধাৰণাৰ পৰা সময়ে সময়ে অনেকে অনেক কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা চলাবলৈ যত্ন কৰি আহিছে। ১৬২৯ চনৰ পৰা কৃত্ৰিম ভাষাৰ সৃষ্টিৰ ইতিহাসত একসত্তৰ বাৰ এনে প্ৰচেষ্টা চলিছে। দাৰ্শনিক দেকাৰ্টে ১৬২৯ চনত কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষাৰ কথা প্ৰথমে চিন্তা কৰিছিল। জাৰ্মান মনীষী শ্ৰেয়াৰে (Sehleyer)এ Volapok নামৰ আন্তৰ্জাতিক কৃত্ৰিম ভাষা সৃষ্টি কৰিছিল। ইয়াৰ বাহিৰেও ইডো, গ্লোৰো, নোবিয়ল, এছ্‌পিৰেণ্ট' (Esperanto) আদি ভাষা সময়ে সময়ে সৃষ্টি কৰিছিল। উল্লিখিত ভাষাবোৰৰ ভিতৰত ডাঃ লাজাৰাচ লাডবিগ ঝমেনহফে সৃষ্টি কৰা এছ্‌পিৰেণ্ট' ভাষাটো অধিক সফল, বহুল প্ৰচলিত, প্ৰচাৰিত। (Lazarus Ludwing Zahmenhof) ১৮৫৯ চনত ৰাছিয়াত জন্ম গ্ৰহণ কৰা আৰু ১৯১৭ চনত মৃত্যুবৰণ কৰা ঝমেনহফ এগৰাকী চকু চিকিৎসক আছিল। কিন্তু ভাষাবিজ্ঞানৰ ওপৰত গভীৰ প্ৰীতি বশতঃ হৈ যুগ সৃষ্টিকাৰী কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা সৃষ্টি কৰিছিল। ডাঃ ঝমেনহফে ইতিপূৰ্বে সম্পাদনা কৰি উলিওৱা এখন আলোচনীৰ সম্পাদকৰ নাম হিচাপে "এছ্‌পিৰেণ্ট' " নামটো ছদ্মনাম হিচাপে ব্যৱহাৰ কৰিছিল। ১৮৮৭ চনত সৃষ্টি কৰা ভাষাটোৰ নাম এছ্‌পিৰেণ্ট' ৰাখে। এছ্‌পিৰেণ্ট' ভাষাৰ সৃষ্টিক ডাঃ ঝমেনহফৰ এক চমক সৃষ্টিকাৰী আৱিষ্কাৰ তথা এক মহান আত্মাৰ মহান কীৰ্তি হিচাপে আখ্যা দিয়া হয়। এই ভাষাক স্থায়িত্ব দিবলৈ ঝমেনহফে নিজৰ জন্মভূমি ৰাছিয়াৰপৰা জাৰ্মানী, স্কান্দেনিভিয়া, আমেৰিকা, ফ্ৰান্স, ইংলেণ্ড আদি দেশত এই ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে বিভিন্ন পুস্তিকা প্ৰকাশ তথা প্ৰচাৰ সমতি গঠন কৰিছিল। উক্ত ভাষাৰ প্ৰচাৰৰ নিমিত্তে ১৮৮৯ চনত জাৰ্মানীৰপৰা "লা এছ্‌পিৰেণ্ট' "নামৰ পত্ৰিকা, একে বছৰত আমেৰিকাৰ ফিলছফিকেল সমাজে ডাঃ ঝমেনহফে ৰাছিয়ান ভাষাত প্ৰকাশ কৰা "এছ্‌পিৰেণ্ট' "নামৰ 'ভাষা' সংখ্যাটিৰ ইংৰাজী অনুবাদ কৰে। ১৯০০ চনত ফ্ৰান্সত ঝমেনহফৰ আন্তৰ্জাতিক ভাষা আন্দোলনে ব্যাপকভাৱে প্ৰভাৱ বিস্তাৰ কৰে। ইংলেণ্ডত ত্ৰিশ খন এছ্‌পিৰেণ্ট' সমিতি গঠন হোৱাৰ উপৰি দ্বিতীয় মহাযুদ্ধৰ সময়ত 'লীগ অৱ নেচনচ'ৰ কাৰ্য্যালয়ত এছ্‌পিৰেণ্ট' ভাষাক আন্তঃৰাষ্ট্ৰীয় ভাষাৰ স্থান দিয়া হৈছিল। সংখ্যাত তাকৰ হ'লেও ভাৰতবৰ্ষতো এই ভাষা জনা লোক আছে। পুনাৰ ডেক্কান গৱেষণা প্ৰতিষ্ঠানৰ অধ্যাপক ড° প্ৰবাল দাস গুপ্তই বাংলা ভাষাৰ মাধ্যমেৰে ১৯৮৫ চনত এই ভাষাৰ শিক্ষাৰ নিমিত্তে এখন আলোচনী আৰম্ভ কৰিছিল।

কৃত্ৰিম ভাষাৰ গঠন তিনিধৰণে কৰিব পাৰি ঃ (ক) কাল্পনিকভাৱে ধ্বনি, ৰূপ, বাক্য সজাই, (খ) স্বাভাৱিক ভাষাৰ ওপৰত ভিত্তি কৰি যাদৃচ্ছিক গঠন প্ৰণালীৰে অথবা (গ) দুয়োটাৰে সংমিশ্ৰণ ঘটাই এটা কৃত্ৰিম ভাষা সৃষ্টি কৰিব পাৰি। (ক) আৰু (গ) গঠন পদ্ধতি বাস্তৱত ব্যৱহাৰৰ উপযোগী নহয়। ঝমেনহফৰ এছ্‌পিৰেণ্ট' ভাষাৰ গঠন (খ) গঠন প্ৰণালীৰ অন্তৰ্ভুক্ত। ইউৰোপৰ সকলোবোৰ প্ৰধান ভাষা পঢ়িব, লেখিব, ক'ব পৰা ঝমেনহফে উক্ত ভাষাবোৰৰ পৰা যোল্লটা প্ৰধান সূত্ৰ নিৰ্ণয় কৰিছিল। উক্ত সূত্ৰবোৰৰ এটাৰো ব্যতিক্ৰম নাই, নিয়মিত। ভাষাটোৰ ভিত্তি ভাৰত ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষা। শব্দ সাধনৰ নীতি অশ্লিষ্ট। অৰ্থাৎ কুৰু + অ = কৌৰৱ হোৱাৰ পৰিবৰ্তে 'কুৰঅ' হ'ব। লিপি আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপিৰ অনুৰূপ। উচ্চাৰণ ভিত্তিক বৰ্ণবিন্যাস অন্যতম। অসমীয়া ভাষাত 'ভাষা', 'আশা' শীৰ্ষক শব্দবোৰ আমি উচ্চাৰণ কৰোঁ 'ভাখা', 'আখা' কিন্তু লিখোতে উচ্চাৰণৰ অনুৰূপভাৱে নিলিখোঁ। এছ্‌পিৰেণ্ট' ভাষাত উচ্চাৰণ মতে লিখা হয়। আখৰবোৰ ৰোমান লিপিৰে লিখা হয়। স্বৰ ধ্বনিৰ সংখ্যা পাঁচটা, ব্যঞ্জন ধ্বনি ২৩ টা, দ্বিত্ব, দ্বিস্বৰ ধ্বনি নাই। অনিৰ্দিষ্টতা বাচক প্ৰত্যয় নাই, নিৰ্দিষ্টতাবাচক প্ৰত্যয় এটা 'la'। বিশেষ্য 'o' কাৰান্ত, বহুবচনৰ ৰূপ j, কাৰক দুটা ঃ

কৰ্তা আৰু কৰ্ম, কৰ্তা কাৰকৰ পিছত 'n' লগ লগাই কৰ্ম কাৰক কৰা হয়। বিশেষণ, ক্ৰিয়া বিশেষণ, বৰ্তমান, অতীত, ভৱিষ্যত কালৰ ধাতুৰ পাছত যথাক্ৰমে a, e, as, is, os যোগ দি ৰূপবোৰ গঠন কৰা হয়। শব্দ সাধনত মধ্য প্ৰত্যয়ৰ ব্যৱহাৰ নাই। বাক্যবোৰত এটা ক্ৰিয়া থাকিবই লাগিব। বাক্যত কৰ্তা ক্ৰিয়া কৰ্মৰ স্থান ইংৰাজী বাক্যৰ অনুৰূপ। কিন্তু ইংৰাজী ভাষাৰ নিচিনা Sequence of Tense ৰ নিয়ম নাই। ইয়াৰ বাহিৰেও অনেক নিয়ম আছে। শব্দ ভাণ্ডাৰ যথেষ্ট সীমিত। কাৰণ নিৰ্দিষ্ট প্ৰক্ৰিয়াৰে শব্দ সাধন কৰিব পৰা কাৰণে এই ভাষাৰ অভিধান বৃহৎ নহয়। একেটি মাত্ৰ শব্দ মূলৰ পৰা বিশেষ্য, বিশেষণ, ক্ৰিয়া বিশেষণ, ক্ৰিয়া আদি প্ৰত্যয় যোগৰদ্বাৰা পাব পাৰি।

এছ্পিৰেণ্ট' ভাষা বৰ্তমানে ভাষা বিজ্ঞানী সকলৰ চৰ্চাৰ বিষয়। জনসাধাৰণৰ মাজত এই ভাষাই বিশেষ প্ৰভাৱ সৃষ্টি কৰিবলৈ সক্ষম নহ'ল। ডাঃ ঝমেন হফৰ সৃষ্টি 'সৃষ্টি' হৈ থাকিল। আন্তৰ্জাতিক ভাষা হিচাপে স্থান নাপালে। আন্তৰ্জাতিক, ৰাষ্ট্ৰীয় উদ্যোগত ভাৱ বিনিময়ৰ মাধ্যমৰূপে গ্ৰহণ নকৰিলে এনে ভাষাৰ স্বীকৃতি সম্ভৱ নহয়। গ্ৰহণযোগ্য ভাষা হ'ব লাগিলে ভাষাটো জীৱিত আৰু বিকাশশীল হ'ব লাগিব। সময়ৰ লগে লগে বিকাশ নহ'লে মৃত ভাষাৰ নিচিনা হ'ব। কৃত্ৰিম ভাষাত এনে সুবিধা নাই বাবে বিফলতা স্বাভাৱিক। স্বাভাৱিক ভাষা এটাই আন্তঃৰাষ্ট্ৰীয় ভাষাৰ মৰ্য্যাদা লাভ কৰাৰ পথত যি গুণ আয়ত্ত কৰে সেই গুণ কৃত্ৰিম ভাষাৰ নাই। এনেবোৰ কাৰণতে 'এছ্পিৰেণ্ট'ৰ নিচিনা ভাষাই আন্তঃৰাষ্ট্ৰীয় ভাষাৰ স্থান লাভ নকৰিলে। তথাপি এই ভাষাটোক এজন পৃথিৱী প্ৰেমিক লোকৰ একক অনন্য, অসাধাৰণ, বিস্ময়কৰ সৃষ্টি বুলি স্বীকাৰ কৰিব লাগিব।

এছ্পিৰেণ্ট' ভাষা সম্পৰ্কে জানিবলৈ প্ৰাথমিক পুথি হিচাপে Jhon creswell আৰু Jhon Hatley ৰ 'Esperanto', "The Encyelopeadia Brittanica, I.J.S Taraporewala" ৰ 'Elements of the Science of Language' আদি ইংৰাজী ভাষাত লিখা উল্লেখযোগ্য পুথি। অসমীয়া ভাষাত ড° উপেন্দ্ৰ নাথ গোস্বামীৰ "ভাষাবিজ্ঞান", ফণীন্দ্ৰ নাৰায়ণ দত্তৰ "আধুনিক ভাষাবিজ্ঞান পৰিচয়" আদিত এই ভাষাৰ চমু পৰিচয় আছে। ■

# মহৎলোকৰ বাণী

"বতাহে সহায় কৰিলেও হাবিৰ জুইয়ে পানীলৈ চোঁচা নলয়।"

—কালিদাস

"প্ৰতিজন লোকে নিজে কাম কৰি গ'লেই দহৰ আৰু দেশৰ সেৱা কৰা হ'ব।"

— ৰাজা ৰামমোহন ৰায়

"সৰু মনৰ দ্বাৰা কোনো ডাঙৰ হ'ব নোৱাৰে, এবাৰ মন ভাগি গ'লে কোনো সফল হ'ব নোৱাৰে।"

—অটল বিহাৰী বাজপেয়ী

"শিক্ষা হ'ল জীৱন ব্যাপী চলা এক বিকাশমুখী প্ৰক্ৰিয়া"

— শিক্ষাবিদ ডিউই

সংগ্ৰাহক ঃ **অৰ্চনা দাস**, *স্নাতক, ১ম যাণ্মাষিক*





# জঁা-প'ল- ছাৰ্ত্ৰেৰ অস্তিত্ববাদ

✍ মিতালী গোস্বামী
*দৰ্শন বিভাগ*

দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰা অস্তিত্ববাদে বহুতো দাৰ্শনিকৰ মনত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। আধুনিক যুগৰ ই এটা নতুন মতবাদ। ফৰাচী লেখক জঁা-প'ল-ছাৰ্ত্ৰেৰ মনোবিজ্ঞান সম্পৰ্কীয় উপন্যাস আৰু তেওঁৰ নাটক সমূহে অস্তিত্ববাদক সুন্দৰভাৱে প্ৰকাশ কৰিছে। তেওঁ ব্যক্তিনিষ্ঠ মানৱ চৈতন্য আৰু তাৰ সম্পূৰ্ণ স্বাধীনতাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়ে।



ছাৰ্ত্ৰেৰ অস্তিত্বক দুই ভাগত ভাগ কৰিছে- (১) স্বৰূপ অস্তিত্ব (being-it-self) (২) স্বনিমিত্ত অস্তিত্ব (being for itself) স্বৰূপ অস্তিত্বক তেওঁ "ইনচ'ই" (en-soi) বুলি কৈছে। অৰ্থাৎ মানুহৰ বাহিৰেও আন আন জীৱ-জন্তু আৰু জড়-জগতৰ অস্তিত্ব আমি স্বীকাৰ কৰিব লাগিব। এই ধৰণৰ অস্তিত্বত আত্মচেতনা নাথাকে। আনহাতে স্বনিমিত্ত অস্তিত্ব হৈছে ব্যক্তিগত। স্বনিমিত্ত অস্তিত্বত ব্যক্তিৰ নিজৰ অস্তিত্ব সম্পৰ্কে অনৱৰতে সজাগতা বিৰাজ কৰি থাকে। নিজৰ চেতনা সম্পৰ্কে অনৱৰতে মনত সজাগতা বিৰাজ কৰে। আত্মনিষ্ঠ চেতনা ইয়াত আমাৰ আন বস্তুৰ জ্ঞান হয় আৰু লগতে নিজৰ অস্তিত্ব সম্পৰ্কে আমাৰ মাজত আত্মচেতনা উৎপত্তি হয়। দৰ্শনৰ মুখ্য বিষয়বস্তু হ'ল 'স্বনিমিত্ত অস্তিত্ব' (pous soi or being for itself) এওঁলোকৰ মতে প্ৰত্যেক ব্যক্তিৰ মনত আত্মচেতনা উপলব্ধি কৰাৰ ক্ষমতা থাকিব লাগিব আৰু নিজৰ সত্তাক গভীৰভাৱে উপলব্ধি কৰিব লাগিব। ই কোনো বিশ্বাস নহয় ই হৈছে নিশ্চিত সত্য। বিজ্ঞানে আমাক কয় যে- জীৱজগত আৰু জড়জগত কাৰ্য্যকাৰণবাদৰ দ্বাৰা নিয়ন্ত্ৰিত কিন্তু অস্তিত্ববাদে কয় যে- মানুহ কোনো প্ৰাকৃতিক নিয়মৰ বশৱৰ্তী নহয়। মানুহ স্বাধীন মানুহ সম্পূৰ্ণ স্বাধীন ই কাৰো অধীন নহয়। মানুহ নিজৰ অস্তিত্ব সম্পৰ্কে সচেতন ই হৈছে দাৰ্শনিক সত্য। আমি আমাৰ অস্তিত্ব সম্পৰ্কে সচেতন। ব্যক্তিগত জীৱন আৰু লক্ষ্য নিৰূপন কৰাত সম্পূৰ্ণ স্বাধীন। প্ৰত্যেক ব্যক্তিয়েই নিজৰ ভৱিষ্যত জীৱনৰ কৰ্মপন্থা নিৰূপন কৰাত সম্পূৰ্ণ স্বাধীন, ছাৰ্ত্ৰেই কয় যে- মানুহ প্ৰথমে বৈশিষ্ট্যবিহীন হৈ থাকে পিছতহে তেওঁ এইটো বা সেইটো (this or that) হয়। নিজৰ কাৰণে নিজৰ মৌলিকত্ব তেওঁ স্বাধীনভাৱে সৃষ্টি কৰে। দেখাযায় যে ব্যক্তিগত চেতনাৰ ক্ষেত্ৰত মৌলিকত্বৰ আগতেই থাকে অস্তিত্ব। এজন ব্যক্তিয়ে বিভিন্ন ৰূপত অনৱৰতে নিজকে সৃষ্টি কৰি যায়। ছাত্ৰ, উপন্যাসিক, কবি, চিত্ৰকৰ ইত্যাদি ৰূপবোৰ তেওঁৰ আদৰ্শত উপনীত হ'বৰ কাৰণে বিভিন্ন সময়ত তেওঁ নিজে সৃষ্টি কৰে। কোনো এটা বৈশিষ্ট্যই ব্যক্তিৰ ভিতৰত চিৰস্থায়ীভাৱে নাথাকে। প্ৰত্যেক ব্যক্তিয়েই সম্পূৰ্ণ স্বাধীনভাৱে আন এটা সম্ভাৱনাক আয়ত্ত কৰিব পাৰে। এজন দস্যুৱেও নিজৰ জীৱন নতুনভাৱে গঢ়ি তুলি সাধু হ'ব পাৰে। তেওঁৰ মতে ব্যক্তি বিশেষৰ চৈতন্য কিছুমান অপূৰ্ণ সম্ভাৱনাৰ একো একেটা সমষ্টি মাথোন। ব্যক্তি বিশেষৰ অস্তিত্ব স্বনিমিত্ত (for itself) বা "প'ৰ'ছ'ই" আৰু "ইনচ'ই" হ'ল স্বৰূপ অস্তিত্ব। ই প্ৰকৃততে অৱস্থিত ভৌতিক পদাৰ্থ। এই ভৌতিক পদাৰ্থক তাৰ মৌলিকত্বই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰে। এখন মেজ বা চকী একেই থাকে। তাৰ কোনো ৰূপৰ পৰিবৰ্তন নহয়। কিন্তু মানুহে অনৱৰতে

বিভিন্ন ৰূপত নিজকে সৃষ্টি কৰিছে, মানুহৰ কোনো অপৰিবৰ্তনশীল মৌলিকত্ব নাই, যি তেওঁৰ স্বাধীনতাত বাধা আৰোপ কৰে। মোৰ যিহেতু কোনো স্থায়ী মৌলিকত্ব নাই মূলতঃ মই একোৱেই নহয়-মই শূন্য। ছাৰ্ত্ৰেই ভাবে যে মানুহৰ সম্পূৰ্ণ স্বাধীনতা থকা কাৰণেই তেওঁৰ মনলৈ উদ্বেগ আহে। স্বাধীনতাই দায়িত্বৰ গধুৰভাৱ আৰু বেছি প্ৰখৰ কৰি তোলে। স্বাধীনভাৱে নিজ ইচ্ছাৰ কাম কৰিও তেওঁ আনৰ ওপৰত দায়িত্ব জাপি দিয়াৰ চেষ্টা কৰে। পৰনিমিত্ত অস্তিত্ব মতে আমাৰ নিজৰ বাহিৰেও আনৰ অস্তিত্ব সম্পৰ্কে মোৰ চেতনা আছে। মোৰ অহংকাৰ, মান-অপমানৰ জ্ঞান, লাজ আদিয়েই স্পষ্ট কৈ দেখুৱাইছে যে আমাৰ বাহিৰত আন কোনোবা আছে। এই সকলৰ অস্তিত্ব সম্পৰ্কে মোৰ পূৰ্ণ জ্ঞান নহয়, কিন্তু আমাৰ এটা ধাৰণা হয়, আমাৰ স্বাধীন আত্মা প্ৰকৃততে জ্ঞাতা আৰু কৰ্তা। কিন্তু আনৰ অস্তিত্বই প্ৰত্যেক আত্মাৰ ক্ষেত্ৰত এটা বিষয় নিষ্ঠ আত্মালৈ ৰূপান্তৰিত কৰে। অহংকাৰ, লাজ বা আনবোৰ অনুভূতিৰ যোগেদি আত্মাৰ এটা বিশাল ৰূপ আবিষ্কাৰ কৰোঁ। যি হ'ল পৰনিমিত্ত মোৰ বিষয়াত্মক আত্মা। এজন মানুহে অকলে থাকি এটা অশ্লীল শব্দ ব্যৱহাৰ কৰিলে কোনো লাজ নাপায়। কিন্তু আনৰ আগত প্ৰকাশ কৰিলে লাজ পায়। এয়াই হৈছে পৰনিমিত্ত সত্তা। এটাত কৈ বেছি স্বাধীন কৰ্তা থাকে কাৰণেই বিভিন্ন বিৰোধৰ সৃষ্টি হয়। কিন্তু সেই বুলি অস্তিত্ববাদৰ অৱদান অস্বীকাৰ কৰিব নোৱাৰি। অস্তিত্ববাদী সকলে মানুহৰ সম্পূৰ্ণ স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মানুহৰ এখন নতুন পৃথিবীৰ সৃষ্টি কৰে। অস্তিত্ববাদে এক নতুন দৃষ্টিভংগী দাঙি ধৰিছে। কাৰণ জাঁ-প'ল-ছাৰ্ত্ৰেৰ ভাবে যে মানুহৰ সম্পূৰ্ণ স্বাধীনতা থকা কাৰণেই তেওঁৰ মনলৈ উদ্বেগ আহে। স্বাধীনতাই দায়িত্বৰ গধুৰ ভাৱ আনি দিয়ে। ইয়াৰ দায়িত্ব স্বীকাৰ কৰিবলৈ নিবিচাৰে। স্বাধীনভাৱে নিজ ইচ্ছাৰে কাম কৰিও তেওঁ আনৰ ওপৰত দায়িত্ব জাপি দিয়াৰ চেষ্টা কৰে। তেওঁৰ মতে মানুহে সময় সুবিধা অনুসৰি কাম কৰিলে মনৰ ভাবধাৰা ভিন ভিন হয়। কোনো সময়ত প্ৰশংসাৰ পাত্ৰ হ'বলৈ তেওঁ স্বাধীনভাৱে কোনো এটা কাম কৰে বুলি দাবী কৰে আৰু দোষৰ হাত সাৰিবৰ বাবে তেওঁ কোনো সময়ত তেওঁৰ কামটো কৰাৰ ইচ্ছা নাই, সামাজিক নিৰ্দ্ধাৰণৰ কাৰণহে কাম কৰিবলৈ বাধ্য হৈছে বুলি দাবী কৰে।

ছাৰ্ত্ৰেৰ মতে কোনো মানুহেই নিজৰ অস্তিত্বৰ কথা ভাবিব নোৱাৰে যেতিয়ালৈকে তেওঁ 'সংগী'ৰ ধাৰণা নাথাকে। সকলো মানুহেই নিজৰ অস্তিত্বৰ কথা ভাবে অন্য এজন মানুহৰ অস্তিত্বৰ প্ৰসংগত। ছাৰ্ত্ৰেৰ চেতনাৰ ক্ৰিয়াক অকল মোৰ নিজৰ জগতৰ ভিত্তি হিচাপেই গণ্য কৰা নাই। ইয়াক তেওঁ অন্য জগতৰ ভিত্তি হিচাপে গণ্য কৰিছে। অন্য এজনৰ সচেতনাৰ ভিত্তিত হে আমাৰ নিজৰ বিষয়ে সচেতনতা সম্ভৱ হয়।

আমি যেতিয়া নিজৰ প্ৰতি সচেতনতা বা সজাগ হওঁ তেতিয়া 'অন্য'ও সংশ্লিষ্ট হৈ পৰে। আমাৰ নিজৰ বিষয়ে থকা সচেতনতাই অন্য এজনৰ সচেতনতাক পূৰ্ব ধাৰণা কৰি লয়। অন্যৰ সচেতনতাই আমাক সজাগ কৰি তোলে।

ছাৰ্ত্ৰে কৈছে যে, এক চেতনাৰ ব্যক্তি ৰূপে অন্য এজনক জনা যায়। দেহ আৰু চেতনাৰ যি ব্যাখ্যা নহওঁক কিয় আমাৰ অস্তিত্বই আন এজনৰ অস্তিত্বক অৱজ্ঞা কৰিব নোৱাৰে। আমাৰ সত্তা উপলব্ধি কৰা হয় আমাৰ প্ৰতি বুজি পোৱাৰ ভিত্তিত হে।

ছাৰ্ত্ৰেৰ দৰ্শনত আমি প্ৰধানকৈ উপলব্ধি কৰিলোঁ যে- ই সম্পূৰ্ণৰূপে প্লেটোৰ পৰা আৰম্ভ কৰি হেগেললৈকে এই দাৰ্শনিক পৰম্পৰাৰ বিৰুদ্ধে গৈছে। এই পৰম্পৰাৰ মতে সত্তা ভৌতিকো আৰু ভাবাত্মকো। মানৱ অস্তিত্ব এই দুইখন নাৱতে দুটা ভৰি থকাৰ দৰে। প্লেটো আৰু হেগেল উভয়ে কয় যে- ভৌতিক জগতখন অৰ্থহীন আৰু বিশৃংখল। যিমানে ই ভাবাত্মক জগতৰ ওচৰ চাপি গৈ থাকিব সিমানে ই শৃংখলিত আৰু অৰ্থপূৰ্ণ হৈ গৈ থাকিব। ছাৰ্ত্ৰে ভাবে যে এই পাৰম্পৰিক দৰ্শনত জীৱনৰ কোনো অৰ্থ বিচাৰি পোৱা নাযায়। সেয়ে এই পাৰম্পৰিক জগত দৃষ্টিভংগীয়ে বহুতো সংকটৰ জন্ম দিলে। পাৰম্পৰিক দৃষ্টিভংগী যিহেতু অধি বৈজ্ঞানিক সেয়ে অধি বিজ্ঞানলৈও সংকট আহিল। এই সংকট এই বাবেই হ'ল যিহেতু ই বস্তু জগত আৰু ভাবজগতৰ মাজত সম্যক সমন্বয় স্থাপন কৰিবলৈ অপৰাগ হ'ল। ■

■ ■ ■ ■ ■





# ঈশ্বৰবাদৰ বিৰোধী মতবাদ

✍ অলকা দাস
*দৰ্শন বিভাগ*

এই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা হিচাপে ঈশ্বৰ আছে নে নাই সেয়া এক অমীমাংসিত বিষয়। ঈশ্বৰবাদী সকলে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰি যেনেদৰে বিভিন্ন যুক্তি, অভিজ্ঞতা প্ৰদৰ্শন কৰিব বিচাৰে ঠিক তেনেদৰে ঈশ্বৰৰ অনস্তিত্ব প্ৰমাণ কৰিবলৈ ঈশ্বৰ বিৰোধীসকলে সবল যুক্তি উত্থাপন কৰিব বিচাৰে। এই বাক্-বিতণ্ডাৰ কোনো অন্ত নাই। জগতত ঈশ্বৰকেন্দ্ৰিক ভাবাদৰ্শৰ যিদৰে প্ৰবল আধিপত্য আছে তেনেদৰে ঈশ্বৰবিৰোধী মতাদৰ্শ সমূহৰো অনুৰাগীৰ অভাৱ নাই। ঈশ্বৰ হৈছে ধৰ্মৰ এক গুৰুত্বপূৰ্ণ বিষয়। এই অলৌকিক, অতীন্দ্ৰীয় সত্তাত বিশ্বাসৰ পৰাই ধৰ্মীয় ভাবাদৰ্শৰ উদ্ভৱ হৈছে। ধৰ্মীয় স্বীকাৰ্যসমূহ কেৱল কাল্পনিক, বিষয়ীনিষ্ঠ মানৱ আদৰ্শ নে সেইবোৰৰ যথাৰ্থ বাস্তৱতা আছে? এই প্ৰশ্নৰ যথাৰ্থ উত্তৰ ধৰ্ম দৰ্শনে অনুধাৱন কৰিব বিচাৰে। ধৰ্মীয় স্বীকাৰ্যসমূহৰ বাস্তৱতা অস্বীকাৰ কৰি বিজ্ঞানসম্মত দৃষ্টিভংগীৰে নিজৰ ধৰ্ম সম্পৰ্কীয় অভিমত প্ৰকাশ কৰা চিন্তাবিদ, দাৰ্শনিকৰ ভিতৰত কালমাৰ্ক্স, ছিগমাণ্ড ফ্ৰয়'ড আৰু নীৎসেৰ নাম উল্লেখযোগ্য। এই দাৰ্শনিক, মনোবৈজ্ঞানিক সকলৰ চিন্তাৰ অভিনৱত্বই নতুন যুগৰ সূচনা কৰিবলৈ সক্ষম হৈছে। ধৰ্ম সম্পৰ্কে মাৰ্ক্স আৰু তেওঁৰ অনুৰাগীসকলে এক বিৰুদ্ধ মতপোষণ কৰে। মাৰ্ক্সবাদীসকলে ঐতিহাসিক বস্তুবাদ সমৰ্থন কৰে। তেওঁলোকৰ মতে ভৌতিক, মানসিক, সামাজিক আদি সকলো ঘটনাৰ মূলতে হ'ল বস্তুমূলক উপাদান। বস্তুমূলক উপাদান বুলি ক'লে তেওঁলোকে অৰ্থনৈতিক উপাদান সমূহকে বুজে। এংগেলছৰ মতে— "সকলো মানুহৰ ৰাজনীতি, দৰ্শন, আইন, ধৰ্ম সম্বন্ধীয় ভাবসমূহ সৰ্বশেষত জীৱনৰ অৰ্থনৈতিক অৱস্থানসমূহ আৰু উৎপাদন আৰু উৎপন্ন বস্তুৰ বিনিময়ৰ প্ৰকাৰৰ দ্বাৰা নিৰ্ণিত হয়"। মাৰ্ক্সবাদীসকলে কোনো অতীন্দ্ৰীয় সত্তাৰ অস্তিত্বত বিশ্বাস নকৰে। তেওঁলোকৰ মতে জড়ই পৰমসত্তা। ধৰ্মীয় চেতনা তেওঁলোকৰ মতে কেৱল ভ্ৰম বা মায়া। মাৰ্ক্সৰ মতে মানুহে ধৰ্মক সৃষ্টি কৰে কিন্তু ধৰ্মই মানুহক সৃষ্টি নকৰে। তেওঁৰ মতে ঈশ্বৰ বিশ্বাস বিপথগামী সভ্যতাৰ মূল বিষয়। ধৰ্ম সম্পৰ্কে মাৰ্ক্সে কৰা বিখ্যাত উক্তি হ'ল— "ধৰ্ম হ'ল জনসাধাৰণৰ আফিং"। (Religion is the opium of the people) ঈশ্বৰৰ ওচৰত কৰা আত্মসমৰ্পণ আৰু বিশ্বাসে মানুহক জীৱনৰ প্ৰকৃত অৱস্থা বুজিবলৈ আৰু শোষণ, নিৰ্যাতনৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ অসমৰ্থ কৰে। মাৰ্ক্সবাদী সকলোৰ মতে ধৰ্ম হ'ল শোষণৰ এক হাতিয়াৰ আৰু ইয়াৰ দ্বাৰা ধনীক আৰু ক্ষমতাশালী শ্ৰেণীটোৱে নিজৰ শ্ৰেণীস্বাৰ্থ পূৰণ কৰে। সেইবাবে মাৰ্ক্সে কৈছে— "ইতিহাসৰ কাৰ্য হ'ল সভ্যতাৰ পৰা বিচ্যুত হোৱা জগতখনত এক সত্য জগত প্ৰতিষ্ঠা কৰা ধৰ্মৰ সমীক্ষাক অধিকাৰৰ সমীক্ষালৈ পৰিৱৰ্তন কৰা"। মাৰ্ক্সৰ মতে এখন শোষণমুক্ত সমাজত যত সৰ্বহাৰাৰ একনায়কত্ববাদ প্ৰতিষ্ঠা হ'ব তাতহে ধৰ্মৰ বিলোপ ঘটিব।

মাৰ্ক্সৰ ধৰ্ম সম্পৰ্কীয় চিন্তা চেতনাই যেনেদৰে সমাজত বিপ্লৱৰ সূচনা কৰিছে ঠিক তেনেদৰে মনোবিজ্ঞানী ফ্ৰয়'ডৰ ধৰ্ম সম্পৰ্কীয় মনস্তাত্বিক ব্যাখ্যাই চিন্তা জগতত তুমুল জোকাৰণি তুলিবলৈ সক্ষম হৈছে। ফ্ৰয়ে'ডে তেওঁৰ যুগান্তকাৰী আৱিষ্কাৰ অৱচেতন মন আৰু 'লিবিডো'ৰ আধাৰত ধৰ্মৰ উৎপত্তিৰ এক মনস্তাত্বিক ব্যাখ্যা আগবঢ়াইছে। ফ্ৰয়'ডৰ মতে ধৰ্মীয় বিশ্বাস হ'ল অচেতন মনৰ সৃষ্টি ধৰ্মীয় বিশ্বাসসমূহৰ অনুৰূপত কোনো বাস্তৱিক বিষয় নাই। ধৰ্মত মানুহে ঈশ্বৰৰ সংস্পৰ্শ লাভ কৰিব নোৱাৰে কাৰণ ঈশ্বৰৰ যথাৰ্থতা নাই। ধৰ্মত মানুহে তেওঁৰ নিজৰ অৱসীম আত্মাৰ (Subliminal Self) সৈতেহে সংসৰ্গ লাভ কৰে। "ধৰ্ম অভিলাষ পূৰণৰ বাহিৰে আন একো নহয়।" (Religion is nothing but wish fulfillment) ফ্ৰয়'ডে ধৰ্মক এক ভ্ৰম বা মায়া বুলি কৈছিল আৰু তেওঁ ধৰ্মীয় বিশ্বাসক এক স্নায়ুবিক বিকাৰগ্ৰস্ততা বুলি কৈছিল। ফ্ৰয়'ডে ধৰ্মৰ প্ৰতিপাদন সমূহ অচেতনৰ সংজ্ঞাত নিৰ্ণয় কৰিছিল। ফ্ৰয়'ডে অচেতন মানে মনৰ সেই আন্ধাৰ অংশক বুজে য'ত অবদমিত অভিজ্ঞতাৰ উপাদানসমূহ সুপ্ত হৈ থাকে আৰু যিবিলাকে পৰোক্ষভাৱে আৰু ছদ্মবেশী ৰূপত চেতন মনত পুনৰ প্ৰৱেশ কৰে। এই অবদমিত অভিজ্ঞতাসমূহ কাৰ্য নকৰাকৈ নাথাকে। ফ্ৰয়'ডৰ মতে ধৰ্মীয় উক্তিসমূহৰ অচেতন মনত অভিপ্ৰেৰণ হিচাপে অৰ্থ আৰু তাৎপৰ্য আছে। ফ্ৰয়'ডে ঈশ্বৰক পিতৃৰ প্ৰতিৰূপ বুলি অভিহিত

কৰিছে।

ধৰ্মৰ বিৰুদ্ধে সম্পূৰ্ণ বিৰোদগাৰ প্ৰকাশ কৰা আন এগৰাকী দাৰ্শনিক চিন্তাবিদ হ'ল ফ্ৰেডেৰিক নীৎসে। নীৎসে প্ৰচলিত ধৰ্মীয় মূল্যবোধৰ এগৰাকী উগ্ৰ সমালোচক আছিল। নীৎসেৰ মতে ধৰ্ম আৰু নৈতিকতাৰ উৎপত্তিৰ সম্পূৰ্ণ কাৰণ মনস্তাত্ত্বিক। তেওঁৰ মতে সমাজৰ শক্তিমান আৰু শাসনকৰ্তা সকলেই ধৰ্মৰ পৃষ্ঠপোষকতা কৰি তাৰ ভিত্তিত নানান নীতি-নিৰ্দেশনা, আচাৰ-অনুষ্ঠানৰ উদ্ভাৱন আৰু প্ৰচলনৰ দ্বাৰা দুৰ্বল আৰু শাসিতসকলৰ মনত দাস্যভাৱ দৃঢ় কৰে। তেওঁৰ বিচাৰত ধৰ্ম আৰু বিজ্ঞান দুয়োটাই প্ৰাণৰ অবিচ্ছিন্ন প্ৰবাহমানতাৰ বিৰোধী। ধৰ্মই মানুহক জীৱনবিমুখ কৰে, পৰিবৰ্তন উলাই কৰিব চায়, প্ৰশ্নবিমুখ কৰে, নানা ধৰণৰ ভয় আৰু লোভেৰে মানসিক অপৰিপক্কতাক আমৃত্যু ধৰি ৰাখিব বিচাৰে। যিসকলে আত্ম-জিজ্ঞাসাৰ পৰিৱৰ্তে নিশ্চিত উত্তৰত আশ্ৰয় ল'ব বিচাৰে, অস্তিত্বৰ বিভিন্ন প্ৰত্যাহ্বানৰ সৈতে মুখামুখী হ'বলৈ শংকিত হয় সেইসকলেই ধৰ্মক অৱলম্বন হিচাপে গ্ৰহণ কৰে। নীৎসেৰ মতে ধৰ্মাচৰণ, ধৰ্মবোধ মানুহৰ শৈশৱকালীন সভ্যতাৰ আদিম যুগৰ অভ্যাস। ইয়াক অতিক্ৰম কৰি মানুহ পৰিণত মস্তিষ্কৰ অধিকাৰী হ'ব লাগিব। নীৎসে ঈশ্বৰৰ অস্তিত্বৰ বিৰোধিতা কৰিছিল। ঈশ্বৰৰ মৃত্যু ঘোষণা কৰি নীৎসেৰ মতে তেওঁ এটা নতুন যুগৰ সূচনা কৰিলে। তেওঁৰ মতে মানুহৰ প্ৰতি কৰুণা কৰি কৰিয়েই ঈশ্বৰৰ মৃত্যু হ'ল। ঈশ্বৰৰ মৃত্যুয়েই মানুহৰ জন্মক স্বীকৃতি দিলে। মানৱতাক মূল্য প্ৰদান কৰিলে। দৈৱৰ পৰিৱৰ্তে মানুহ হ'ল এই জগতৰ আৰু ইতিহাসৰ দায়িত্বশীল অধিকৰ্তা। ঈশ্বৰৰ মৃত্যুৰ লগে লগে উৎখাত হ'ল ঈশ্বৰকেন্দ্ৰিক সকলো ধ্যান ধাৰণা, নৈতিকতা আৰু মূল্যৰ। মানুহেই হ'ব এতিয়াৰ পৰা মূল্যবোধৰ ধাৰক আৰু বাহক। জীৱন আৰু প্ৰকৃতিক এই পৃথিৱীত ন্যায় প্ৰদান কৰাটোয়েই হ'ব মানৱতা। নীৎসেৰ ভাষাত— 'Humanity for Nietzsche, is no longer fixed as a divinly ordained measure in the whirpool of things. Humanity is now to be conceived of in purely natural terms. The individual is to be situated and understood on the ontological plane of nature itself. ■

# মহৎলোকৰ বাণী

"শিক্ষাই হৈছে মূল উপাধি যিয়ে মানৱ জীৱনলৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনে।"

— এৰিষ্টটল

"কিতাপেই মানুহৰ সৰ্বোত্তম বন্ধু। সেই কথা আজিও সত্য।"

— মাৰ্টিন টুপাৰ

"মানুহে যিমান পঢ়িবলৈ শিকে সিমানে ভাবিবলৈ শিকে।"

— জৱাহৰলাল নেহেৰু

"জাতিক জীয়াই ৰাখিবলৈ ভাষাৰ বেছি প্ৰয়োজন। ভাষা অবিহনে জাতি জীয়াই থকা অসম্ভৱ।"

— লক্ষ্মীনাথ বেজবৰুৱা

"ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰাই, কিন্তু চৰিত্ৰ হেৰালে সকলো হেৰায়।"

— চক্ৰেটিছ

সংগ্ৰাহক: **ডিম্পী দেৱী**, *স্নাতক, ১ম যাণ্মাষিক*





# বীৰেন্দ্ৰ স্মৰণ

✍ ড° জাহ্নৱী দেৱী
*অসমীয়া বিভাগ*

ৰামধেনু যুগৰ প্ৰাণপুৰুষ, অসমীয়া ভাষাৰ প্ৰথম জ্ঞানপীঠ বিজেতা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ১৯৯৭ চনৰ ৫ আগষ্ট তাৰিখে আমাৰ মাজৰ পৰা আঁতৰি গৈছিল। ড° ভট্টাচাৰ্য্যৰ ব্যক্তিত্ব আৰু সাহিত্যকৃতিৰ বিস্তৃত আলোচনাৰ দ্বাৰা কেৱল অসমীয়া সাহিত্যই নহয়, বৰ্তমান শিপা হেৰুৱাবলৈ উপক্ৰম হোৱা অসমীয়া জাতিয়েও পথ নিৰ্দেশনা পাব বুলি আশা কৰিব পাৰি। পিতৃৰ কৰ্মস্থলী উজনি অসমৰ চক্ৰাই চাহ বাগিচাত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই শৈশৱ অতিবাহিত কৰিছিল। বাগিচাৰ বনুৱাৰ দুখ যন্ত্ৰণা; চিকিৎসা, শিক্ষা, অৰ্থৰ অভাৱ; বাগিচাৰ বিদেশী মালিকৰ শোষণ প্ৰত্যক্ষ কৰি তেওঁৰ শিশু মনতেই প্ৰোথিত হৈছিল শোষিতজনৰ প্ৰতি সহানুভূতি, মানুহক মানৱীয় মৰ্যাদা প্ৰদানৰ আকাংক্ষা। পৰাধীন ভাৰতবৰ্ষত কৈশোৰ আৰু যৌৱন অতিক্ৰম কৰা ভট্টাচাৰ্য্য স্বাধীনতা সংগ্ৰামৰ দিন প্ৰতিদিনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰে পুষ্ট হৈছিল। ১৯৪৬ চনত কলিকতাৰ কুখ্যাত ভাতৃঘাতী সংঘৰ্ষত কবি বন্ধু অমূল্য বৰুৱাক হেৰুওৱাৰ আঘাত চম্ভালি সাধাৰণ জীৱনলৈ উভতি আহিবলৈ তেওঁৰ যথেষ্ট কষ্ট হৈছিল। স্বাধীন ভাৰতবৰ্ষত সৃষ্টি হোৱা নব্য ঔপনিবেশিকতাই তেওঁক হতাশ কৰি তুলিছিল। স্বাধীনতা সংগ্ৰামৰ পূৰ্ব প্ৰচাৰিত লক্ষ্য আৰু আদৰ্শৰ সৈতে বাস্তৱৰ বৈপৰীত্যই জন্ম দিয়া ভট্টাচাৰ্য্যৰ বিদ্ৰোহী সত্তাই দেশৰ মঙ্গল কামনাৰে অকলশৰে যুঁজিবলৈ হাতত কলমৰ অস্ত্ৰ তুলি ল'লে। তেওঁৰ প্ৰথম উপন্যাস 'মহা প্ৰস্থানৰ পথিক'ৰ প্ৰথম আৰু শেষ পাঠক আছিল কবি অমূল্য বৰুৱা। উপন্যাসখনৰ পাণ্ডুলিপিটো পঢ়িবলৈ নিয়াৰ পিছতেই অমূল্য বৰুৱাই নিষ্ঠুৰ ঘাতকৰ হাতত প্ৰাণ হেৰুৱালে। সেই পাণ্ডুলিপি লেখকে বন্ধুৰ সৈতেই বিসৰ্জন দিবলৈ বাধ্য হ'ল। 'ৰাজপথে ৰিঙিয়াই' (১৯৫৫) উপন্যাসৰ নায়ক মোহন লেখকৰ বুকু ভেদি ওলাই অহা এক বিদ্ৰোহী সত্তা। ১৯৪৭ চনত ভাৰতে লাভ কৰা স্বাধীনতা মোহনৰ মতে ভুৱা স্বাধীনতা। দেশৰ শাসন বিদেশী বগা চাহাবৰ হাতৰ পৰা দেশীয় শোষকলৈ হস্তান্তৰিত হৈছে মাত্ৰ। সাধাৰণ খাটি খোৱা জনগণৰ জীৱনৰ মানদণ্ডৰ কোনো পৰিৱৰ্তন নাহে। পঞ্চাশৰ দশকতে মোহনৰ মুখেৰে কৰোৱা ভৱিষ্যত বাণী আজি সঁচা বুলি প্ৰতিপন্ন হৈছে। 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা জয় কৰি ভট্টাচাৰ্য্যই অসমীয়াক গৰ্বিত কৰি গৈছে। কামপুৰত সেনাভৰ্ত্তি ৰেল এখন বগৰোৱাৰ মূল কাহিনীৰ লগতে 'মৃত্যুঞ্জয়' উপন্যাসৰ পাতে পাতে খচিত হৈ আছে অসমীয়া মানুহৰ সাংস্কৃতিক মন, ত্যাগ, সাহস, দেশপ্ৰেম আৰু সৰ্বোপৰি মানৱতা। 'ইয়াৰুইংগম' (১৯৬০)ৰ জীৱন মাষ্টৰৰ চৰিত্ৰতো লেখকৰ আদৰ্শ প্ৰতিধ্বনিত হৈছে। অসমীয়া পাঠক সমাজৰ বাবে সাহিত্য একাদেমি বঁটা প্ৰাপ্ত 'ইয়াৰুইংগম' উপন্যাসৰ জনপ্ৰিয়তা আৰু মৰ্যাদা 'মৃত্যুঞ্জয়'তকৈও অধিক। ভট্টাচাৰ্য্যই বিশ্বাস কৰিছিল জাতি-জনজাতিৰ সম্প্ৰীতিৰ দ্বাৰাহে দেশৰ আৰু দহৰ মঙ্গল সম্ভৱ হ'ব পাৰে। ১৯৯৭ চনত অসম সাহিত্য সভাৰ সভাপতি ড° নগেন শইকীয়াই ভাষা-সমন্বয় সমিতি গঠনৰ যত্ন কৰোতে তেখেতে হেনো শইকীয়া দেৱক কৈছিল- 'তোমাৰ (নগেন শইকীয়াৰ) উদ্দেশ্য সফল হ'বলৈ হ'লে, তুমি প্ৰত্যেকটো ভাষাগোষ্ঠীক নিজৰ বুলি অন্তৰৰ পৰা বিশ্বাস আৰু গ্ৰহণ কৰিব লাগিব।'

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য কেৱল কাগজ, কলম, কিতাপৰ মাজতে আবদ্ধ হৈ থকা নাছিল। বিপদগ্ৰস্থ মানুহৰ ওচৰত সৌশৰীৰেৰে থিয় হৈ যন্ত্ৰণাৰ বুজ লৈছিল। 'জুয়ে পোৰা ৮৩'ৰ অসমৰ বিভিন্ন ঠাইলৈ বিভিন্ন জনৰ সৈতে গৈ সমবেদনা জনাই পৰিস্থিতিৰ বুজ লৈছিল। পিছত তথ্য আৰু যুক্তিপূৰ্ণ লেখনিৰে চৰকাৰৰ লগতে দেশৰ জনতাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সংকটৰ সময়ত বিপদৰ পৰা উদ্ধাৰৰ উপায়ৰ সন্ধান কৰি তেওঁ সৎ আৰু সাহসী সাংবাদিকৰ দায়িত্ব পালন কৰিছিল। কেৱল সেয়াই নে? 'ৰামধেনু'ৰ সম্পাদক, 'বাঁহী'ৰ সহকাৰী সম্পাদক, 'দৈনিক অসমীয়া'ৰ সম্পাদক, 'সাদিনীয়া নৱযুগ'ৰ সম্পাদক, 'সাপ্তাহিক জনতা'ৰ সম্পাদক, 'ডেইলী এডভান্চ'ৰ কাম আদিৰ প্ৰতি তেওঁৰ আত্মোৎসৰ্গৰ কথা কোনো কালে পাহৰিব নোৱাৰি।

চক্ৰাই চাহ বাগিচাত থাকোতে হাতেলিখা আলোচনী 'পূৰবী অৰুণ'ত প্ৰকাশ হোৱা শিশু বীৰেন্দ্ৰৰ প্ৰথম কবিতা আছিল 'শংকৰদেৱ' আৰু জীৱিত কালত প্ৰকাশিত শেষ কবিতাটি আছিল

'এজাক বৰষুণ লাগে'। একমাত্ৰ কাব্য সংকলন 'সান্ধ্য স্বৰ'ত সন্নিবিষ্ট 'জীৱন স্মৃতি' নামৰ কবিতাটিত ব্যক্তিগত জীৱনৰ ভালেমান স্মৃতিয়ে ভুমুকি মাৰিছে। 'ৰামধেনু'ৰ পাতত প্ৰকাশিত 'বিষুৱাভা এতিয়া কিমান ৰাতি' শীৰ্ষক কবিতাটি কবি ভট্টাচাৰ্য্যৰ অক্ষয় কৃতি।

তেওঁৰ মুঠ চাৰিখন গল্প সংকলনত সন্নিবিষ্ট অৰ্দ্ধশতাধিক চুটিগল্পত সমাজতান্ত্ৰিক বাস্তৱবাদ স্পষ্ট ৰূপত প্ৰতিফলিত। গল্পসমূহত সমাজৰ দোষ-ত্ৰুটি আঙুলিয়াই তাৰ প্ৰতিবাদ কৰাৰ লগতে পৰিবৰ্তনকামী বিদ্ৰোহী ভাব প্ৰকট কৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধ চলি থকা সময়ত ১৯৪৫ চনৰ ৬ আৰু ৯ আগষ্টত আমেৰিকাই জাপানৰ হিৰোশ্বিমা আৰু নাগাচাকিত পাৰমাণবিক বোমা বিস্ফোৰণ ঘটাই ঘৃণনীয় বৰ্বৰতাৰ নিদৰ্শন দাঙি ধৰি সভ্যতাৰ প্ৰতি ভ্ৰূকুটি প্ৰদৰ্শন কৰিছিল। মানৱতাৰ বধ্যভূমিত পৰিণত হোৱা জাপানৰ বিভীষিকাময় পৰিস্থিতিৰ পটভূমিত ১৯৫৩ চনত ভট্টাচাৰ্য্যই ৰচনা কৰা 'এজনী জাপানী ছোৱালী' নামৰ চুটিগল্পটি অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ।

প্ৰখ্যাত সমাজ বিজ্ঞানী দামোদৰ দাস কৌশাম্বীৰ 'ভাৰতৰ ইতিহাস' অসমীয়ালৈ অনুবাদ কৰি তেখেতে সাহিত্যিক দায়বদ্ধতাৰ পৰিচয় দি গৈছে। এই পুথি অনুবাদৰ দ্বাৰা ভাৰতৰ ইতিহাসক মাৰ্ক্সবাদী দৃষ্টিভংগীৰে তেওঁ নিজে সূক্ষ্মৰূপত পৰ্য্যবেক্ষণ কৰি উপকৃত হোৱাৰ লগতে অসমীয়া পাঠকৰ বাবেও পুথিখন সহজলভ্য কৰি থৈ গৈছে। হেমিংৱেৰ 'ফৰ হুম দ্য বেল ট'লচ্' নামৰ উপন্যাসৰ অনুবাদ 'দেৰ দুন্দুভি বাজে কাৰ বাবে'ৰ উপৰিও নেচনেল বুক ট্ৰাষ্ট আৰু সাহিত্য অকাদেমিৰ অধীনত কেবাখনো ভাৰতীয় ভাষাৰ উপন্যাস অনুবাদ কৰি তেওঁ অসমীয়া সাহিত্যক সমৃদ্ধ কৰি গৈছে।

ড° ভট্টাচাৰ্য্যৰ গৱেষণা গ্ৰন্থৰ বিষয়বস্তু আছিল 'অসমীয়া সাহিত্যত হাস্যৰস'। বহুমুখী ব্যক্তিত্বৰ অধিকাৰী নিৰহংকাৰী মানুহজনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জাৰ্ণেলিজ্‌মৰ অধ্যাপক, অসম সাহিত্য সভাৰ সভাপতি, কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ 'ৰাম মনোহৰ লোহিয়া আসন'ৰ প্ৰাধ্যাপক, ভাৰতীয় সাহিত্য অকাদেমিৰ সভাপতি আদি সন্মানজনক পদবীত কাৰ্য্যনিৰ্বাহ কৰিছিল। স্মিতহাস, অল্পভাষ, সৰলপ্ৰাণ অথচ সিদ্ধান্তত অচল-অটল ব্যক্তি গৰাকীৰ কৰ্মৰাজি ইমান কম পৰিসৰত সামৰি আলোচনা কৰাটো দুৰূহ। তেখেতৰ প্ৰতি থকা অনুৰাগৰ ই এক সামান্য প্ৰকাশ মাত্ৰ। ■

# মহৎলোকৰ বাণী

"আমি এনে শিক্ষাহে ল'ব লাগে, যি শিক্ষাই চৰিত্ৰ গঢ়ে, মানসিক উৎকৰ্ষ সাধন কৰে, বুদ্ধিৰ বিকাশ ঘটাই আৰু প্ৰত্যেককে নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকায়।"

— স্বামী বিবেকানন্দ

"আমাৰ জীৱনৰ প্ৰতিটো আহিব লগা দিন, তাৰ আগদিনা পাৰ হৈ যোৱা দিনটোতকৈ অলপ বেলেগ ধৰণৰ হওঁক, যাতে আমি কিছু পৰিমানে হ'লেও নতুন কথা শিকিব পাৰোঁ।"

— কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ

"কথাৰে নহয় বন্ধু, কামত পৰিচয়
জীৱন যুদ্ধত আছে জয় পৰাজয়।"

— পুৰুষোত্তম দাস

সংগ্ৰাহকঃ **তৰালি মহন্ত**, *স্নাতক, ১ম ষাণ্মাষিক*





# শ্ৰীমন্ত শংকৰদেৱৰ ভক্তিতত্ত্ব আৰু বৈদিক চিন্তা

✍ কমলেশ্বৰ বৰা
*দৰ্শন বিভাগ*

ভাৰতীয় দৰ্শন জীৱনবোধৰ দৰ্শন। আধ্যাত্মিক ভাৰতীয় লোকৰ চিন্তাৰ অন্যতম আধেয়। আধ্যাত্মিক জীৱন সংস্কৃতিৰ অভিব্যক্তিৰে ধৰ্মীয় পৰম্পৰাৰ লগত সংগতি ৰাখি দাৰ্শনিক সিদ্ধান্ত গ্ৰহণ আৰু প্ৰসাৰ কৰি লোক-কল্যাণৰ উদ্দেশ্য পূৰণ কৰাটো ঋষি মহৎলোকৰ কাম। কালক্ৰমত প্ৰতিষ্ঠিত হৈ আহিছে একোটা দাৰ্শনিক অভিমত। প্ৰাচীন ভাৰতীয় সাহিত্যৰাজি; বেদ, উপনিষদ, পুৰাণ, গীতা, ভাগৱত আদিক আধাৰ গ্ৰন্থ হিচাপে লৈ পৰম সত্য সম্পৰ্কে মহান আত্মা সকলে বিভিন্ন মত-অমতৰ সিদ্ধান্তপ্ৰতিষ্ঠা কৰি আহিছে। যুগে যুগে সত্যৰ অনুভৱ-অভিজ্ঞতা পৰিবৰ্তিত হৈছে, সত্যৰ অৱধাৰণাই বাস্তৱমুখী জীৱন-ধাৰালৈ গতি সলাইছে। শ্ৰীমন্ত শংকৰদেৱ তেনে এক পৰম্পৰা আৰু পৰিবৰ্তনৰ বাটত আধ্যাত্মিক জীৱনবোধৰ শ্ৰেষ্ঠতম সাধক আত্মা। নিশ্চিতভাৱে আধ্যাত্মিক চিন্তাৰ লগত নিগূঢ়ভাৱে জড়িত হৈ থাকে মানৱতাবাদী নৈতিক প্ৰসাদ য'ত ব্যক্তিয়ে মুক্তিৰ অৰ্থে কোনো সাধন বা উপায়ক মাৰ্গ হিচাপে গ্ৰহণ কৰে। ভাৰতবৰ্ষৰ পৰম্পৰাৰ সৈতে সংগতি ৰাখি ভাগৱত, গীতা, পুৰাণ আদি কাব্যৰ আধাৰত শ্ৰীমন্ত শংকৰদেৱে ভক্তি আৰু বেদান্ত চিন্তাৰে মানৱ মুক্তিৰ দিক্ নিৰ্ণয় কৰি দেখুৱাইছে। গুৰুজনাৰ ভক্তিতত্ত্ব আৰু ইয়াৰ আধাৰ স্বৰূপ বৈদিক চিন্তাৰ এটি চমু আভাস দাঙি ধৰিবলৈ যত্ন কৰিছো।

ভক্তি হৈছে ঈশ্বৰত পৰম অনুৰক্তি বা অনুৰাগ, অৰ্থাৎ ধাউতি। ভক্তি বুলিলে ভজনীয় দেৱতাৰ প্ৰতি অনুৰক্ত হোৱা। সেই অৰ্থত কৃষ্ণ ভক্তি, শিৱ ভক্তি, কালী ভক্তি, দুৰ্গা ভক্তি, গণেশ ভক্তি আদি অনেক হ'ব পাৰে যদিও সাধাৰণতে বিষ্ণু বা বিষ্ণুৰ কোনো অৱতাৰ বিশেষক ভজনীয় ঈশ্বৰ বুলি গ্ৰহণ কৰা ৰূপটোক ভক্তি আৰু সেইসকলক বৈষ্ণৱ বা ভক্তি পন্থীয় বুলি কোৱা হয়। কোনো এটা বস্তু বা বিষয়ত যেতিয়া অনুৰক্তি সুগভীৰ হয়, আন সকলো অনুৰক্তি তলপৰি সেইবোৰৰ অনুৰঞ্জনৰ ক্ষমতা হ্ৰাস বা লোপ পায়, তেতিয়া সেই বস্তুৰ পৰম অনুৰক্তি হয়। যি বস্তুত পৰম অনুৰক্তি হয় সেই বস্তুৰ বাহিৰে আন কোনো বস্তুৱে মনত সন্তোষ লগাব নোৱাৰে। ঈশ্বৰৰ প্ৰতি অনুৰক্তি হ'ল পৰম অনুৰক্তি আৰু ইয়ে প্ৰেম, ইয়ে ভক্তি অৰ্থাৎ ঈশ্বৰ ভক্তি। মাধৱদেৱে এই পৰম প্ৰেমৰূপা ভক্তিকে ৰসময়ী ভক্তি বুলি কৈছে। চৰম অৱস্থাত প্ৰেম আৰু আনন্দ-একাত্ম হয় যি আত্মিক বা আত্মময়। এই প্ৰেম বা আত্মিক আনন্দ সম্ভৱ হয় আটাইতকৈ আপোনজনত। সেয়ে ঈশ্বৰ প্ৰেম। ঈশ্বৰ প্ৰেম এক আনন্দময় আত্মিক অৱস্থা। এই ভক্তি মুক্তি লাভৰ কেৱল সাধনেই নহয়, সাধ্যও। শ্ৰীমন্ত শংকৰদেৱে কীৰ্তনপুথিত লিখিছে "কৃষ্ণৰ নামেসে সাধে ভুকুতি মুকুতি"। কৃষ্ণৰ নাম-কীৰ্তনত ভকতি জড়িত থাকে। নাম-কীৰ্তন সাধন স্বৰূপে দুটা সাধ্য অৱস্থালৈ লৈ যায়। এটা ভুক্তি অৰ্থাৎ ভোগ আৰু আনটো হ'ল মুক্তি। ভোগ হৈছে অমৃতস্বৰূপা ভক্তিৰ পৰা ওপজা আত্যন্তিক আনন্দৰ ভোগ।

শ্ৰীমন্ত শংকৰদেৱৰ মতে মুক্তিসাধকে মুক্ত হৈও ভক্তি যাপন কৰে। সাধকে ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ- এই চাৰি পুৰুষাৰ্থ লাভ হোৱাৰ পাছতো ভক্তি বাঞ্ছনীয় বুলি ভাৱে। সেয়ে ভক্তিক পঞ্চম বুলিও অভিহিত কৰিছে। ভক্তিক পৰম ভক্তি বোলা হৈছে, কিয়নো আনন্দময়ী ভক্তি লাভ হোৱাৰ পিছত আন একো কাম্য নাথাকে। প্ৰকৃততে পৰম ভক্তি ভগৱৎ প্ৰসাদ বা কৃপাতহে হ'ব পাৰে। বৈদিক যুগৰ পৰা শ্ৰীমন্ত শংকৰদেৱৰ সময়লৈ আৰু গুৰুজনাৰ প্ৰচেষ্টাত ভক্তি ধৰ্ম প্ৰসাৰ আৰু প্ৰচাৰ হৈ আহিছে। দেখুৱাই আহিছে যে ঐকান্তিক ভক্তিৰ দ্বাৰাহে ঈশ্বৰক লাভ কৰিব পৰা যায়। ঈশ্বৰৰ কৃপা লাভ নহ'লে ঐকান্তিক ভক্তিৰো সৃষ্টি নহয়। ভক্তই একান্তভাৱে ঈশ্বৰক চিন্তা কৰিলেহে আৰু জাগতিক সমস্ত ভোগ বাসনা মনোভাৱ ত্যাগ কৰিব পাৰিলেহে ভগৱানৰ কৃপা লাভ কৰিব পাৰি। ভক্তিত ভক্তৰ মন ভগৱান কৃষ্ণৰ লগত বিৰামহীনভাৱে জড়িত হয়। এনে ভক্তি সাধনাই ভক্তিযোগ। ভক্তিযোগ- জ্ঞান আৰু কৰ্মযোগ সাধকৰ বাবেও উপযোগী।

ভক্তি সাধক গুৰুজনাৰ ভক্তি ধৰ্মৰ ভেটি আছিল বেদ। গুৰুজনাই জনসাধাৰণক বেদৰ পথ অনুসৰণ কৰিবলৈ উপদেশ দিছিল। লগতে কৈছিল যে- যিসকল ভক্তই হৰিনাম লয়, কেৱল তেওঁলোকেহে বেদ বুজি পায় আৰু তেওঁলোকেই জীৱৰ ভিতৰত শ্ৰেষ্ঠ। যিসকলে বেদ প্ৰদৰ্শিত পথ অনুসৰণ কৰে সেই সকলেই

পুণ্যবান। ঋগ্‌বেদৰ পুৰুষ সুক্তৰ বৰ্ণনাত ব্ৰহ্মাৰ প্ৰকৃতি বৰ্ণনা কৰি তেঁৱেই চেতন-অচেতনৰ মাজত বিৰাজ কৰে, তেওঁ সকলোৰে নিয়ন্তা, অতীত, ভৱিষ্যৎ। তেঁৱেই পৰমাত্মা। সকলো দেৱ-দেৱী তেওঁৰেই সৃষ্টি যিসকল প্ৰকৃতিক ৰূপকাত্মক চিত্ৰায়ণ। আকৌ বাসুদেৱ বৰ্ণনা কৰি তেওঁক সৰ্ব্বোচ্চ আৰু তেঁৱেই ঈশ্বৰ, বিশ্বব্ৰহ্মাণ্ডৰ গৰাকী বোলা হৈছে। বাসুদেৱৰ অৰ্থ বসুদেৱৰ পুত্ৰ আৰু সেই বাবে বাসুদেৱ বুলিলে কৃষ্ণকে বুজায়। শ্ৰীমন্ত শংকৰদেৱেও সেইমত অনুসৰণ কৰি বাসুদেৱেই পৰম ঈশ্বৰ বুলি কৈছে। তেখেতেও ব্ৰহ্মা আৰু ঈশ্বৰ একে বুলি কৈছে। জীৱসমূহ ঈশ্বৰৰ লীলা। জীৱই ব্ৰহ্ম। কীৰ্তন ঘোষাৰ 'বেদস্তুতি'ত বিষ্ণু বা কৃষ্ণক নাৰায়ণ বা হৰি নামে স্মৰণ কৰি এনেদৰে বৰ্ণনা কৰিছে—

*"হৃদিস্থিত কৰি হৰি সম্প্ৰতি তোমাক।*
*কৰোহো উপাসা আমি সবে বেদজাক।।"*

(কীৰ্তন ঘোষা - ১৬৫৫)

*"সেহিসে কুলীন বেদক বুজে*
*মাহাৰ মুখে হৰিনাম সিজে।।"*

(কীৰ্তন ঘোষা - ১১২)

বেদৰ মতে সকলো জীৱই ব্ৰহ্ম মাথোন। জীৱ ব্ৰহ্মৈৱ নাপৰঃ। শ্ৰীমন্ত শংকৰদেৱেও অনুৰূপ দৃষ্টিভংগী গ্ৰহণ কৰিছিল। গুৰুজনাৰ মতে জীৱ সমূহ ঈশ্বৰৰ লীলা। বেদৰ সাৰস্বৰূপ শ্ৰীমদ্ভাগৱদ গীতাত কৈছে যে- মায়াৰ বাবেই সৃষ্টি সম্ভৱ। সেই মায়া আকৌ ভাগৱতৰ মতে ঈশ্বৰৰে বিভূতি। এই ভাগৱত শাস্ত্ৰখনো বেদৰ চিন্তাধাৰাৰ ওপৰতে আধাৰিত। এনেদৰে গুৰুজনাৰ দৰ্শন শ্ৰীমদ্ভাগৱত গীতা আৰু ভাগৱত উভয় শাস্ত্ৰৰ সৈতে সংগতিপূৰ্ণ। বৈদিক ভাগৱতী ভক্তিৰ আহিৰে গুৰুজনাই একশৰণ ভক্তি ধৰ্ম সমাজত প্ৰতিষ্ঠা কৰি এক পৰম আধ্যাত্মিক সত্যৰ দৰ্শন দি থৈ গৈছে। ■

# মহৎলোকৰ বাণী

"শৰীৰ আৰু আত্মাত যিমান বেছি সৌন্দৰ্য আৰু সম্পূৰ্ণতাৰ বিকাশ ঘটাব পাৰি, তাক সম্পূৰ্ণ কৰাই হ'ল শিক্ষাৰ উদ্দেশ্য।"

— স্বামী বিবেকানন্দ

"সত্যৰ মুখামুখি হ'বলৈ ভয় নকৰিবা, সত্য সদায় ভয়ংকৰ যি কাপুৰুষ তেওঁ হে সদায় সত্যৰ মুখামুখি হ'বলৈ ভয় কৰে।"

— মহাত্মা গান্ধী

"দানৰ সমান বিধি নাই, লঘুৰ সমান শত্ৰু নাই, চৰিত্ৰৰ সমান ভুষণ নাই আৰু সন্তোষৰ সমান ধন নাই।"

— বুদ্ধদেৱ

"অন্ধকাৰ যিমানেই গভীৰ নহওঁক, বিপদ-আপদ, বাধা-বিঘিনী যিমানেই প্ৰবল নহওঁক, কৰ্মক্ষেত্ৰত তুমি কেতিয়াও ভীত নহ'বা, বিপন্নচিত্ত নহ'বা। সকলো সন্দেহ পৰিহাৰ কৰিবা। কোনো কামে অসাধ্য নহয়।"

— ঋষি অৰবিন্দ

সংগ্ৰাহক ঃ **তৰালি মহন্ত**, *স্নাতক, ১ম যাণ্মাষিক*





# ISSUES OF ENVIRONMENTAL DEGRADATION AND CONSERVATION

✍ **Dr. Lilabati Choudhury**
*Deptt. of Education*

Environment is the sum total of all conditions and influences that affect the development and life of all organisms on earth. Environment covers all the outside factors that have acted on the individual since he began life. So, the word environment is very significant.

The word "Environment" is derived from the French word "Environner" which means encircle or surround. All the biological and non biological things surrounding an organism are included in environment. Thus environment refers to the sum total of water, air and land, inter-relationships among themselves and also with the human beings, other living organisms and property.

Therefore, environment includes all the physical and biological surroundings and their interactions. Environment is the aggregate of all the external forces, influences and conditions which affect the life, nature, behaviour and the growth, development and maturation of living organisms.

On the other hand environmental degradation means a disturbance in the processes of various components of environment. Such degradation of the quality of environment may be at global, regional and local levels by the natural processes as well as the human activities. Environmental degradation refers to overall lowering of environmental qualities by human activities in the basic structure of the components of the environment to such extent that it adversely affect all the biological communities including human beings.It leaves direct impact on the ecology which is caused ecological imbalance. The ecological imbalance is the sign of environmental degradation it is difficult to perceive environmental degradation directly at the first stages. It can be easily observable in living organisms.

**Causes of Environmental Degradation**

The degradation of environment is caused by pollution and hazards/ disasters. The hazards or disasters are sudden by natural processes or by human activities which require the immediate relief and prediction can be made for the safeguard. These hazards cause sudden and sever pollution. Environmental pollution is taking place due slow and gradual human activities, e.g; increase of human population, establishing factories and industries, development of transportation facilities etc. Such pollutions degrade the proper quality of the environment which can be protected by proper environmental management and assessment.

Therefore, environmental degradation is a very dangerous condition of the environment which deteriorates the environmental quality at the moment. So, it is very wider concept. It mainly includes both natural processes and human activities. They create different types of pollution

which are difficult to any living organism. They harmfully affect the life or create a potential health hazard to living organism.

Besides these issues of environmental degradation, there are some basic causes of environmental degradation. These are mainly –

(1) The development of modern technologies
(2) The increase in the human population
(3) The excessive pressure on natural resource
(4) The high rate of exploitation of natural resources
(5) The increasing number of industries and factories
(6) Increasing settlement of urbanization
(7) Development of economic functions of human beings
(8) Deforestation or conversion of forest land into agricultural land and pastures

Generally all these causes of environmental degradation are too much responsible for different activities of human being. There are some other causes which can be considered as natural or physical causes of environmental degradation. These are—

(i) Soil erosion
(ii) Earthquakes
(iii) Volcanoes
(iv) Floods, Droughts and Famines etc.
(v) Desertification
(vi) Tropical cyclones, Thunderstorms, Tornadoes etc.

The above different causes are too much responsible for environmental degradation. These causes harmfully affect the life of any living organism and deteriorates the life circle of human, animal, plant and other living organisms. Therefore, it should be immediately stopped such effect and should try to make a proper arrangement to control environmental degradation.

**Conservation**

At presenttime the conservation system is necessary to protect environmental degradation. For the prevention of environmental degradation some special programmes can be organized to maintain the quality of environment. In this situation education can play an important role in controlling environmental degradation. It can help in organizing various programmes of management for reducing the hazards and disasters causing environmental degradation. So environmental awareness is more important for the improvement of environmental degradation. Environmental awareness includes information of all types of pollutions, air, water and others. Environmental awareness also aims at realizations of problem and subsequent change in knowledge, feeling and behavior of the people. Generally it includes proper information about the health condition of the community. At first, everybody should be awareded for different environmental conditions. And it is only possible by the formal, informal and non formal system of education. The teachers and others involved in the process of education can take the following steps to educate the decision makers-

(1) To provide proper information about the occurence of the extreme events and disasters through the various media well in advance so that every one may be mentally prepared to protect environment.
(2) To provide and arouse awareness about the hazards and disasters among general public and train the administrators and policy makers to handle the situation created by a disaster by providing detailed maps of the problem area.
(3) To explain the techniques and measures of immediate relief for the reduction of





disasters. The attitudes and perceptions of common people are to be changed about the natural hazards.
(4) To persuade the people to improve the standard of construction so as to fight against the disaster.
(5) To assess the impact of plans, projects, dams, reservoirs, factories, deforestation in view of their adverse impact on human life.

Beside these, some other step can be taken for conservation of nature and natural resources. These are—

(1) To create awareness about the disasters among general people by arrange drama, dance and song, essay writing and poetical recitations etc.
(2) To use multi media by government and non-government organizations for the awareness of environmental degradation.
(3) To give proper knowledge for reduce the gradual population growth.
(4) To impart knowledge for disciplinary life of urbanization.
(5) To reduce the excessive problem of illiteracy from the country to conserve the nature and natural resources.
(6) To impart knowledge for the socio-economic development and maintenance of environmental quality.
(7) To organize lecture on environmental pollution among the non literate rural people.
(8) To organize interdisciplinary seminars, conferences, group discussions at regional and local levels.
(9) To include environmental education as a compulsory course in the school stage.
(10) To organize the programmes like scouting, girls' guiding, NSS and village work for environmental management.
(11) To organize plantation programme in different village area to develop consciousness of common people for controlling environmental pollution.
(12) To arrange educational excursion to arouse a love for nature.

Thus we can reduce the environmental degradation from the country, if above points are properly applicable in different situations.

**Conclusion**

Generally everybody should know the different situations of environment. For the proper Knowledge of environment everyone should know the environmental education. At the present time environmental pollution is a serious problem all over the world mainly in developed and developing countries which is responsible to create the environmental degradation in the different level of country. To solve this dangerous problem environmental education is too much necessary. Through this type of education public can be benefited to solve the problems of environmental degradation. Therefore, to create awarenessenvironmental education should be included as a compulsory subject from the lower to higher stage of education. Then it will be possible to conserve the natural resources of our country and we can expect a pollution free environment among us which is too much necessary for every living beings. ■

**References :**

1. Aggarwal J.C.– Teacher and education in a Developing Society, 2006, Vikas publishing house, pvt. Ltd.

2. Akhtar Dr. Parveen R. – Environmental and population Education, 2014, Assam Book Depot, Panbazar, Guwahati
3. Devi Dr. Meena Kumari and Goswami Dr. Sadhana - Environmental Education and population Education, 2013, Shanti Prakashan, Guwahati
4. Pande P.R. and Awasthi Dr. N.M. – Environmental Studies, Lakshmi Narain Agarwal
5. Sharma R.A. – Environmental Education, 2005, Vinay Rakheja, meerut.
6. Sarma, Deka, Mishra Chakrabarty - Paripershik Aru Jana- SangkhyaSikha, 2006, Assam Book Depot, panbazar, Guwahati


# মহৎলোকৰ বাণী

"সপোন, সপোন, সপোন।"
সপোন চিন্তালৈ আৰু চিন্তাক কাৰ্যলৈ ৰূপান্তৰ কৰা। সপোন সেয়া নহয় যি শুই শুই দেখা যায়, সপোন সেয়াহে যি শুব নিদিয়ে।

— ড° এ,পি,জে, আব্দুল কালাম

"পাপ আমাৰ শত্ৰু, পুণ্য আমাৰ বন্ধু।"

— মহাবীৰ

"আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।"

— চক্ৰেটিছ

"আমি যি জানো সি অতি সামান্য। আমি নাজানো তাৰ সীমা নাই।"

— পাৰলেচ

"ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰ মহিলা হ'বলৈ নহয়।"

— পদ্মনাথ গোহাঞি বৰুৱা

সংগ্ৰাহক : **পল্লৱী ঠাকুৰীয়া,** *স্নাতক, ৫ম ষাণ্মাসিক*





# Citizenship Amendment Act (CAA) in India


**Indrani Devi**
*Deptt. of Economics*


The constitution of India which was implemented in 1950 guaranted citizenship to all of the country's residents at the commentement of the constitution and made no distiction on the basis of religion.

In 1955, the India Government passed the citizenship Act, which provided the foreigners two means to People acquire Indian citizenship People acquire from 'Undivided India' (which included in addition to India, the present day Pakistan and Bangladesh) were given a means of registration after seven years of residency in India.

Those from other countries were given a means of naturalisation after twelve years of residency in India.

Political development in 1980s, particularly those related to the Assan movement against all migrants from Bangladesh, necessiated revisions to the Citizenship Act of 1955 and it was first amended in 1985 after the Assan accord was signed, wherein the Indian Government agreed to identify foreign citizens, remove them from the electoral roles and expel them from the country.

The Citizenship Act was further amended in 1992, 2003, 2005 and 2015.

The Citizenship Amendment Bill, 1992, which received Parliamentary approval on 20th, November, 1992 eliminated discrimination against women in the matter of Citizenship. According to this Act, a person born outside India would be deemed to be an Indian citizen if either of his / her parents were Indian. The provisions in the Principal Bill of 1955 applied only to those children who were born to India males.

The Citizenship (Amendment Act) 2003 was passed by the Parliament of India in December 2003 and received presidential assent in January, 2004.

The Act Amended the Citizenship Act, 1995 by

* Introducing and defining a nation of "illegal migrant", who could be jailed or deported.
* Making illegal migrants ineligible for citizenship by registration or by naturalisation.
* Disallowing citizenship by birth for children born in India if either parent is an illegal immigrant and
* Introducing a nation of Overseas Citizen of India (OCI) for citizens of other countries who are of Indian origin.

The Act also mandated the Government of India to construct and maintain a National Register of citizens (NRC)

In response to persistent demands for dual citizenship, the Overseas citizenship of India (OCI) scheme was introduced by amending the Citizenship Act, 2005. Indian authorities have interpreted the law to mean a person cannot have

a second country's passport simultaneously with an Indian one. Therefore, Overseas Citizenship of India is not an actual citizenship of India and thus doesnot amount to dual citizenship or dual nationality or anyone no longer to use Indian IDs after OCI.

The Citizenship Amendment Act, 1915 which came into force from 6 January, 1915 introduces the concept of on 'Overseas Citizens of India Cardholder' (an 'OCC') that essentially replacẽs and merges together OCIs and PIOs.

The Citizenship Amendment Act, 2019 was passed by the Parliament of India on 11 December, 2019. The Act was the first instance of religion being overtly used a criterion for citizenship.

According to this Act, any person belonging to Hindu, Sikh, Buddhist, Jain, Parsi or Christian community from Afganisthan, Bangladesh or Pakistan, who entered into India on or before the 31st day of December, 2014 and who has been exempted by the central Government by or under class (c) of sub-section (2) of section 3 of the Passport Act, 1920 or from the applications of the provision of the foreigners Act, 1946 or any rule or order made there under shall not be treated as illegal inigrant.

This Act will not apply to Areas under the sixth schedule of the constitution which deals with autonomous tribal-dominated regions in Assam, Meghalaya, Tripura and Mizoram. The bill will also not apply to states that have the inner-line permit regime (Arunachal Pradesh, Nagaland and Mizoram).

Protest have broken out across India against the Citizenship Act, 2019. Among the Northeast state the protect Against CAA has been the most intense in Assam. While a chunk of these states have been exempted from the legislation, CAA covers a large part of Assam. The protest is because of the fear that Illegal Bengali, Hindu migrants from Bangladesh, if regularised under CAA, will threated cultural and linguistic identities of the state. ■

**Reference :**

1. Economictimes.indiatimes,com
2. www.wikipedia.org
3. The Gazette of India, December 12, 2019

■ ■ ■ ■ ■





# NOBEL IN ECONOMICS-2019

✍ **Dr. Nibedita Devi**
*Deptt. of Economics*

Economists Abhijit Banerjee, Esther Duflo and Michael Kremer have won this year's Nobel prize in Economics for their "experimental approach to alleviating global poverty". Duflo who is married to Banerjee became the youngest ever recipient and only the second woman in the world to be awarded the Nobel in Economics since it began in 1969. Esther Duflo (46 years) completed her Ph.D in Economics from MIT in 1999 and was appointed as an assistant professor in the Department of Economics. MIT broke a long standing departmental rule against hiring its own graduates when they appointed her in 1999. In 2002, she was promoted to the position of Associate professor with tenure, making her the youngest faculty member in the given tenure at the age of 29 years. She is also the Co-founder and Co-director of the Abdul Latif Jameel poverty Action Lab (J-lab) 2003, a global network of Anti Poverty Researchers that conducts field experiments, Duflo is also the authr of several books as for example- poor Economics, Good Economics for Hard Times along with her husband Abhijit Vinayak Banerjee. Esther Duflo is the recipent of Mac Arthur 'genius' Feleowship in 2009. Along with Nobel prize winner Abhijit Banerjee, she was associated with an Indian NGO, Pratham to develop 'Teaching at the Right Level' approach. This concept deals with learning capacity of a children and proper teaching in the right direction. The approach has now been popular throughout India and Africa to reach over 60 million students. In the field of Immunisation, Duflo has done enormous work, she also setup three immunisation camps in Udaipur, Rajasthan, Abhijit Banerjee is also an M.A. in Economics from Jawaharlal Nehru University in 1983 and completed his Ph.D. in Economics from Harvard University, 1988. At present he is Ford International professor of Economics at MIT. He was the faculty at Harvard University for one year, and also the faculty at Princeton University for four years.

Son of Dipak Banerjee and Nirmala Banerjee of Kolkata (both Economics professor Abhijit Banerjee) did his B.Sc. in Economics from presidency college, Kolkata in 1981. He started his work on development Economics with specialisation in global poverty. He with Duflo, ended the great book "poor Economics" which is about the very rich economics that emerges from understanding the economic lives of the poor. They says that this book is about the kind of theories that help us make sense of both what the poor are able to achieve and where and for what reason they need to push. They write about one very new concept like 'Poverty Trap' in 'poor Economics' which is very significant in today's poverty seenario in under develop countries. The Idea of poverty trap indicates that as he says, there will be a poverty trap whenever the scope for growing income or wealth at a very fast rate is

limited for those who have too little to invest, but expands dramatically for those who can invest a bit more.

Through poverty Action Lab they encouraged and support other Rereachers, governments and NGO's to work together on the issues like poverty and related concepts. They also taked about the politics of policy implementation in the less developed countries. As it has been observed he added "Even the most well intended and well- thoughtout- policies may not have an impact if they are not one-implemented properly. Unfortunably the gap between intention and implementation can be quite wide. The many failing of government cannot be really be made to work" (poor Economics).

Michall Kremer who shared the Nobel prize for economics with Abhijit V. Banerjee & Esther Duflo for using rendomised controlled trials to determine how best to lift people out of poverty and improve their health, Kremer, the Gates professor of Developing societies in the Department of Economics at Hardvard University, had in the 1990s launched a number of field experiments in western Kenya to improve education results, as washington post reported. Kremer received an undergraduate degree in Social Studies in 1985 and Ph.D. in Economics in 1992, both from Harvard Unversity. The Royal Swedish Academy of sciences said results of the studies and experiments of Duflo, Abhijit Banerjee and Michale Kremer had ranged from helping millions of Indian school children with remedial tutoring which to encouraging governments around the world to increase funding for preventive medicine.

Duflo and Banerjee are the sixth and seventh people to win the award while serving as MIT faculty, following others like paul samleson (1970, Franco Modigliani (1985), Robert Solow (1987), Peter Diamond (2010) and Bengt Holmstrom (2016). ■

## মহৎলোকৰ বাণী

"মানুহে যিমান কিতাপ পঢ়িবলৈ শিকে সিমানে ভাবিবলৈ শিকে।"

— জবাহৰলাল নেহেৰু

"শিক্ষাই জীৱন, জীৱনেই শিক্ষা।"


— লজ

"শিশুৰ অন্তৰ্নিহিত শক্তিৰ ব্যাহ্যিক প্ৰকাশেই হ'ল শিক্ষা প্ৰক্ৰিয়া।"

— পেষ্টয়লজী আৰু ফ্ৰবেল

সংগ্ৰাহক : পল্লৱী ঠাকুৰীয়া, স্নাতক, ৫ম যাণ্মাষিক





# কবিতা শিতান


- কুঁৱলী
- নিৰৱতাত সপোনৰ জংচন
- পতঙ্গ
- ব'হাগ
- মিছাইল মানৱ
- স্মৃতি
- জোনাকী পৰুৱা
- সৰু তৰা
- সঁপোন
- হে শ্বহীদ তোমাক শত প্ৰণাম
- সেউজীয়া বৰষুণ
- আমাৰ গাঁও
- অমৃত হ'ব পাৰে বিহ
- নাৰী
- স্মৃতি

# কুঁৱলী


✍ চন্দ্ৰানী কলিতা
*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

চেঁচা-চেঁচা লগা এটি শীতল পুৱা
যাৰ স'তে সেমেকি উঠিছে হিয়া
তোমাৰ জপনা মুখতে ইকাটি সিকাটি কৰি
চোতালতে শিতান সজাইছে এজাক কুঁৱলী
তোমাৰ সতে কুঁৱলীৰ কিহৰ মিতিৰালি
ৰাতিৰ অৰণ্যত নীলা নদীত,
এছাটি শেৱালী বিয়পা বতাহৰ গোন্ধত
অনিদ্ৰা দেহ
জোনাক বাগৰি ফুৰা তোমাৰ দুচকুত
বগা পাহাৰ
তোমাৰ আঙুলিত জঠৰ হৈ পৰা
শীতল নগ্নতা যেন এক শুকুলা অনুভৱ।
জুৰুলি-জুপুৰি এচোতাল দুৰবিত
দুৰ্বল এটি পুৱা
কুঁৱলীৰ গাতে গা-ঘেলাই তুমি আঙুলিয়াই দিয়া
এআকাশ কুমাৰী লাজুকীয়া ব'দ।
শীতল কুঁৱলীত মুখ ধুই পথাৰখন ফুলি উঠে
তোমাৰ পুৱতি নিশাৰ সপোন লাগি
নিমিষতে শুকুলা হৈ পৰে কুঁৱলীৰ শিতান। ■

# নিৰৱতাত সপোনৰ জংচন

✍ ৰশ্মিউল চুলতানা
*স্নাতকোত্তৰ, ১ম ষাণ্মাষিক*

নিৰৱতাত সপোনৰ জংচন
নিজকে প্ৰতিষ্ঠা কৰাৰ
এক অগাধ প্লাৱন
নামি আহে সিৰে সিৰে
এক বুজাব নোৱাৰা অন্বেষণ।
কৰ্তব্য আৰু দায়িত্বৰ বোজাত
পিতৃৰ মুখত ক্লান্তিময়তাৰ আৱৰণ
কঠোৰ পৰিশ্ৰমেৰে সাহস দিয়া
পিতৃক সকাহ দিয়াৰ
মনত জাগে এক বিশেষ উত্তৰণ।
সুযোগ্য কন্যা হোৱাৰ
সপোনে ক্ৰিয়া কৰে অহৰহ
সেই সপোনে এই জীৱনো
উটুৱাই নি কৰিছে ভয়াবহ।
তথাপি ভাগৰা নাই নাভাগৰো মই
নিৰৱতাৰ সপোনে এদিন
লক্ষ্য স্থানৰ জংচনত ৰ'ব!
আব্বা-মাৰ ত্যাগৰ গৰিমা
আমাৰ হৃদয়ে হৃদয়ে উজ্বলিব। ■



# পতঙ্গ

শেৱালি মেধি
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*

দুৱাৰ খিৰিকি খোলা এটা বন্ধ কোঠালিত
আমি বন্দী।
সপোন সাগৰত উটি ভাঁহি ফুৰা কিছুমান ৰাজকুমাৰী,
আমাৰ নিশ্চিদ্ৰ প্ৰহৰী।
সিহঁতৰ ঘোপাকৈ চাৱনিত,
চোৰৰ তালিকাত নাম ভৰি থাকে আমাৰ।
গতিৰ দিশে গতি। ইকাটি সিকাটি নাই।
লৰ-চৰ মানেই—
বৃত্তৰ মেল, আয়তক্ষেত্ৰৰ খেল...
কত যে কি!!
সিহঁতৰ ঠেলা হেঁচাত,
নাঙলৰ ফালেৰে চহোৱা আপোন কঠীয়াতলিত,
আমি সৰি পৰোঁ এটুকুৰা বৰফ হৈ। হিমালয়ৰ।
বৰফ ফাটি টুকুৰা টুকুৰ হয়। লুইততো আহে বান।
আঘাতত কলা হোৱা তেজৰ কৰালবোৰত,
বিবেকৰ দংশন!!
আমি একোটি পতঙ্গ, জুই দেখি নিজেই জাহ যাওঁ। ■

# ব'হাগ

অনামিকা ঠাকুৰীয়া
*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

ব'হাগ মাথোঁ এটি ঋতু নহয়
ব'হাগ মাথোঁ এটি মাহ নহয়
ব'হাগ যেন এটা নতুন জীৱনৰ সৃষ্টি
ব'হাগ যেন এক উৎসৱৰ মেলা।
ব'হাগ মানে যেন এক আনন্দৰ মেলা
ব'হাগ মানে যেন প্ৰকৃতিৰ নতুন ৰূপ
ব'হাগ মানে যেন এক প্ৰেৰণা
যেন সকলো সাজোন-কাচোনত ব্যস্ত।
পলাশ, মদাৰ, শিমলু যেন
সাজি-কাচি ৰঙিয়াল হৈ পৰিল
নাহৰ, তগৰ, কপৌ কুসুমৰ সুবাসত
চৌদিশে আমোলমোল।
পাতৰ আঁৰত বহি কুলি কেতেকীয়ে
সুৰৰ লহৰ তুলিলে
মলয়াৰ ৰিব্‌ৰিব্ শব্দ, কুলিৰ মৌ মিঠা মাত
কেতেকীৰ সুৰদি সুৰৰ তালত তাল মিলাই
চৌদিশে প্ৰতিধ্বনিত হ'ল
ঢোল, পেঁপা, গগনাৰ মধুৰ ঝংকাৰ।
প্ৰকৃতিৰ এই অপৰূপ সৌন্দৰ্যই ব'হাগ। ■







# মিছাইল মানৱ

নাজনিন বেগম
*স্নাতক, ৫ম ষাণ্মাষিক*

দেখা নাই তোমাক
শুনিছো তোমাৰ নাম-গুণ,
অগ্নিৰ ফিৰিঙতিৰ দৰে বিয়পি পৰিছে
এই বিশ্বত তোমাৰ গুণ।
জনম ল'লা তামিলনাডুৰ
ৰামেশ্বৰম দ্বীপত,
তাৰপৰা ওলাই আহি
ভৰি দিলা বিজ্ঞানৰ বিশ্বত,
তুমিয়েই হ'লা এই জগতৰ
মিছাইল মানৱ।
জপিয়াই পৰিলা দেশসেৱাত
ৰাষ্ট্ৰপতি হৈ
অহংকাৰহীন, গৌৰৱহীন এই জগতৰ
মিছাইল মানৱ।
তোমাৰ প্ৰিয় ঠাই শ্বিলঙত আহিছিলা
শুকুলা বৰণীয়া চুলিৰে সৈতে,
প্ৰিয় ঠাইতে চিৰবিদায় ল'লা
এই পৃথিৱীৰ পৰা।
তোমাৰ মৃত্যুৱে কঁপনি তুলিলে
সমগ্ৰ বিশ্বক,
তুমিয়েই সেই মহামানৱ
তুমিয়েই হৈ থাকিবা অনন্তলৈ-
মিছাইল মানৱ, জনতাৰ প্ৰাণত। ■

# স্মৃতি

কণিকা তালুকদাৰ
*স্নাতক, ৪ৰ্থ ষাণ্মাষিক*

সৌৰৱণিৰ সুৰ এটা হৈ
হঠাতে গুচি যাম এদিন
নদীখনৰ সিপাৰলৈ
ফুলি ৰম
বিষাদৰ বেঙুনীয়া
ফুল এপাহ হৈ
স্মৃতিৰ সুগন্ধত মাতাল হ'ব
কিছু নিঃসংগ সময়। ■

# জোনাকী পৰুৱা

সংগীতা বৈশ্য
*উঃ মাঃ, ১ম বৰ্ষ*


জোনাকী পৰুৱা তুমি
ৰাতিৰ আকাশত
ৰাতিহে আহা তুমি
পোহৰ বিলাবলৈ
পোহৰ বিলাই-বিলাই
তুমি নপৰানে ভাগৰি
নিশাৰ আকাশত ঘূৰি
তুমি পোৱানে শান্তি? ■



# সৰু তৰা

✍ মণিকংকনা দাস
স্নাতক, ১ম যাণ্মাষিক

হেৰা সৰু তৰা
জোন বাইৰ স'তে তুমি
মিচিক মাচাক হাঁহি
কিনো কথা পাতা।।
পূৰ্ণিমাৰ নিশা জোনাকীৰ
শুভ পোহৰৰ মাজত তুমি
মেঘালীৰ স'তে থাকা
লুকা-ভাকু খেলি।।
মৰতত থাকি আমি
তোমালে চাওঁ
লুকা-ভাকু খেলা দেখি
মনত বৰ আনন্দ পাওঁ।
বৰ্ষা কালত দেখো
ক'লা ক'লা ডাৱৰবোৰে
তোমাক বৰ অত্যাচাৰ কৰে
তাকে দেখি মন আমাৰ
বিষাদে ভৰে।।
তথাপিতো তোমাৰ আক্ষেপ নাই
বৰষাৰ শেষত আহিব শৰৎ
তেতিয়া তুমি পুনঃ
হাঁহিটি মাৰিবা জোনাকীৰ লগত।।
তোমাৰ পৰশতে হওঁক উদ্ভাসিত
মৰতৰ শেৱালি জোপা
তাৰে আমি কৰিছো কামনা।।



শুভ ওৰণিৰ মাজত
ৰঙাকৈ ফোঁটটি লৈ
দুবৰি তৰাৰ ওপৰত
দিয়ক পুষ্প দলিচা পাৰি।।
তাতেই চৰণ থৈ
দেৱী হওঁক তুষ্ট
হিংসা মাৰিমৰক বিনাশী
আনক শান্তি মৰতত।। ■

# সপোন

✍ বিতুমণি পাঠক
স্নাতক, ১ম যাণ্মাষিক

সপোন মানুহৰ
ই জীৱনৰ লক্ষ্য,
জীৱন জীয়াৰ
অৰ্থই সপোন।
মানৱী জনমত সপোনেই
জীৱনৰ সোণালী বাট,
সপোনৰ জৰিয়তে
জীয়া জীৱনৰ আৰম্ভণি।
সপোনৰ দিঠকে
মানুহৰ সুখ,
সপোনৰ ভাঙোনে
মানুহৰ দুখ।
সপোন মানে
যুঁজ জীৱনৰ,
সপোনে জীৱন যুঁজত
ত্যাগ কৰাত সাহস যোগায়।
সপোনৰ সমাপ্তি
জীৱনৰ শেষ নিশ্বাস। ■





# হে শ্বহীদ তোমাক শত প্ৰণাম

✍ ৰীতা দাস
স্নাতক, ৩য় যাণ্মাষিক

অ' হেৰৌ চৰকাৰ
দেশৰ তই কৰিলি কি?
সোণৰ অসমতে ডকাইত মেলি দিলি,
নন্দনত মেলিলি হাতী।
স্বাধীনতা ধন বাইজে আৰ্জিছিল
হাজাৰ জনে উচৰ্গি প্ৰাণ...
কিল, লাঠী, গুলীক
তুচ্ছ জ্ঞান কৰিছিল
যুঁজিছিল সবে বিচাৰিছিল
মুক্তিৰ পথ
সকলোৰে তই আশা শেহ্দ কৰিলি
বঢ়ালি কত কন্দল??
অ' হেৰৌ চৰকাৰ
আকৌ সংগ্ৰামৰ সময়
তই কৰিবি কি?
জাতি, ধৰ্ম, বিদেশীৰ সমস্যা আনিলি
দেশত আকৌ জ্বলালি জুই।
হেৰৌ চৰকাৰ নিদিও আৰু
বোৱাব তেজৰ সোঁত
নিদিও বৰ মতা হ'বলৈ
লুটি পুতি খাবলৈ
মাতৃৰ বুকু শুদা হ'বলৈ...
শ্বহীদৰ তেজেৰে ৰাখিম
অসমীয়াৰ মান
অভিন্ন ঐক্য শক্তিশালী দুৰ্গ
তাক জিনে শক্তি কাৰ
আহা সবে আগুৱাই মুক্তিৰ নামত
তেহে হ'ব মুকুতি বিধান
হে শ্বহীদ তোমাক শত প্ৰণাম।। ■

# সেউজীয়া বৰষুণ



✍ বনশ্ৰী মহন্ত
স্নাতক, ৩য় যাণ্মাষিক

উদং পথাৰৰ
আনন্দৰ চকুলো হৈ
বৰষুণ সৰিছে।
বুকুৰ সৃষ্টি উশাহ লৈ
আহিছে-
এজাক সেউজীয়া বৰষুণ।
কলুষিত কৰা
কণ্ঠবোৰ
ধুই নিয়ক....।
হওঁক
ধুনীয়া
এই সমাজ
পৃথিৱী।
দৌ-খাই পৰক
উদং পথাৰৰ
চৌপাশ। ■

# আমাৰ গাঁও

✍ বন্দনা বড়ো
উঃ মাঃ, ১ম বৰ্ষ

বুঢ়া লুইতৰ দক্ষিণ পাৰত
অৱস্থিত আমাৰ গাঁও,
তাহানি দিনত ফলে-ফুলে ভৰি হেলো
আছিল আমাৰ গাঁও।
এতিয়া আৰু চিন-চাব নাই
সেই দিনৰ গাঁও,
বুঢ়া লুইতৰ দৈত্য ৰূপত
আমি সৰ্বহাৰা হওঁ।
অতীতৰ কথা ককা-আইতাৰ মুখত
শুনিলে সপোন সপোন লাগে,
লুইতপৰীয়া বাসিন্দাৰ
এয়াই জীৱন চাগে।
ককা-আইতাই কয় আমাক
কেনেকুৱা হৈছিল অৱস্থা,
নেদেখিলেও আমাৰ মনত
লাগে ভাবিয়েই বেথা। ■

# অমৃত হ'ব পাৰে বিহ

✍ নমিতা দেৱী
স্নাতক, ৫ম ষাণ্মাসিক



মানুহ নহ'ব পাৰো
কিন্তু দানৱ নহয়
লক্ষ্মী নহ'ব পাৰো
কিন্তু কুললক্ষ্মী নহয়।
কাকো সুখ দিব নোৱাৰো
কিন্তু দুখ দিবও নিবিচাৰো।
ধন সম্পত্তি নহয়
মাত্ৰ অলপ শান্তি বিচাৰো।
মৃত্যুক সাৱটিব খোজো কিন্তু
আত্মহত্যা কৰি নহয়
অলপ মৰম হে লাগে
অভিমান নহয়। ■

# নাৰী

✍ কল্পনা কাকতি
স্নাতক, ৩য় ষাণ্মাসিক


মই নাৰী সপোন কুঁৱৰী
সপোনৰ মূল্য বিচাৰি খাওঁ হাবাথুৰি
সপোনৰ সৈতে মোৰ বহুদিনৰ চিনাকি
কিন্তু দিঠকে মোৰ নহয় মুখামুখি।
নাৰী হেনো ঘৰ শুৱনি,
তেন্তে সমাজৰ চকুত কিয়
নাৰী অভাগিনী, নাৰী কুলক্ষিণী?
আনৰ সুখত সুখী আনৰ দুখত দুখী হোৱা
এয়াই নেকি নাৰীৰ কৰ্ম?
নাথাকো বৈ, নকৰো সপোন চুৰমাৰ
মই বিচাৰো এখন নাৰীৰ সমাজ
য'ত থাকিব নাৰীৰ স্বৰাজ। ■

# স্মৃতি

✍ প্ৰণিতা কুমাৰী
স্নাতক, ৩য় ষাণ্মাসিক

স্মৃতিৰ দুৱাৰ দলিত
মই আজি বিচাৰি ফুৰিছো অতীতক
যি অতীত অবিহনে
মোৰ বৰ্তমানৰ জীৱন শূন্য
সেইবাবে মই বাৰে বাৰে
অতীতৰ স্মৃতিৰ পাত লুটিয়াও।
সুখ দুখৰ সেই তিতা মিঠা
স্মৃতিৰ অভিজ্ঞতাই
মোৰ বৰ্তমানৰ আশা কল্পনাক
বাস্তৱত পৰিণত কৰাৰ
উদ্দীপনা যোগায়। ■





# 'বাবাটু'

✍ যমুনা মালী
অসমীয়া বিভাগ

আচৰিত হ'ল বৰুৱানী। কোনোদিনে মুখত হাঁহি নেদেখা ল'ৰাটোৰ মুখত আজি মিচিকিয়া হাঁহি। হাঁহি হাঁহিয়ে মাকৰ ওচৰলৈ দৌৰি অহাদি আহিলে আৰু ক'লে— মা, আজি পেপাৰত ভাল খবৰ এটা পাইছোঁ। ইমানদিনে নতুন নতুন চৰকাৰ আহে আৰু যায় আৰু সকলোৱে মাত্ৰ নাৰীৰ উন্নতি, সবলীকৰণ আদিৰ কথাহে কয়। নাৰীৰ উন্নতিৰ কাৰণে কিমানযে আঁচনি নুলিয়ালে তেওঁলোকে। মাজনী, মামণি, আইদেউ, নবৌ... আৰু যে কত কি। কিন্তু পুৰুষৰ ক্ষেত্ৰত ইমানদিনে কোনোবাখন চৰকাৰে কিবা জানো আঁচনি উলিয়াইছিল? জানটো, ধনটো, কলিজাটো আদি নাম দি কিমান আঁচনি উলিয়াব পাৰিলেহেঁতেন। ভাগ্যে নতুন চৰকাৰখনৰ গা লৰিল। আমাৰ ল'ৰাবোৰৰ কাৰণে এখন নতুন আঁচনি উলিয়াইছে। এই আঁচনিখনৰ নাম হৈছে 'বাবাটু'। কিন্তু এই আঁচনিৰ অংশীদাৰ হ'বলৈ হ'লে কিছুমান চৰ্ত পূৰণ কৰিব লাগিব। সেই চৰ্তবোৰ হ'ল—

(১) এই আঁচনিখন কেৱল একেটি মাত্ৰ পুত্ৰ সন্তান থকা পৰিয়ালৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

(২) সেই পুত্ৰ সন্তানটি চৰকাৰী ফেমিলি প্লেনিঙক পিঠি দি দুই বা তিনিটা কন্যা সন্তানৰ জন্মৰ পিচত জন্ম পোৱা হ'ব লাগিব। যাতে সি পৰিয়ালৰ বংশ ৰক্ষাৰ নামত আলাসৰ লাডু, বুকুৰ জীউ, নয়নৰ মণি, উঠি ৰজা বহি ৰজা হয়।

(৩) পুত্ৰ সন্তানটি চহৰ নগৰৰ কোনোবা নামী দামী নাৰ্চিং হোমৰ বেডত জন্ম পোৱা হ'ব লাগিব। তাৰবাবে তাৰ বাপেকে এটা মোটা অংকৰ ধন ব্যয় কৰিব লাগিব।

(৪) 'বাবাটু' আঁচনিখনৰ জৰিয়তে পুত্ৰ সন্তানটি জন্ম হোৱাৰ দিনাখনেই পৰিয়ালৰ যিকোনো এজনে ডাইৰেক্টৰৰ অফিচত জনাই দিলে লগে লগে বাবাটুৱে ৫০ হাজাৰ টকাৰ এক ফিক্সড ডিপোজিট লাভ কৰিব।

(৫) অহা সাধাৰণ নিৰ্বাচনৰ তিনি মাহৰ পূৰ্বে এই আঁচনিখন কাৰ্যকৰী হ'ব আৰু সেই বছৰৰ ১ জানুৱাৰীৰ পিচত জন্মলাভ কৰা বাবাটুৱে আঁচনিৰ বেনিফিট পাব।

(৬) বাবাটুৰ বয়স পোন্ধৰ-ষোল্ল বছৰ হোৱাৰ লগে লগে অৰ্থাৎ থুঁতৰিৰ তলত দুই এডাল দাড়ি আৰু ওঁঠৰ ওপৰত পাতলীয়া গোঁফৰ শাৰী বিৰিঙিবলৈ আৰম্ভ কৰোতেই সি তাৰ দোস্ত, পাৰ্টনাৰ বা ফ্ৰেণ্ডৰ লগত চিগাৰেট, গুটখা আদি খাবলৈ আৰম্ভ কৰিব লাগিব।

(৭) চুচৰি বাগৰি হ'লেও ওঠৰ বছৰ বয়সত যিকোনো জুনিয়ৰ কলেজৰ পৰা পইচাপাতি দি হ'লেও কলেজত পঢ়া চাৰ্টিফিকেট এখন যোগাৰ কৰিব লাগিব। তাৰ লগে লগে বাবাটুৰ চেহেৰা, চাল-চলন, কথা বতৰাত হিন্দী চিনেমাৰ হিৰোৰ কেৰেক্টাৰ ফুটি উঠিব লাগিব। তাৰ কাণৰ ফুটাত ৰিং, হাতত খাৰু, ডিঙিত চেইন, ভৰিত ফৰেইন কোম্পানীৰ শ্বু, চকুত ক'লা গগলচ্, ক'লা ৰঙৰ টি ছাৰ্ট, কেৱা ঠাইতো কটা ছিঙা কৰা জীনচ্ পেণ্ট— এইকেইটা সামগ্ৰী বাবাটুৱে পৰিধান কৰাটো বাধ্যতামূলক হ'ব। অন্যথা আঁচনিৰ বেনিফিট দিয়া নহ'ব।

(৮) বাবাটুৰ বয়স ওঠৰ বছৰ সম্পূৰ্ণ হ'লে সি নিজে এই ধনখিনি উলিয়াব পাৰিব আৰু সেই ধন তলৰ যিকোনো ধৰণৰ কাৰ্যত ব্যৱহাৰ কৰিব পাৰিব।

এটা নামী দামী ম'বাইল হেণ্ট কিনিব পাৰিব। এই ম'বাইলৰ জৰিয়তে সমগ্ৰ পৃথিৱীখনেই তাৰ হাতৰ মুঠিত থাকিব আৰু ভাল বেয়া দুয়োখন জগততে সি অনায়াসে বিচৰণ কৰি ফুৰিব পাৰিব। আনহাতে কাণত ৰেডিঅ' সংযোগ কৰি চিংগা-ল্লা-লা টাইপৰ মিউজিক এনজয় কৰিব পাৰিব।

এখন লেটেষ্ট মডেলৰ বাইক কিনিব পাৰিব। বাইকৰ পিচফালে এজনী গাৰ্লফ্ৰেণ্ড বহুৱাই লৈ দিনত, সন্ধিয়া, নিশা চাল দি ফুৰিব পাৰিব আৰু মাজনিশা এটুপি বিদেশী পানীয় গলাধকৰণ কৰি গৃহপ্ৰৱেশ কৰিব পাৰিব।

যিকোনো ফেষ্টিভেল আহিলে চেলিব্ৰেচনৰ নামত ফৰেইন বেণ্ড কিনিব, বাৰলৈ যাব আৰু হোটেল ৰেষ্টোৰাত নাচি বাগি লাইফ এনজয় কৰিব পাৰিব।

'ভেলেণ্টাইন ডে'ত প্ৰেমিকাক ম'বাইল হেণ্ট, ঘড়ী, নেকলেচ

আদি উপহাৰ দিব পাৰিব।

এই আঁচনিখন কাৰ্যকৰী হ'লে ৰাজ্যখনৰ টেৰ'ৰিজম প্ৰব্লেমটোতো আধামান ছলিউছন হ'ব বুলি ধৰি ল'ব পাৰি কাৰণ আঁচনিৰ বেনিফিট পোৱা 'বাবা'বোৰে মৌজমস্তি কৰি থাকোতেই বয়সে ভাটি দিব। বিদেশী বটলে পেটত খুন্দিয়াখুন্দি কৰি বন্দুক লোৱাৰ আগতেই হাত ভৰিত কঁপনি তুলিব। এই আঁচনিখনে আন এমপ্লয়মেন্ট প্ৰব্লেমো কমাব। এমপ্লয়ী হ'বলৈ বাবাটুৰ মূৰত জাহি-জাবৰত বাহিৰে একো নাথাকিব। সিহঁতে পলিটিক্স কি মাথামুণ্ড একো নাজানিব। এই আঁচনিৰ অধীনত বহুজাতিক বাইক কোম্পানী, ম'বাইল কোম্পানী আনকি ড্ৰাগছ কোম্পানীবোৰো উপকৃত হ'ব। বাবাটুৱে ধনী-দুখীয়াৰ পাৰ্থক্য আঁতৰাই এখন সমাজবাদী সমাজ ৰচনা কৰাত সহায় কৰিব।'

হেৰা, আজি টোপনিৰ পৰা নুঠিবাইনে? কিবা সপোন ৰাজ্যত বিচৰণ কৰি আছা নেকি? হঠাৎ বৰুৱাৰ মাতত খকমকৈ সাৰ পাই উঠিল বৰুৱানী। কিযে অদ্ভুত সপোন দেখিলে আজি। চকুকেইটা মোহাৰি থাকোতে মুখৰ পৰা অকস্মাতে ওলাই আহিল 'বাবাটু'। ■

## মহৎলোকৰ বাণী

"অন্ন-বস্ত্ৰ ঈশ্বৰ প্ৰাপ্তিৰ বস্তু নহয়, ভক্তিয়েই একমাত্ৰ পথ।"

— শ্ৰীমন্ত শংকৰদেৱ

"কাকো অন্যায় নকৰিবা, মিছা কথা নকবা, হিংসা নকৰিবা।"

— বুদ্ধদেৱ

"মই সংগ্ৰামহীন জীৱন কল্পনাই কৰিব নোৱাৰো। সংগ্ৰাম আৰু সংঘাত মোৰ জীৱনৰ শ্বাস-প্ৰশ্বাস।"

— কলম্বাচ

"যি সাফল্যৰ প্ৰতিক্ৰিয়া পিছলৈ বেয়া হয় সেই সাফল্য পৰাজয়ৰ সমতুল্য।"

— ৰক যাউকুত

"যিসকলে নিজৰ কথামতে কাম নকৰে তেওঁলোকৰ কথাবোৰ গোন্ধ নোহোৱা ধুনীয়া ফুলৰদৰে কিন্তু ফলহীন।"

— বুদ্ধদেৱ

সংগ্ৰাহক : নমিতা দেৱী





## শৰতৰ জোনাক

✍ গায়ত্ৰী কলিতা
স্নাতক, ১ম ষাণ্মাসিক

ৰুমাৰ খুবেই প্ৰিয় এই শৰতৰ জোনটি। কিন্তু এদিন এই জোনটিয়ে তাইৰ সৰ্বস্ব কাঢ়ি নিব বুলি তাই কল্পনাই কৰিব পৰা নাছিল।

তাইৰ মনত পৰিল সঞ্জয়ৰ অতীত স্মৃতিবোৰলৈ। ৰুমাই তাক প্ৰথম লগ পাইছিল খুড়াকহঁতৰ ঘৰত। তেনেকৈয়ে চিনাকি হৈছিল ইজনে আনজনৰ সৈতে। ৰুমা তেতিয়া স্নাতক ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী। এদিন টিউচনৰ পৰা আহোঁতে দেখা পালে সেই খুড়াকহঁতৰ ওচৰতে থকা সঞ্জয় নামৰ ল'ৰাটোক। তাক দেখি ৰুমাই মাত লগালে। যিহেতু আগৰে চিনাকি সেয়ে দুয়োটাই দুয়োটাৰে খবৰ বাতৰি ল'লে। এনেকৈ প্ৰায় দুই-তিনিদিনৰ মূৰে মূৰে সঞ্জয়ে আহি ৰুমাৰ বাবে অপেক্ষা কৰি থাকে। ৰুমাও শিক্ষিত ছোৱালী গতিকে, তাইও বুজি পাই যে— সঞ্জয়ে ইয়াত কেৱল তাইৰ বাবেই ৰৈ থাকে। অৱশ্যে তাইৰো সঞ্জয়ক ভাল লাগিছিল ইমান শান্ত স্বভাৱৰ ল'ৰাজন। সিদিনা সঞ্জয়ে ৰুমাক এটা বৰ দৰকাৰী কথা আছিল বুলি এখন পাৰ্কলৈ মাতিলে। ৰুমাও গ'ল।

সি সেই পাৰ্কখনত নিস্তব্ধভাৱে বহি আছিল। ৰুমা আহি পোৱাত সেই নিস্তব্ধতাৰ অন্ত পৰিল। প্ৰথমতে ৰুমাইয়ে আৰম্ভ কৰিলে— কি হ'ল? ইমান মনে মনে বহি আছা কেলেই?

সঞ্জয় : এনেয়ে ৰুমা।

ৰুমা : তুমি কিয় ইয়ালৈ মাতিছিলা? কিবা দৰকাৰী কথা আছিল নেকি?

সঞ্জয় : কিবা দৰকাৰী কথা থাকিলেহে মাতিব পাৰি নেকি?

ৰুমা : নহয় আচলতে...।

সঞ্জয় : অ' ৰুমা এটা বহুত দৰকাৰী কথা আছিল।

ৰুমা : তেনেহ'লে নোকোৱা কিয়?

তাৰ মনটো বহুত উগুল-থুগুল লাগিছে। কেনেকৈনো সি ৰুমাক কথাষাৰ ক'ব ভাবিবই পৰা নাই।

ৰুমা : নোকোৱা কিয়? মনৰ ভিতৰত কথা ৰাখিলে এনেকুৱা অৱস্থাই হয়।

তেতিয়া সঞ্জয়ে আৰু পলম নকৰি ৰুমাক ক'লে যে— সি চি.আৰ.পি.এফ.ত চাকৰি পাইছে আৰু সেয়েহে অহাকালি সি যাব লাগিব কাশ্মীৰলৈ। এই কথাটো শুনি ৰুমাৰ আনন্দৰ ঠাইত দুখহে লাগিল। কাৰণ সঞ্জয়ক লৈ তাই নিতৌ কল্পনা কৰিছিল। কিন্তু সি যদি ইমান দূৰলৈ যায় তেনেহ'লে তাই সঁচাকৈ অকলশৰীয়া হৈ যাব। তাইৰ চকুৰে ধাৰাসাৰে পানী ব'বলৈ ধৰিলে। তাইৰ চকুত চকুপানী দেখি সঞ্জয়ে তাইক সান্ত্বনা দি ক'লে— তুমি চিন্তা নকৰিবা ৰুমা মই আকৌ আহিম। তুমি মোক বিয়া কৰাবানে? তেতিয়া ৰুমাই চকুৰ পানীৰে উত্তৰ দিলে। তাৰো বুজিবৰ একো বাকী নাথাকিল। এনেকৈয়ে সিদিনা দুয়োৰে দুয়োৰে পৰা বিদায় ল'লে। পিচদিনা প্ৰায় ৯ বজাত ৰুমাই সঞ্জয়ৰ বাবে ৰৈ আছিল ৰাছ ষ্টেচনত। সঞ্জয় আহি পোৱাত তাই তাক ৰে'ল ষ্টেচনলৈ থ'বৰ বাবে গ'ল। ষ্টেচন পোৱাত ৰুমাই আকৌ উচুপিবলৈ ধৰাত সঞ্জয়ে ক'লে মই অহাবাৰ আহিলে তোমাক বিয়া পাতিম। তুমি মোৰ বাবে অপেক্ষা কৰিবানে? ৰুমাই ক'লে— কৰিম।

যথাসময়ত ৰে'ল আহিল আৰু সঞ্জয় ৰে'লত উঠিল। এনেকৈয়ে প্ৰায় দুবছৰৰ পিচত সঞ্জয় ঘৰলৈ ঘূৰি আহিল। সঞ্জয়ে পোনপ্ৰথমে ৰুমাৰ ঘৰত গৈ বিয়াৰ প্ৰস্তাৱ দিলে। কিন্তু ৰুমাৰ ঘৰৰ

মানুহে ৰুমাক এজন সৈনিকৰ লগত বিয়া দিবৰ বাবে অমান্তি হ'ল। সৈনিক মানুহ জীৱনৰ ভৰসা নাই। ভগৱানে নকৰক যদি কেতিয়াবা...। কিন্তু ৰুমাক কোনেও ৰখাব নোৱাৰিলে। যথাসময়ত সিহঁতৰ বিয়া সুকলমে হৈ গ'ল। লাহে লাহে তাৰ ছুটীও শেষ হৈ আহিল। আকৌ সি যাবলৈ ওলাল। ৰুমাৰ চকুত আকৌ চকুপানী। উপায়হীন হৈ সঞ্জয়ে তাইৰ পৰা বিদায় ল'লে। আকৌ অহাৰ প্ৰতিশ্ৰুতি তাইক দি গ'ল সি। কিন্তু দুৰ্ভাগ্যজনক কথা যে— কোনোবা হত্যাকাৰীয়ে সঞ্জয়ক হত্যা কৰিলে আৰু তাৰ লগত আন আন সৈনিকসকলকো হত্যা কৰিলে। ৰুমাই খবৰটো শুনিছে যদিও বিশ্বাস কৰিব পৰা নাই। তাৰ মৃতদেহটো আহি পোৱাত তাইক সান্ত্বনা কোনেও দিব পৰা নাই। তাই তাৰ মৃত্যুক কেতিয়াও মানি ল'ব নোৱাৰে। তাই ভগৱানৰ ওচৰত কাতৰ অনুৰোধ কৰিছিল তাক আকৌ জীয়াই দিবৰ বাবে। কিন্তু ক'তা... নিষ্ঠুৰ ভগৱানে তাইৰ কেৱল আজি বহে চাইছে। ক'তো ৰাতি উজাগৰে কটালে কেৱল সঞ্জয় ঘূৰি অহাৰ আশাত। কিন্তু সি জানো আকৌ ঘূৰি আহিব? সেই অজান দেশৰ পৰা?

সেইবাবেই তাই আজি জোনটিলৈ একেথৰে চাই আছে। কাৰণ, জোনটিয়ে আছিল সিহঁতৰ প্ৰত্যেকটো ঘটনাৰে সাক্ষী। সেয়েহে তাইৰ জোনটোৰ প্ৰতি অভিমান জাগ্ৰত হৈছে। তাই সুঁৱৰিবলৈ ধৰিলে— ইয়েতো আমাৰ সুখ-দুখৰ, আনন্দ-অভিমান সকলোৰে সাক্ষী। তাই কান্দি কান্দিয়েই স্মৰণ কৰিবলৈ ধৰিলে সঞ্জয়ৰ স্মৃতিবোৰক...। ■

## সাঁথৰ

- আহোঁতে নাহিলা, পাছত আহিলা, আকৌ গ'লা আৰু নাহিলা?
- দাঁত।
- কিনো গোল কপাল তাৰ চোৰা, পথাৰে-সমাৰে মাথোঁ গোৰ খাই ফুৰে?
- ফুটবল।
- এখনি মাৰলি দুখনি চাল, নবদ্ধাকৈ থাকে সৰ্বতি কাল?
- কলপাত।
- যিয়ে স্নেক ডোখৰকৈ কাটে, সিয়েই চকুপানী টোকে?
- পিয়াঁজ।
- চতুৰ্দিশে বেৰ চাৰিওফালে খাল, মাজতে সুন্দৰী ৰাণী দেখিবলৈ ভাল।
- কেৰম ব'ৰ্ড।
- চাব পাৰি, চুব নোৱাৰি, লৈ যাব পাৰি, থৈ যাব নোৱাৰি।
- নিজৰ ছাঁ।

সংগ্ৰাহক: ডিম্পী দেৱী





# অভিশপ্ত দিন

✍ নমিতা ঠাকুৰীয়া
স্নাতকোত্তৰ, ১ম ষাণ্মাষিক

ফিৰফিৰিয়াকৈ বলা বতাহজাকৰ লগত এটা গীতৰ কলি ভাহি আহিছিল। গীতটোৰ কথাবোৰে তাৰ অন্তৰত খোচা-বিন্ধা কৰিছিল।

'মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম' ড° ভূপেন হাজৰিকাৰ গীত, পৰশে এই গীতটোৰ কথাই এদিন তাৰ বান্ধৱীৰ আগত কৈছিল। এই গীতটো পৰশৰ বৰ প্ৰিয় আছিল। আজি পৰশৰ এবছৰীয়া মৃত্যুদিন। কথাটো মনত পৰা মাত্ৰকেই সেই বিশেষ দিনবোৰৰ কথা আৰু দৃশ্যবোৰ স্মিতাৰ চকুৰ আগত জিলিকিব ধৰিলে। অন্তৰত প্ৰলয়ংকাৰী ধুমুহাৰ সৃষ্টি হ'বলৈ ধৰিলে। নিৰ্জন পুৱাৰ পৰিৱেশটো তাইৰ বাবে কোলাহলময় হৈ পৰিছিল। এনে এটা পুৱাতে এটা পৰিয়ালৰ জীৱনৰ ৰংবোৰ ধোঁৱাৰ লগত মিলিত হৈ চিৰদিনৰ বাবে উৰি গৈছিল। আজিৰ দৰে সেইদিনাৰ আকাশখনো গোমা আছিল। সূৰ্যোদয় হোৱাৰ লগে লগে তমোময় ৰ'দ এজাক ওলাইছিল। ক্ষন্তেক পাচতে জ্বলন্ত সূৰ্যটো এচপৰা ক'লা মেঘে ঢাকি ধৰিছিল।

ফাগুনৰ ২২ তাৰিখ। এই অমংগলীয়া তাৰিখটোতেই পৰশে পৃথিৱীৰ পৰা চিৰদিনৰ বাবে মুক্তি লৈছিল। মৃত্যুৱে সঁচাই পৰশক মুক্তি দিলে নেকি? মৃত্যু চিৰন্তন সত্য। মানুহ হৈ জন্মিলে এদিন নহয় এদিন মৃত্যু হ'বই। অতীতৰ সেই কথাবোৰলৈ বৰকৈ মনত পৰিছে। তাইৰ আজি— কলেজত পঢ়াৰ পৰাই পৰশে স্মিতাক কিবা এটা ক'ব বিচাৰিছিল, কিন্তু তাইৰ ওচৰলৈ আহিলেই যেন তাৰ মুখৰ ভাষা হেৰাই যায়। লগৰ বন্ধুবোৰেও তাক এই বিষয়ত উৎসাহ যোগাইছিল, কিন্তু সি ক'বলৈ সংকোচ কৰিছিল। পৰশ এজন অমায়িক, নিৰ্জু লগতে দেখাত বৰ মৰমলগা ল'ৰা। পৰশে স্মিতাক মনে মনে বহুত ভাল পাইছিল। পিচে মনৰ কথাষাৰহে সি তাইক খুলি ক'ব পৰা নাছিল। দুয়ো দুয়োৰে ভাল বন্ধু আছিল। দুয়ো বুজি উঠিছিল যে, দুয়োৰে বন্ধুত্বৰ মাজত আন এটা সম্পৰ্কই ঠাই ল'ব বিচাৰিছে, কিন্তু কোনেও কোনোজনৰ আগত এইকথা প্ৰকাশ কৰিব পৰা নাছিল।

পৰশে ঠিৰাং কৰিলে, সি এইবাৰ যেনে তেনে তাইক কথাষাৰ কৈ দিব। লাগিলে তাইৰ পৰা নএগ্ৰাৰ্থক উত্তৰেই নাপাওঁক কিয়। ঠিক তেনে সময়তে পৰশৰ মোবাইলত মৃদু সংগীতধ্বনি বাজি উঠিল। সি দেখিলে যে এয়া স্মিতাৰ ফোন। স্মিতাই ফোনযোগে তাক তাইৰ জন্মদিনলৈ নিমন্ত্ৰণ জনালে। পৰশেও অতি আনন্দ মনেৰে যাম বুলি কথা দিলে।

গধূলি হৈ অহাৰ লগে লগে স্মিতাৰ মনটো উগুল-থুগুল লাগি আছে। তাই ভাবিবলৈ ধৰিলে— পৰশে বাৰু তাইৰ বাবে কি উপহাৰ আনিব। আজি যদি পৰশে তাইৰ মনৰ কথাষাৰকে কৈ পেলায়, তেতিয়াহ'লে সি তাইক সঁচাকৈয়ে এটা ডাঙৰ উপহাৰ দিয়া হ'ব। কিন্তু এতিয়া দহ বাজি গ'ল, পৰশ অহাই নাই। তাই অভিমান কৰি তালৈ ফোন নকৰিলে। কিছুসময় বাট চাই তাই বিছনালৈ গ'ল। পিচে তাইৰ টোপনি বহু দেৰিলৈকে অহা নাছিল।

পিচদিনা ৰাতিপুৱাই হঠাৎ কোনোবাই ফোন কৰিলে যে পৰশৰ এক্সিডেণ্ট হৈছে। পৰশে এবাৰ বিচাৰিছে। স্মিতাই লৰালৰিকৈ বিছনাৰ পৰা উঠি মুখ-হাত ধুইয়ে পৰশহঁতৰ ফালে খোজ ল'লে। এয়া কি? তাই যিমানে পৰশহঁতৰ ঘৰৰ কাষ চাপিব ধৰিছে মানুহৰ সমাগমো বেছি হ'ব ধৰিছে। আহি আহি তাই পৰশহঁতৰ পদূলি পালে। তাইৰ আৰু জানিবলৈ বাকী নাথাকিল। তাই দৌৰি গৈ দেখিলে চোতালত মানুহৰ ভিৰ, হয়তো শেষবাৰৰ বাবে সকলোৰে পৰশক চোৱাৰ হেঁপাহ।

পৰশ চোতালত দীঘল দি শুই আছে। তাৰ শৰীৰ বগা কাপোৰেৰে ঢকা। কোনোবাই আহি তাইৰ কাণৰ কাষত ক'লে যে— 'মই ফোন কৰাৰ পাচতে পৰশে চিৰবিদায় মাগিলে।' তাইৰ দেৰি হ'ল, বহুত দেৰি হ'ল, অলপ সোনকালেই আহিব লাগিছিল। ফোন কৰাৰ লগে লগে আহিব লাগিছিল। তাই এইবাৰ শুই থকা পৰশৰ ওচৰলৈ গ'ল। বগা কাপোৰখনেৰে পৰশৰ মুখখন ঢকা আছিল। তাই কাপোৰখন গুচাই দুয়োখন হাতৰ মাজত মুখখন লৈ পলকহীনভাৱে চাইছে, শেষবাৰৰ বাবে আৰু কেতিয়াও দেখা নাপাব। তাৰ পাচতেই কান্দোনৰ ৰোল। হিয়া উজাৰি কান্দিছে তাই।

স্মিতা, স্মিতা (মাকৰ মাত শুনি উচপ খাই উঠিল তাই) অ' মা মই গমেই পোৱা নাছিলোঁ— স্মিতা, চাবলৈ আহি দৰাপক্ষৰ মানুহে বৈ আছে মাজনী— সেমেকি উঠা চকুযুৰি মচি লৈ তাই যাবলৈ ওলাল। অ' মা গৈছোঁ। ■

# কৰ্মৰ প্ৰতিফল বা পৰিণাম

✍ জুবি মহন্ত
উঃ মাঃ, ১ম বাৰ্ষিক

কিছুবছৰ আগৰ কথা। মিলনপুৰ নামৰ গাঁও এখনত জীত আৰু ৰণ নামৰ দুজন ল'ৰা আছিল। সিহঁত দুয়ো কলেজৰ ভাল বন্ধু আছিল। দুয়ো ইমান প্ৰিয়বন্ধু আছিল যে একেখন কাঁহীতে ভাত নাখালে সিহঁতৰ ভোক নপলাইছিল। ধনী-দুখীয়া লৈ কোনো কথা নাই। মাত্ৰ সেই বন্ধুত্ব বজাই ৰাখিব জানিব লাগিব। জীত আছিল এখন সম্ৰান্ত পৰিয়ালৰ একমাত্ৰ ল'ৰা। বহুত ধন-সম্পত্তিৰ মালিক। আনফালে ৰণ হ'ল এটি সাধাৰণ দৰিদ্ৰ পৰিয়ালৰ ল'ৰা। সৰুতেই তাৰ দেউতাক ঢুকাইছিল। মাকে বেলেগৰ ঘৰত কাম কৰি কোনোমতে ঘৰখন চলাইছিল। তাৰ পঢ়া-শুনাতো গুৰুত্ব দিছিল। জীতে ৰণক বহুত মৰম কৰিছিল। আনকি তাক বহুক্ষেত্ৰতে সহায় কৰিছিল। কাৰণ জীত ধনীঘৰৰ ল'ৰা হ'লেও তাৰ মনত অহংকাৰ নাছিল।

জীতে ৰণৰ লগতে গাঁৱৰ যিকোনো মানুহ বিপদত পৰিলে সি যিমানলৈ পাৰে সহায় কৰিছিল। সেইবাবে গাঁৱৰ সকলোৱে তাক মৰম কৰিছিল আৰু ৰণৰ মাকেও তাক নিজৰ পুত্ৰৰূপে গণ্য কৰিছিল। ৰণেও তাক ভাতৃ হিচাপে মানি লৈছিল। এনেদৰে সিহঁতৰ দিনবোৰ লাহে লাহে গৈ আছিল। হঠাৎ এদিন ৰণৰ এটি দুৰ্ঘটনা ঘটিল আৰু চিকিৎসালয়ত ভৰ্তি কৰাবলগা হ'ল। যেতিয়া ৰণৰ মাকে খবৰটো গম পালে, লগে লগে জীতক খবৰ দিলে। কাৰণ তাৰ মাকৰ হাতত সিমান টকা-পইচা নাই। খবৰটো শুনি জীতে তৎক্ষণাত উপস্থিত হ'ল। জীতে ৰণৰ চিকিৎসাৰ সকলো খৰচ বহন কৰিলে আৰু তাৰ স্বাস্থ্যৰ যত্ন ল'লে। লাহে লাহে ৰণ সুস্থ হ'ল আৰু জীতৰ মহানতাৰ বাবে মাক-পুতেকে চকুলো মচি তাক ধন্যবাদ জনালে।

জীত আৰু ৰণৰ বন্ধুত্ব দেখি সিহঁতৰ গাঁৱৰ কিছুমান চকুচৰহা লোকে সিহঁতৰ সম্পৰ্কটো ধ্বংস কৰিবৰ বাবে এটা ষড়যন্ত্ৰ কৰিলে। সেই লোকবোৰে জীতৰ বিৰুদ্ধে ৰণক কিছুমান কু-কথা ক'লে যে— জীতে তাক ইমানদিনে যিমান সহায় কৰিলে, এদিন সেই সহায়ৰ মূল্য বিচাৰিব। সেয়া যদি দিব নোৱাৰে তাক অপমান কৰিব। সিহঁতৰ সেই কথাকেইটাই ৰণৰ মনত লাহে লাহে এক ক্ৰিয়াৰ সৃষ্টি কৰিব ধৰিলে। ৰণে ভাবিলে যে— সিহঁতে কোৱামতে যদি জীতে তাক তাৰ পৰা মূল্য বিচাৰে তেতিয়া সি কি কৰিব। কাৰণ সিহঁত সাধাৰণ মানুহ।

কিছুদিনৰ পাচত ৰণে এটা উপায় উলিয়ালে। সেইদিনা ৰণহঁতৰ ঘৰৰ কাষৰ কাৰ্যালয় এটাত এটা অনুষ্ঠান আছিল। সেইদিনা ৰাতিৰ ভাতসাজ খাবলৈ ৰণে জীতক সিহঁতৰ ঘৰলৈ আমন্ত্ৰণ কৰিলে। সেইদিনা জীতে মাক-দেউতাকৰ বাধা নেওচি মৰমৰ বন্ধু ৰণহঁতৰ ঘৰত ভাত খাবলৈ গৈছিল। কোনে জানিব যে ভাত খোৱাৰ বিপৰীতে তাক বলিৰ পঠা সজাব। যেতিয়া জীত আহি পালে, তেতিয়া তাক বহিবলৈ দি ৰণ ভিতৰলৈ সোমাল আৰু পাচত ওলাই আহি পিচৰ পৰা ৰণে জীতক চুৰীৰে হানি আঘাত কৰিলে। তেতিয়া ৰণৰ মগজুৱে কাম নকৰা হৈ পৰিছিল আৰু জীত মাটিত বাগৰি পৰিছিল। জীতে শেষ নিশাহত ৰণক কৈছিল যে—

"হেৰা লগৰীয়া, বন্ধুকো নুবুজিলা,
নিষ্ঠুৰভাৱে এই কাম কিয় কৰিলা।।"

এইবুলি কৈ জীতে প্ৰাণ হেৰুৱালে। যেতিয়া এইকথা ৰণৰ মাকে আৰু গাঁৱৰ সকলোৱে গম পালে, তেতিয়া তাৰ মাকে তাক ত্যাগ কৰিলে আৰু ৰাইজে তাক গাঁৱৰ পৰা আঁতৰাই পঠালে। ৰাইজে তাক জেলত দিব বিচাৰিছিল কিন্তু জীতৰ দুৰ্ভগীয়া মাক-দেউতাকে তাৰ আত্মাই শান্তি নাপাব বুলি জেলত দিব নিদিলে। যেতিয়া ৰণে গাঁৱৰ পৰা অনাই-বনাই ঘূৰি ফুৰে, তেতিয়া তাৰ চেতনা আহিল যে, লোকৰ কথামতে সি এটা বহুত ডাঙৰ পাপ কৰিছে। সেইবাবে সি নিচাযুক্ত দ্ৰব্য খাবলৈ ধৰিলে। এদিন সি অধিক নিচাযুক্ত দ্ৰব্য গ্ৰহণ কৰি ৰে'ল লাইনৰ মাজেৰে খোজকাঢ়ি আহি থাকোঁতে ৰে'লে তাক চেপি মাৰি থৈ গ'ল। ৰণৰ খবৰটো গম পাই মাক আৰু গাঁৱৰ সকলোৱে শোক অনুভৱ নকৰি আনন্দহে পালে যে— নিজ কৰ্মৰ ফল মানুহেই ভুগিবই লাগিব।

অতীতৰ পৰা মানুহৰ মুখে মুখে চলি আহিছে যে— "ইয়াতেই স্বৰ্গ, ইয়াতেই নৰক। নিজ কৰ্ম অনুসৰি ভাল কাম কৰিলে ইয়াতেই স্বৰ্গৰ সুখ পোৱা যায় আৰু বেয়া কাম কৰিলেও ইয়াতেই নৰকত বুৰ যাব লাগিব। অৰ্থাৎ ভাল কামত ভাল ফল আৰু বেয়া কামত বেয়া ফল ভোগ কৰিবলগীয়া হয়।।" ■





# জীৱনৰ সাহস আৰু অত্যাচাৰ

✍ ধৰিত্ৰী কলিতা
স্নাতক, ৩য় ষাণ্মাষিক

মাকৰ মৃত্যুৰ পিচত তেওঁৰ দুয়োজনী ছোৱালীক বহুত মৰম-চেনেহেৰে ডাঙৰ-দীঘল কৰি পঢ়ুৱাই-শুনাই শিক্ষিত কৰি ভাল ল'ৰা এজনৰ লগত বিয়া দিবলৈ কৈছিল— তেওঁৰ স্বামী অৰ্থাৎ ছোৱালী দুজনীৰ দেউতাকক। এই খিনি কথা মাকে মৃত্যুৰ আগমুহূৰ্তত তেওঁৰ স্বামী ছোৱালী দুজনীৰ দেউতাকক কৈ গৈছিল। ডাঙৰ ছোৱালীজনী হ'ল— লভিতা আৰু সৰুজনী হ'ল— ভানু। মাকৰ মৃত্যুৰ পিচত দেউতাকে ছোৱালী দুজনীক যেনে তেনে চম্ভালিছে। দেউতাকে লভিতা আৰু ভানুক অকলে এৰি কামলৈয়ো যাব নোৱাৰে তাৰ কাৰণে তেওঁৰ বন্ধু এজনে তেওঁক পুনৰ বিয়া পতাৰ কথা ক'লে। তেওঁ ছোৱালী দুজনীক কথাটো সুধিলে। তোমালোকৰ কাৰণে মই নতুন মা এজনী আনিম বুলি সোধাত দুয়োজনী ছোৱালীয়ে দেউতাকৰ কথাটো শুনি আনন্দতে আত্মহাৰা হৈ উঠিছিল। কাৰণ 'মা' শব্দটোৰে কৰোবাক মাতিব পাৰিব। চিৰদিনৰ বাবে হেৰাই যোৱা মা শব্দ আৰু ঘূৰাই পাব, সিহঁত দুয়োটাৰ বহুত আনন্দ স্ফূৰ্তি। সেয়েহে দেউতাকে বন্ধুৰ আৰু লভিতা-ভানুৰ কথামতে পুনৰ বিয়া কৰালে।

বিয়াৰ পিচত চাৰি বছৰমানলৈ সকলোখিনি ঠিকে-ঠাকে আছিল। লভিতা-ভানু চাওঁতে চাওঁতে বহখিনি ডাঙৰ হৈ আহিল। লভিতাই অহা বছৰ মেট্ৰিক পৰীক্ষা দিব আৰু ভানুই অষ্টম মানত পঢ়ি আছে। ঠিক সেইখিনি সময়ৰ পৰাই দেউতাক বেমাৰত পৰিল। মাকে লভিতাক ভাল নোপোৱা হ'ল আৰু মানসিক-শাৰীৰিকভাৱে কষ্ট দিয়া হ'ল। ভানুক কিন্তু মাকে ভাল পাইছিল। কিহৰ কাৰণে লভিতাক বেয়া পাইছিল আৰু ভানুক বহুত ভাল পাইছিল, মৰম-চেনেহো কৰিছিল? বায়েক লভিতাৰ তেনে শাৰীৰিক-মানসিক অত্যাচাৰ দেখি ভানুৰ বেয়া লাগে কিন্তু কি কৰিব। ভানুই মাকক কিবা কথা বুজালে লভিতাক আৰু বেছি কষ্ট দিয়ে। সেই কাৰণে তাই একো নকয়। দেউতাকেও একো ক'ব নোৱাৰে কাৰণ তেওঁ নিজে বেমাৰী। ছোৱালীজনীৰ এনে দুখ-কষ্ট দেউতাকে আৰু ভানুই চায়ে থাকিলে একো কৰিব নোৱাৰিলে।

এনেদৰে দিনবোৰ গৈ থাকিল। লভিতাই ঘৰখনৰ সকলো কাম কৰোঁতে পঢ়িবলৈ বেছি সময় নাপায়। তথাপি তাই তেনেকৈ পঢ়া-শুনা কৰিছিল। পৰীক্ষালৈ দুমাহমান থাকোঁতে দেউতাকৰ মৃত্যু হ'ল। মাকে আৰু তাইক দেখিব নোৱাৰা হ'ল। লভিতাই বহু কষ্ট কৰি পঢ়ি পৰীক্ষা দিলে আৰু তাই ৯০ শতাংশ নম্বৰ লৈ পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

লভিতাৰ প্ৰথম মাকৰ ভায়েক অৰ্থাৎ লভিতা-ভানুৰ মোমায়েক। লভিতাক মোমায়েকে কলেজত নাম ভৰ্তি কৰাই দিছিল। ভনীয়েক ভানুয়ে ভাবিলে লভিতাৰ এনে ৰিজাল্ট পোৱাৰ পাচত লভিতাক মাকে ভাল পাব আৰু তাইৰ দৰে লভিতাকো মৰম-চেনেহ কৰিব, ভাল ব্যৱহাৰ কৰিব। ভানুৱে ভবাৰ দৰে নহ'ল, লভিতাক মাকে ভাল ব্যৱহাৰ, মৰম-চেনেহ নকৰিলে। লভিতা কলেজলৈ যোৱাটো মাকে একেবাৰে ভাল নাপাইছিল। লভিতাই তেনেদৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৭০ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হ'ল। তাই আৰু কলেজত নামভৰ্তি নকৰিলে। চিলাই মেচিনৰ কাম শিকি তাই নিজাকৈ দোকান এখন খুলি ল'লে। তেনেদৰে তাই চিলাই মেচিনৰ কাম কৰি বহুতো ধৰণৰ কাপোৰ চিলাই কৰি ডিজাইন

কৰিছিল। এতিয়া তাই বহু ডাঙৰ ডিজাইনাৰ হ'ল। তাই এই কামটো কৰি বহুত টকা-পইচা উপাৰ্জন কৰিছিল। তাইৰ কামৰ আধা টকা-পইচা মাকৰ হাতত দিয়ে বাবে মাকে তাইক ভালপোৱা হ'ল আৰু ঘৰখনৰ উন্নতি কৰিলে। তাইৰ উপাৰ্জনেৰে গাড়ী-মটৰো কিনিছিল। ভানুই লভিতাৰ এনে উন্নতি দেখি বহুত আনন্দিত হৈছিল আৰু তাই এই আনন্দৰ আন এটা কাৰণ হ'ল মাকে লভিতাক ভালপোৱা আৰু ভাল ব্যৱহাৰ কৰা। ঘৰখনে এনে আনন্দৰে চলি থাকোঁতে হঠাৎ এটা সপোনৰ দৰে ঘটনাই ঘৰখন ধ্বংস কৰি চুৰমাৰ কৰিছিল। লভিতাৰ এনে উন্নতিৰ বাবে লভিতাৰ মৃত্যু হ'ল নেকি। কাৰণ তাই ডাঙৰ ডিজাইনাৰ হৈ পৰিছিল। গাড়ীখন লৈ ঘৰলৈ আহি আছিল আৰু মানুহ এজনে তাইৰ গাড়ীখনৰ সন্মুখত থিয় হৈ গাড়ীখন ৰখাবলৈ কৈছিল। লভিতা আছিল আনৰ দুখ বুজা ছোৱালী। মানুহজনে সুধিলে— তাই মানুহজনক অলপ আগত নমাই দিব পাৰিবনে? তাই পাৰিম বুলি ক'লে আৰু মানুহজন গাড়ীত বহিল। মানুহজনে গাড়ীত উঠাৰ পিচত লভিতাক বন্দুক দেখুৱাই অজান ঠাইলৈ লৈ গ'ল। তেতিয়াৰ পৰা আজিলৈ মাক আৰু ভানুই লভিতাৰ মৃত্যু হ'লনে তাই ক'ৰবাত জীয়াই আছে ক'ব নোৱাৰে। কোনেও নাজানে। তেতিয়াৰ পৰা লভিতাৰ কোনো খা-খবৰ, গুংসূত্ৰ নাই। ■

## মহৎলোকৰ বাণী

"শিক্ষিত হ'বলৈ সকলো বিষয়তে জ্ঞান থাকিব লাগে।"

— ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

"সুযোগবোৰ কঠিন কাৰ্যৰ ৰূপ ধৰিহে দেখা দিয়ে সেয়েহে এলেহুৱা লোকে সুযোগ বৰকৈ হেৰুৱাই।"

— টমাছ আলভা এডিছন

"বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি।"

— মাদাৰ টেৰেছা

"আন্ধাৰ আঁতৰাবলৈ যিদৰে পোহৰৰ প্ৰয়োজন তেনেদৰে ঘৃণা আঁতৰাবলৈ প্ৰয়োজন প্ৰেম।"

— মাৰ্টিন লুথাৰ কিং

"যি নিজস্বক হেৰুৱাই তেওঁ সকলো হেৰুৱাই।"

— মহাত্মা গান্ধী

সংগ্ৰাহক ঃ **নমিতা দেৱী**





# হেঁপাহৰ দুটি খোজ

✍ বশ্মিউল চুলতানা
*স্নাতকোত্তৰ, ১ ম বাণ্মাষিক*

এক কিলোমিটাৰ চাইকেল মাৰি টিউচন কৰিবলৈ যোৱাৰও এক সুকীয়া মাদকতা আছে। যিটো আগতে অনুভৱেই কৰা নাছিল তাই। সৰু সৰু ল'ৰা-ছোৱালী দুই-তিনিটাক ঘৰলৈ গৈ পঢ়োৱা কৰাৰ পৰা তাই ব্যস্ত হৈ পৰিছে লগতে দুই-এটকা নিজেই উপাৰ্জন কৰিব পাৰিছে। আচলতে দেউতাকক অলপ সকাহ দিব পাৰিছে আৰু তাইয়ো বিচাৰে অ'ত বছৰে হাড়ভঙা পৰিশ্ৰম কৰা পিতৃক অকণমান সহায় কৰিবলৈ, ভায়েক-ভনীয়েকৰ পঢ়াৰ দায়িত্ব বহন কৰিবলৈ কিন্তু কেতিয়া আহিব সেই সময়। যেতিয়া ক'ব পাৰিব— 'তুমি আৰু কষ্ট কৰিব নালাগে দেউতা এতিয়াৰ পৰা মই কৰিম'। কিন্তু এয়া জানো ইমান সহজ?

এটা মধ্যবিত্ত পৰিয়ালৰ ছোৱালী আস্থা। মানুহে কয় মধ্যবিত্তৰ হেনো সপোন বেছি কিন্তু সপোনবোৰ পূৰণ কৰাৰহে ৰাস্তা নাথাকে। আস্থাৰো দুচকুত অলেখ সপোন কিন্তু পথবোৰ আন্ধাৰে আবৰা তথাপিও হাৰি যোৱা বিধৰ ছোৱালী নহয় তাই। এক অদম্য হেঁপাহে তাইৰ মনত অহৰহ ক্ৰিয়া কৰি থাকে। এই অদম্য শক্তিয়ে তাইক অন্ধকাৰ পথ পোহৰাবলৈ সমৰ্থ কৰি তোলে।

আচলতে ঘৰৰ ডাঙৰ সন্তানৰ ওপৰত ঘৰখনৰ বহুত দায়িত্ব থাকে আৰু সেই দায়িত্ব পালন কৰিব পৰা জন ধন্য হয়। আস্থাও ঘৰৰ ডাঙৰ সন্তান তাই ছোৱালী বাবে বৰ্তমান পঢ়ি থকা বাবে তাইক দেউতাকে ঘৰৰ দায়িত্ব দিব নোৱাৰে, কিন্তু তাই বুজে ক্লান্ত হৈ পৰা দেউতাকৰ মুখখন দেখি বহুত কিবাকিবি কৰিবলৈ মন যায়। নিৰুপায় হৈ বুজিও নুবুজাৰ ভাও ধৰি থাকিবলগা হয়। B.A. পাছ কৰি M.A. কৰি থকা ছোৱালী এজনীয়ে ঘৰখনৰ বাবে একো কৰিব নোৱাৰি সকলো সময়তে দেউতাকৰ ওচৰত হাত পাতিবলৈ বেয়া লাগে।

গাঁৱৰ বোকাপানী গচকি প্ৰকৃতিৰ দ্বাৰা লালিত পালিত মানসকন্যা আস্থা। সেউজীয়াৰ প্ৰেমিক তাই। তাইৰ মনৰ সেউজীয়াবোৰেৰে সিহঁতৰ ঘৰখনো চিৰসেউজ কৰাৰ হেঁপাহ অফুৰন্ত। সেয়ে আস্থা ৰাখিছে শুভত্বৰ ওপৰত। "আত্মবিশ্বাসেই হেনো সফলতাৰ চাবিকাঠী"— এইষাৰ কথা সৰুতে খুড়াকৰ মুখত শুনিছিল। খুড়াকলৈ মনত পৰিলে তাইৰ দুচকু সেমেকি উঠে— ওলাই যায় অজানিতেই এটি হুমুনিয়াহ— "ক'ত আছা খুড়া তই য'তেই আছা তাৰ পৰাই আশীৰ্বাদ কৰিবি তোৰ প্ৰতি থকা দেউতাৰ সপোনবোৰ যেন মই পূৰণ কৰিব পাৰো।"

সৰুৰে পৰাই খুড়াকৰ কোলাই-বোকোচাই উঠি ডাঙৰ হোৱা আস্থাৰ স্বভাৱবোৰ খুড়াকৰ দৰেই। তাইৰ অনুজ খুড়া আত্মবিশ্বাসী, মেধাৱী আৰু মৰমীয়াল আছিল। আস্থাৰ বাপেকৰ সপোন— ভায়েককৈ বহুত হেঁপাহ এদিন ডাঙৰ মানুহ হ'ব ভাল চাকৰি কৰি ঘৰখনৰ দায়িত্ব ল'ব। সময়ত খুড়াকৰ পৰীক্ষাৰ ৰিজাল্টে আস্থাৰ বাপেক অমলৰ হৃদয়ত ভাতৃ গৌৰৱ উথলি উঠিছিল। বৰ আগ্ৰহেৰে তাইক খুড়াকে নিজে পঢ়ি উঠি তাইকো পঢ়াইছিল আৰু কৈছিল— "মাইনু তই কিন্তু মানুহ হ'ব লাগিব সেই ডাঙৰ মানুহ। গাঁৱৰ আজলি ছোৱালী হৈ থাকিলে নহ'ব মই তোক ডাঙৰ মানুহ কৰিম।" কিন্তু সময়ে যে কাক ক'লৈ লৈ যায় পঢ়ি-শুনি কৰ্মসংস্থান বিচাৰি বিচাৰি অৱশেষত চাকৰি এটা পালেহে মাত্ৰ ঘৰখনলৈ অকণমান পোহৰ আহিছিলহে মাত্ৰ ভগৱানৰো কি কু-দৃষ্টি পৰিল। কথা এষাৰ আছে— "দাতাই দিলেও বিধাতাই নিদিয়ে" এজাক সপোনৰ পখিলা যেদি ফুৰা অনুজ খুড়া এক দুৰাৰোগ্য ৰোগত সকলোকে কন্দুৱাই গুচি গ'ল। কেৱল মৃত্যুৰ আগমুহূৰ্তত কৈ গ'ল— "মাইনু তই আমাৰ ঘৰখনৰ ডাঙৰ সন্তান ছোৱালী বুলি পিচ হুঁহকি নাহিবি তই সাহসী মাইনু পাৰিবি তই।"

আস্থাৰ খুড়াক গুচি গ'ল অচিন বাটেৰে, ৰৈ গ'ল বিধৱা আইতাকৰ চকুলো, আস্থাৰ বাপেকে হেৰুৱাই পেলালে একমাত্ৰ ভায়েক আৰু জীৱনৰ এমুঠি উৎসাহ। তথাপি দেউতাকে সিহঁতৰ বাবে কৰি গ'ল এক অহৰহ প্ৰচেষ্টা। বহুত কৰিছে সংসাৰখনৰ বাবে এই মানুহজনে। আস্থাই দেখি আহিছে সৰুৰে পৰা বাপেকৰ কষ্ট, ত্যাগ আৰু দায়িত্ববোধৰ বোজা। সেইবাবেই পঢ়ি থাকিও কিবা এটা কৰিব বিচাৰে কিন্তু বৰ্তমান সময়ত টিউচন কৰাৰ বাহিৰে আন একো কৰিব পৰা নাই তাই। সময় পালে মাকক তাঁতশালত দুখাও মাৰি সহায় কৰিব বিচাৰে।

খুড়াকক হেৰুৱাৰ বেদনাত ভাগি পৰা দেউতাকে বহু কষ্টৰে তাইক সুখ্যাতিৰে B.A. পাছ কৰালে। এতিয়া M.A.ৰ ছাত্ৰী তাই। বাপেকৰ আশা আস্থাই ভাল কিবা এটা কৰিব, সকলোতে ইমান ভাল ৰিজাল্ট কৰি আহিছে কিন্তু সহজ সৰল দেউতাকক কেনেকৈ বুজাব ভাল ৰিজাল্ট থাকিলেও বৰ্তমান সময়ত উপযুক্ত কৰ্মসংস্থাপন পোৱা নাযায়। সংস্থাপনহীনতাত ভুগি আছে হাজাৰ

হাজাৰ উচ্চ শিক্ষিতই। তাই এম.এ. পাছ কৰি কিবা কৰিব পাৰিব নে নাই তাৰো নিশ্চয়তা নাই। তাইৰ ইচ্ছা দেখি অতি কষ্টৰে পঢ়ুৱাইছে মানুহজনৰ মুখলৈ চালে বেয়াই লাগে কি কৰি যে M.A. Admission ৰ বাবে চৈধ্য হাজাৰ টকা দিছিল ভাবিবলৈও তাইৰ ভাল নালাগে। নুবুজে বৰ্তমানৰ স্বাৰ্থলোভী সমাজে তাইৰ নিচিনা ছাত্ৰ-ছাত্ৰীৰ দুৰ্দশা।

ঘৰখনৰ সম্বল হ'ব বিচাৰে আস্থা। ভায়েক-ভনীয়েক দুটাও এতিয়া কলেজত পঢ়ে। তিনিটা ল'ৰা-ছোৱালীৰ সমানে পঢ়া খৰচ, ঘৰৰ দায়িত্ব পালন কৰিবলৈ গৈ এগৰাকী পিতৃয়ে কি কি যে কৰিবলগীয়া হয় বুজি উঠিছে তাই ভালদৰে। মা-দেউতাক ডাঙৰ ভগৱান আৰু থাকিব নোৱাৰে। এই ভগৱানৰ বাবেই কিবা এটা কৰাৰ হেঁপাহ আস্থাৰ। হেঁপাহবোৰেই হৈছে জীৱনৰ এটি এটি ৰং, কঢ়িয়াই লৈ ফুৰে আশা... জীৱনৰ ব্যাখ্যা।

B.A.পঢ়ি থকা আস্থাহঁতৰ মনত অলেখ আনন্দ আছিল। M.A. সিহঁতে কলেজতে কৰিব আটায়ে তাকে আকৌ নামভৰ্তি ফ্ৰি হ'ব বুলি শুনি আছে। ঘৰতো সিহঁতে কৈ থৈছিল M.A. Admission ৰ বাবে টকা নালাগে। সেইবাবে ঘৰৰ মানুহো এইবোৰ চিন্তাৰ পৰা মুক্ত আছিল কিন্তু কি হ'ব— "ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি"। হঠাৎ গম পালে Admission Fee. চৈধ্য হাজাৰ। এইকথা শুনি সিহঁতৰ মুখ শুকাই গ'ল। ইউনিভাৰচিটিত ফ্ৰি কিন্তু কলেজত নহয়। M.A. এনট্ৰেন্স পাছ কৰি আশা লৈ থকা ল'ৰা-ছোৱালীহঁতৰ নামভৰ্তিৰ বাবে অসমৰ্থ হৈ পৰিল। যিহেতু দুই এটাৰ বাহিৰে আটাইৰে ঘৰত পানীত হাঁহ নচৰা অৱস্থা। সিহঁতৰ বাবে চৈধ্য হাজাৰ টকা যোগাৰ কৰাতো অসম্ভৱ। তাতেই আকৌ Admission ল'লেই নহ'ব ড্ৰেছ, কিতাপ-পত্ৰ, ফ্ৰমফিলাপ, ক্লাছলৈ অহাযোৱা গাড়ীভাৰা আদিৰ খৰচ আছেই। ক'ৰবাৰ পৰা কিবা কৰি আনি এইবাৰ দিলেই যেনিবা এইখিনি ঋণ নমৰাতেই আকৌ দ্বিতীয় বছৰৰ বাবে Admission ল'বৰ হ'ব। তেতিয়া কি কৰিব সিহঁতৰ মন বিষন্ন হৈ পৰিল। কিন্তু আস্থাহঁতৰ চকুপানী কোনে দেখিব? বুজিব? একমাত্ৰ মাক-বাপেকেই বুজে। সেয়ে সাত কষ্ট কৰিয়ো আস্থাৰ বাবে চৈধ্য হাজাৰ টকা অ'ৰ ত'ৰ পৰা যোগাৰ কৰি দিলে। এম. এ.ত তাই Admission ল'লে বহুত কথা ভাবি অলেখ হেঁপাহেৰে দুটি খোজ আগবঢ়াই দিছে আগলৈ তাই উচ্চশিক্ষিতা হৈ স্বাবলম্বী হ'ব বিচাৰে, আগুৱাই যাব বিচাৰে, এগৰাকী সফল সাহিত্যিক হ'ব বিচাৰে যাৰ বাবে সাহিত্যত M.A. কৰাৰ প্ৰয়োজনীয়তা আছে। আৰু প্ৰীতমক দুটি বছৰ দিব বিচাৰে। পঢ়া শেষ কৰা মানেই ঘৰত বিয়াৰ কথা চিন্তা কৰিব। ইমান সোনকালে বিয়া হ'ব নোৱাৰে তাই। বিয়া হৈ এখন ঘৰৰ বান্ধনী হৈ বন্দিত্বৰ জীৱন নিবিচাৰে। পুৰুষৰ সমানেই আগবাঢ়িব বিচাৰে। আৰু প্ৰীতম তাইৰ আজন্ম প্ৰেমিক। বয়স প্ৰায় একে, একেলগে পঢ়া সেয়ে সি তাইক এতিয়াই আপোন কৰি ল'ব নোৱাৰে। তাই আনৰ লগত বিয়াও হ'ব নোৱাৰে। এইবাৰ বি.এ. পাছ কৰিছেহে মাত্ৰ হাতত একো কৰ্মসংস্থাপন নাই। বি.এ. সুখ্যাতিৰে পাছ কৰা অসমীয়া ল'ৰাই যিকোনো কাম কৰিবও লাজ কৰে আৰু ভাল চাকৰি এটা পাবলৈ বৰ্তমান সময়ত পাহাৰত কাছুৰ কণী বিচৰাৰ দৰে কথা। তাতেই প্ৰীতম হৈছে ঘৰৰ আলাসৰ লাড়ু ভয় কৰে, লাজ কৰে এতিয়াই এইবোৰ কথা ঘৰত উলিয়াবলৈ। সেয়ে তাই ক'লে কয়— "ৰ'বাচোন এতিয়া আমাৰ বয়সে বা কিমান হৈছে ২০/২১ তুমিয়ো M.A. কৰি লোৱা আৰু মইয়ো কিবা এটা কৰোঁ।" কোনোফালেই নিমিলা হৈ পৰিছে সিহঁতৰ অংক।

অন্যমনস্ক হৈ আস্থাই M.A. ক্লাছবোৰ কৰে। মন নবহে এতিয়া ক্লাছত মেধাবী বান্ধৱীহঁতে পঢ়িব নোৱাৰিলে একমাত্ৰ দৰিদ্ৰতাৰ বাবে। ঘৰৰ শিক্ষিত ককায়েক-বায়েকহঁত নিবনুৱা হৈ থকা বাবে। সিহঁতে ভাবিছে M.A.কৰিয়ে বা কি হ'ব বৰ্তমান সময়ত যে চাকৰি পাম তাৰো নিশ্চয়তা নাই। সেইবাবে ইমানবোৰ টকা খৰচ কৰি ঘৰখনক হাৰাশাস্তি কৰিব নিবিচাৰিলে। অলপতে হ'বলগীয়া "TET"ৰ বাবে আস্থা-প্ৰীতমহঁতেও Apply কৰিছিল কিন্তু টকাবোৰ এনেই গ'ল কিয়নো Dled. B.Ed. অবিহনে অসম্ভৱ। মূৰ ঘূৰাই যায় তাইৰ এইবোৰ কথা ভাবি। M.A. কৰি তাইও এটা বাম বেকাৰ হ'ব লাগিব। দেউতাকে ক'ৰপৰা আকৌ তাইক B.Ed. কৰা টকা দিব। যি আছিল প্ৰায় শেষ কৰি পঢ়ুৱালে তিনিওটা ল'ৰা-ছোৱালীকে। এতিয়া দেউতাকৰ বয়স হৈ আহিছে। কি হ'ব এই জীৱন সংস্থাপন অবিহনে? ঘৰৰ অলাগতীয়াল সামগ্ৰী হৈ পৰি থাকিব লাগিব নেকি তাই? আৰু প্ৰীতমে? সি যদি এই দুবছৰত ভাল একো কৰিব নোৱাৰে তেন্তে তাই বাৰু বেলেগলৈ বিয়া হৈ যাব লাগিব নেকি? পাৰিব জানো আন কাৰোবাক...? নিজৰ ভৱিত থিয় নোহোৱাকৈ ঘৰৰ সুখৰ বাবে বিয়া হৈ নিজৰ সপোনবোৰক জলাঞ্জলি দিবলৈ। আৰু বিয়া। বিয়া জানো ইচ্ছা কৰিলেই পতা সম্ভৱ। ছোৱালী উচ্চ শিক্ষিত কৰিলে বিয়াৰ যোজাও দেউতাকক দিব নোৱাৰি। উসঃ কিযে বিস্ময়কৰ এই জীৱনটো চেপি ধৰে কিহবাই জোৰকৈ লৈ থকা উশাহটো। দিনে দিনে জীৱনটো জটিল হৈ গৈ থাকে। হেঁপাহৰ প্ৰতিটো খোজেই তাইক লৈ যায় গভীৰৰ পৰা গভীৰতমলৈ। তথাপি ভাগৰিব নোৱাৰে তাই এদিন তাই ভাল কিবা এটা কৰিবই হয়তো সেই দিনটোলৈ বহুত পলম হৈ যাব। সেয়ে পঢ়াৰ মাজতে টিউচন কৰি হেঁপাহেৰে দুটি খোজ পেলালে আগলৈ। হয় তাই পাৰিব ভাগৰা প্ৰতিটো মুহূৰ্ততে তাইৰ কাণত বাজি উঠে প্ৰয়াত অনুজ খুড়াকে কৈ যোৱা সেই কথাষাৰ— "তই পাৰিবি মাইনু, তই পাৰিবি"। ■




# সাহিত্য প্ৰতিযোগিতা
# শিতান

➡ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন উপলক্ষে অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰা ৰচনাসমূহ ঃ

➡ ৰচনা প্ৰতিযোগিতা
➡ ৰস ৰচনা প্ৰতিযোগিতা
➡ কবিতা লিখা প্ৰতিযোগিতা
➡ পেৰডী কবিতা প্ৰতিযোগিতা
➡ মুকলি চিঠি প্ৰতিযোগিতা
➡ আকস্মিক লিখিত প্ৰতিযোগিতা
➡ চুটি গল্প লিখা প্ৰতিযোগিতা
➡ চিত্ৰাংকন প্ৰতিযোগিতা







## শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন উপলক্ষে অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰা ৰচনাসমূহ ঃ

**প্ৰথম স্থান**

### বিষয় ঃ সমাজ সংস্কাৰক হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

আৰম্ভণি ঃ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ (১৪৪৯-১৫৬৯, জন্ম নগাঁৱৰ বৰদোৱাৰ আলিপুখুৰী নামৰ ঠাইত) আছিল জাতি-সাহিত্য-সংস্কৃতি নিৰ্মাতা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ একাধাৰে ধৰ্ম প্ৰচাৰক, সমাজ সংগঠক, চিত্ৰকাৰ লগতে গায়কও আছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সাংস্কৃতিক প্ৰমূল্যৰে নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰি অসমীয়া সমাজ জীৱনক একত্ৰিত আৰু সংহতিত কৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল বহুমুখী প্ৰতিভাৰ অধিকাৰী, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক কেৱল ধৰ্ম প্ৰচাৰকৰূপে গণ্য কৰিলে তেওঁৰ প্ৰতিভাৰ প্ৰকৃত মূল্যায়ন কেতিয়াও সম্পূৰ্ণ নহয়। এখন ৰুগ্ন আৰু ভগ্ন সমাজত জ্ঞানৰ পোহৰ সিঁচিবলৈ তেওঁ অশেষ কষ্ট স্বীকাৰ কৰিছিল।

অসমৰ জাতি সংগঠন প্ৰক্ৰিয়াটো শক্তিশালী কৰাত শংকৰদেৱে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। অসমৰ সমাজ জীৱনলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আগবঢ়োৱা অৱদানৰ কোনো তুলনা নাই। তেওঁ ধৰ্মৰ নামত চলি থকা নানা অমানৱীয় আৰু অযুক্তিকৰ আচাৰ-আচৰণ নিৰ্মূল কৰিবলৈ যত্ন কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সপোনৰ সমাজখন আছিল এখন আদৰ্শ সমাজ, য'ত আছিল সমতা আৰু মানৱতা, গণতান্ত্ৰিক প্ৰমূল্যবোধ।

নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সমান্তৰালভাৱে অসমীয়া সমাজখনৰ সংস্কাৰ সাধন কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এটা প্ৰধান উদ্দেশ্য আছিল।

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমাজ সংস্কাৰ আন্দোলনৰ পটভূমি ঃ**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সময়ছোৱাত অসমৰ সমাজ ব্যৱস্থা ঘুণে ধৰা আছিল। "সামাজিক কু-ৰীতি, অনাচাৰ, ধৰ্মৰ নামত চলা ব্যভিচাৰ আৰু ধৰ্মীয় সম্প্ৰদায়ৰ অন্ধবিশ্বাসত আধাৰিত আচাৰ-আচৰণ" আদিয়ে শংকৰদেৱক ব্যথিত আৰু চিন্তিত কৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সময়ছোৱাত অসমৰ ৰাজনৈতিক ব্যৱস্থাও বহু পৰিমাণে অশান্ত আছিল। সঘনাই হৈ থকা যুদ্ধ-কাজিয়াই পৰিৱেশ অশান্ত কৰি ৰাখিছিল। ৰাজনৈতিক অশান্তি দূৰ কৰি সামাজিক ঐক্য স্থাপনৰ বাবে তেওঁ যত্ন কৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কেৱল ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্য ৰচনা কৰা নাছিল। ধৰ্ম প্ৰচাৰৰ লগতে সমাজ আৰু জাতি সংগঠনৰ বাবে তেওঁ সাহিত্য ৰচনা কৰিছিল। ধৰ্মীয় অনুশাসনৰ জৰিয়তে শংকৰদেৱে সমাজ আৰু সামাজিক জীৱনৰ আৱৰ্জনাবোৰ দূৰ কৰিবলৈ যত্ন কৰিছিল। শংকৰদেৱৰ ধৰ্মত ক্ৰিয়া-কাণ্ডৰ বাহুল্য নাই। নাই কোনো ধৰণৰ বাহ্যিক আড়ম্বৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অন্ধবিশ্বাসৰ পৰম্পৰাস্বৰূপ বলি-বিধান, যাগ-যজ্ঞ, মূৰ্তিপূজা আদিৰ বিৰোধিতা কৰিছিল। এখন সমতা আৰু মানৱতাবোধৰ ভেটিত প্ৰতিষ্ঠিত সমাজ শংকৰদেৱৰ কাম্য আছিল। সেয়ে ক'ব পাৰি— "শংকৰদেৱৰ কৰ্ম মানৱাত্মাৰ মুক্তিৰ কৰ্ম।"

এনে এখন অন্ধকাৰপূৰ্ণ সমাজত পোহৰ সিঁচিবলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অশেষ যত্ন কৰিছিল। এইক্ষেত্ৰত তেওঁ ধৰ্মকেই সহায়কস্বৰূপে গ্ৰহণ কৰিছিল। ডিম্বেশ্বৰ নেওগে সেইবাবে কৈছিল— "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মত কোনো আহ-ফলা নীতি নাই, সমাজৰ সকলো সম্প্ৰদায়কে মোৰ বুলি সাবটি লোৱাই তেওঁৰ উদ্দেশ্য আছিল।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সপোনৰ সমাজখন সাম্য আৰু মানৱতাৰে পৰিপূৰ্ণ আদৰ্শ সমাজ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক সেয়ে এজন আধুনিক চিন্তাৰ অধিকাৰী মহান ব্যক্তি হিচাপে আখ্যা দিব পাৰি।

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমাজ সংস্কাৰ আন্দোলনৰ বিভিন্ন দিশ ঃ**

(ক) জাতিভেদ প্ৰথাৰ দূৰীকৰণ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জীৱন আৰু সাহিত্য কৰ্মৰ যোগেদি অসমৰ সমাজ জীৱনত থকা জাতিভেদ প্ৰথা দূৰ কৰাৰ যত্ন কৰিছিল। সামাজিক বৰ্ণভেদ আৰু ব্যৱধান দূৰ কৰিবৰ বাবেই তেওঁ লিখিছিল—

> "ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল
> দাতাত চোৰত যেন দৃষ্টি একতুল।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'ভকতিত নাহি জাতি-অজাতি

বিচাৰ' এটা তাণ্ডৱ সামাজিক আন্দোলনৰ আধাৰ।

মহাপুৰুষজনাই অন্তৰেৰে জাতিভেদ প্ৰথাক অৱহেলা কৰিছিল। সেয়েহে তেওঁ গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, আহোমৰ নৰহৰি, ভোটৰ জয়ৰাম, যৱনৰ চান্দসাই আদিক সমভাৱে আকোঁৱালি লৈছিল।

অসমৰ সহজ সৰল মানুহখিনিৰ ওপৰত ব্ৰাহ্মণ্য ধৰ্মই কঠোৰ হেঁচা দিছিল। ব্ৰাহ্মণ্য ধৰ্মই বৰ্ণভেদ প্ৰথাৰ জন্ম দি সমাজ কলুষিত কৰিছিল। ব্ৰাহ্মণ্য ধৰ্ম আছিল যথেষ্ট আড়ম্বৰপূৰ্ণ আৰু খৰচী, সেয়ে সাধাৰণ মানুহে ভগৱানক সেৱা কৰিবলৈও পোৱা নাছিল।

কিন্তু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱ বৈষ্ণৱ ধৰ্মৰ যোগেদি ব্ৰাহ্মণ্য ধৰ্মই সৃষ্টি কৰা অযুক্তিকৰ প্ৰাচীৰ ভাঙি দিয়ে। শংকৰী ধৰ্মত কোনো জাক জমকতা নাই। কীৰ্তন আৰু শ্ৰৱণেই হ'ল ভক্তিৰ সহজ মাৰ্গ।

**(খ) অহিংসাই পৰম ধৰ্ম আৰু এখন শান্তিপূৰ্ণ সমাজ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মমতত হত্যা-হিংসাৰ কোনো স্থান নাই। ভগৱানক সন্তুষ্ট কৰিবলৈ বলি-বিধানৰ কোনো প্ৰয়োজন নাই। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে উৰণ, বুৰণ, গজন, গমন— সকলো প্ৰাণীতে বিষ্ণু বা কৃষ্ণৰ স্থিতি অনুভৱ কৰাৰ শিক্ষা প্ৰদান কৰিছিল। সেয়ে তেওঁ কৈছিল— "ঈশ্বৰস্বৰূপে হৰি সৰ্বঘটে বৈঠহ জৈহন গগন বিয়াপি" অথবা "সবাকো মানিবা তুমি বিষ্ণুবুদ্ধি কৰি।" তেওঁ অসমীয়া মানুহক শিকালে সকলোৰে মাজত একেই প্ৰাণ বিদ্যমান। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মত কোনো বিভেদ নাই। তেওঁ সমাজৰ সকলো লোকৰে উন্নতি আৰু মংগল কামনা কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে দুখীয়া, নিচলা আৰু সামাজিক বিহীনসকলক আগত ৰাখি ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল। "অধঃপতিত, অস্পৃশ্য, তথাকথিত উচ্চ সমাজৰ দ্বাৰা পৰিত্যক্ত পাপী-তাপীক ভক্তিধৰ্মৰ দ্বাৰা উন্নত কৰাই আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভক্তিধৰ্মৰ মূল লক্ষ্য।"

(গ) গণতান্ত্ৰিক আন্দোলন আৰু সংঘাত ঃ দাস্যভক্তি কেন্দ্ৰিক শংকৰদেৱৰ ধৰ্ম আছিল সম্পূৰ্ণৰূপে গণতান্ত্ৰিক। ভক্তিৰ সকলো দুৱাৰ সকলো জাতিৰ বাবেই মুকলি আছিল। সৰ্বসাধাৰণ লোকে ভগৱানৰ কাষ চাপিবলৈ ব্ৰাহ্মণ পুৰোহিতৰ সহায় ল'ব নালাগে। এনে নিয়ম হোৱাত ব্ৰাহ্মণৰ স্বাৰ্থত পোনপটীয়া আঘাত পৰিছিল।

ব্ৰাহ্মণসকলৰ আধিপত্য দূৰ কৰিবলৈ যাওঁতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অশেষ কষ্ট স্বীকাৰ কৰিবলগা হৈছিল। তেওঁৰ জীৱনলৈ অনেক ভাবুকি আহিছিল। বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰে ব্ৰাহ্মণ সকলৰ স্বাৰ্থত আঘাত সনাৰ বাবে কোচৰজা নৰনাৰায়ণৰ আগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৰাজ্য নষ্ট কৰিলে বুলি গোচৰ দিছিল। এই সময়ছোৱাত গুৰুজনাই আত্মগোপন কৰি থাকিবলগীয়া হৈছিল। এই সকলোবোৰ ভাবুকি আওকাণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নিজৰ ধৰ্মমত প্ৰচাৰ কৰি গ'ল।

কোচ ৰাজ্যৰ দৰে আহোম ৰাজ্যতো মহাপুৰুষজনাই ধৰ্মমত প্ৰচাৰ কৰাত বাধা পাইছিল। "শ্ৰীধৰ ভট্টাচাৰ্য, কবিৰাজ মিশ্ৰ, ৰামানাচাৰ্য আদি উপাধিধাৰী পণ্ডিতসকলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গণতান্ত্ৰিক ধৰ্ম আন্দোলন ঢাকিবলৈ ওলাইছিল।" মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ধৈৰ্য, সাহস আৰু নিজৰ সুগভীৰ শাস্ত্ৰজ্ঞানৰ দ্বাৰা এনেবোৰ সংঘাতৰ মুখামুখি হৈছিল আৰু সফলতা অৰ্জন কৰিছিল।

প্ৰকৃততে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱ বৈষ্ণৱ ধৰ্মৰ জৰিয়তে সাধাৰণ জনতাৰ মাজত গণতান্ত্ৰিক মূল্যবোধ জগাই তুলিলে। এই গণতান্ত্ৰিক মূল্যবোধে এখন সুস্থ সমাজ গঢ়াত বিশেষভাৱে অৰিহণা যোগালে। ফলত ই মানুহৰ মনবোৰক সংকীৰ্ণতাৰ পৰা বিশালতাৰ উচ্চ শিখৰলৈ লৈ গ'ল।

**(ঘ) সাম্য আৰু মানৱতাভিত্তিক সমাজ গঠন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যিখন সমাজত জন্মগ্ৰহণ কৰিছিল তাত মানৱতাৰ স্থান অধিকাৰ কৰিছিল আসুৰিক শক্তিয়ে। মানুহক বন্দনা নকৰি পূজা কৰা হৈছিল দেৱ-দেৱীৰ। দেৱী সন্তুষ্টিৰ বাবে পশু বলি দিয়া হৈছিল। আনকি নৰবলিৰ দৰে জঘন্য ক্ৰিয়া-কাণ্ডও সংঘটিত হৈছিল। বৌদ্ধধৰ্মৰ বজ্ৰযান নামৰ এক বিকৃত ৰূপেও সেই সময়ৰ সমাজত নানা ব্যভিচাৰৰ সৃষ্টি কৰিছিল। শংকৰদেৱে সমাজৰ এই অন্ধকাৰবোৰ আঁতৰাই পোহৰ সিঁচিবলৈ বহুত ত্যাগ কৰিছিল। তেওঁ সামাজিক ৰূপান্তৰৰ আপোচহীন ৰূপকাৰ আৰু নিৰ্মাতা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সাম্য আৰু মানৱতাৰ ভিত্তিত এখন সুন্দৰ সমাজ গঢ়াৰ সপোন দেখিছিল।

সমাজ সংগঠনৰ দিশত অতি গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়াটো আছিল 'শৰণ' প্ৰক্ৰিয়া। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সত্ৰত বহুতো জনজাতীয় লোকক 'শৰণ' দি নিজৰ বিশাল উদাৰতা আৰু মানৱতাবোধৰ পৰিচয় দিছিল। মহাপুৰুষজনাৰ এই 'শৰণ' প্ৰক্ৰিয়াই জাতিভেদৰ সংকীৰ্ণতা দূৰ কৰি এক বৃহৎ অসমীয়া জাতি গঠনৰ চেষ্টা কৰিছিল।

**(ঙ) নামঘৰ সমাজ সংগঠনৰ এক আধাৰ ঃ** অসমৰ সামাজিক, ধাৰ্মিক আৰু সাংস্কৃতিক জীৱনলৈ নামঘৰৰ অৱদান অনন্য। নামঘৰ হৈছে জাতীয় নাটশাল। এই নামঘৰত সকলো সম্প্ৰদায়ৰ লোকে প্ৰৱেশ কৰিব পাৰে। নামঘৰত ধনী দুখীয়া সকলোৰে নিমিত্তে একেই ভাওনাত ভাও ল'ব পাৰে। ভাওনা ঘৰে





এইদৰে অসমীয়া সমাজত সামাজিক সমতা সৃষ্টি কৰিছিল।

নামঘৰৰ মাজেৰে গণতান্ত্ৰিক চিন্তাধাৰা প্ৰকাশিত হৈছে। যেনে— সূত্ৰধাৰ, গায়ন-বায়ন আদিৰ নিৰ্বাচন পূৰ্বৰে পৰা গণতান্ত্ৰিকভাৱে চলি আহিছে। গাঁৱৰ ভিতৰত যিসকল লোক আনতকৈ পাৰ্গত তেওঁলোককেই এই ৰাব দিয়া হয়।

**(চ) অন্ধবিশ্বাস দূৰীকৰণ ঃ** অসমৰ জনজাতীয় সমাজখনত পৰম্পৰাগতভাৱে অনেক লোকবিশ্বাস আৰু লোকসংস্কাৰ চলি আহিছিল। "আই ওলালে শীতলা পূজা কৰা, ভূত-প্ৰেতৰ ক্ষেত্ৰত বেজৰ দ্বাৰা জৰা-ফুকা কৰা আদিবোৰ অন্ধবিশ্বাজনিত কাম।" এইবোৰৰ ওপৰত বৈষ্ণৱ আন্দোলনে গভীৰ প্ৰভাৱ পেলাইছিল। সেয়েহে শীতলা পূজা, অপেশ্বৰী সবাহ আদিত নাম-কীৰ্তন সোমাই পৰিল। নাম-কীৰ্তনৰ সংযোগে এই আচাৰবোৰলৈ এক সাত্বিকতা আনিলে।

**(ছ) শংকৰদেৱৰ সাহিত্যত সমাজ সংস্কাৰৰ মনোভাব ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'কীৰ্তন' পুথিৰ আটাইতকৈ উল্লেখযোগ্য অৱদান হিচাপে বিবেচনা কৰিব পাৰি তাৰ সামাজিক অৱদানক 'কীৰ্তন'এ বিভিন্ন স্তৰৰ লোকৰ মাজত মিলাপ্ৰীতিৰ ভাব বৃদ্ধি কৰিছিল। জাতিভেদ আৰু উচ্চ-নীচৰ বাধা গুচাই সমতাৰ বাণী প্ৰচাৰ কৰিছিল। ব্ৰাহ্মণ, শূদ্ৰ আৰু অস্পৃশ্য জাতিয়েও একেলগে বহি নাম-প্ৰসংগ কৰাৰ ফলত ভাতৃত্ববোধৰ ভাব বৃদ্ধি পাইছিল। ফলত 'কীৰ্তন' পুথিয়ে সমাজ সংস্কাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

নৱ বৈষ্ণৱ ধৰ্মৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল— 'জাতিভেদহীনতা'। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উচ্চ ধৰ্মীয় চিন্তাই উচ্চ কুলজাত আৰু শাস্ত্ৰজ্ঞ লোকেহে ধৰ্মৰ গুৰি ধৰিব পাৰে বুলি থকা প্ৰচলিত ধাৰণাটো দূৰ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'পত্নীপ্ৰসাদ' নাটত নাৰীৰ সমাজপীড়িত অসহায় অৱস্থা আৰু নাৰী মুক্তিৰ চেতনা প্ৰকাশিত হৈছে। ইয়াৰ জৰিয়তে শংকৰদেৱে অসমীয়া সাহিত্যত আধুনিক নাৰী চৰিত্ৰ সৃষ্টিৰ সূচনা কৰিলে বুলি ক'ব পাৰি। শংকৰদেৱে অসমীয়া নাৰীক ধৰ্মীয় কাম-কাজত অংশ লোৱাৰ সুবিধা প্ৰদান কৰিছিল। অসমীয়া মহিলাই গোসাঁইঘৰত নাম-কীৰ্তন কৰিব পাৰিছিল আৰু নামঘৰতো প্ৰৱেশৰ অধিকাৰ লাভ কৰিছিল।

**(জ) সামৰণি আৰু সিদ্ধান্ত ঃ** এই দিশবোৰ চালিজাৰি চাই আমি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাম এজন সাহসী, বিপ্লৱী হিচাপে ল'ব পাৰোঁ। এখন আদৰ্শ সমাজ গঢ়াৰ স্বাৰ্থত তেওঁ এক সংগ্ৰামী জীৱন অতিবাহিত কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আমাৰ এই সমাজখনক একতা আৰু ভাতৃত্ববোধৰ এনাজৰীৰে বান্ধি ৰাখিছে।

এই আলোচনাৰ অন্তত আমি এইকেইটা সিদ্ধান্ত দিব পাৰোঁ—

(ক) শংকৰদেৱে একেবাৰে তৃণমূল পৰ্যায়ৰ পৰা সমাজ সংশোধনৰ যত্ন কৰিছিল।

(খ) শংকৰদেৱৰ সাহিত্যৰাজি যদিও ধৰ্মীয় সাহিত্য তাত সমাজ সংস্কাৰৰ মনোভাব অতি প্ৰকট।

(গ) শংকৰদেৱৰ সমাজ সংস্কাৰ আন্দোলনৰ আটাইতকৈ উল্লেখযোগ্য দিশ হ'ল জাতিভেদ প্ৰথাৰ দূৰীকৰণ।

(ঘ) শংকৰদেৱে নাৰী স্বাধীনতাৰ প্ৰতিও বিশেষভাৱে গুৰুত্ব দিছিল।

(ঙ) সাম্য আৰু মানৱতাবোধ শংকৰদেৱৰ সমাজ সংস্কাৰ আন্দোলনৰ লগত বিশেষভাৱে জড়িত হৈ আছে।

(চ) ধৰ্মীয় মতবাদ প্ৰচাৰ কৰাৰ ক্ষেত্ৰত আৰু সমাজৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত শংকৰদেৱে বহু বাধা পাইছিল, কিন্তু সকলোবোৰ বাধা অতিক্ৰম কৰি তেওঁ আন্দোলন চলাই গৈছিল। শংকৰদেৱক আমি এজন সাহসী-বিপ্লৱী আখ্যা দিব পাৰোঁ।

অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ গুৰি ধৰোঁতা হিচাপে শংকৰদেৱৰ অধ্যয়নৰ প্ৰাসংগিকতা অনস্বীকাৰ্য। ■

লীনা দাস
*বি.এম.চি., ১ম ষাণ্মাষিক*

দ্বিতীয় স্থান

# বিষয় ঃ সমাজ সংস্কাৰক হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

আৰম্ভণি ঃ

পৃথিৱীত যেতিয়া অধৰ্মৰ ৰাজত্ব হয়, তেতিয়া স্থান, পাত্ৰভেদে একো একোজন মহাপুৰুষে জন্মগ্ৰহণ কৰি ধৰ্ম ৰক্ষা কৰিবলৈ আবিৰ্ভাৱ হয়। শ্ৰীমন্ত শংকৰদেৱ এনে এজন মহাপুৰুষ। অসমৰ সমাজ-সংস্কৃতি, ভাষা সাহিত্যৰ বেলি তেতিয়া অস্তগামী হয়, যেতিয়া বেদ উপনিষদৰ কথা পাহৰি পেলালে দেৱ-দেৱীৰ নামত পূজা কৰি যেতিয়া জীৱ-জন্তুৰ বলি প্ৰথা জোৰকৈ চলালে আৰু নিজৰ ভোগ সুখৰ কাৰণে যেতিয়া সমাজ দুৰ্নীতি, অনাচাৰ, ব্যভিচাৰ আদিত লিপ্ত হ'ল ঠিক এনে এটা চৰম দুৰ্যোগৰ সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হয়।

১৩৭১ শক, ইংৰাজী ১৪৪৯ খ্ৰীষ্টাব্দত নগাঁও জিলাৰ বৰদোৱাত মহাপুৰুষ শংকৰদেৱৰ জন্ম হয় বুলি অসমৰ বৈষ্ণৱসকলৰ মাজত বিশ্বাস প্ৰচলিত হৈ আহিছে। অৱশ্যে এই জন্ম শক সম্পৰ্কে সন্দেহৰ অৱকাশ নোহোৱা নহয়। বুৰঞ্জীবিদ গেইট চাহাবে এনে সন্দেহৰ বশৱৰ্তী হৈয়ে জন্ম শক ত্ৰিশ বছৰমানৰ পাচত হোৱাই অধিক সমীচীন বুলি অভিমত দি গৈছে। (শ্ৰীজ্ঞাননাথ বৰাৰ 'কীৰ্তন' প্ৰবন্ধৰপৰা উদ্ধৃত) তেখেতৰ জন্ম হৈছিল বুৰঞ্জী প্ৰসিদ্ধ শিৰোমণি ভূঞাৰ ঘৰত। তেখেতৰ পিতৃৰ নাম কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধ্যা। সৰুতেই মাতৃ ঢুকোৱাত আৰু পৌগণ্ড কালতে পিতৃ কুসুম্বৰ ভূঞাৰো পৰলোকপ্ৰাপ্তি হোৱাত বুঢ়ীমাক খেৰসুতীয়ে তেওঁক তুলি-তালি ডাঙৰ দীঘল কৰে।

শৈশৱ কাল আৰু শিক্ষা জীৱন ঃ

শ্ৰীমন্ত শংকৰদেৱ সৰুৰেপৰা বলী, সাহসী আৰু নিৰ্ভীক আছিল। কথিত আছে যে এদিন তেওঁ ডাঙৰ ষাঁড়গাৰু এটা অকলে বগৰাই পেলাইছিল। আকৌ আন এদিন ভৰ বাৰিষাৰ পানীৰে উপচি পৰা ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হৈছিল। ল'ৰালি কালৰ কেৱাটাও বছৰ দিতিঙালি কৰি কটোৱাৰ পিচত বুঢ়ীমাক খেৰসুতীয়ে শংকৰক গালি-শপনি পাৰি, গা-পা ধুৱাই এদিনাখন মহেন্দ্ৰ কন্দলি ওজাৰ টোলত থৈ আহিল। সেইদিনা আছিল ভাদ মাহৰ এক শুভ বৃহস্পতিবাৰ। শংকৰৰ বিদ্যা শিক্ষা আৰম্ভ হয়। সেইদিনাই তেওঁ ক,খ আদি ব্যঞ্জনবৰ্ণ শিকিলে। ব্যঞ্জনবৰ্ণ শিকাৰ পিচত শংকৰে অকল ব্যঞ্জনবৰ্ণ জোঁটাই এটি পয়াৰ কৰি অধ্যাপক মহেন্দ্ৰ কন্দলিক দিয়াত কন্দলিয়ে আচৰিত মানি মনত বৰ সন্তোষ পালে। অকল ক-ফলা পঢ়িয়েই আকাৰ-ইকাৰ একো নোহোৱাকৈ এক সুন্দৰ কবিতা লিখি পেলায়—

কৰতল কমল কমলদল নয়ন।
ভৱদৱ দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ শৰতৰ গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰশত হত দশ বদন।
খগচৰ নগধৰ খনধৰ শয়ন।।
জগ দঘ মপ হৰ ভৱভয় তৰণ।
পৰপদ লয় কৰ কমলজ নয়ন।।

অলপ দিনৰ ভিতৰতে শংকৰদেৱ আটাইবোৰ ছাত্ৰৰ ভিতৰত ওজা ছাত্ৰ হৈ উঠিল। তেওঁ কবিতাৰ দৰে শ্লোক ৰচনাতো সোনকালেই বুৎপত্তি লাভ কৰিলে। অতি কম সময়ৰ ভিতৰতে তেওঁ চাৰিবেদ, চৈধ্য শাস্ত্ৰ আৰু ওঠৰ পুৰাণ অধ্যয়ন কৰি বিদগ্ধ পাণ্ডিত্যৰ পৰিচয় দিলে। টোলত থকা সময়তেই যোগশাস্ত্ৰ পঢ়ি আৰু যোগৰ অভ্যাসৰ দ্বাৰা পাৰদৰ্শিতা লাভ কৰে।

ডাঙৰলৈকে উমলি ফুৰি শংকৰদেৱৰ এনে অভ্যাস হৈছিল যে, এদিন তেওঁ পঢ়াশালিৰ অধ্যাপকক এটকা কাপ আৰু এখন কাপোৰ লুকাই ভেটি দি অধ্যাপকৰ পৰা বিদায় লৈ উমলিবলৈ গৈছিল। অধ্যাপকে সেই কাপ আৰু কাপোৰ খেৰসুতী বুঢ়ীমাকক ওভোতাই দিয়াত বুঢ়ীমাকে গম পাই শংকৰক দাবী দিয়াত সেইদিনাৰে পৰা শংকৰে ভালদৰে মন দি পঢ়িবলৈ ধৰিলে। চৰিত পুথিত লেখা আছে যে এদিন একাদশী তিথিত সকলো ছাত্ৰই পাঠ শেষ কৰি ঘৰা-ঘৰি গ'ল; কিন্তু শংকৰ পঢ়াশালিতে শুই থাকিল। তেওঁৰ শৰীৰত ৰ'দ পৰাত এটি সৰ্পই ফনাৰে ছাঁ দি আছিল। এনেতে মহেন্দ্ৰ কন্দলি আহি ওলালত সাপটো গুচি গ'ল। সেইদিনাৰে পৰা কন্দলিয়ে শংকৰক শংকৰদেৱ বুলিবলৈ ছাত্ৰসকলক আজ্ঞা শুনাই দিলে আৰু ক'লে যে আজিৰে পৰা শংকৰে পঢ়াশালি মচিব নেলাগে। ৰাঘৱাচাৰ্যই এইকথা শুনি কন্দলিৰ ওপৰত খং কৰিছিল। কিন্তু ৰাতি আচাৰ্যই শুই থাকোঁতে সমাজিকত দণ্ড পাই পিচদিনা শংকৰদেৱৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিল বুলি চৰিত পুথিত আছে। শংকৰদেৱে অতি কম সময়ৰ ভিতৰতে ওজা ছাত্ৰ হৈ পৰিল। লগতে অতি কম সময়ৰ ভিতৰতে বিদ্যাশিক্ষা শেষ কৰি অনেক শাস্ত্ৰ পঢ়ি বৰ পণ্ডিত হৈ পৰিছিল। অধ্যাপকে তেওঁক কোনো পাঠ এবাৰ দেখুৱাই দিলেই দুনাই আৰু তাক দেখুৱাবলগীয়া নহৈছিল। বিদ্যাচৰ্চাৰ সোৱাদ পাই শংকৰে দিনে ৰাতিয়ে শাস্ত্ৰচৰ্চা, শাস্ত্ৰালাপৰ





বাহিৰে আন কথাত কালক্ষেপ নকৰিছিল। মহেন্দ্ৰ কন্দলিয়ে শংকৰৰ বুদ্ধিৰ প্ৰখৰতা আৰু অনায়াসে শাস্ত্ৰ আয়ত্ত কৰিব পৰা ক্ষমতা দেখি কুসুম্বৰক কৈছিল যে তেওঁৰ পুত্ৰ 'বিজয় পণ্ডিত' হ'ব। পঢ়াশালি এৰাৰ পাচত শংকৰে যোগশাস্ত্ৰ পঢ়ি যোগ্যাভ্যাস কৰিবলৈ ধৰি সেই বিদ্যাত তেওঁ পৰম নিপুণ হৈ পৰিছিল আৰু কুম্ভকযোগ আদি প্ৰাণ, অপান আদি বায়ু বশ কৰি লোকক তেওঁৰ ক্ষমতা দেখুৱাই আচৰিত কৰিছিল। এদিন তেওঁ যোগঅভ্যাস কৰোঁতে তেওঁৰ দেহৰ গহণাদি ছিগি গৈছিল আৰু বাওঁহাতৰ বুঢ়া আঙুলিৰে মাটিত ভৰ দি থিয় হোৱাত পাৰ ওপৰলৈ উঠা দেখি দৰ্শকসকল আচৰিত হৈছিল। দৈত্যাৰি ঠাকুৰৰ বিৰচিত পুথিত আছে যে—

"প্ৰাণ অপাণ সমান উদান আদি কৰি বায়ু চয়।
বশ্য কৰিলন্ত, চলাইবে, পাৰন্ত যি বায়ু যৈত লাগয়।।
বায়ুক ক্ষেপিয়া, উশাস ধৰিয়া, আসন ভিৰি হৰিষি।
থাকন্ত সদায়, সুনিশ্চল কায়, দিন দুই চাৰি বসি।।"

আকৌ শংকৰদেৱ দেখিবলৈ সুপুৰুষ আছিল আৰু তেওঁৰ গাৰ বৰণ কেঁচা সোণৰ বৰণ যেন আছিল। দৈত্যাৰি ঠাকুৰে লিখিছে যে—

"দেখিতে সুন্দৰ গৌৰবৰ্ণ কলেবৰ।
বাৰন্ত প্ৰকাশ অতি সূৰ্য সমসৰ।।
ৰূপ দেখি কন্দৰ্পকো দৰ্প হোৱে ছন্ন।
সৰ্বজন বক্তি থাকে মধুৰ বচন।।

বৈবাহিক জীৱন ঃ

শিক্ষা সমাপ্ত কৰি শংকৰদেৱে অনিন্দিতা কন্যা সূৰ্যাৱতীক বিয়া কৰায়। ১৩৯৬ শকত শংকৰৰ ভাৰ্যা সূৰ্য্যৱতীৰ গৰ্ভত মনু নামে এটি কন্যা জন্ম হয়। মনু ন-মহীয়া হোৱাত সূৰ্য্যৱতী জ্বৰত মৃত্যু হয়। তেতিয়া সূৰ্য্যৱতীৰ বয়স পঁচিশ বছৰ। সূৰ্য্যৱতীৰ মৃত্যুৰ আগৰে পৰা শংকৰদেৱে তীৰ্থলৈ যাবলৈ ইচ্ছা কৰিছিল। এতিয়া সেই কাৰ্য কৰিবলৈ সুচল পালে।

সূৰ্যাৱতীৰ অন্ত্যোষ্টিক্ৰিয়া কাৰ্য শ্ৰাদ্ধাদি কৰি শংকৰদেৱ বৰদোৱাতে কিছুদিন আছিল। ১৪২৫ শকত শংকৰে দ্বিতীয়বাৰ ৰাম ভূঞাৰ কন্যা কালিন্দীক বিয়া কৰায়।

শংকৰদেৱৰ বহুমুখী দান ঃ

মহাপুৰুষ শংকৰদেৱৰ জীৱনী আৰু কৃতি অসমীয়া সমাজ আৰু সংস্কৃতিৰ লগত অঙ্গাঙ্গিভাৱে জড়িত হৈ আছে। তেখেতৰ অৱদান এটা বা দুটা বিষয়তে সীমিত হৈ থকা নাই অসমীয়া সংস্কৃতিৰ সকলো দিশ সম্পদশালী কৰি গৈছে। পুৰণি অসমৰ ইমূৰৰ পৰা সিমূৰ পৰিভ্ৰমণ কৰি সহজ সৰল ধৰ্মৰ একেতাল ডোলেৰে জনতাক ৰখাৰ সফল প্ৰথম অভিযান চলায় মহাপুৰুষে, যাৰফলত কিৰাত কছাৰী, খাচি, গাৰো, মিৰি, যৱন, কঙ্ক, গোৱাল, অচম, মলুক, ৰজক, তুৰক, কুবাচ, চণ্ডাল একশৰণীয়া ধৰ্মত দীক্ষিত হৈ জাতীয় একতাৰ ভেটিত থিয় দিবলৈ সুবিধা পালে। দ্বিতীয়তে, বহু দেৱতাৰ পূজা উপাসনাৰ ঠাইত এক ঈশ্বৰক প্ৰতিষ্ঠা কৰি ধৰ্মীয় বিক্ষিপ্ততা আৰু বামপন্থী আচাৰ অনুষ্ঠানৰ পৰা জনতাক আঁতৰাই আনি ভগৱৎমুখী কৰি তোলে। তৃতীয়তে, শ শ বছৰ ধৰি সমাজৰ নিম্ন স্তৰত অৱহেলিত হৈ পৰি থকা সাধাৰণ জনতাক আধ্যাত্মিক আৰু সামাজিক জীৱনৰ এক উজ্বল পবিত্ৰ ছবি দাঙি ধৰি তেওঁলোকক আধ্যাত্মিক সাহস প্ৰদান কৰে। ব্যৱহাৰিক জীৱনত কাঢ়ী-পাইক, ডা-ডাঙৰীয়া, ব্ৰাহ্মণ-চণ্ডালৰ বৈষম্য থাকিলেও ধৰ্ম আচৰণৰ ক্ষেত্ৰত যে সকলো সমান এইকথা প্ৰচাৰ কৰি মহাপুৰুষে ধৰ্মৰ ক্ষেত্ৰত সাম্যভাৱৰ আদৰ্শ দেখুৱাই জনতাক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল। চতুৰ্থতে, নাট-গীত, অভিনয় কলাৰ যোগেদি কলা-সংস্কৃতিৰ এক নতুন জাগৰণ আনে আৰু জনসাধাৰণৰ মনত সৌন্দৰ্যবোধ জগাই সংস্কৃতি সচেতন কৰি তোলে। পঞ্চমতে, মাধৱ কন্দলি আদি পূৰ্বকবিয়ে দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা সাহিত্যৰ ভেটিত শংকৰদেৱ মাধৱদেৱে সাহিত্য মন্দিৰৰ বিমানসৌধ গঢ়ি তোলে। কাব্য, নাটক, গীত, গদ্য আদি সাহিত্যৰ বিভিন্ন শাখা প্ৰৱৰ্তন কৰি অসমীয়া সাহিত্য পৰিপূৰ্ণাংগ কৰি তোলাত প্ৰচুৰ বৰঙণি যোগায় আৰু জাতীয় সাহিত্যৰ ভেটি সুদৃঢ় কৰি তোলে।

অসমৰ সাংস্কৃতিক ক্ষেত্ৰত শংকৰদেৱৰ বহুমুখী দানৰ কথা বাদ দিলেও কেৱল সাহিত্য ক্ষেত্ৰত যি দি গ'ল সেয়েই তেখেতক অমৰত্ব দান কৰাৰ পক্ষে যথেষ্ট। তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহ হ'ল— হৰিচন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, কীৰ্তন, ভাগৱতৰ প্ৰথম, দ্বিতীয়, দশম (আদি), একাদশ আৰু দ্বাদশ স্কন্ধৰ অনুবাদ, অজামিলোপাখ্যান, বলিচলন, নিমি-নৱসিদ্ধ সংবাদ, অনাদিপাতন, ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, গুণমালা, উত্তৰাকাণ্ড ৰামায়ণ, অমৃত-মথন, গজেন্দ্ৰ-মোক্ষণ, কুৰুক্ষেত্ৰ, ৬ খন অংকীয়া নাট আৰু বৰগীতসমূহ।

কাব্য ঃ

(ক) হৰিচন্দ্ৰ উপাখ্যান (খ) ৰুক্মিণী হৰণ কাব্য (গ) বলিচলন (ঘ) অমৃত মথন (ঙ) আজামিল উপাখ্যান আৰু (চ) কুৰুক্ষেত্ৰ।

ভক্তিতত্ত্ব প্ৰকাশ সংগ্ৰহ ঃ

(ক) ভক্তি প্ৰদীপ (খ) ভক্তি ৰত্নাকৰ (সংস্কৃত) (গ) নিমি-নৱসিদ্ধ সংবাদ (ঘ) অনাদিপতন।

অংকীয়া নাট ঃ

(ক) পত্নীপ্ৰসাদ (খ) কালিয় দমন (গ) কেলি গোপাল (ঘ) ৰুক্মিণী হৰণ (ঙ) পাৰিজাত হৰণ (চ) ৰামবিজয়।

**অনুবাদমূলক ঃ**

(ক) ভাগৱত ১ম, ২য়, ৬ষ্ঠ, ৮ম, ১০ম, ১১শ, ১২শ স্কন্ধ।
(খ) উত্তৰাকাণ্ড ৰামায়ণ।

**গীত ঃ**

(ক) বৰগীত (খ) ভটিমা (গ) টোটয় আৰু চপয়।

**নাম প্ৰসংগ ঃ**

(ক) কীৰ্তন (খ) গুণমালা।

হৰিচন্দ্ৰ উপাখ্যানেই মহাপুৰুষৰ প্ৰথম ৰচনা আৰু 'ৰামবিজয়'নাটতে শেষ। তেওঁৰ দ্বাৰা ৰচিত অংকীয়া নাটৰ ৰচনাৰ আৰ্হি সংস্কৃত নাটকৰ দৰেই। সংস্কৃত নাটকৰ পূৰ্ববংগৰ অনুৰূপ ধেমালি, নান্দীশ্লোক, প্ৰস্তাৱনা আৰু ভৰতবাক্যৰ অনুৰূপ মুক্তিমঙ্গল ভটিমা আৰু সূত্ৰধাৰৰ বিপৰীতে অংকীয়া নাটকৰ সূত্ৰধাৰত ওজাপালি আৰু পুতলা নাচৰ ওজাৰ লক্ষণ বিদ্যমান। অংকীয়া নাটসমূহ— শ্লোক গীত, কথাসূত্ৰ আৰু সংলাপ এইকেইটা উপাদানৰ সমষ্টি। নাটবোৰৰ ভাষা সংস্কৃত নহয়, কিন্তু কথিত ভাষাও নহয়, ব্ৰজবলী ভাষাত ৰচিত।

শংকৰদেৱৰ এটি মহৎ বৈশিষ্ট্যপূৰ্ণ অৱদান যে তেখেতে শাস্ত্ৰীয় নাট বিধানৰ লগত লোৱা নাট্যৰ শৈলী, সংস্কৃতৰ লগত জনবোধ্য ভাষা, সংগীতময় গীত-পদৰ লগত পৰিমাৰ্জিত গদ্যৰ অপূৰ্ব সমন্বয় ঘটাই বিদ্বমণ্ডলীৰ পৰা অশিক্ষিত চহালৈকে সকলোৰে আনন্দ বিধান কৰাৰ উপায় অংকীয়া নাটৰ যোগেদি আবিষ্কাৰ কৰিছে।

আনহাতে বৰগীতসমূহো মহাপুৰুষজনাৰ অন্যতম অভিনৱ অৱদান। সাধাৰণতে বিষয়বস্তুৰ মহত্ব, ৰচনাভংগীৰ সৌষ্ঠৱ আৰু শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য আৰু কল্পনাৰ সংযমে মহাপুৰুষৰ দ্বাৰা ৰচিত এই গীতসমূহক সমসাময়িক আন শাস্ত্ৰীয় সুৰযুক্ত গীতৰ পৰা পৃথক কৰিছে আৰু এই কাৰণেই ইয়াক সাধাৰণ গীতৰ বিপৰীতে বৰগীত বোলা হয়। চৰিত পুথিৰ মতে বৰগীতৰ প্ৰথম সৃষ্টি হয় পঞ্চদশ শতিকাৰ শেষ দশকৰ আৰম্ভণিতে। সেই উল্লেখমৰ্মে মহাপুৰুষে প্ৰথমবাৰ তীৰ্থভ্ৰমণ কৰি ঘুৰি ফুৰোঁতে যেতিয়া বদৰিকাশ্ৰমত উপস্থিত হয় তেখেতে 'মন মেৰি ৰাম চৰণেহি লাগু'নামৰ বৰগীতটি ৰচনা কৰে।

মহাপুৰুষ শংকৰদেৱৰ যিথিনি বৰগীত প্ৰচলিত আছে সেইবোৰ বেছিভাগেই পৰমাৰ্থিক তত্ব আৰু সংসাৰৰ প্ৰতি বিৰক্তি ভাব প্ৰকাশ পাইছে। দুই চাৰিটামানহে বিৰহ আৰু লীলা বিষয়ক গীত আছে। হৰিক আশ্ৰয় কৰি জীৱই যে সংসাৰ সাগৰ পাৰ হ'বলৈ সক্ষম হয়— এইবোৰেই শংকৰদেৱৰ প্ৰধান বক্তব্য। শংকৰদেৱৰ বৰগীতৰ এটি ফাঁকি তলত দাঙি ধৰা হ'ল—

বাগশ্ৰী—
গোপাল, কি গতি কৈলে, গোবিন্দ কি মতি দিলে
নাথ বিফলে বয়স সব গেলিৰে।। ধ্ৰুং
এ ভব গহন বন অতি মোহপাশে ছন্ন
তাতে হামু হৰিণ·বেৰায়।

**সমাজ সংস্কাৰক হিচাপে শংকৰদেৱ ঃ**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ হৰিনামধৰ্ম নামঘৰত প্ৰচাৰ-প্ৰসাৰ-সংৰক্ষণ হ'ল 'শৰণ-ভজন-মালা মন্ত্ৰ' আৰু গুৰু-দেৱ-নাম-ভকত এই চাৰি বস্তুৰে চাৰি চাপ, চাৰিখুঁটি মাৰি ভকতৰ 'ধৰ্ম-অৰ্থ-কাম-মোক্ষ' নাম শ্ৰৱণ কীৰ্তন কৰি এক ঈশ্বৰত কায়-কাব্য মনে সুদৃঢ় বিশ্বাসে শৰণ গ্ৰহণ কৰি ঈশ্বৰক ভক্তি কৰাৰ স্বৰ্ণ পথ, নামঘৰত একশৰণ হৰিনাম ধৰ্মই ভকতক দিলে। ভকতে নামঘৰত গুৰু আসনৰ সন্মুখত নাম পাঠ প্ৰসংগ কৰি হৰিনামত শৰণ লৈ হৰি ভজনা কৰাৰ উত্তম পন্থা পালে। 'হৰি ৰাম হৰি ৰাম' এই মূলমন্ত্ৰ— এই মূলমন্ত্ৰ হৰি নাম মহাবস্তু স্মৰণ কৰি হৰি ভক্তিৰ মালা ভকতে ভগৱন্ত ঈশ্বৰ কৃষ্ণক অৰ্পণ কৰিবলৈ সুবিধা পালে। মূলত অসমৰ ধৰ্ম জগতৰ চূড়ান্ত ব্যভিচাৰ আৰু ধৰ্মীয় শোষণত দিশহাৰা জনগণক উদ্ধাৰৰ অৰ্থেই যেন মহাপুৰুষ শংকৰদেৱৰ আবিৰ্ভাৱ হৈছিল। জুইশলা কাঠিৰ জুয়ে যুগান্তৰৰ স্তূপীকৃত অন্ধকাৰ দূৰ কৰাৰ দৰে শংকৰদেৱৰ আবিৰ্ভাৱৰ লগে লগে কোনো অলৌকিক শক্তিৰ প্ৰভাৱত অসমৰ ধৰ্ম জগতৰ পৰা শোষণ নিষ্পেষণ নোহোৱা হৈ যোৱা নাছিল। বৰঞ্চ অশুভ শক্তিসমূহৰ লগত গুৰুজনাই পৰোক্ষ অথবা প্ৰত্যক্ষভাৱে প্ৰতিবোধ তথা বিবাদৰ মুখামুখি হ'বলগীয়া হৈছিল। তদানীন্তন অসমভূমিৰ আহোম আৰু কোচ ৰজাসকলৰ ৰাজ্যত থাকি শংকৰদেৱে একশৰণ ভাগৱতী ধৰ্ম প্ৰচাৰ কৰি বহুধা বিভক্ত ধৰ্মীয় আদৰ্শক এক নতুন ধৰ্মীয় দিশলৈ ৰূপান্তৰ কৰিবলৈ সমৰ্থ হৈছিল।

ব্ৰাহ্মণ যুগৰ তমসাচ্ছন্ন ধৰ্ম জগতৰ বিপৰীতে উপনিষদ যুগত ভাৰতীয় আধ্যাত্মিক জগত জ্ঞানৰ পোহৰেৰে দীপ্তিমান হৈ উঠিছিল। শংকৰদেৱৰ একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ প্ৰাক কাললৈকে অসমীয়া ধৰ্মীয় সমাজখনকো অজ্ঞান আন্ধাৰ আৰু কু-সংস্কাৰৰ মাজত পোত খোৱাই ৰাখি এচাম স্বাৰ্থান্বেষীৰ স্বাৰ্থ ৰক্ষাৰ দলিল স্বৰূপ ব্ৰাহ্মণ গ্ৰন্থসমূহৰ ৰচয়িতা সকলৰ দৰে কিছুমান মতলবী লোকে শোষণ কৰাৰ ক্ষেত্ৰত ব্যাপক কৰি তুলিছিল। সমাজৰ এই অন্ধকাৰসমূহ দূৰ কৰাটো খুবেই প্ৰয়োজন হৈ পৰিছিল আৰু এই প্ৰয়োজনসমূহ পূৰণ কৰিছিল শ্ৰীমন্ত শংকৰদেৱে।

মধ্যযুগৰ জীৱ-জন্তু তথা নৰবলিৰ জগতখনলৈ বিশ্বাস তথা মূল্যবোধৰ আমোল পৰিৱৰ্তন আনিবলৈ এশ শতাংশ কৃতকাৰ্য হ'ব নোৱাৰিলেও একশৰণ নামধৰ্মৰ সহায়ত অসমৰ ধৰ্ম জগতৰ অৰাজকতা দূৰ কৰি ধৰ্মৰ নামত শোষণকাৰী সকলৰ কাণত সাৱধান ঘণ্টাধ্বনি শুনাই উদাৰ মনোভাব ল'বলৈ বাধ্য কৰাইছিল বুলি দৃঢ়ভাৱে ক'ব পাৰি।

ধৰ্ম প্ৰচাৰৰ মাধ্যমেদিয়েই অসমৰ সমাজ জীৱনলৈ মহাপুৰুষ শংকৰদেৱে সংস্কাৰ আনিবলৈ সক্ষম হৈছিল। একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ এক ঈশ্বৰৰ উপাসনাৰ মাধ্যমেদি ব্যয়বহুল ধৰ্ম পালন তথা ধৰ্মীয় শোষণৰ পৰা মুক্ত হ'বলৈ পোৱা আনন্দই সৰ্বসাধাৰণ লোকক ভগৱানৰ ভক্তিত গদ্‌গদ্ হৈ একান্তচিত্তে নাম ল'বলৈ অনুপ্ৰেৰণা যোগোৱাৰ লগতে "ঈশ্বৰ স্বৰূপে হৰি সব ঘটে বৈঠহ" ভাবনাৰ বাবে নৈতিকভাৱে সবল হ'বলৈও প্ৰেৰণা যোগালে। এনে নৈতিক উত্তৰণৰ বাবে সমাজ জীৱনৰ পৰা বহুতো কু-অভ্যাস, কু-চিন্তা আৰু অন্ধবিশ্বাস আপোনা আপুনি আঁতৰ হ'বলৈ ধৰিলে। মানৱ ধৰ্মই মানুহৰ হৃদয়ত বহল ঠাই আগুৰিবলৈ সমৰ্থ হ'ল। মদ-মাংস ভক্ষণ, কুমাৰী পূজাৰ অসামাজিক প্ৰথাবোৰে স্বাভাৱিক কাৰণতে নামধৰ্মক বাট এৰি দি ব্যভিচাৰমুক্ত হোৱাত সহায় কৰিলে। সজকথা, সজ আচৰণে মানুহৰ চিন্তাজগত আৰু মানৱী মূল্যবোধৰ দিগন্ত প্ৰসাৰিত কৰাত পৰোক্ষভাৱে হ'লেও সহায় কৰিলে।

এখন সুস্থ-সবল আৰু সৰ্বাংগসুন্দৰ সমাজ গঢ় দিবলৈ হ'লে সেই সমাজৰ প্ৰতিজন ব্যক্তিয়েই নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত হ'ব লাগিব। সেয়েহে গুৰু শ্ৰীমন্ত শংকৰে শিশুসকলৰ উদ্দেশ্যে কীৰ্তন-ঘোষাত প্ৰহ্লাদ চৰিত্ৰত প্ৰহ্লাদৰ মুখেদি কৈছে—

"হেন জানি শিশু সব এৰা আন কৰ্ম।
ধৰিও কুমাৰ কালে ভাগৱত ধৰ্ম।।"

শংকৰদেৱ সঁচাকৈয়ে এজন কৌশলী সমাজ সংস্কাৰক আছিল। তেওঁ বিষাক্ত সৰ্পৰূপী জাতি প্ৰথাক নিৰ্মূল কৰিবলৈ চেষ্টা কৰাৰ পৰিৱৰ্তে সেই সৰ্পৰ পৰা বিষ বাহিৰ কৰাতহে গুৰুত্ব প্ৰদান কৰিছিল—

"চাণ্ডাল হৰি নাম লৱে মাত্ৰ।
কৰিবা উচিত যজ্ঞৰ পাত্ৰ।।"
— (কীৰ্তন)

**সামৰণি ঃ**

জীৱন ক্ষণ ভংগুৰ হ'লেও, জগত স্বপ্নময় হ'লেও মহাপুৰুষৰ ৰচনাৱলীয়ে পলায়নবাদী নীতি গ্ৰহণ কৰি সন্ন্যাস গ্ৰহণ কৰিবলৈ কোৱা নাই। পদ্মপত্ৰ-জলবৎ নিৰাসক্ত হৈ সাংসাৰিক কাম কৰিবলৈ আৰ্হি দেখুৱাই গৈছে। জাগতিক প্ৰেম-প্ৰীতি আদিৰ অনুভূতি সমূহৰ বিভিন্ন অভিব্যক্তিৰ সাৰ্থকতা অস্বীকাৰ কৰিছে যদিও সেইবোৰ ব্যৱহাৰিক অস্তিত্ব মানি লৈ কাব্যত তাৰ মনোৰম ৰূপায়ণ কৰিছে আৰু সেইবোৰ যেতিয়া ঈশ্বৰাভিপ্ৰেত হয় তেতিয়া তাৰ সাৰ্থকতা প্ৰদৰ্শন কৰিছে। শংকৰদেৱৰ দাৰ্শনিক মতবাদ আছিল অদ্বৈতবাদৰ লগত ভক্তিবাদৰ সমন্বয়। শংকৰদেৱৰ সাহিত্য জনসমাজত সুখ-দুখ প্ৰতিফলিত হোৱা নাই সঁচা কিন্তু জনগণৰ প্ৰতি দৰদেই যে তেওঁক সহজ ভক্তিমাৰ্গ আৰু জনবোধ্য সাহিত্য, সংগীত আৰু অভিনয় কলাৰ সাধনাত ব্ৰতী কৰাইছিল, সেই বিষয়ে সন্দেহ নাই।

অসমীয়া নাট আৰু অভিনয় কলাৰ প্ৰৱৰ্তক, ব্ৰজবলী ভাষাৰ সৃষ্টিকাৰী অসমীয়া ভাষাক চুচি-মাজি নতুন শব্দ নতুন ছন্দ আৰু নতুন প্ৰকাশভংগী প্ৰয়োগ কৰি উচ্চ সাহিত্যৰ উপযোগী মাধ্যমৰূপে ৰূপ দান কৰোঁতে মহাপুৰুষ শংকৰদেৱে সাহিত্যত বিভিন্ন ৰসৰ সুপ্ৰয়োগ, বৰ্ণনাৰ কুশলত আৰু স্বচ্ছতা কাব্যিক সৌন্দৰ্যৰ সমাবেশ ঘটোৱাৰ কাৰণে আৰু নীতি-আদৰ্শৰ প্ৰতি জনতাৰ দৃষ্টি আকৰ্ষণ কৰোঁতাৰূপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত স্মৰণীয় হৈ ৰ'ব।

মহাপুৰুষ শংকৰদেৱ উদাৰ আৰু ত্যাগৰ প্ৰতীক। পিতৃৰ জমিদাৰী, ৰাজভোগ দূৰলৈ ঠেলি দি আজীৱন মানৱ সেৱাত ব্ৰতী হৈ ৰ'ল শংকৰ গুৰুৱে। একেধাৰে ধৰ্মীয় আদৰ্শৰ প্ৰবক্তা, কবি, সাহিত্যিক, গীতিকাৰ, গায়ক, নৰ্তক, অভিনেতা, সন্তৰণবিদ শংকৰদেৱ যথাৰ্থতে মহাপুৰুষ। শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক বলৰ উচ্চতম বিকাশৰ মাধ্যমেদি যুগৰ শ্ৰেষ্ঠতম ব্যক্তিৰূপে পৰিগণিত হোৱা এইজনা মহাপুৰুষে ১৫৬৮ চনত কোচবিহাৰত ইহলীলা সম্বৰণ কৰে।

এনে এজন সৰ্বগুণাকৰ গুৰুৰ সৰ্বত্ৰ বিৰাজমান অস্তিত্ব অনুভৱ কৰি থকা সত্বেও আজি শিক্ষিত সমাজৰ বহুতে দিগ্‌বিদিগ হেৰুৱাই অন্য ধৰ্ম গুৰুৰ আশ্ৰয় লোৱা দেখা যায়। ■

**বৰষা নাথ**
*স্নাতক, ৫ম যাণ্মাষিক*

**তৃতীয় স্থান**

# বিষয় ঃ সমাজ সংস্কাৰক হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

**শ্ৰীমন্ত শংকৰদেৱৰ চমু পৰিচয় ঃ** অসমীয়া সাহিত্য-সংস্কৃতি তথা জাতীয় জীৱনৰ এনে এটা দিশ নাই য'ত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰভাৱ অনুভূত নহয়। শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি আদৰ্শই পঞ্চদশ-ষোড়শ শতিকাৰ অসমত সামাজিক, সাংস্কৃতিক জীৱনত এক প্ৰকাৰৰ নৱজাগৰণৰ সূচনা কৰিছিল। নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক প্ৰথমগৰাকী গুৰু, কবি, নাট্যকাৰ, গীতিকাৰ, তত্ত্ব-পণ্ডিত, অভিনয় কলাৰ প্ৰৱৰ্তক, প্ৰযোজক, পৰিচালক, অভিনেতা, বাদ্য নিৰ্মাতা, খোলৰ সৃষ্টিকৰ্তা, খোলৰ বোলৰ ৰচোঁতা, গীতৰ ৰাগ আৰু তালৰ নিৰ্মাতা, গায়ক, নৃত্য, নৃত্য পৰিচালক, অংগসঞ্চালনৰ প্ৰণেতা, চিত্ৰশিল্পী 'সৰ্বাগুণাকৰ শ্ৰীমন্ত শংকৰদেৱ'। তেওঁৰ জন্ম হয় ১৪৪৯ খ্ৰীষ্টাব্দত ১৩৭১ শকত নগাঁও জিলাৰ আলিপুখুৰী নামে ঠাইত। তেওঁৰ পিতৃৰ নাম আছিল কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম আছিল সত্যসন্ধ্যা। কেঁচুৱা কালতে মাতৃ আৰু পিতৃক হেৰুওৱা শংকৰদেৱক বুঢ়ীমাক খেৰসুতীয়ে ডাঙৰ-দীঘল কৰে।

**শিক্ষা জীৱনৰ পাতনি ঃ** শ্ৰীমন্ত শংকৰদেৱক বুঢ়ীমাক খেৰসুতীয়ে ১২ বছৰ বয়সত মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষা গ্ৰহণৰ বাবে সোমাই দিছিল। শিক্ষা আৰম্ভ কৰাৰ সময়ত ছাত্ৰাৱস্থাতে শংকৰদেৱে এক কোমল কবিতা 'কৰতল কমল' ৰচনা কৰি কবিত্ব আৰু অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিয়ে। তাৰোপৰি আঠ বছৰৰ ভিতৰত বেদ, বেদান্ত, দৰ্শন, কাব্য, ছন্দ-অলংকাৰ, ব্যাকৰণ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণ সমন্বিতে প্ৰাচীন ভাৰতীয় সাহিত্য দৰ্শন আদি সকলোতে বুৎপত্তি লাভ কৰিছিল। তেওঁৰ এনে দক্ষতা আৰু প্ৰতিভা দেখিয়েই শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে তেওঁক 'ওজা ছাত্ৰ' বিশেষণ দিয়াৰ উপৰি তেওঁৰ নামৰ পিচত 'দেৱ' শব্দটো সংযোগ কৰে।

**দেশ ভ্ৰমণ ঃ** শিক্ষা জীৱন সমাপ্ত কৰি শংকৰদেৱে নিজৰ ঘৰলৈ ঘূৰি যায়। ১৪৭০ খ্ৰীষ্টাব্দত তেওঁ সূৰ্যৱতী আইক বিয়া কৰায় আৰু পিতৃৰ বিষয়বাব 'শিৰোমণি' ভূঞাৰ দায়িত্ব লয়। ৩ বছৰ পিচত 'মনু' নামৰ এটি কন্যা সন্তান জন্ম হোৱাৰ পিচতে সূৰ্যৱতীৰ মৃত্যু হোৱাত তেওঁৰ মন বৈৰাগ্য হৈ পৰে। মনু ডাঙৰ হৈ উঠাৰ লগে লগে ৰামচন্দ্ৰৰ সুযোগ্য সন্তান হৰিৰ লগত মনুক বিয়া দিয়া হয়। ৩২ বছৰ বয়সত শংকৰদেৱে গুৰু মহেন্দ্ৰ কন্দলিকে ধৰি আন কেইবাজনো সংগী লৈ ১৪৮১ খ্ৰীষ্টাব্দৰ পৰা ১৪৯৩ খ্ৰীষ্টাব্দলৈ বাৰ বছৰ উত্তৰ ভাৰতৰ সকলো তীৰ্থক্ষেত্ৰ ভ্ৰমণ কৰে। এই সময়ছোৱাত তেওঁ গংগা, বৃন্দাবন, মথুৰা, গকুল, ব্ৰজধাম, ৰামকেলি আদি ঠাই ভ্ৰমণ কৰিছিল। ইয়াৰ উপৰি শ্ৰীচৈতন্য, হৰিব্যাস, ৰামানন্দ আৰু কবীৰৰ লগত সাক্ষাৎ হৈছিল। ইয়াৰ পিচত বিভিন্ন পণ্ডিতৰ সৎ সংগৰ দ্বাৰা তেওঁ জ্ঞানৰ পণ্ডিত হৈ ১২ বছৰ পিচত নিজ গৃহলৈ ঘূৰি আহে।

**ধৰ্ম প্ৰচাৰক আৰু সমাজ সংস্কাৰক ঃ** ১৪৮১ খ্ৰীষ্টাব্দৰ পৰা ১৪৯৩ খ্ৰীষ্টাব্দলৈ এই সময়ছোৱা আছিল নৱ বৈষ্ণৱ বা ভক্তি আন্দোলনৰ সময়। এই সময়তে তেওঁৰ সংগীসকলে ধৰ্ম প্ৰচাৰৰ বাবে তেওঁৰ ওচৰত দীক্ষা লৈছিল। সেই আধাৰতে তেওঁৰ মনত 'এক দেৱ, এক সেৱ" ভাৱ উদয় হয় আৰু প্ৰচাৰ কৰিছিল। তেখেতে এই শিক্ষা দিছিল যে—

"ইটো কলি যুগে হৰি নামে সে সাৰ।
নাম বিনে ভকতৰ গতি নাই আৰ।"

অৰ্থাৎ এই কলিযুগত হৰিনামে শ্ৰেষ্ঠ। যাৰ অবিহনে ভক্তসকলৰ অন্য উপায় নাই।

ধৰ্ম প্ৰচাৰৰ আৰম্ভণিতে তেওঁ বহুতো ভক্তিমূলক ৰচনা লিখিছিল। ভাগৱতৰ আধাৰত ৰচনা কৰা কীৰ্তন-ঘোষা পুথিৰেই তেওঁ ভক্তিধৰ্ম শ্ৰৱণ, কীৰ্তন এই দুটা মাধ্যমত আৰম্ভ কৰে। গীতাৰ একশৰণ, ভাগৱতৰ সৎ সংগ আৰু সহস্ৰনামৰ পৰা পদ্মপুৰাণৰ নাম লৈ নিজস্ব ধৰ্মমত স্থাপন কৰে। ভাগৱত ভক্তি আৰু ভাগৱত ভক্তিৰ মহিমা প্ৰকাশেই বৈষ্ণৱ সাহিত্যৰ মাই লক্ষ্য আছিল। নৱ বৈষ্ণৱ ধৰ্মৰ আন্দোলন গঢ়ি উঠাৰ প্ৰধান বৈশিষ্ট্য আছিল— 'অন্য দেৱ-দেৱী নকৰিবা সেৱ।' অৰ্থাৎ বহু দেৱ-দেৱীৰ পূজা অৰ্চনাৰ বিপৰীতে সৰ্বসাধাৰণ এজন উপাস্য দেৱৰ সন্ধান দিয়া। এই উপাস্য দেৱজন হ'ল— দেৱৰ উত্তম দৈৱকী নন্দন যদুপতি কৃষ্ণ। শংকৰদেৱ প্ৰচাৰিত নৱ বৈষ্ণৱ আন্দোলনৰ যোগেদি বৈষ্ণৱ ধৰ্মৰ চাৰিখুঁটি অৰ্থাৎ নাম, দেৱ, গুৰু, ভকতৰ মাহাত্ম্য প্ৰকাশিত হৈছে। এই আন্দোলনৰ দুটা ধাৰাত প্ৰকাশিত হৈছে, এটা হ'ল ৰাম ভক্তিধাৰা আৰু আনটো কৃষ্ণ ভক্তিধাৰা। ভক্তি আৰু প্ৰেমৰ দ্বাৰাই ভগৱদ অনুগ্ৰহ প্ৰাপ্তি দেখুৱাই ভক্তিৰ শ্ৰেষ্ঠতা ঘোষণা কৰিছে।

গোটেই অসম ঘূৰি-ফুৰি তেওঁ অসমৰ বিভিন্ন ঠাইত সত্ৰ স্থাপন কৰিছিল। বৰদোৱাতে তেওঁ কীৰ্তনঘৰ সজাই ভক্তিধৰ্ম প্ৰচাৰৰ প্ৰথম ভেঁটি বান্ধে আৰু এনেভাৱেই নামঘৰ আৰু সত্ৰসমূহৰ আৰম্ভণি কৰে। ১৫১৬/১৭ খ্ৰীষ্টাব্দত তেওঁ বাকীসকলক লগত লৈ মাজুলীৰ ধুৱাহাটা বেলগুৰিত গৈ সত্ৰ পাতে। ১৫২২ খ্ৰীষ্টাব্দত তাতেই মাধৱদেৱৰ লগত সাক্ষাৎ হয়। প্ৰথম অৱস্থাত মাধৱদেৱ শাক্তধৰ্মী আছিল। শংকৰদেৱৰ লগত ৯ ঘণ্টা জোৰা তৰ্ক বিতৰ্ক হোৱাৰ পিচত শংকৰদেৱৰ তত্ত্ব আৰু যুক্তিৰ ওচৰত মাধৱদেৱে পৰাজয় বৰণ কৰে আৰু শংকৰদেৱৰ ওচৰত শিষ্যত্ব গ্ৰহণ কৰে। গুৰুৰ প্ৰতি অসীম ভক্তি, আস্থা আৰু নিষ্ঠাৰে মাধৱদেৱ হৈ উঠে





শংকৰদেৱৰ প্ৰায় অভিন্ন আত্মাস্বৰূপ। প্ৰায় ১৫৪৬ খ্ৰীষ্টাব্দত শংকৰদেৱে পাটবাউসী সত্ৰ পাতি লয় লগতে কামৰূপ, বৰপেটা, সোণপুৰা, গণকগুছি, সুন্দৰীদিয়া আদি স্থানতো সত্ৰ স্থাপন কৰে। পাটবাউসীৰ পৰা তেওঁ আশী বছৰ বয়সত পুৰী, কাশী আদি তীৰ্থলৈ যায়।

এনেধৰণে ধৰ্ম প্ৰচাৰ কৰি শিষ্যৰ সৈতে মহাৰাজ নৰনাৰায়ণৰ ৰাজধানী পায়। নৰনাৰায়ণে তেওঁলোকক আদৰ সাদৰ কৰে আৰু শংকৰদেৱক নিজৰ নৱৰত্নৰ ভিতৰত এক উজ্বল ৰত্ন ৰূপত প্ৰতিষ্ঠিত কৰিছিল। এইধৰণে শংকৰদেৱে আহোম আৰু কোঁচ ৰাজ্যবোৰত ধাৰ্মিক ৰাজ্যৰ ৰূপত প্ৰতিষ্ঠিত কৰি দিছিল। নামধৰ্মৰ লগতে তালি বজাই নাম-কীৰ্তন কৰা পদ্ধতি আৰু কীৰ্তনৰ 'ভোৰতাল' বজোৱা নিয়ম শংকৰদেৱৰ মৌলিক উদ্ভাৱনা আছিল।

শংকৰদেৱে সমাজৰ ৰূঢ়িবাদ, উচ্চ-নীচ, জাতি-ধৰ্ম তথা চোৱা-চুটি আদি ভেদ ভাৱবোধক নাইকীয়া কৰিছিল। উচ্চ শ্ৰেণীৰ সমানেই গাৰো, ভোট আৰু মিকিৰ আদি সকলোকে ধৰ্ম প্ৰচাৰৰ অধিকাৰ প্ৰদান কৰিছিল। সমাজত তেখেতসকলক উচ্চ জাতিৰ সমানে মান প্ৰতিষ্ঠা পোৱাৰ যোগ্য কৰি দিছিল। তেখেতে প্ৰাণীমাত্ৰকে পৰম আত্মাৰ অংশ বিশেষ হিচাপে মানিছিল। সেয়েহে—

*"কুকুৰ শৃগাল, গদৰ্ভৰো আত্মা ৰাম,*
*জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"*

শংকৰদেৱৰ ভক্তিৰ মূলতে 'দাস্য ভক্তিৰ মাহাত্ম্য' আছিল।

**সাহিত্য-সংস্কৃতি অৱদান ঃ** অসমীয়া বৈষ্ণৱ ধৰ্ম, কলা আৰু বৈষ্ণৱ সাহিত্যৰ যোগেদি অসমৰ জাতীয় জীৱনত অকলশৰীয়া নৱ জাগৰণৰ সূচনা আৰু প্ৰসাৰ ঘটাই যোৱা শংকৰদেৱে ৰচনা কৰিছিল বিভিন্ন গ্ৰন্থ। তেওঁৰ ৰচনাসমূহ ক্ৰমে উপাখ্যান, সংস্কৃত গ্ৰন্থৰ ভাঙনি, তত্ত্বলোচনামূলক ৰচনা, কীৰ্তন-ঘোষা, গীত-নাট আৰু প্ৰকৰণ এই সাতোটা ভাগত ভগোৱা হৈছে। হৰিচন্দ্ৰ উপাখ্যান আৰু ৰুক্মিণীহৰণ কাব্য, অজামিল উপাখ্যান, গজেন্দ্ৰ উপাখ্যান, অমৃত মথন, বলিছলন, দশম স্কন্ধ ভাগৱতৰ কুৰুক্ষেত্ৰক প্ৰথম শাখাত অন্তৰ্ভুক্ত কৰিব পাৰি। দশম স্কন্ধৰ বাহিৰেও ভাগৱতৰ বিবিধ খণ্ডৰ ভাঙনি আৰু ৰামায়ণৰ উত্তৰাকাণ্ডৰ ভাঙনি আদি দ্বিতীয়টো শাখাত অন্তৰ্ভুক্ত কৰিব পাৰি। ভক্তি প্ৰদীপ, অনাদি পাতন, নিধি নৱ সিদ্ধ সংবাদৰ মাই লক্ষ্য হ'ল তত্ত্ব প্ৰকাশ। গুণমালাকো এই শ্ৰেণীত অন্তৰ্ভুক্ত কৰি তৃতীয় শাখাত ধৰিব পাৰি। ইয়াৰ মাজত 'কীৰ্তন-ঘোষা'ই নিজেই এটা স্বতন্ত্ৰ শ্ৰেণীৰ সৃষ্টি কৰি লৈছে।

শ্ৰীমন্ত শংকৰদেৱ প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰ কালত বদৰিকাশ্ৰম ৰচনা কৰা 'মন মেৰি ৰাম চৰণহি লাগু' নামৰ গীতটি ৰচিত কৰিছিল। এই গীতটি গুৰুজনাৰ প্ৰথম গীত বুলি কোৱা হয়। নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ দুজনাৰ দ্বাৰা ৰচিত গীত, উচ্চমান বিশিষ্ট, আধ্যাত্মিক ভাৱপূৰ্ণ, নিৰ্দিষ্ট তাল, ৰাগ বিশিষ্ট এই গীতসমূহ অসমৰ এটা বিশিষ্ট মাৰ্গ সংগীতৰ ধাৰাৰূপে প্ৰতিষ্ঠিত হৈছে। এক বিশেষ শৈলীৰে এইসমূহ গীত পৰিৱেশন কৰা হয়। তেওঁলোকে ৰচনা কালত 'বৰগীত' নামকৰণ কৰা নাছিল। যদিও পৰৱৰ্তী কালত তেওঁলোকৰ শিষ্যসকলে এই গীতসমূহক 'বৰগীত' আখ্যা দিছিল।

এই সমূহৰ উপৰিও শংকৰদেৱে ৰচনা কৰা ভটিমা, টোটয় নামক সংস্কৃত প্ৰশস্তিমূলক গীত ৰচনা কৰিছিল। লগতে তেওঁ প্ৰথম অসমীয়া অৰ্থাৎ ব্ৰজাবলী ভাষাত নাট ৰচনা কৰিছিল। পত্নীপ্ৰসাদ, কালিয় দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰাম-বিজয় এই নাট্যবলীৰে তেওঁ নাটক আৰু অভিনয় কলাৰ সৃষ্টি কৰিলে। এইসমূহ নাটক 'অংকীয়া নাট' নামেৰে চিহ্নিত কৰা হৈছে। তাৰোপৰি শ্ৰীমন্ত শংকৰদেৱ এগৰাকী খোল বাদ্য সৃষ্টিকৰ্তা। খোলৰ বোল ৰচনা কৰিছিল লগতে প্ৰয়োগৰ সম্পৰ্কে সৃষ্টিকৰ্তা আছিল। একেধাৰে চিত্ৰশিল্পতো তেওঁৰ অৱিহণা দি থৈছে। সত্ৰীয়া নৃত্যৰ স্ৰষ্টা, পৰিচালনা আৰু তাল, লয় আৰু মান লগতে অংগ সঞ্চালনৰ ব্যাকৰণসন্মত ৰীতি প্ৰণেতা আছিল।

**সামৰণি ঃ** শংকৰদেৱে ১৫৬৮ খ্ৰীষ্টাব্দত ভাদ মাহৰ ২১ তাৰিখে শুক্ল দ্বিতীয়া তিথি বৃহস্পতিবাৰৰ দিনা প্ৰায় ডেৰ প্ৰহৰমানত বৈকুণ্ঠগামী হয়। গুৰুজনাই ১১৯ বছৰ ১১ মাহ ১৬ দিন এই পৃথিৱীত আছিল। ভাৰতীয় সাহিত্য-সংগীতকে ধৰি সকলো সুকুমাৰ কলাত পাৰ্গত, কলাকাৰ, ভাৰতীয় দৰ্শনকে ধৰি আধ্যাত্মিক, নৈতিক, সামাজিক, সাংস্কৃতিক সকলো বিষয়ৰ তত্ত্বদৰ্শী পণ্ডিত, বিৰল প্ৰতিভাধৰ এইগৰাকী দাস্য ভক্তিধৰ্ম তথা ভক্তি আন্দোলনৰ প্ৰৱৰ্তক, গৃহীগুৰু শংকৰদেৱক মাধৱদেৱে 'সৰ্বাগুণাকৰ' বুলি আৰু 'ঈশ্বৰ অৱতাৰ' বুলি মান্য কৰিছিল। এইগৰাকী মহাপুৰুষে অসমৰ মানুহক কেৱল সৰল, জাতি, বৰ্ণ, ভাষা, ধৰ্ম, সম্প্ৰদায়ৰ সীমা ভাঙি সকলো প্ৰাণীক 'বিষ্ণু বুদ্ধি' কৰিবলৈ শিকোৱা অভিনৱ ধৰ্ম এটাকে দি যোৱা নাই, তেওঁ অসমৰ মানুহক দি গ'ল পৰিশীলিত, সামাজিক তথা ব্যক্তিগত জীৱন যাপনৰ এটা প্ৰণালীও। সেইবাবে তেওঁ অসমৰ বৈষ্ণৱ ধৰ্মৰ গুৰুৱেই নহয়, তেওঁ অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক জীৱনৰো গুৰু। শংকৰদেৱ মানুহৰ ইতিহাসৰ এগৰাকী যুগন্ধৰ ব্যক্তি আছিল।

*"জয়গুৰু শংকৰ সৰ্ব গুণাকৰ*
*যাকেৰি নাহিকে উপাম।*
*তোহাৰি চৰণক ৰেণু শতকোটি*
*বাৰেক কৰোহো প্ৰণাম।।"* — (গুৰু ভটিমা)

বনশ্ৰী মহন্ত
*স্নাতক, ৩য় ষাণ্মাষিক*

# ৰচনা প্ৰতিযোগিতা

## প্ৰথম স্থান

## বিষয় ঃ অসমীয়া সমাজত নাৰীৰ স্থান

আৰম্ভণি ঃ অসম জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে বিভিন্ন জাতি-জনগোষ্ঠীৰ এখন সুন্দৰ ৰাজ্য। সেই অনুযায়ী ইয়াত বিভিন্ন জাতি-জনগোষ্ঠীৰ পুৰুষৰ লগতে মহিলাও পৰিলক্ষিত হয়। অসমত পুৰুষৰ তুলনাত নাৰীৰ পৰিমাণ প্ৰায় সমানেই।

অসমীয়া সমাজত নাৰী ঃ অসমত নাৰীক ভাৰতৰ আনবোৰ ৰাজ্যৰ তুলনাত বৰ্তমানে প্ৰায় সমানেই স্থান দিয়া হয়। অৱশ্যে কিছুমান ক্ষেত্ৰত পুৰুষৰ প্ৰাধান্য বেছি পৰিলক্ষিত হোৱা দেখা যায়। অসমীয়া সমাজত বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বন, খেলা-ধূলা, নৃত্য-নাটিকা আদি উদ্‌যাপন কৰা হয় আৰু এই সকলোবোৰতে পুৰুষৰ সমানে সমানে নাৰীৰ অংশগ্ৰহণও পৰিলক্ষিত হোৱা দেখা যায়। ইয়াৰ উদাহৰণস্বৰূপে বৰ্তমান খেল জগতৰ উজ্বল তাৰকা অসমৰ হিমা দাসৰ কথাই উল্লেখ কৰিব পাৰি। ভাৰতৰ অন্য কিছুমান ঠাইত বৰ্তমান অৱস্থাতও নাৰীক শিক্ষাগ্ৰহণ কৰিবলৈ দিয়া দেখা নাযায়। তেওঁলোকক ঘৰুৱা কাম-বনতে সীমাবদ্ধ কৰি ৰাখে। কিন্তু অসমত বৰ্তমানে পুৰুষৰ সমানে সমানে নাৰীয়েও শিক্ষা গ্ৰহণৰ সুযোগ পাইছে। অথচ, বৰ্তমানে পুৰুষৰ তুলনাত নাৰীৰ শিক্ষাৰ হাৰহে লাহে লাহে বৃদ্ধি পোৱা দেখা গৈছে। ছোৱালীৰ বিয়াৰ ক্ষেত্ৰত ভাৰতৰ অইন ৰাজ্যত প্ৰায়ে যৌতুক প্ৰথাই বিৰাজ কৰা দেখা যায়। কিন্তু আমাৰ অসমীয়া সমাজত ইয়াত প্ৰভাৱ খুব কমেই। অৱশ্যে মাজে মাজে ক'ৰবাত এটা দুটা যৌতুকৰ দাবী ওলোৱা দেখা যায়। আগতে ছোৱালী বিয়াৰ পিছত ঘৰৰ কাম-কাজতে লাগি আছিল, কেৱল পুৰুষজনেহে টকা উপাৰ্জন কৰি ঘৰ চলাইছিল, কিন্তু বৰ্তমানে পুৰুষৰ সমানে সমানে নাৰীয়েও কম বেছি পৰিমাণে উপাৰ্জন কৰিবলৈ ঘৰৰ পৰা ওলাই যোৱা দেখা যায়। পূৰ্বতে ছোৱালী সন্তান উপজিলে সমাজে নিম্ন দৃষ্টিৰে চাইছিল কিন্তু বৰ্তমানে ভাৰত চৰকাৰৰ লগতে অসম চৰকাৰেও ছোৱালী সন্তান উপজিলে বিভিন্ন ধৰণৰ সুবিধা প্ৰদান কৰাৰ বাবে ল'ৰাৰ লগতে ছোৱালীকো সমানে সমানে গুৰুত্ব দিয়া হয়।

সামৰণি ঃ পুৰুষ আৰু নাৰী উভয়ে সমাজৰ অপৰিহাৰ্য্য অংগ। সমাজৰ কল্যাণত উভয়ৰে সমানেই ভূমিকা আছে। শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ এজন পুৰুষতকৈ এগৰাকী নাৰীহে শিক্ষিত হোৱা বেছি দৰকাৰ। কিয়নো এগৰাকী নাৰী শিক্ষিত হ'লেহে গোটেই ঘৰখন শিক্ষিত হ'ব আৰু গোটেই ঘৰখন শিক্ষিত হ'লে তাৰ ওচৰ-চুবুৰীয়াৰ ওপৰতো প্ৰভাৱ পৰিব আৰু এইদৰে গোটেই দেশখনৰ উন্নতিত সহায়ক হ'ব। সেয়েহে পুৰুষৰ সমানে সমানে নাৰীকো প্ৰাধান্য দিয়া উচিত।

মন্তব্য ঃ মই মন্তব্য হিচাপে ইয়াকে ক'ব খোজো যে আমি খুব সৌভাগ্যশালী যে আমি অসম ৰাজ্যত উপজিছো।

**পূৰবী বৰা**
*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

## দ্বিতীয় স্থান

## বিষয় ঃ অসমীয়া সমাজত নাৰীৰ স্থান

অসমীয়া সমাজত নাৰীৰ স্থান এক উচ্চ স্থান আছে। নাৰী অবিহনে কেতিয়াও এখন সমাজ সম্ভৱপৰ হৈ নুঠে। সমাজ এখন বিকাশ হ'বলৈ হ'লে নাৰীৰ ভূমিকা গুৰুত্বপূৰ্ণ। তেনেদৰে অসমীয়া সমাজখনত নাৰীৰ এক স্বকীয় ৰূপ আছে।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল— "অসমীয়া শিপিনীয়ে তাঁতশালত সপোন ৰচিব পাৰে।" নাৰী বা মহিলাসকলে নিজৰ তাঁতশাল প্ৰস্তুত কৰি নিজৰ লাগতিয়াল সাজ-পাৰ লগতে অসমীয়া সংস্কৃতিৰ ধাৰা ৰাক্ষি ৰাখিছে। তাঁতশালত প্ৰস্তুত কৰা গামোচা অসমৰ অন্যতম প্ৰতীক। ন ন আকাৰে বুটা বাচি উলিয়াই প্ৰস্তুত কৰা গামোচাসমূহ পৃথিৱীৰ বিভিন্ন ঠাইলৈ গৈছে। ব্যৱসায়িক দিশতো অধিক লাভ অৰ্জন কৰাৰ লগতে মহিলাসকল আত্মনিৰ্ভৰশীল হৈ উঠিছে। তাৰোপৰি তাঁতশালত প্ৰস্তুত কৰা মেখেলা-চাদৰসমূহ অসমীয়া মহিলাৰ প্ৰধান সাজ-পাৰ। ব্যৱসায়িক দিশৰ উপৰিও অসমীয়া মহিলাসকলে নিজ সংস্কৃতিক আগুৱাই লৈ গৈ আছে। অসমীয়া সংস্কৃতি বিশ্বৰ দৰবাৰলৈ আগবঢ়াই দিয়াত অসমীয়া নাৰীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।





অতীজৰে পৰা অসমীয়া সমাজত মহিলাৰ স্থান সুকীয়া। পুৰণি কালৰে পৰা চলি অহা বিয়ানাম, বিয়ানাম, আইনাম, ধাইনাম আদি মহিলাসকলৰ মাজত চলি আহি আছে। বৰ্তমান সময়তো এইসমূহ গীতৰ প্ৰচলন হয়। লগতে এইসমূহ গীত অসমীয়া সমাজৰ এক অন্যতম নিদৰ্শন। যাৰ বাবে অসমীয়া সংস্কৃতি চহকী বুলি কোৱা হয়।

অসমীয়া সমাজৰ প্ৰধান উৎসৱ হৈছে বিহু। তিনি প্ৰকাৰৰ বিহুত অসমীয়া নাৰীৰ কথা জড়িত হৈ আছে। অতীতৰ পৰা চলি অহা বিহুনামসমূহ নাৰীক প্ৰধানকৈ উদ্দেশ্যি গোৱা হৈছিল। গীতবোৰৰ ভাৱ অনুভূতিসমূহ নাৰীৰ জীৱনৰ কথা, সুখ-দুখ আদিৰ প্ৰকাশ পাই। তাৰোপৰি মাঘৰ বিহুৰ আগমন হোৱাৰ লগে লগে মহিলাসকলে পথাৰৰ ধান কটা আদি কামত ব্যস্ত হৈ পৰে। অসম এখন কৃষি প্ৰধান দেশ। কৃষকসকলে চপাই অনা ধানৰ পৰা বিভিন্ন খাদ্য-বস্তু প্ৰস্তুত কৰি উলিয়াই। লাডু, পিঠা আদিকে ধৰি চিৰা, সান্দহ আদি বিহুৰ বাবে প্ৰস্তুত কৰি উলিয়াই। ইয়াৰ জৰিয়তে অসমীয়া সংস্কৃতিত এক উচ্চ মাত্ৰা প্ৰদান কৰি আহিছে।

তাৰোপৰি কঙালী বিহুৰ সময়ত ধান খেতিৰ শস্য সমূহত পোক নধৰিবলৈ পথাৰত আকাশ বন্তি জ্বলাই। তুলসীৰ তলত চাকি-বন্তি জ্বলাই অপায়-অমংগল নাশ হ'বৰ বাবে। গতিকে তিনিওটি বিহুতে নাৰীৰ এক অন্যতম ভূমিকা আছে।

ধৰ্মৰ ক্ষেত্ৰতো নাৰী ব্যতিক্ৰম নহয়। অসমীয়া সমাজক আজিৰ ৰূপ দিয়াত মহিলা সকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। গতিকে অসমীয়া সমাজ নাৰী অবিহনে কেতিয়াও বিকাশ সম্ভৱ নহয়। গতিকে অসমীয়া সমাজত নাৰীৰ স্থান এক সুকীয়া।

**বনশ্ৰী মহন্ত**
*স্নাতক, ২য় ষাণ্মাষিক*

## তৃতীয় স্থান

## বিষয় ঃ অসমীয়া সমাজত নাৰীৰ স্থান

আৰম্ভণি ঃ ঐতিহাসিক যুগৰে পৰা যুগ যুগান্তৰ ধৰি চলি অহা অসমীয়া সমাজৰ এটি পৰম্পৰাগত বান্ধোন হৈছে বিবাহ। যাৰ দ্বাৰা এগৰাকী ছোৱালী বা মহিলাই কাৰোবাৰ পত্নী আৰু কাৰোবাৰ মাতৃ হিচাপে নিজকে সামৰ্থ্যৱান কৰি তুলিবলৈ সক্ষম হয়। অতি পূৰ্বৰে পৰা ঋষি-মুনিকে ধৰি বেদ-উপনিষদতো এইটোৱে স্বীকাৰ কৰিব খোজে যে বিবাহ হৈছে ছোৱালী এগৰাকীৰ মূল উৎস।

নাৰীয়ে হৈছে সৃষ্টি কৰ্তা আৰু নাৰীয়ে হৈছে ধ্বংসৰ কাৰক। কিয়নো যিটো দিনত দেৱ-দেৱীৰ পূজা উপসনাৰে দেৱী মাক শান্ত কৰিবলৈ পূজা অৰ্চনা কৰা হয়, সেই বৰ্তমানৰ পৰিস্থিতিতে আকৌ নাৰীৰ ওপৰতে বৰ্বৰতা, অত্যাচাৰ, ভেদা-ভেদ, হিংসা, ধৰ্ষণ আদিৰ দৰে অপৰাধমূলক কাৰ্যসমূহ সংঘটিত হয়। সমাজত নাৰীৰ এক সুকীয়া স্থান আছে কিন্তু এক প্ৰকাৰৰ মানুহৰ বাবে নাৰীৰ মৰ্যাদা, ইচ্ছা শক্তি শোষণ কৰিব খোজাৰ ফলত নাৰীসকল শোষিত হৈ ৰ'ব লগা হৈছে। তেওঁলোকৰ ওপৰত কৰা শোষণমূলক কাৰ্যই তেওঁলোকৰ জীৱনত ব্যাঘাত জন্মায়। নাৰীৰ স্বাধীনতাই হৈছে তেওঁলোকৰ জীৱনৰ মূল উৎস। কিন্তু বৰ্তমান যুগত নাৰীৰ স্থানহে নোহোৱা কৰিব খুজিছে অপ্ৰীতিমূলক অভিভাৱকসকলে কিয়নো যদিহে এটি শিশু জন্মতে ছোৱালী হৈ জন্ম গ্ৰহণ কৰে তেতিয়া বেছি আনন্দ ফূৰ্তি কৰা দেখা নাযায়। যদিহে এটি ল'ৰা সন্তান জন্ম পায় তাক বহুত আদৰ সাদৰ কৰা হয়। এয়াই হৈছে এক শ্ৰেণীৰ মানুহ যিয়ে নাৰীক সমাজত স্থান দিব নোখোজে।

আনফালে এগৰাকী নাৰীক কিদৰে সন্মান কৰিব লাগে এক শ্ৰেণীৰ মানুহে নাজানে মাত্ৰ আৱৰ্জনাবোৰৰ দৰে দলিয়াই পেলাব খোজে। এই স্বাধীন দেশতো আমাৰ সমাজৰ নাৰী মুক্ত নহয়, স্বাধীন নহয়, ৰাতি ওলাব নোৱাৰে এইবোৰ এই কাৰণে বোধকৰো হয় কিয়নো পুৰুষসকলে নিজকে ক্ষমতাশালী বুলি ভাবে। সেইবাবে নৰপিশাচবোৰক এক স্থান দিয়া হৈছে অত্যাচাৰ কৰিবলৈ। যদিহে নাৰীসকল জাগ্ৰত হৈ উঠে তেওঁলোকৰ এই নোহোৱা কৰিবলৈ সক্ষম হ'ব পাৰিব। সেয়েহে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে "বেটী বছাও বেটী পঢ়াও" যোজনা হাতত লৈছে যাতে কোনো অভিভাৱকে ছোৱালীক অপদাৰ্থ বুলি ভাবিব নোৱাৰে।

সমাপ্ত ঃ সেয়েহে ক'ব খোজো যে নাৰীক সমান অধিকাৰ দিয়ক, সমান মৰ্যাদা দিয়ক। নাৰীৰ সবলীকৰণ হোৱা হেতুকেও আমাৰ সমাজত নাৰী সুৰক্ষিত নহয়। নাৰীক সুৰক্ষা প্ৰদান কৰক। নাৰীৰ ওপৰত হোৱা বৰ্বৰতাৰ পৰা মুক্ত কৰক।

**ৰীতা দাস**
*স্নাতক, ২য় ষাণ্মাষিক*

## তৃতীয় স্থান

### বিষয় ঃ অসমীয়া সমাজত নাৰীৰ স্থান

আৰম্ভণি ঃ নাৰী দুটা শব্দ লগলাগি গঠিত। কিন্তু এই শব্দ দুটাৰ গভীৰ অৰ্থ আছে। নাৰীয়ে নোৱাৰা কাম একো নাই। এগৰাকী নাৰীয়ে কাৰোবাৰ জীয়ৰী, কাৰোবাৰ পত্নী, কাৰোবাৰ বোৱাৰী হৈ পৰে। এগৰাকী নাৰীয়ে মা, পেহী, খুৰী, মামী, আইতা এইবোৰ সম্বন্ধৰে সম্বোধিত হয়।

প্ৰাচীন সমাজত নাৰীৰ স্থান ঃ আমি যদি প্ৰাচীন কাললৈ চাওঁ তেতিয়া দেখিবলৈ পাওঁ যে, নাৰীৰ স্থান অতি নিম্ন আছিল। মিছনেৰীসকল যেতিয়ালৈকে অসমলৈ অহা নাছিল তেতিয়ালৈকে নাৰীসকলে অৰ্থাৎ ছোৱালীবোৰে স্কুল-কলেজলৈ যোৱা বন্ধ। কেৱল ঘৰুৱা কাম-কাজ কৰিয়ে সময়বোৰ কটাব লাগে আৰু কম বয়সতে বিয়া দিয়া প্ৰথা ইত্যাদি। আগৰ কালৰ মানুহে ছোৱালী জন্ম হ'লে সিমান ভাল নাপাইছিল। কাৰণ ছোৱালীজনী ৯-১০ বছৰ মান বয়স হ'লেই বিয়া দিব লাগে লগতে যৌতুকও দিব লাগে। গতিকে ইয়াৰ পৰা দেখা যায় যে প্ৰাচীন অসমীয়া সমাজত নাৰীৰ স্থান অতি নিম্ন খাপৰ আছিল।

আধুনিক সমাজত নাৰীৰ স্থান ঃ একেষাৰতে ক'ব পাৰি যে আধুনিক সমাজত নাৰীৰ স্থান অতি উচ্চ। আজি আধুনিক যুগত নাৰীয়ে কি নোৱাৰে, সকলো দিশতেই আগবঢ়া। শিক্ষাৰ ক্ষেত্ৰত, ঘৰ চম্ভলাৰ ক্ষেত্ৰত, সন্তানক ডাঙৰ দীঘল কৰাৰ ক্ষেত্ৰত সকলো দিশতেই আগবঢ়া। এগৰাকী নাৰী হৈও উৰাজাহাজ চলোৱাৰ উপৰি তেওঁ নিজৰ ঘৰ চম্ভালা দায়িত্ব, স্বামীৰ প্ৰতি দায়িত্ব, সন্তানৰ প্ৰতি দায়িত্ব, সকলোবোৰ নাৰীগৰাকীয়ে মূৰ পাতি লয়। বৰ্তমান বা আধুনিক যুগৰ নাৰীয়ে সাগৰ-মহাসাগৰত জাহাজ চলোৱা, আকাশত উৰাজাহাজ চলোৱাৰ দৰে পেচাবোৰকো বাচি লৈছে। বৰ্তমান যুগৰ সকলোবোৰ নাৰীয়ে বহুত শিক্ষিত হৈ উঠিছে। গতিকে ইয়াৰ পৰা ক'ব পাৰি যে বৰ্তমান সময়ত নাৰীৰ স্থান অতি উচ্চ খাপৰ। কিন্তু পুৰুষেই হওঁক বা নাৰীয়েই হওঁক তেওঁলোকৰ স্থান যদিও উচ্চ খাপৰ হয় কিছুমান ক্ষেত্ৰত দেখা যায় যে ক'ৰবাত যেন কিছু ত্ৰুটি আছে। বৰ্তমান সময়ত কিছুমান নাৰী যিমানেই উচ্চ শিক্ষিত বা চাকৰিয়াল নহওঁক কিয়নো তেওঁ মূল্যবোধ বা নৈতিকতাৰ বিষয়ে জানিও পালন নকৰে। যদি মূল্যবোধ বা নৈতিকতাই নামানে তেন্তে উচ্চ শিক্ষাৰ কি প্ৰয়োজন। সৰুতেই তেওঁৰেই পঢ়িছিল যে-

"কুকুৰ শৃগাল গদৰ্ভকো আত্মাৰাম।
সবাকো জানি পৰি কৰিবা প্ৰণাম।।"

কিন্তু ডাঙৰ হৈ উচ্চ শিক্ষা লৈ যদিহে বৰ্তমান যুগত ভোকাতুৰ কুকুৰ এটাক ভাত দুটামানও নিদিয়ে তাৰ ভোক নিবাৰণ নকৰে তেন্তে উচ্চ শিক্ষাৰ কি প্ৰয়োজন। গতিকে বৰ্তমান যুগৰ লগত খাপ খোৱাৰ লগে লগে নাৰীগৰাকীয়ে মূল্যবোধ আৰু নৈতিকতা পাহৰি যাব নালাগে। মূল্যবোধ আৰু নৈতিকতা মানুহৰ জীৱনৰ মাপকাঠী।

সামৰণি ঃ নাৰী শব্দটো দেখাত যিমান সহজ কিন্তু তাৰ অৰ্থ বহুত গভীৰ। নাৰী অবিহনে কোনো কাৰ্য সম্ভৱপৰ নহয়। নাৰীয়েই হৈছে আৰম্ভণি আৰু শেষ। নাৰী অবিহনে জগতত একো আশা কৰিব নোৱাৰি।

গতিকে নাৰীক সকলোৱে সেৱা, শ্ৰদ্ধা, সন্মান কৰিব লাগে। এগৰাকী নাৰীয়ে বহুতবোৰ কাম কৰিব পাৰে যিবোৰ পুৰুষেই নোৱাৰে। সেয়েহে শেষত ক'ব পাৰি যে-

"হে নাৰী ধন্য তোমাৰ জীৱন।"

নমিতা ঠাকুৰীয়া
*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*





# ৰস ৰচনা প্ৰতিযোগিতা

## প্ৰথম স্থান

### বিষয় ঃ বৰ্তমান সময়ৰ সাজ-পাৰ

নমস্কাৰ, মোৰ নাম বৰ্তমান সময়ৰ সাজ-পাৰ। বাঃ বাঃ মই সাজ-পাৰে কিমান কষ্টৰ মাজেৰে বৰ্তমান সময় পালো যে নহয়, ভাবিলে ভালেই লাগে মোৰ আৰু মোৰ অলপ বেঁকাকৈ হাঁহিও উঠে। জোৰকৈ হাঁহিব নোৱাৰি দে মানুহে শুনিলে কি ক'ব বাৰু। মই সদায় মানুহৰ গাত বাস কৰো। মোক সূতাৰে তৈয়াৰ কৰা হয়। প্ৰাচীন কালৰ মহিলা সকলে কেৱল মেখেলা চাদৰ হে পৰিধান কৰিছিল। অ' আৰু এটা কথা মোৰ এটা ভাগ হৈছে মেখেলা চাদৰ, শাৰী। কিন্তু বৰ্তমান মহিলাই ভেলাঘৰ সদৃশ মেক্সি, পেন্ট-চাৰ্ট, স্কাৰ্ট-টপ, হাত দুখন কাটি থোৱা ফ্ৰক, চুটি ফ্ৰক, লং ফ্ৰক ইত্যাদি ইত্যাদি কৈ থাকিলে মই চিৰি-ফুটিয়ে যাম। মই যদিও সাজ-পোছাক কিন্তু এটা কথা দে কাকো নকব, মোক সদায় তৈয়াৰ কৰোঁতা সকলে চৰ্ট ফ্ৰক, স্কাৰ্ট-টপ, হাত দুখন কাটি থোৱা ফ্ৰক সেই হিচাপত বনাব লাগে কাৰণ তেতিয়া মই ধুনীয়া ধুনীয়া ছোৱালীবোৰৰ গাত ওলমিব পাৰো। ছোৱালীবোৰে কিমান দামী ক্ৰীম, পাউদাৰ, পাৰফিউম গাত লগায় সেইবোৰৰ গোন্ধ মইও লৈ থাকিব পাৰো। তেতিয়া মোৰ গা-মন ৰিমঝিম ৰিমঝিম কৰে। কিন্তু পুৰুষ সকলৰ বাবে মোৰ একেবাৰে সিহঁতৰ পোছাক হ'বৰ মন নাযায়। কাৰণ ল'ৰাবোৰে অৰ্থাৎ পুৰুষবোৰে পোছাক এযোৰ মানে মোক পিন্ধি আহি য'তে ত'তে দলিয়াই থৈ দিয়ে তেতিয়া মোৰ মৰি যোৱা যেন লাগে। কিন্তু ছোৱালী বা মহিলা সকলে যিবোৰ পোছাক অৰ্থাৎ মোক পৰিধান কৰিলেও সিহঁতে মোক মৰমেৰে গাৰ পৰা লাহে লাহে মোকোলাই জাপি জুপি থৈ দিয়ে। মোৰ বেছি ছোৱালীবোৰৰ গাত থাকি ভাল লাগে। যিয়েই নহওঁক মই প্ৰাচীন অৱস্থা এটাৰ পৰা যে বৰ্তমান অৱস্থা এটা পাইছো সেইটোৱে মোৰ বাবে বহুত ভাগ্যৰ কথা। প্ৰাচীন কালৰ মহিলা সকলে কেৱল মেখেলা-চাদৰ, শাৰী পৰিধান কৰিছিল। ছোৱালীবোৰে দীঘলীয়া ফ্ৰক, চুৰিদাৰ, জামা-চোলা পৰিধান কৰিছিল। কিন্তু আধুনিক যুগত মহিলাসকলে জিনছৰ লংপেণ্ট, চাৰ্ট, চুটি ফ্ৰক ইত্যাদি পৰিধান কৰে। ছোৱালীবোৰেও একে সিহঁতেও এইবোৰেই পৰিধান কৰে। ৰাইজসকল এইখিনি কোৱাৰ বাবে বেয়া নাপাব দে। দোষ হ'লে মৰিবণ কৰিব।

শেষত এটা কথাই কওঁ যে সাজ-পোছাক অৰ্থাৎ মই আশাকৰোঁ যে আৰু যেন মোৰ উন্নতি হয়।

নমিতা ঠাকুৰীয়া
*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

## দ্বিতীয় স্থান

### বিষয় ঃ বৰ্তমান সময়ৰ সাজ-পাৰ

হেল্লো, মোক সকলোৱে চিনি পাইনে? বৰ্তমান মই বৰ জনপ্ৰিয় হৈ উঠিছো। য়োকনো কেলেই চিনি নাপাব। মোৰ খবৰ ভালেই আপোনালোকৰ খবৰ কেনেকুৱা। এইবাৰ নতুন বছৰত নতুন ডিজাইনৰ কিবা-কিবি ওলাইছে। আপোনালোকে দেখিব ল'ৰাবোৰে সৰস্বতী পূজাত পিন্ধিবই চাগে। আগৰ দিনৰ দৰে চুৰিদাৰ, মেখেলা-চাদৰ আজিতো নাই। বেছিভাগ ফেছন ডিজাইনাৰে পুৰণিক নতুন কৰি ফিউছন কৰি উলিয়াইছে। ডিজাইনাৰ বিলাকেও বহুত টকা ঘটিবলৈ পাইছে। ল'ৰা-ছোৱালীবোৰে টি.ভি.ত দেখা মডেলিং বিলাকৰ সাজ-পাৰ অলিয়ে-গলিয়ে ঘূৰি ফুৰে। নুফুৰিবনো কিয় বৰ্তমানৰ সাজ-পাৰবোৰ ইমান ধুনীয়া আনকি বৰ্তমান তিৰোতাসকলেও মেখেলা-চাদৰ এৰি কুৰ্তা বিচাৰি ফুৰে দোকানত। কোনে কিমান অৰ্ডাৰ কৰে online কৰিয়ে হওঁক বা আনৰ পৰা খুজি আনিয়ে হওঁক ধুনীয়া সাজ-পাৰ এযোৰেৰে এখন ফটো উঠিব পাৰিলেই হ'ল। বৰ্তমান কুৰ্ত্তবোৰক তিৰোতাসকলে বৰ আদৰ-সাদৰ কৰে। ছোৱালীবোৰ জিনছ্-টপ, ফটা-ফটি জিনছ্ লাগিবই আৰু টপকেইটাৰ এখন হাত থকা আৰু আনখন হাত নথকা কাপোৰ লাগিব। এনেকুৱা সাজ-পাৰ নাপালে কিমানজনী ছোৱালীয়ে মাক-দেউতাকৰ লগত কাজিয়া কৰে। ল'ৰাবিলাকৰ কথা ক'বই নালাগে সিহঁতৰ কি জোতা, সাজ-পাৰ চাব;, চুলিৰ কালাৰ কি

চাব। ক'বলৈ লাজে লাগে। চুলিৰ কালাবো তামুলৰ পিক্‌ৰ নিচিনা, মূৰটোৰ চুলি আধা দীঘল আধা চুটি। পিন্ধা জিনছ্‌বোৰ ফটা-ফটি আৰু কোনোবাটো চিপা মাৰি ধৰা, কোনোবাটো কঁকাল এৰি যোৱা পেন্ট পিন্ধে। দেখিবলৈ বেয়া নালাগে। পিন্ধা টি-চাৰ্টবোৰতো ভালপোৱা মানুহৰ ছবি লাগিবই। কিমান ক'ব সাজ-পাৰৰ কথা ক'লেই শেষ নহ'ব। তিৰোতাসকলেও পিছে টি.ভি.ত চায় সাজ-পাৰ, মেকআপ কৰি ধুনীয়া হ'বলৈ চায়। ছোৱালীবোৰে মিনি মিনি স্কাৰ্ট, লেহেংগা বৰ্তমান সময়ত বৰ জনপ্ৰিয় হৈছে। ছোৱালীবোৰেও পিন্ধিবই কাৰণ দেখিবলৈ ধুনীয়া হয়তো। কিন্তু বুঢ়া-বুঢ়ীসকলে কিন্তু বেয়াকৈ কথাবোৰ কয়। বৰ্তমান সময়ত বেলেগ বুলি ল'ৰা-ছোৱালীবোৰে কয়। সাজ-পাৰক লৈয়ে কিমান মিডিয়াইও আলোচনা-বিলোচনা কৰে। তথাপিও জানো ইয়াৰ প্ৰাধান্য কমিছে। কোনবোৰ সাজ-পাৰৰ লগত কেনেকুৱা ঠাইলৈ কৰিলে ভাল লাগিব সেইবাবো বিউটিছিয়ানৰ পৰা টিপচ্ লয়। কি যে আমোদজনক কথা আনে যি কি নকওঁক কিয় ডিজাইনাৰবিলাকে নতুন ডিজাইনৰ সাজ-পাৰ উলিয়াই হ'ল। বৰ্তমান ল'ৰা-ছোৱালীবোৰে বহুত ভাল পায়। বিভিন্ন ৰং-বিৰঙৰ নতুন নতুন ওলাবই নতুন নতুন ৰেগুৰ কাপোৰ সৰস্বতী পূজাত। ছোৱালীবোৰেও ব্লাউজ পিন্ধি এডাল ফিটা থকা বিশেষকৈ সৰস্বতী পূজাত। বজাৰত উলিয়াইছে কাৰণে পিন্ধিছে। মিছাতে ল'ৰা-ছোৱালীবোৰক দোষ দিলেই নহ'ব। হ'ব দিয়ক কিমাননো কম। আজিলৈ বিদায়।

ধন্যবাদ—

**টুটুমণি দাস**

*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

---

**তৃতীয় স্থান**

## বিষয় ঃ বৰ্তমান সময়ৰ সাজ-পাৰ

হাই! মই বৰ্তমান সময়ৰ সাজ-পাৰ সকলোৱেতো মোক লৈয়ে ব্যস্ত। ক'ত গ'লে কি পিন্ধিম, কেনেকৈ সাজি-কাচি ওলাম। সেইবোৰ চিন্তাতে মগ্ন। বিয়াত গ'লে কেনেধৰণৰ পিন্ধিম, সভা-সমিতিত কেনে পিন্ধিম সকলো বেলেগ বেলেগ। পৰিৱেশৰ লগত মিলাকৈ পৰিধান কৰে সকলোৱে। মোৰ ছোৱালী, বোৱাৰীবোৰলৈ বৰ মৰম সিহঁতে যে মোক ইমান আলফুলকৈ পিন্ধে গাত ধূলি লাগিবই নিদিয়ে। মোৰ বস্তৰ লগত আকৌ ভণ্টিহঁতে চেন্দেল, কাণফুলিও মিলাই মিলাই পিন্ধে। কিছুমান মানুহলৈ অৱশ্যে মোৰ বৰ খং উঠে ইমান লেতেৰা কৰি পেলাই ধুৰই নিবিচাৰে তাতে আকৌ যেতিয়া মানুহে মোক লেতেৰা অৱস্থাত দেখে লাজতে মৰি যাওঁ মৰি যাওঁ লাগে।

বৰ্তমান সমাজত জিনচ্-পেন্ট ৰূপত মোক ছোৱালীবোৰেও বৰ ভাল পায়। ল'ৰাবোৰৰ বাবে দাম বঢ়াইছে কাপোৰৰ সিহঁতে পেন্ট-চাৰ্ট পিন্ধি। অলপ দুষ্ট ছোৱালীবোৰে পেন্ট-টপ, মেখেলা-চাদৰ, চুৰিদাৰ সকলো পিন্ধিব পাৰে সেইবাবে মোৰ ল'ৰাবোৰলৈ মাজে মাজে বেয়াই লাগে বেচেৰাহঁতে যে মোক মেখেলা-চাদৰৰ ৰূপত পিন্ধিব নোৱাৰে।

কলেজত সৰস্বতী পূজা, মহাবিদ্যালয় সপ্তাহ, ফেচাৰ্ট আদি অনুষ্ঠানত ছোৱালীবোৰে মোক ইমান মৰম কৰি পিন্ধে মইও সিহঁতৰ মৰমত উবলি যাওঁ।

আগৰ দিনত ছোৱালীবোৰে মেখেলা-চাদৰ ৰূপত মোক ভাল পাইছিল এতিয়া অৱশ্যে সময়ৰ লগত আপোনালোকো সলনি হ'ল।

ভণ্টিহঁতে আৰু মোক কেতিয়াবা খুব বেয়া পায় যেতিয়া ধুওতে মোৰ ৰং গুচি যায় কিন্তু মোৰ নো কি দোষ কোম্পানীয়েহে তেনেকে বনায়। বাৰু যিয়েই নহওঁক সকলোৰে মৰমত মই কৃতজ্ঞ। নৱজাত শিশুৰ পৰা তিনিকুৰিয়া ককাইও মোক পৰিধান কৰে মৰম কৰে আপোনালোকৰ ওচৰত ঋণী। অৱশ্যে ভণ্টিহঁতক অলপ বেয়া পাইছো বোৱা-কটা কাপোৰ বেছি ব্যৱহাৰ নকৰে বাবে। আগলৈ ৰবলৈ শিকিবা বুলি আশা কৰিলোঁ। বাৰু এনেদৰে সকলোৱে মোক মৰম কৰি থাকিবা take care আজিলৈ আহো। Bye bye

**ৰশ্মিউল চুলতানা**

*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*





# কবিতা লিখা প্ৰতিযোগিতা

**প্ৰথম স্থান**

## বিষয় ঃ প্ৰাকৃতিক সৌন্দৰ্য্য

### প্ৰকৃতিৰ ৰূপ

এয়া শীত....
শীতৰ নিৰতাক আঁকোৱালি
নামি আহিছে জুবিটি
হিমশীতল শিলবোৰৰ বুকুৰে বাগৰি
চেনেহেৰে বাঁচিছে এটি এটি চুমা,
কুঁৱলীৰ ডাঠ আবৰণ ফালি
নিয়ৰে ধৰালৈ নামিছে
আহঃ কি যে চেঁচা শিহৰণ
বনৰীয়া ফুলবোৰে সিঁচি দিছে
হাবিৰ বুকুত সৌৰভৰ দলিচা
সেই সৌৰভ বিচাৰি আজি
আত্মবিভোৰ মোৰ মন
প্ৰকৃতিৰ ৰূপত মই চঞ্চলা।

**চন্দ্ৰানী কলিতা**

*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

**দ্বিতীয় স্থান**

## বিষয় ঃ প্ৰাকৃতিক সৌন্দৰ্য্য

গছে-পাতে গুৱনি
প্ৰকৃতিৰ এই ধৰণী
লুইতৰ হিয়া ভৰা
মধুৰ ধ্বনি।
অতি বিতোপণ এই
প্ৰকৃতি ৰাণী
প্ৰেম ভৰা হৃদয়তো
তোলে খলকনি।
সেউজীয়া সেউজীয়া
সেউজীয়া পথাৰখনি
শস্যৰে ভৰি পৰা
যেন সোণৰ খনি।
ধূলি ধূসৰিত এই
প্ৰেমাকুল ধৰণীক
ঝিমঝিম ৰবযুগে
কৰি তোলে কাল্পনিক।
চৰাই-চিৰিকটিৰ উন্মনা মাতে
হৃদয়ত কথা পাতে
বিৰহীণীৰ বিৰহত কঁপা দুওঁঠেও
প্ৰাকৃতিৰ সৌন্দৰ্যত বিৰিঙি উঠে।
প্ৰাকৃতিক সৌন্দৰ্যও
প্ৰেমৰ এটি গান
আলোকিত কৰে
হৰ্ষ-বিষাদ ভৰা প্ৰাণ।

**ৰশ্মিউল চুলতানা**

*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

**তৃতীয় স্থান**

## বিষয় ঃ প্ৰাকৃতিক সৌন্দৰ্য্য

### উন্মনা বতাহজাক

উন্মনা বতাহজাকে কঢ়িয়াই আনিছে
এক অচিনাকি অনুভূতি।
এই বতাহজাকৰ পৰশত যেন
প্ৰকৃতিয়ে প্ৰাণখুলি হাঁহিছে।
আৰু চৌদিশে বিয়পি পৰিছে
এক আমোলমোল অচিনাকি ফুলৰ সুগন্ধি
উন্মনা বতাহজাকে কঢ়িয়াই আনিছে
বৰষুণ পৰি জীপাল হোৱা ধুলি-বালি।
তাৰ তীব্ৰতাত নাচি উঠিছে আকাশ-পাতাল
কোলাহল কৰিছে এটা এটা ধ্বনিয়ে।
এই চঞ্চল বতাহজাকে প্ৰকৃতিক
মাতাল কৰি তুলিছে।
এই বতাহজাকে আহ্বান জনাইছে
তাৰ লগত মাতাল হ'ব।
আহ! কি বিচিত্ৰ অনুভূতি এয়া
এই বতাহজাকে যেন পৃথিবীৰ
সকলো সুখ-শান্তি কঢ়িয়াই আনিছে
পৃথিবীৰ জীৱকুললৈ।

**মণিষা শৰ্মা**
*স্নাতক, ২য় যাণ্মাষিক*

**তৃতীয় স্থান**

## বিষয় ঃ প্ৰাকৃতিক সৌন্দৰ্য্য

### পোহৰ

ৰাতিপুৱা শুই উঠিয়ে
লগ পাওঁ তোমাক
কাৰনো দান তুমি?
কোনেও নমতাকৈ ওলোৱাহি-
সূৰ্য্য তুমি মহান
নেদেখিলোহেঁতেন এই সৌন্দৰ্য্য
নেদেখিলোহেঁতেন এই মনোৰম দৃশ্য,
যদি তুমি নহ'লাহেঁতেন
প্ৰকৃতিৰ সকলো নদ-নদী, গছগছনি
তোমাৰ পোহৰতেই খেলি থাকে,
আমি শুই উঠি তোমাৰ চিটিকি
অহা ৰ'দত হাঁহি এটি মাৰো।
সূৰ্য্য তুমি প্ৰকৃতিৰ দান।
তোমাৰ বাবেই পৃথিবী অতি সৌন্দৰ্য্যময়।
তোমাৰ পোহৰ দেখিলেই
মনত জাগি উঠে উৎসাহ
দিনটোৰ বাবে কিবা কৰাৰ প্ৰেৰণা,
সূৰ্য্য তুমি কৰিবা সদায়
এই পোহৰ আমাৰ মাজত বিৰাজমান।

**চাৰ্জিদা বেগম**
*স্নাতক, ২য় যাণ্মাষিক*





# পেৰডী কবিতা প্ৰতিযোগিতা

**নিচুকণি**

## বিষয় ঃ ৰঙালী বিহু

সুৰ ঃ ড° ভূপেন হাজৰিকাদেৱৰ
গীত ঃ গৌৰীপুৰীয়া গাভৰু দেখিলো

থৌগা থৌগা আপি দেখিলো
বিহু নাচিবলৈ গৈ,
বিহুও নাচিলো তাইকো জোকালো
বজায়ে পেঁপাটি ঐ।
মোৰে কাষতে ঢোলটি বজাওঁতে
আছিলি মোলৈ চাই বৈ,
কঁকাল ভাঙি ভাঙি বিহু নাচি নাচি
মোহিলি মোৰে মন ঐ।
ৰংপুৰৰ আপা মই থাকো বাঁহৰতলত
মোৰ লগত থাকে মোৰ মৰমৰে আই ঐ
তই আহিলি মোৰ লগত ৰং পাব আই ঐ
তোৰ বাবে চেনাইৰ বাবে
মৰিব পাৰো মই,
মৰোতেলো কিমান টাইম
লাগেনো ঐ চেনীমাই কৌ।
ঘাটিয়া আপিকো মানাবা পাৰো মই
তই নো মোৰ কিডাল টান
তইতো মোৰ জানেমন ঐ।

**চন্দ্ৰানী কলিতা**
*স্নাতক, ৬ষ্ঠ যাণ্মাষিক*

# মুকলি চিঠি প্ৰতিযোগিতা

**প্ৰথম স্থান**

প্ৰতি,
মাননীয় পলাশবাৰী সমষ্টিৰ বিধায়ক মহোদয়ৰ সমীপেষু।

বিষয় ঃ ৰামপুৰ অঞ্চলত হোৱা বানপানীৰ সমস্যা সমাধানৰ বাবে আবেদন।

তাৰিখ ঃ ২৩-০১-২০১৯ ইং

মহোদয়,

আপোনাক জনাওঁ যে পলাশবাৰী সমষ্টিৰ এখন গাঁও হৈছে পশ্চিম দিশে অৱস্থিত ৰামপুৰ গাঁওখন। গাঁওখনত বছৰ বছৰ জুৰি বাৰিষা কালত বানপানীৰ সৃষ্টি হয়। ফলত অঞ্চলবাসীৰ ভয়াবহ সংকট আৰু বহিৰাগত অঞ্চলৰ জনগণৰ মাজতো এক জলন্ত সমস্যাই দেখা দিয়ে।

বানপানীৰ ফলত অঞ্চলটোৰ শৈক্ষিক, আৰ্থিক, সামাজিক আদি দিশত অধিক সমস্যা আৰু সংকটে দেখা দিয়ে। সেয়েহে মহোদয়ক জনাওঁ যে মহোদয়ে চৰকাৰী সাহায্য পুঁজিৰ পৰা এটি ধনৰ মুঠি মোকোলাই দি অঞ্চলটোৰ ভয়াবহ সমস্যাটি সমাধান কৰি অঞ্চলবাসীক বিপদ সংকুল অৱস্থাৰ পৰা উদ্ধাৰ কৰে যেন।

এয়ে মহোদয়ক ওচৰত মোৰ কাতৰ গোহাৰি।

*আপোনাৰ বিশ্বাসী-*
সমূহ অঞ্চলবাসীৰ হৈ
**শ্ৰীচন্দ্ৰানী কলিতা**
*স্নাতক, ৬ষ্ঠ যাণ্মাষিক*

## দ্বিতীয় স্থান

প্ৰতি,

মাননীয় ৫০ নং পলাশবাৰী সমষ্টিৰ বিধায়ক মহোদয়।

বিষয় ঃ বানপানী সমস্যাৰ বাবে আবেদন — তাৰিখ ঃ ২৩-০১-২০১৯ ইং

মহোদয়,

পোন প্ৰথমে মোৰ কৰযোৰে কৰা শ্ৰদ্ধাৰ প্ৰণাম গ্ৰহণ কৰিব। মই নৱাগাঁও গাঁৱৰ ছোৱালী। মই এজনী সাধাৰণ ছোৱালী হৈও সচেতন ব্যক্তি ৰূপে ক'ব বিচাৰিছোঁ যে আমাৰ অঞ্চলত বানপানী সমস্যা দিনক দিনে বৃদ্ধি পাই আহিছে। আগতেও এই বিষয়ে মহোদয়ৰ ওচৰত অৱগত কৰা হৈছিল। কিন্তু কাৰ্যত ৰূপায়িত নহ'ল। বাৰিষা সময়ত অনুকূল ৰাস্তা-ঘাটে ছাত্ৰ-ছাত্ৰীসকল বহুতো সমস্যাৰ সন্মুখীন হৈ আহিছে। তাৰোপৰি জ্যেষ্ঠ ব্যক্তিসকলো বিভিন্ন দুৰ্ঘটনাৰ সন্মুখীন হৈ আহিছে। ৰাস্তাৰ কাষৰ নলা-নৰ্দমাবোৰ বন্ধ হৈ থকাৰ বাবেও বিভিন্ন সমস্যা হৈছে।

মহোদয়, সেয়েহে এই অঞ্চলৰ বানপানী সমস্যা ৰোধ কৰিবৰ বাবে অহৰহ চেষ্টা কৰে যেন। এয়ে মোৰ মহোদয়ৰ ওচৰত বিনম্ৰ অনুৰোধ। ইতি-

*আপোনাৰ বিশ্বাসী-*

**শ্ৰীৰীতা কলিতা**

*স্নাতক, ৪ৰ্থ যাণ্মাষিক*

## তৃতীয় স্থান

প্ৰতি,

মাননীয় পলাশবাৰী বিধান সভা সমষ্টিৰ বিধায়ক মহোদয়ৰ সমীপেষু।

বিষয় ঃ বানপানীৰ সমস্যা সমাধানৰ বাবে আবেদন। — দিনাংক ঃ ২৩-০১-২০১৯ ইং

মহাশয়,

সন্মানপূৰ্বক বিনীত নিবেদন। মহাশয় মই পলাশবাৰী অঞ্চলৰ এগৰাকী সদস্য হিচাপে জনাওঁ যে পলাশবাৰী অঞ্চলত বানপানী সমস্যাৰ বাবে অঞ্চলটোৰ প্ৰতিবছৰে বহু ক্ষতি হৈ আহিছে। প্ৰতি বছৰৰ বানপানী সমস্যাৰ বাবে কৃষকসকল বিশেষকৈ হতাশাত ভুগিছে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলেও শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বহুত বাধা পাইছে। বানপানীৰ সময়ত খাদ্য, বাসস্থান আদিৰ অভাৱ হৈছে। বানপানী হৈ যোৱাৰ পিছত অঞ্চলটোৰ লোকসকলে বিভিন্ন বেমাৰত আক্ৰান্ত হৈছে।

সেয়েহে মহোদয়ক মই অনুৰোধ জনাওঁ যে অঞ্চলটোৰ লোকসকলৰ দুৰৱস্থাৰ বিষয়ে অৱগত হৈ আপুনি যেন বানপানীৰ সমস্যাটো সমাধানৰ বাবে উচিত পদক্ষেপ গ্ৰহণ কৰে। এয়ে মহোদয়ৰ ওচৰত মোৰ সৰল মিনতি। ইতি-

*আপোনাৰ বিশ্বাসী-*

**মিছ চাৰ্জিদা বেগম**

*উঃ মাঃ, ১ম বৰ্ষ*





## তৃতীয় স্থান

প্ৰতি,

মাননীয় পলাশবাৰী সমষ্টিৰ বিধায়ক মহোদয় শ্ৰীযুত প্ৰণৱ কলিতা দেৱ।

বিষয় ঃ মিৰ্জাবাসী অঞ্চলৰ বানপানী সমস্যা সমাধানৰ উপায় বিচাৰি। — দিনাংক ঃ ২৩-০১-২০১৯ ইং

মহাশয়,

পোন প্ৰথমে আপোনাক মোৰ ফালৰপৰা নৱবৰ্ষৰ হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ। মহাশয় বিনীত নিবেদন এই যে প্ৰতিবছৰে বাৰিষাকালত আমাৰ মিৰ্জাবাসী অঞ্চলৰ যে বিভিন্ন কাৰণৰ বাবে বানপানীৰ সমস্যাত পৰিব লগা হয় তাৰ সেই সমস্যা সমাধানৰ উদ্দেশ্যে আপোনাৰ ওচৰত কিছু যাৱতীয় ব্যৱস্থাৰ সহায় বিচাৰিছো। ৰাস্তাৰ কাষৰ নলাবিলাক উপযুক্তভাৱে খান্দি পানী বৈ যোৱাৰ সঠিক ব্যৱস্থা, পৰিকল্পিত কৰাত আপুনি আৰ্থিক সাহায্য প্ৰদান কৰি ৰাইজৰ স্বাৰ্থৰ হকে সহায় আগবঢ়ায় যেন।

এয়ে বিধায়ক মহোদয়ৰ ওচৰত মোৰ সৰল গোহাৰি।

*আপোনাৰ বিশ্বাসী-*

মিৰ্জা অঞ্চলৰ সমূহ ৰাইজৰহৈ

**শ্ৰীপূৰবী বৰা**

*স্নাতক, ৬ষ্ঠ যাণ্মাষিক*

# আকস্মিক লিখিত প্ৰতিযোগিতা

## প্ৰথম স্থান

### বিষয় ঃ কলম

আজিৰ এই লিখিত প্ৰতিযোগিতাত মোৰ হাতত পৰিছে পৃথিৱীৰ আটাইতকৈ শক্তিশালী কলম। তৰোৱালতকৈ কলমৰ (শক্তি) ধাৰ বেছি বুলি আমি সকলোৱে জানো। কলম অবিহনে মইও মোৰ সপোন বাস্তৱ কৰিব নোৱাৰো। প্ৰত্যেক গৰাকী লিখকেই নিজৰ মনৰ ভাব, কল্পনা, আশা, অনুভূতিৰে সাহিত্যৰ সৃষ্টি কৰিবলৈ সক্ষম হয় কলমৰ জৰিয়তে। বৰ্তমান সমাজ ব্যৱস্থা কলমে নিয়ন্ত্ৰণ কৰে বুলি কোৱা হয়। কলমেৰে লিখা এবাৰি বাক্যই মানুহৰ জীৱন নিয়ন্ত্ৰণও কৰিব পাৰে আৰু মৃত্যুৰ মুখলৈ ঠেলিও দিব পাৰে। স্কুল, কলেজ, অফিচ, কাছাৰী সকলোতে কলমৰ ভূমিকা মন কৰিবলগীয়া। কলমৰ মানদণ্ড ইমানেই উচ্চ খাপৰ যে ই মানুহক মানুহ হিচাপে দাঙি ধৰিব পাৰে সমাজত। কলমেৰে লিখা এটা সুন্দৰ লিখনিয়ে আন এজন পাঠকৰ মন জয় কৰিব পাৰে, বিপুল আনন্দ প্ৰদান কৰিব পাৰে। জীয়াই থকাৰ সাহস দিব পাৰে। হিয়াত প্ৰেমৰ নিজৰা বোৱাব পাৰে। আনকি বাকৰুদ্ধ মানুহে কলমৰ জৰিয়তে নিজৰ মনৰ ভাব আনক লিখি বুজাবও পাৰে। কলম অবিহনে জীৱনৰ সাৰ্থকতা অসম্ভৱ। কলমেই দিব পাৰে মানুহক জীয়াই থকাৰ প্ৰেৰণা। সৃষ্টিশীল প্ৰতিভা। ভালপোৱাৰ অনুভৱ। নিজকে প্ৰতিষ্ঠা কৰাৰ সাহস।

আন বহুতৰ দৰে মোৰো কলমেই একমাত্ৰ অস্ত্ৰ। কলমেৰে মইয়ো উদঙাই দিওঁ মনৰ সমস্ত ক্ষোভ, দুখ-যন্ত্ৰণা, হেঁপাহ আৰু আশাবোৰ । শিক্ষা জীৱন সাৰ্থক কৰে কলমে।

মনৰ যন্ত্ৰণাবোৰে, স্মৃতিবোৰে যেতিয়া বৰকৈ আমনি কৰে এই কলমটোৱে সেই সময়ত মোক সাঁহাৰি দিয়ে, বুজনি দিয়ে, জীয়াই থকাৰ প্ৰেৰণা দিয়ে। প্ৰতিটো দিনেই ডায়েৰীৰ পাতত কলমৰ জৰিয়তেই লিপিবদ্ধ কৰিবলৈ সক্ষম হওঁ জীৱনৰ অমৃত পৃষ্ঠা। হেঁপাহবোৰে টঙালি বান্ধে কলমটোলৈ বৰকৈ মৰম লাগে।

মনৰ মাজত খু-দুৱাই থকা কথাবোৰে কেতিয়াবা কবিতা, কেতিয়াবা গল্প আৰু কেতিয়াবা উপন্যাসৰ ৰূপত লিখিবলৈ সক্ষম হওঁ মৰমৰ কলমটোৰ জৰিয়তে।

কলম অবিহনে মোৰ জীৱন নিৰৰ্থক গতিকে শেষত ক'বলৈ মন গৈছে— কলম জিন্দাবাদ।

**ৰশ্মিউল চুলতানা**

*স্নাতক, ৬ষ্ঠ যাণ্মাষিক*

**দ্বিতীয় স্থান**

## বিষয় ঃ কলগছ

আজিৰ আকস্মিক লিখিত প্ৰতিযোগিতাত মোৰ ভাগত বিষয়টো পৰিছে কলগছ।

অসমত কলগছৰ খেতি প্ৰচুৰ পৰিমাণে হয়। অসমৰ খেতিয়কসকলে কলগছৰ খেতি কৰি প্ৰচুৰ পৰিমাণে কল উৎপাদন কৰি বিভিন্ন ঠাইত কল ৰপ্তানি কৰে। কলগছৰ বাবে অসম বিখ্যাত। কলগছৰ খেতিৰ বাবে অসমৰ মাটি সাৰুৱা বাবে কলগছৰ খেতি ভাল হয়। হাতীৰ উৎকৃষ্ট খাদ্য হ'ল কলগছ।

অসমত প্ৰচলিত এক নিয়ম আমাৰ জনসমাজত কইনা-দৰাক কলগছৰ তলত গা ধুওৱা হয়। পুৰণি কালৰ পৰাই এই পৰম্পৰা আমাৰ সমাজত চলি আহিছে।

আনহাতে আমাৰ অসমত বিভিন্ন পূজা পাতাল, কাজ-কৰ্ম, বিবাহ আদি অনুষ্ঠানত কলগছৰ দোনা আৰু কলপাতত আহাৰ দিয়া হয়। কলগছৰ প্ৰয়োজনীয়তা অধিক বুলি ইয়াৰ দ্বাৰাই বুজিব পাৰি। বিভিন্ন পূজা পাতালত ভোগ দিয়াৰ বাবে কলগছৰ দোনা সৰু সৰুকৈ কাটি সেই দোনাবোৰত দিয়া হয়। কল এবিধ উৎকৃষ্ট ফল। আমাৰ লোকসমাজত পূজা পাতাল প্ৰসাদৰ লগতে ফল হিচাপে কল দিয়া হয়। কলগছ এক প্ৰয়োজনীয় গছ। বিভিন্ন কামত কলগছৰ প্ৰয়োজন থকাটো ইয়াৰ দ্বাৰাই গম পোৱা যায়।

সাগৰিকা পুষ্পানন্দ
*স্নাতক, ২য় ষাণ্মাষিক*

---

**দ্বিতীয় স্থান**

## বিষয় ঃ পুতলা নাচ

পুতলা নাচ হ'ল এক মনোৰঞ্জনৰ বাবে হাস্যৰসক অনুষ্ঠান। এই অনুষ্ঠান পূৰ্বতে প্ৰায় গাঁও অঞ্চলত পূজা, মেলা আদিত মতা হৈছিল। পিছে আজিকালি এই অনুষ্ঠান পতা দেখিবলৈ পোৱা নাযায়। পুতলা নাচ অনুষ্ঠানটি পতাৰ কিছুদিন আগতে কাঠেৰে পুতলা সাজি তৈয়াৰ কৰি লোৱা হয়। এই অনুষ্ঠানখন প্ৰদৰ্শন কৰিবলৈ এখন সৰু আঁৰ কাপোৰৰ মঞ্চ তৈয়াৰ কৰি তোলা হয় আৰু সেই মঞ্চখনৰ পিছফালে কেইজনমান মানুহ থাকে, যিয়ে সেই পুতলা কেইটাৰ দ্বাৰা নাট প্ৰদৰ্শন কৰে। এই অনুষ্ঠানখন প্ৰদৰ্শন কৰাৰ কৌশলটো হৈছে- পুতলা কেইটাৰ হাত, ভৰি, শৰীৰ আদি পেৰাচুত সূতাৰে মঞ্চখনৰ পিছফালে থকা মানুহ কেইটাৰ হাতৰ লগত সংযোগ কৰি পুতলাবোৰক নাটক বা নাচৰ মাধ্যমেৰে নিয়ন্ত্ৰণ কৰি ৰাখে। পুতলা কেইটিৰ দ্বাৰা নাটকখন বা নাচ আদি প্ৰদৰ্শন কৰি দৰ্শকৰ মাজত মনোৰঞ্জনৰ এক সুন্দৰ পৰিবেশ ফুটাই তোলে। পুতলা নাচ বেছিভাগ কণ কণ ল'ৰা-ছোৱালীয়ে এই অনুষ্ঠানটিৰ প্ৰিয় দৰ্শক হৈ পৰে। এই অনুষ্ঠান প্ৰদৰ্শনৰ সময়ত মঞ্চখনত কেৱল পুতলাৰ নাচ সমূহে দৰ্শকৰ মাজত প্ৰদৰ্শন কৰে। সেয়েহে অনুষ্ঠানটি মানুহৰ খুবেই প্ৰিয়। এই অনুষ্ঠানৰ জৰিয়তে মানুহৰ মাজত হাস্যৰসৰ সঞ্চাৰ লাভ কৰিব পাৰে লগতে এটি সুন্দৰ পৰিৱেশ ফুটি উঠে।

লক্ষ্মী দাস
*স্নাতক, ৪ৰ্থ ষাণ্মাষিক*

---

**তৃতীয় স্থান**

## বিষয় ঃ চাহ চেকনী

চাহ চেকনী হ'ল এবিধ আৱশ্যকীয় ঘৰুৱা সামগ্ৰী। এই সামগ্ৰীবিধ আমাৰ সকলোৰে প্ৰিয় পানীয় চাহৰ লগত জড়িত। যাৰ জৰিয়তে চাহৰ পৰা চাহপাত গুচাই পেলোৱা হয়। এই চাহ চেকনীৰ সহায়ত আমি চাহৰ জুতি লৈ আমাৰ মনৰ পৰা আমনি ভাৱ গুচাব পাৰো। এই সামগ্ৰীবিধ বিভিন্ন মূল্যৰে বজাৰ, দোকান আদিত পোৱা যায়। বৰ্তমান ইয়াক বিভিন্ন ডিজাইনেৰে প্লাষ্টিক, ষ্টীল আদিৰে তৈয়াৰ কৰি বজাৰত উৎপাদকসকলে বিক্ৰী কৰে।

চাহ চেকনীক কেন্দ্ৰ কৰিয়ে বৰ্তমান বহুতো ডাঙৰ ডাঙৰ উদ্যোগ গঢ়ি উঠিছে য'ত ইয়াক উৎপাদন কৰা হয়। এই উদ্যোগবোৰত বহুতো নিবনুৱা যুৱক-যুৱতী কাম কৰি স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। এই সামগ্ৰীবিধ দেখাত সৰু হ'লেও ইয়াৰ বিভিন্ন কাম আছে।

এই চাহ চেকনী হৈছে এটা প্ৰয়োজনীয় সামগ্ৰী।

চেমিম চুলতানা
*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*





**তৃতীয় স্থান**

## বিষয় ঃ ঢোল

ঢোল হ'ল এবিধ অসমীয়া সমাজত প্ৰচলিত অতি মূল্যবান বাদ্য। বিশেষকৈ অসমীয়াৰ আটাইতকৈ প্ৰিয় উৎসৱ বিহুত এই ঢোল বাদ্য বিধৰ অতি বেছি ব্যৱহাৰ হয়। ইয়াৰ উপৰিও ঢোল অসমীয়া সমাজৰ বিভিন্ন উৎসৱ-পাৰ্বণৰ লগত জড়িত। মঘাই ওজাক ঢোলৰ যাদুকৰ বুলি কোৱা হয়।

এই ঢোল বিধ তৈয়াৰ কৰা হয় চামৰা (জন্তুৰ ছাল), বেত আদিৰ দ্বাৰা। এই ঢোলৰ প্ৰচলন অসমীয়া সমাজৰ বিবাহ উৎসৱটো ব্যৱহাৰ কৰা দেখা যায়। বিহুৰ সময়ত বিভিন্ন বাদ্য যন্ত্ৰৰ লগতে ঢোলৰ মাতে চৌদিশে বিহুৰ জাননী দিয়ে। এই ঢোলৰ মাতত ঢুলীয়া, নাচনীসকলৰ গাত যেন এক বুজাব নোৱাৰা আনন্দ বিৰাজ কৰে। ঢোল বিভিন্ন প্ৰকাৰৰ থাকে। ঢোল হৈছে বিহু নৃত্যৰ সময়ত বজোৱা এবিধ অতি প্ৰয়োজনীয় বাদ্য।

চাৰ্জিদা বেগম
*উঃ মাঃ, ১ম বৰ্ষ*

---

# চুটি গল্প লিখা প্ৰতিযোগিতা

**প্ৰথম স্থান**

## বিষয় ঃ মাঘ বিহুৰ মেজি

অতীজৰে পৰা চলি অহা ভোগৰ ভোগালী তথা মাঘ বিহু ৰাজকৈয়ে অসমৰ ৰাইজৰ বাবে সুখৰ তথা আনন্দ আৰু ভোগৰ বিহু হিচাপে জনাজাত হৈ আহিছে।

নিপু আৰু দীপুৱেও সৌ সিদিনাৰ দৰে ৰাতিপুৱা গা-পা ধুই লৈ দেউতাকৰ লগত ৰাইজৰ মন্দিৰলৈ বুলি ৰাওনা হ'ল। তাত গৈ সিহঁতে দেখিব পালে যে বহুত মানুহ জুম বান্ধি মেজিৰ ওচৰত ৰৈ আছে। নিপু আৰু দীপুয়ে দেউতাকৰ হাতত ধৰিয়ে মেজিৰ ওচৰ পালেগৈ। সকলো মানুহ গোট খোৱাৰ পিছত মেজিৰ তলত সেৱা জনাই জুই লগাই দিলে। তাৰ পিছত নিপু আৰু দীপুয়ে দেউতাকক সুধিব ল'লে- দেউতা আমি যে ইয়াত আহি সেৱা জনালো কিয়? মেজিটো কিয় জুই দিলে? তেতিয়া দেউতাকে ক'ব ধৰিলে।

বাচাহঁত পৰম্পৰাগতভাৱে চলি অহা আমাৰ অতিকৈ আদৰৰ বিহু হৈছে মাঘ বিহু। আজি যে আমি মেজিৰ তলত গোট খাইছো ইয়াৰ এটায়ে অৰ্থ তথা অতীতৰ পৰা মানি অহা হৈছে যে বছৰটোৰ অপায় অমঙ্গল তথা দেৱ-দেৱতাৰ অশাৰীৰিক আত্মাৰ বিনাশৰ বাবে তথা বছৰটো ভালে কুশলে পাৰ হ'বলৈ এই মেজিৰ অৰ্থাৎ অগ্নিপূজা কৰা হয়। নিপু আৰু দীপু যিহেঁতুকে বহুত সৰু ৭-৮ বছৰ সিমান বুজিব নোৱাৰিলে তথাপিও সিহঁতে পুহ মহীয়া ঠাণ্ডাৰ উমান মাঘ বিহুৰ আৰম্ভণিতে ল'লে আৰু খুব আনন্দ কৰিলে। সিহঁতে জানে যে মেজিৰ তলত মাহ-প্ৰসাদ খাই অহাৰ পিছত মাকে বনাই থোৱা পিঠা, লাড়ু, তেল পিঠা, ঘিলা পিঠা, চিৰা-দৈ আদিৰ সোৱাদ ল'ব পাৰিব। তাকে ভাবিছে দুয়ো বেছি আনন্দিত হ'ল আৰু দুয়ো ভাই ককায়ে আলোচনা কৰিবলৈ ধৰিলে যে- "আমিও দেউতাহঁতৰ দৰে হ'লে বহুত ডাঙৰ মেজি বনাম আৰু অগ্নিপূজা কৰিম যাতে কোনো অপায় অমঙ্গল নহয় আৰু যাতে গোটেই বছৰটো ভালে কুশলে পাৰ হয়।"

এনেকৈ কথা বতৰা পাতিয়ে দুয়ো ঘৰ পালেগৈ আৰু মাকে বনোৱা মাঘৰ বিহুৰ পিঠা লাড়ু আনন্দ মনেৰে পেট ভৰাই খালে।

ৰীতা দাস
*স্নাতক, ২য় ষাণ্মাষিক*

## দ্বিতীয় স্থান

### বিষয় ঃ মাঘ বিহুৰ মেজি

সেইদিনা আছিল মাঘ বিহু। ৰতনহঁতৰ ঘৰত ৰাতিপুৱাৰে পৰা এক উখল-মাখল পৰিৱেশ। ৰতনে ৰাতিপুৱা ৫ মান বজাতেই শোৱা পাটি এৰি লগৰীয়াৰ সৈতে প্ৰাতঃভ্ৰমণ কৰি আহি গা-পা ধুই গোসাঁইঘৰত সেৱা জনালে। তাৰ পিছত পৰিয়ালৰ সৈতে ঘৰৰ পিছফালে থকা মেজিটোৰ ওচৰলৈ গৈ মেজিটো জ্বলাই দিলে। পিছত প্ৰত্যেকেই চাহ পানী খাই চোতালত বহি বিভিন্ন কথাৰে সময়বোৰ অতিবাহিত কৰিছে। তেতিয়াই ওচৰৰ সমৰ নামৰ ল'ৰাটো আহি ৰতনহঁতৰ চোতালত হৈ থকা বাৰ্তালাপত অংশ ল'লে। কথা প্ৰসংগত ৰতনে ক'লে যে, বৰ্তমান কৰ্ম ব্যস্ততাৰ বাবে মানুহে মাঘ বিহু উপলক্ষে মেজি সাজিব নোৱাৰা হৈ পৰিল। গাঁৱৰ আনন্দ উৎসৱবোৰ যেন এতিয়া পাহৰণিৰ গৰ্ভত। প্ৰত্যেক ব্যক্তিয়েই হৈ পৰিছে ব্যক্তি কেন্দ্ৰিক। তেনে সময়ছোৱাতেই সমৰে মাত লগালে যে, মানুহে নিজক লৈ ব্যস্ত বৰ্তমান এয়া চিৰসত্য। কিন্তু, ইমান কষ্টৰে মেজি সাজি জ্বলাই দিয়াত কাৰ কি লাভজনক হ'ল। বৰং মানুহ ক্ষতিগ্ৰস্ত হে হয়। কিয়নো, প্ৰত্যেক ঘৰে ঘৰে মেজি সাজি জ্বলাই দিয়াত বায়ু প্ৰদূষণ হৈছে। যাৰফলত মানুহ তথা চৰাই-চিৰিকটিৰ বিপদ সংকুল পৰিস্থিতি হোৱাৰ আশংকা প্ৰবল হয়। গতিকে মাঘ বিহুৰ পবিত্ৰ দিনটোত ঘৰে ঘৰে মেজি জ্বলোৱাৰ পৰিৱৰ্তে যদি একোডালকৈ গছ ৰোপণ কৰা হয়, তেন্তে এতিয়াৰ পৰাই এক পৰাম্পৰাত পৰিণত নহ'বনে? সমৰে ৰতনক ভালদৰে বুজাই ক'লে। ৰতনহঁতৰ চোতালত বহি থকা মানুহখিনিও উপলব্ধি কৰিলে। মানুহে কিছুমান কথা বৈজ্ঞানিক দৃষ্টিভংগীৰে চালেহে ঘটনাৰ সৈতে লুকাই থকা আন্তৰ্নিহিত কথা কিছুমান বুজি উঠিব পাৰে। সিহঁত সংকল্পবদ্ধ হ'ল যে, আমাৰ মাজৰ পৰা জাতীয় উৎসৱবোৰ হেৰাই যাব নালাগে তাৰবাবে প্ৰত্যেকেই সচেতন হ'ব লাগিব। কিন্তু, এইবোৰ পালনৰ নামতো ব্যক্তিৰ ক্ষতি সাধন হোৱা অনুচিত।

**শিখাৰাণী ঠাকুৰীয়া**
*স্নাতক, ২য় ষাণ্মাষিক*

## তৃতীয় স্থান

### বিষয় ঃ মাঘ বিহুৰ মেজি

বাপৰে..... ইমান ডাঙৰ মাছ। এইবাৰ উৰুকা বেছ জমিব। মায়ে হাঁহৰ মাংস বনালেই। দেউতাই আকৌ ইমান ডাঙৰ বৌ মাছটো আনিছে। একো কথা নাই, আজি উৰুকা বুলি হাঁহে-মাছেটো খাবয়ে লাগিব এসাজ।

উহ্ সকলোবিলাক বনোৱা হৈ গ'ল। আমি ওচৰ-চুবুৰীয়াই মিলি উৰুকাৰ ৰাতিটো এনেদৰেই নাচি বাগি, ৰং-ধেমালি কৰি খাই বৈ পাৰ কৰো। অহাকালি দোমাহী। মাঘ বিহুৰ মেজি জ্বলাবলৈ পুৱাই উঠিব লাগিব। গতিকে সকলো সোনকালে খাই বৈ ঘৰা-ঘৰি গুচি আহিলো।

পুৱা ন মান বাজিল। এতিয়া আমি মেজি জ্বলাবলৈ যাওঁ। সকলো ওচৰৰে পথাৰখনত গোট খালো য'ত মেজিটো বনোৱা হৈছে। ডেকা ল'ৰা কেইটামানে তিনিবাৰ ঘূৰি ঘূৰি মেজিত জুই লগাই দিলে। সকলোৱে চিঞৰিলে, কিমান যে ফূৰ্তি। সকলোৱে মেজি জ্বলাই ঘৰলৈ আহিলো। ঘৰত মা-দেউতা আৰু ডাঙৰবোৰক সেৱা জনাই আশীৰ্বাদ ল'লো। মায়ে আমাক সকলোকে লাড়ু-পিঠাৰে চাহ খাবলৈ দিলে। লগতে চিৰা-দৈও খালো।

দিনটো এনেকৈ পাৰ হৈ গ'ল। বেলি যিমানে ডুবিবলৈ লৈছে মনটো সিমানে আবেগিক হৈ আহিছে। উৰুকা-দোমাহী বুলি মাঘৰ বিহুটো ইমান ৰং ধেমালি কৰিলো কিন্তু এই দিনটোলৈ যে আৰু এটা বছৰ অপেক্ষা কৰি থাকি যাম।

**ৰৰষা মজুমদাৰ**
*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*






## চিত্ৰাংকন প্ৰতিযোগিতা



প্ৰথম স্থান ঃ দিপান্বিতা ৰাভা, *উঃ মাঃ, ১ম বৰ্ষ*



দ্বিতীয় স্থান ঃ জ্যোৎস্না নাথ, *উঃ মাঃ, ১ম বৰ্ষ*



তৃতীয় স্থান ঃ গীতাঞ্জলি দাস, *স্নাতক, ১ম ষাণ্মাষিক*



# শিতান সংস্কৃতি


- আনাকটা কাপোৰ ঃ ব্যৱহাৰ আৰু প্ৰয়োজন
- দেৱালী
- মুখা শিল্প
- পুতলা নাচ ঃ চমু আভাস
- বসুদেৱ দৈৱকীৰ বিবাহ






# আনাকটা কাপোৰ ঃ ব্যৱহাৰ আৰু প্ৰয়োজন

✍ প্ৰাণজিৎ শৰ্মা
*অসমীয়া বিভাগ*

অসমীয়া সমাজৰ এটা স্বকীয়তা আছে। এই সমাজ বিভিন্ন নীতি-নিয়ম, লোকাচাৰ আদিৰেও আবদ্ধ। অসমীয়া মানুহৰ হাতে বোৱা গামোচাখনো জাতীয় প্ৰতীক। যাৰ দ্বাৰা আমি অন্য দেশৰ লগত ইয়াক প্ৰতিযোগিতাৰ শাৰীত উপনীত কৰাব পাৰোঁ। অসমীয়া সমাজত আনাকটা কাপোৰৰ গুৰুত্ব উজনি নামনি দুই ঠাইতে কম-বেছি পৰিমাণে দেখা যায়। তথাপিও নামনি অসমত এই বস্ত্ৰক শুভকৰ্মত অনবদ্য উপাদানৰূপে দেখা পোৱা যায়।

হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ মাজত তেত্ৰিশ কোটি দেৱ-দেৱতাক পূজাৰ এটা পৰম্পৰাৰ মাজত আমাৰ মাজতে বিভিন্ন ধৰণৰ সংস্কাৰমূলক শুভকৰ্ম, কাজত দেখা পোৱা যায়। এইবোৰ যেনে— বিবাহ, অন্নপ্ৰাসন, চূড়াকৰণ, মহিলাসকলৰ গৰ্ভাৱস্থাত কৰা অনুষ্ঠান (জেউৰা) আদিবোৰত সাধাৰণতে আনাকটা কাপোৰ পৰিধান কৰাটো একপ্ৰকাৰ বাধ্যতামূলক হোৱা দেখা যায়। আনাকটা কাপোৰ দক্ষিণ কামৰূপকে ধৰি বিভিন্ন অঞ্চলত 'শুঠা কাপোৰ' নামেৰেও জনা যায়। কাৰণ এই কাপোৰ কটা নহয় ইয়াত কোনো অস্ত্ৰৰ ব্যৱহাৰ নকৰি শালৰ পৰা প্ৰস্তুত কৰিবলগীয়া হয়। সেয়েহে বোধকৰোঁ আনাকটা কাপোৰ বুলিও জনমানসত ই প্ৰচলিত।

এই কাপোৰ প্ৰস্তুত কৰোঁতেও বিভিন্ন নীতি-নিয়ম পালন কৰা দেখা যায়। হাটবৰীয়া দিনত যেনে— শনিবাৰ, মংগলবাৰত এই কাপোৰৰ বাটি কঢ়া নহয়। আনহাতে পুহ, মলমাহ আদিবোৰত ইয়াৰ আৰম্ভণি নিষেধ বুলিও গ্ৰাম্য লোকসকলে বিশ্বাস কৰে।

এনেধৰণে শুদ্ধ মনে এই বস্ত্ৰ প্ৰস্তুতি পৰ্ব আৰম্ভ হোৱাৰ পিচত অৰ্থাৎ শালত উঠোৱাৰ পৰা সম্পূৰ্ণ হোৱালৈকে বোৱনীয়ে যাতে শুচিতা ৰক্ষা কৰি চলিব পাৰে তাৰ বিষয়েও গুৰুত্ব দিয়া হয়। আনাকটা কাপোৰ প্ৰয়োজন অনুযায়ী সৰু-ডাঙৰ কৰাও দেখা যায়। কাৰণ সৰু ল'ৰা-ছোৱালীৰ অন্নপ্ৰাসনত ব্যৱহাৰ কৰিলে ইয়াক সৰুকৈ বয় আনহাতে ভিন্ন ধৰণৰ ফুলৰ দ্বাৰা অংকিত গামোচা, চাদৰ হিচাপেও আনাকটা কাপোৰ তৈয়াৰ কৰা হয়। ব্যতিক্ৰমী ৰূপত শাৰী প্ৰস্তুত কৰাও দেখা যায়।

অসমীয়া সমাজত নিত্য নৈমিত্তিকভাৱে এই বস্ত্ৰখনৰ ব্যৱহাৰ কম-বেছি পৰিমাণে প্ৰত্যেকেই জানে। কিন্তু উৎসৱ-পাৰ্বণত মানুহৰ সূক্ষ্ম বস্ত্ৰৰ প্ৰতি কাৰো দৃষ্টি নিবদ্ধ নহয়। বিয়াতো দৰা-কইনাই এই কাপোৰখন পিন্ধিহে অধিবাস কৰিব লাগে। ইয়াত সেইদিনা অধিবাস কৰোঁতে দিয়া আইনা-ফণী, পহুডৰিয়া কটাৰী বান্ধি দিয়া হয়। কিছুমান অঞ্চলত সাধাৰণতে মোমাইহঁতৰ পৰাহে এই বস্ত্ৰ দিয়াৰ নিয়ম। ইয়াৰ উপৰিও নলবাৰী বা নামনি অসমৰ কোনো কোনো ঠাইত সাধাৰণতে মাকে পুতেক-জীয়েকৰ বিয়াৰ পানী তুলিবলৈ যোৱাত তেনে আনাকটা কাপোৰ পিন্ধা নিয়ম। সেই আনাকটা কাপোৰখন যদি কিবা কাৰণবশতঃ বেয়া হয় তেন্তে নতুন এখন পিন্ধিলৈহে পানী তুলি আনিবলগীয়া হয়। দৰা-কইনাৰ গা-ধোৱাৰ পিচত এই বস্ত্ৰ পিন্ধোৱাৰ নিয়ম আছে। ইয়াৰ পৰৱৰ্তী সময়ত নাৰী বা ছোৱালী এজনী যেতিয়া গৰ্ভৱতী হয় তেতিয়া পঞ্চামৃত খুওৱাৰ দিনাও আনাকটা কাপোৰ পিন্ধা নিয়ম। ইয়াৰ উপৰিও সাত বা নমহীয়া কাৰ্যসূচীতো একে বস্ত্ৰ পৰিধান কৰি ধৰ্মীয় কাৰ্যসূচী আগবঢ়োৱা দেখা যায়। ইয়াৰ পিচত সন্তানৰ অন্নপ্ৰাসন আদি উৎসৱত এই কাপোৰখন দি আশীৰ্বাদ দিয়া দেখা যায়। ইয়াৰ উপৰিও কোনো এজন শিশুক পহিলা ব'হাগত অৰ্থাৎ ব'হাগ মাহত মোমায়েকহঁতৰ পৰা যিকোনো এখন আনাকটা কাপোৰ উপহাৰ দিয়াটো এটা লোকপ্ৰথা।

হিন্দুধৰ্মৰ চাৰি সংস্কাৰৰ ভিতৰত অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ন, বিবাহ। এই সকলোকেইটাতে সমানেই আনাকটা কাপোৰৰ গুৰুত্ব আছে। ইয়াৰ অবিহনে এই ধৰ্মীয় সংস্কাৰমূলক কৰ্ম অসফল হৈ পৰিব। এইবোৰ উৎসৱত আনাকটা কাপোৰ সদায় ব্যৱহাৰ হৈয়েই থাকিব। ইয়াৰ বাবে মানুহৰ মাজত ইয়াৰ প্ৰয়োজন থাকিব। পূৰ্বৰ তুলনাত তুলনামূলকভাৱে এই বস্ত্ৰই ডিজাইনৰ ক্ষেত্ৰত আজিৰ থলুৱা গাঁৱৰ তাঁতশালৰ পৰা বজাৰমুখী চাহিদা দেখুৱাবলৈ সক্ষম হৈছে। কাৰণ বিভিন্ন দোকান-পোহাৰত আনাকটা কাপোৰে এটা বজাৰমুখী বেপাৰ-বাণিজ্যও আৰম্ভ কৰিছে।

শংকৰদেৱৰ বস্ত্ৰশিল্পৰ অনবদ্য হিচাপে পোৱা যায় বৃন্দাবনী বস্ত্ৰ। সমগ্ৰ অসমবাসীয়ে বৃন্দাবনী বস্ত্ৰক এটা নতুন মান্যতা দান কৰি আহিছে। মাজুলীৰ মহিলা এগৰাকীয়ে অনুকৃতিমূলক বৃন্দাবনী বস্ত্ৰ বয়নকাৰ্য আৰম্ভ কৰিছে আৰু ইয়াৰ ক্ষেত্ৰত সফলতাও আশা কৰা ধৰণে পাইছে। ইয়াৰ উপৰিও গুণমালাখন বয়ন শিল্পৰ মাজত দাঙি ধৰাটো আমাৰ বাবে ইতিবাচক দিশ।

আনাকটা কাপোৰ বা 'শুঠা কাপোৰ' যিহেতু এখন সাধাৰণ বস্ত্ৰ নহয় ইয়াৰ মাহাত্ম্যক অসমীয়া জনসাধাৰণ আৰু মহিলাসকলে

তাক আটক-ধুনীয়াকৈ প্ৰস্তুত কৰি ইয়াক ব্যৱহাৰলভ্য কৰিবলৈ বজাৰত উপলব্ধ কৰিবলৈ এটা আলোড়নৰ সময় সমাগত। শেহতীয়াকৈ এই কাপোৰ বজাৰত উপলব্ধ হৈছে। কিন্তু এই ক্ষেত্ৰত আমি সাৱধানতা অৱলম্বন কৰিব লাগিব। নহ'লে এদিন বহিৰাগত গামোচাবোৰৰ দৰেই আনাকটা কাপোৰ অন্যদেশৰ পৰা আমদানি হ'বলৈ ধৰিব।

উজনিৰ কিছু ঠাইত আনাকটা কাপোৰৰ দৰে এক প্ৰকাৰৰ কাপোৰ পোৱা যায়। তাক সাধাৰণতে 'চকঠীয়া' বুলি কোৱা হয়। ছয় হাত দীঘল কৰি ইয়াক বোৱা হয়। বিয়াৰ লঘোন গাঁঠিত এই বস্ত্ৰখনিৰ গাঁঠি দিয়া নহয় গাত স্পৰ্শ কৰাইহে ৰখা হয়। কাৰণ এই কাপোৰখন গাঁঠি দিলে ভৱিষ্যতলৈ সতি-সন্ততিৰ মুখ দেখা পোৱা নাযায় বুলিও লোকবিশ্বাসো জড়িত হৈ আছে।

এনেধৰণে অসমীয়া সমাজৰ বিভিন্ন আপুৰুগীয়া সামগ্ৰী কেৱল এই সমাজখনতে আছে। লোকাচাৰ, ৰীতি-নীতি, বিশ্বাস, গীত-মাত আদিৰে অসমীয়া জাতি শস্য শ্যামলা। সেয়েহে অসমীয়া সমাজ আৰু সাহিত্যত আনাকটা কাপোৰ এটা অংশ হয় যদিও ইয়াৰ মাজতো ধৰ্মীয় দায়বদ্ধতা, ব্যৱহাৰ, প্ৰয়োজন আদি সকলো জাগ্ৰত হৈ থাকিব বুলি আশা কৰিব পাৰি। ■

---

# দেৱালী

✍ ভনিতা দাস, *উঃ মাঃ, ১ম বৰ্ষ*

নিশ্চয় এই দেৱালী শব্দটো সকলোৰে পৰিচিত। সকলোৰে মন দেৱালী বুলিলে উলাহত নাচি উঠে। দেৱালী এটা পোহৰৰ উৎসৱ। কিযে ভাল লাগে সেই দুদিন চাৰিওফালে পোহৰেৰে জিলিকি থাকে। কিন্তু আজি কিয় এই পবিত্ৰ উৎসৱটি এটা ঘিণ লগা উৎসৱত পৰিণত হৈছে। এই উৎসৱটো আহিলে আমাৰ বহুতৰে ঘৰত মা-দেউতাৰ বিশেষকৈ মাৰোৰৰ মনত এক চিন্তা জন্মে কিয়? কাৰণ 'দেৱালী' আমাৰ সমাজে জুৱাৰ নামত বিক্ৰী কৰিছে। পাহৰি গৈছে সকলোৱে নিজ সংস্কৃতি। দূৰলৈ নাযাওঁ যিহেতু আমি একোখন গাঁৱৰ বাসিন্দা গাঁৱৰ কথাকে কওঁ দেৱালীৰ প্ৰায় চাৰি-পাঁচদিনমান আগতে আমাৰ চ'কবোৰত জুৱাৰ আড্ডা বহে ল'ৰাবোৰৰ। আজিকালি আকৌ কিছু কিছু গাঁৱত দেখিবলৈ পাব যে এই ছোৱালী তিৰোতাসকলো নামি গৈছে। এজন জনা বুজা মানুহৰ সেই কেইদিন ঘৰৰ পৰা ওলাব নোৱাৰা পৰিবেশ। ছিঃ কিযে ঘিণ লাগে চাৰিওফালে কেৱল চিঞৰ বাখৰ। কোনেও বুজিবলৈ চেষ্টা নকৰে যে এই উৎসৱটোৰ এনেকুৱা ৰূপে কেৱল আমাৰ সকলোৰে অনিষ্টহে কৰিছে। শব্দৰ প্ৰদূষণৰ লগতে বায়ু প্ৰদূষণে আমাৰ পৰিবেশ প্ৰদূষিত কৰিছে। হাজাৰ হাজাৰ টকাৰ ফটকা ফুটোৱা, ফুলজাৰী জ্বলোৱা, এইবোৰৰ পৰা মাত্ৰ আনন্দহে কিন্তু আমি কোনেও বুজিব চেষ্টা নকৰোঁ যে এই হাজাৰ হাজাৰ টকাৰে ফটকা কিনাৰ ফলত আমি আমাৰ লগতে পৰিবেশত থকা গছ-গছনি, জীৱ-জন্তু আদি সকলোৰে কেৱল অনিষ্টহে হৈ আছে। এইবোৰে আমাৰ অকণো উপকাৰ কৰা নাই। দেৱালী বুলিলেটো মাত্ৰ জুৱা খেলোৱা আৰু ফটকা ফুটোৱাটোৱে প্ৰধান নহয়। দেৱালী যিহেতু পোহৰৰ উৎসৱ সেইবাবে আমি আগৰদৰে চাৰিওফালে চাকি-বন্তি জ্বলাই উজ্বলোৱা আৰু মন-প্ৰাণ ভৰি উঠা পৰিবেশ এটা গঢ়ি তোলাটো খুবেই প্ৰয়োজনীয় হৈ পৰিছে দেৱালী শব্দটোৰ পবিত্ৰতাটো পুনৰ ঘূৰাই আনিবৰ বাবে। ■

---

# মুখা শিল্প

✍ জুপি ভূঞা
*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

মুখা অসমৰ এবিধ প্ৰাচীন শিল্প। ইয়াৰ ব্যৱহাৰ ভাওনা, ৰাস আদি উৎসৱ সমূহত দেখিবলৈ পোৱা যায়। মুখা সাজিবলৈ বাঁহ, খেৰ, বোকামাটি, গোবৰ আদি ব্যৱহাৰ কৰা হয়। প্ৰথমে বাঁহৰ মিহি কাঠিৰে জঁকাটো সাজি লোৱাৰ পিছত তাত খেৰ মেৰিয়াই জঁকাটো থিৰ কৰি লোৱা হয়। ইয়াৰ পিছত বোকামাটি, গোবৰ আদি ব্যৱহাৰ কৰি নিৰ্দিষ্ট ৰূপ দিয়া হয়। শেষত বিভিন্ন ৰং সানি দেখনিয়াৰ কৰা হয়। অসমৰ মাজুলী আৰু গোলাঘাটৰ কেতবোৰ ঠাই মুখাশিল্পৰ বাবে জনাজাত। মুখা মূলতঃ দুই প্ৰকাৰৰ। লোটোকাই মুখা আৰু মুখ মুখা ইয়াৰ অন্তৰ্গত।

মাজুলী চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীকৃষ্ণকান্ত দেৱ গোস্বামীদেৱে মাজুলীৰ মুখা শিল্পক প্ৰথমে বিশ্ব দৰবাৰলৈ উলিয়াই আনে। তেখেতে অসমৰ বিভিন্ন ঠাইত, লগতে বহিঃ ৰাজ্যতো মুখা শিল্পৰ প্ৰদৰ্শনী পাতি এই শিল্পক জনপ্ৰিয় কৰি তোলে। তেখেতৰ এই একক প্ৰচেষ্টাৰ শলাগ ৰূপে তেখেতলৈ ২০০৩ চনত সংগীত নাটক একাডেমি বঁটা আগবঢ়োৱা হয়। তেখেতৰ প্ৰয়াণৰ পিছতো তেখেতৰ শিষ্যসকলে এই শিল্প প্ৰতিষ্ঠাৰ হকে কাম কৰি আছে। মাজুলীৰ চামগুৰি সত্ৰ মুখা শিল্পৰ বাবে বিখ্যাত। প্ৰতিবছৰে দেশ-বিদেশৰ পৰ্যটকসকলে এই শিল্প দৰ্শনৰ হেতু ইয়ালৈ আগমন ঘটে। ■





# পুতলা নাচ ঃ চমু আভাস

✍ বৰষা মহন্ত
*স্নাতক, ৩য় ষাণ্মাষিক*

ভাৰতৰ প্ৰাচীন সাংস্কৃতিক অনুষ্ঠান হ'ল 'পুতলা নাচ'। লোক মনোৰঞ্জনৰ অনুষ্ঠান হিচাপে পুতলা নাচৰ প্ৰচলন আৰু জনপ্ৰিয়তাৰ কথা পৃথিৱীৰ প্ৰায় প্ৰতিখন সমাজতে সকলো যুগতে জনাজাত। বিশেষকৈ ভাৰত, জাপান, চীন আদিত পুতলা নাচৰ অতি প্ৰাচীন পৰম্পৰা আছে। নাট্যকলাৰ বীজ নিহিত হৈ থকা এটা সু-প্ৰাচীন সাংস্কৃতিক অনুষ্ঠানেই হ'ল পুতলা নাচ।

পুতলা নাচৰ উৎপত্তি সঠিককৈ নিৰ্ণয় কৰিব নোৱাৰি যদিও প্ৰাচীন কালৰে পৰাই এই অনুষ্ঠানৰ সমাদৰ আছিল বুলি অনুমান কৰা হয়। ভাৰতীয় বিশ্বাস অনুসৰি পুতলাৰ উৎপত্তি প্ৰাচীন ভাৰতীয় ৰাজ্য 'পাঞ্চাল'। 'পাঞ্চাল' হৈছে এখন অতি প্ৰাচীন আৰ্য ৰাজ্য।

পুতলা প্ৰধানকৈ চাৰি প্ৰকাৰৰ—

(১) দস্তানা পুতলা (Hand or Glove Puppet) পুতলা নচুওৱা ব্যক্তিকৰে কাপোৰেৰে সজা এইবিধ ফোপোলা পুতলা হাত মোজাৰ দৰে সুমুৱাই লৈ হাতৰ আঙুলি লৰচৰ কৰি নচুৱায়। ইউৰোপ আৰু চীনত এইবিধ পুতলাৰ জনপ্ৰিয়তা আছে।

(২) লাঠী পুতলা (Rod Puppet) এনে ধৰণৰ পুতলাৰ শৰীৰত লাঠী সংযোগ কৰা থাকে। লাঠীবোৰৰ দ্বাৰাই পুতলাৰ শৰীৰটো লৰচৰ কৰিব পৰা ব্যৱস্থা থাকে। ইউৰোপত এনে পুতলাৰ প্ৰচলন আছে।

(৩) ৰছী পুতলা (Marionettes or String Puppet) ৰছী পুতলাবোৰ সুতা বা ৰছীৰ সহায়ত ওপৰৰ পৰা নিয়ন্ত্ৰণ কৰা হয়। ছিলিংত লোহাৰ ৰড ব্যৱহাৰ কৰি ৰচি পুতলা নচুওৱাৰ পৰম্পৰা আছিল। ভাৰতত অধিকাংশ পুতলা নাচত এই পুতলাই ব্যৱহৃত হয়।

(৪) ছাঁয়া পুতলা (Shadow Puppet) সাধাৰণতে ক'লা বগা ৰঙেৰে বোলাই চেপেটাকৈ কাটি উলিওৱা অৱয়ৱৰ, ছাঁ-পোহৰ যাৰ পৰা উজ্বল পটত পেলাই ছাঁয়া পুতলা নচুওৱা হয়। থাইলেণ্ড, ভাৰত, তুৰ্কী আদিত এইবিধ পুতলাৰ থলুৱা পৰম্পৰা আছে।

পুতলা নাচৰ প্ৰদৰ্শনত এটি দলত প্ৰায় ৬/৭ জনকৈ মানুহ জড়িত থাকে। সৰুকৈ মঞ্চ সাজি লৈ পাচফালে এখন ক'লা আঁৰকাপোৰ তৰা হয়। সূত্ৰধাৰৰ ভূমিকাও পুতলা নাচত দেখিব পোৱা যায়। সংলাপ অবিহনে অংগী-ভংগীৰ মাজেৰে অভিনয় প্ৰদৰ্শন কৰা হয়। য'ত সাৱলীলতা বিৰাজমান। 'গুৰুঘাতেৰে' আৰম্ভণি কৰা পুতলা নাচৰ গায়ন-বায়ন দল মঞ্চৰ কাষতে আসন লয়। দলৰ মুখ্যজনক 'বায়ন' বুলি কোৱা হয়। পুতলা নাচত অতি তত্ত্বগধুৰ কথাসমূহক অভিনয়ৰ মাজেৰেই সহজকৈ, সুন্দৰভাৱে প্ৰকাশ কৰায়। অভিনয়ত 'হাস্যকৰ' প্ৰভাৱ বেছি থকা দেখা যায়।

উজনিৰ কিছু ঠাইৰ লগতে নামনি অসমৰ বিশেষকৈ কামৰূপ, মঙ্গলদৈ আদি অঞ্চলত পুতলা নাচৰ জনপ্ৰিয়তা সৰ্বাধিক আছিল। সময়ৰ গতিত এই অনুষ্ঠানৰ শিল্পী, কলা-কুশলী ক্ৰমে হ্ৰাস হোৱা যেন দেখা যায়। ধৰ্মীয় অনুষ্ঠানত, উৎসৱসমূহত মাজে মাজে এনে পুতলা নাচৰ প্ৰদৰ্শন কৰা দেখা যায়। এনে সুন্দৰ আৰু মনোগ্ৰাহী অনুষ্ঠানক আকৌ জীয়াই ৰখাৰ বাবে সংস্কৃতিৱান ন-পুৰুষসকল ওলাই অহা উচিত। এনে অনুষ্ঠানটি বিলুপ্ত নোহোৱাৰ বাবে সামাজিক লোকসকল জাগ্ৰত হোৱাটো দায়িত্ব। ■

---

সহায়ক পুথি ঃ
(১) অসমীয়া সংস্কৃতি — হৰিপ্ৰসাদ নেওগ, লীলা গগৈ
(২) স্মৃতিগ্ৰন্থ ঃ ছয়গাঁও শিল্পী সমাজ 'ৰূপালী জয়ন্তী বৰ্ষ'

# বসুদেৱ দৈৱকীৰ বিবাহ

✍ ৰীতা কলিতা
স্নাতক, ৩য় ষাণ্মাষিক

মথুৰা এখন স্বৰ্গতকৈও সুন্দৰ নগৰ। এই নগৰখন মহাহৰিয়ে কোনো দিনে ত্যাগ নকৰে। পৃথিৱীৰ সৌমাজতে অৱস্থিত এইখন নগৰৰ লগত আন এখন নগৰৰ তুলনা নহয়। মথুৰা নগৰ যাদৱ সকলৰ ৰাজধানী। মথুৰা নগৰতে সুৰ যদুপতি নামৰ এজন মহান লোকে নিবাস কৰে। তেওঁৰেই পুত্ৰ মহাজ্ঞানী বসুদেৱ। অনেক আদৰ-সাদৰ কৰি বসুদেৱলৈ দৈৱকীক বিবাহ দিবলৈ ওলাল। দৈৱকীৰ প্ৰতি থকা প্ৰীতিৰ বশতঃ কংসই নিজেই ৰথৰ ৰাঘজৰী ধৰি আগবঢ়াই দিবলৈ আহিল। মৃদঙ্গ, গোমুখ, শঙ্খ আদি অনেক বাদ্য ভেৰি বজাই বহু ৰথ চলাই আনন্দেৰে আগবঢ়াই দিবলৈ আহিল। কংস ৰজাই এনে মুহূৰ্ততে আকাশবাণী যোগে শুনিলে। "হে কংস যিজনক লৈ গৈ আছা তেওঁৰ অষ্টম পুত্ৰৰ হাতত তোৰ মৃত্যু হ'ব"। আকাশবাণী শুনাৰ লগে লগে কংসই হাতত থকা তৰোৱালেৰে দৈৱকীৰ চুলিত ধৰি কাটিবলৈ ওলাল। অধম আচৰণৰ, ক্ৰুৰ কুলাঙ্গাৰ চৰিত্ৰৰ কংসক বসুদেৱে দেখিবলৈ পালে যে তেওঁ দৈৱকীক বধ কৰিব ওলাইছে। শ্ৰুতি জ্ঞান হেৰুৱাই কংসক শান্ত কৰিবলৈ ক'বলৈ ধৰিলে। "হে, মহাৰাজ ঘোষ কুলৰ পুত্ৰ তুমি যেনেকুৱা পৰাক্ৰমী ৰজা সেইটো ত্ৰিজগতে জানে। তোমাৰ গুণ বীৰসকলেও প্ৰশংসা কৰে। কিয় তুমি দৈৱকীৰ মৃত্যু চিন্তা কৰিছা? দৈৱকী জাতিত স্ত্ৰী আৰু তোমাৰ ভনী। কিয়নো তুমি তেওঁৰ মৃত্যু চিন্তা কৰিছা? কিয়নো মৃত্যু ভয়তে তুমি পাপ আচৰণ কৰিছা? জন্মতে দেহাৰ লগতে মৃত্যু ওপজে, আজি মৃত্যু নহ'লে এশ বছৰ পিছত হ'লেও এদিন মৰিবই লাগিব। এইটো নিশ্চিত বিশ্ব ব্ৰহ্মাণ্ডত এদিন মৰিবই লাগিব। জীৱসকল কৰ্মৰ অধীন। মৃত্যু মানেই হ'ল এটা নতুন জীৱনৰ আৰম্ভ। মৃত্যু মানেই পুৰণি দেহৰ বিলুপ্তি আৰু আন এটা দেহৰ আৰম্ভ। যেনেকৈ এটা জোকে তাৰ গাৰ আনটো মুৰেৰে এদাল তৃণ পালেই আন এটা মূৰ এৰি দিয়ে ঠিক মৃত্যু মানেও এটা দেহৰ পৰা আন এটা দেহলৈ আত্মাৰ গমনহে বুজায়। জীৱন মৰণ এটা সপোন সদৃশ। যিজন লোকে নিজৰ কুশল চিন্তা কৰে, তেওঁ আনৰ দ্ৰোহ চিন্তা কৰা উচিত নহয়। বৰ্তমান জীৱন আৰু পৰৱৰ্তী জীৱনত দ্ৰোহীজনৰ কল্যাণ নহয়। এই কাৰণে কোনেও কাৰো দ্ৰোহ নকৰিবা। হে, কংস তোমাক কি বহলাই ক'ম, তুমি সকলো জানায়। দৈৱকী তোমাৰেই কনিষ্ঠা ভগ্নী। সেই কাৰণে তুমি তেওঁক কটাটো কেতিয়াও উচিত নহয়। তুমি এওঁক ক্ষমা কৰা।" এনেদৰে বসুদেৱে বহু কাকুতি কৰিলে, তথাপিও দৈৱকীক কংসই কাটিবলৈহে উদ্যত হ'ল। বসুদেৱে তেতিয়া মনতে সংকল্প কৰিলে যে যেতিয়ালৈ বসুদেৱৰ শৰীৰত জ্ঞান বুদ্ধি থাকিব তেতিয়ালৈ তেওঁ দৈৱকীক কংসৰ হাতৰ পৰা ৰক্ষা কৰাৰ চেষ্টা কৰিব। বসুদেৱে মনতে ভাবিছে- "পুত্ৰ হ'লেই কংসৰ হাতত অৰ্পণ কৰোঁ বুলি কওঁ। কংসৰ হাতৰ পৰা দৈৱকীক ৰক্ষা কৰোঁ। কিজানিবা দৈৱকীৰ পুত্ৰই নজন্মে, কিজানিবা কংসই আগতে মৰি যায়। কংস কিজানিবা পুত্ৰৰ হাততে মৃত্যু হয়। বিপৰীত দৈৱগতি কোনে বুজিব?" এনেদৰে ভাবি চিন্তি বসুদেৱৰ হৃদয়ত দুখৰ অগ্নি জ্বলিলেও মুখত হাঁহি লৈ পুনৰ মাত লগাইছে। "হে, কংস তুমি যি আকাশী বচন শুনিছা দৈৱকীৰ হাততো তোমাৰ মৃত্যু নহয়, তেওঁৰ পুত্ৰৰ হাততহে তোমাৰ মৃত্যু হ'ব, গতিকে জন্মিলেই পুত্ৰসমূহ তোমাৰ হাতত সমৰ্পণ কৰিম।" কথা শুনি কংসই দৈৱকীক এৰি নিজৰ গৃহলৈ প্ৰত্যাৱৰ্তন কৰিলে। বসুদেৱ আৰু দৈৱকীয়েও নিজৰ গৃহলৈ গ'ল। এনেদৰে কিছুদিন যোৱাৰ পিছত দৈৱকীৰ প্ৰথম পুত্ৰ কীৰ্তিমন্ত্ৰৰ জন্ম হ'ল। বসুদেৱে পুত্ৰক কোলাত লৈ সত্য বচন ৰক্ষা কৰি কংসৰ হাতত সমৰ্পণ কৰিলে। বসুদেৱে সত্য ৰক্ষা কৰি পুত্ৰৰ প্ৰতি থকা মৰম স্নেহো ত্যাগ কৰিলে। যিজনৰ মন কৃষ্ণৰ পাৰত মগ্ন হ'ল, তেওঁ আৰু নো কি বস্তুৰ প্ৰতি বাসনা কৰিব? মুক্তিকো ইচ্ছা নকৰে। বসুদেৱৰ সত্য নিষ্ঠাত কংস ৰজা আচৰিত হ'ল। কংসই বসুদেৱক ক'লে- "বসুদেৱ তুমি কি পুণ্যশালী। সত্যক ৰক্ষা কৰি নিজৰ পুত্ৰৰ প্ৰতি থকা মৰমো ত্যাগ কৰিছা"। হাঁহি হাঁহি কংসই ক'লে- "হে বসুদেৱ তোমাৰ এই পুত্ৰজন লৈ যোৱা। ইয়াৰ হাতত মোৰ কোনো ভয় নাই। তোমাৰ অষ্টম পুত্ৰ হ'লেই আনি দিবা। তেওঁৰ হাততহে মোৰ মৃত্যু হ'ব। আকাশবাণীত এইটোৱে শুনিছোঁ"। ইয়াক শুনি বসুদেৱে পুত্ৰক কোলাত লৈ অসন্তুষ্ট ভাৱেৰে গৃহলৈ গ'ল। বসুদেৱে কংসৰ কথাত সম্পূৰ্ণ বিশ্বাস কৰা নাই, কাৰণ কংস দুৰ্জন মনৰ ৰজা আছিল। ■


সহায়ক পুথি ঃ দীপক চন্দ্ৰ মহন্ত — প্ৰেম অমৃতৰ নদী



# শিতান

# শিক্ষামূলক ভ্ৰমণ

➠ জয়পুৰলৈ যোৱা দীঘলীয়া যাত্ৰাৰ অভিজ্ঞতা
➠ ভুৱনেশ্বৰ আৰু জগন্নাথ পুৰী দৰ্শন ঃ শিক্ষামূলক ভ্ৰমণ



# জয়পুৰলৈ যোৱা দীঘলীয়া যাত্ৰাৰ অভিজ্ঞতা

✍ পূৰবী কলিতা
স্নাতক, ৩য় ষাণ্মাষিক

সেই দিনটো মোৰ বাবে খুব এটি ভাল লগা দিন আছিল। কিমান যে স্ফূৰ্তি লাগি আছিল মোৰ মনত ক'বলৈ ভাষা নাই। সেইদিনা আছিল ইং ০৫-০১-২০১৯, শনিবাৰ। শুক্ৰবাৰে ৰাতিৰ পৰা জয়পুৰলৈ যোৱাৰ আশাত মোৰ চকুত টোপনি অহা নাছিল। কিমান যে কি আশা জাগি উঠিছিল মোৰ মনত। কাৰণ মোৰ জীৱনত এয়াই আছিল প্ৰথম দীঘলীয়া যাত্ৰা।

শনিবাৰে ৰাতিপুৱা সোনকালে উঠি পাঁচ মান বজাত গা-পা ধুই, সকলোবোৰ বস্তু সাজু কৰি, মা-দেউতাৰ আশীৰ্বাদ লৈ মই যাবলৈ ওলালো। ৰাতিপুৱা ৭-৩০ মান বজাত আমাৰ কলেজ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত উপস্থিত হ'বলৈ দিয়া হৈছিল সকলো ছাত্ৰীকে। গতিকে মই সেই সময়ত গৈ পোৱাকৈ ঘৰৰ পৰা ওলালো। কলেজলৈ মোক দেউতাই থ'ব গৈছিল। কলেজ গৈ পাওঁতে মোৰ বিশ (২০) মিনিট মান পলম হৈছিল। কিন্তু তাত গৈ দেখিলো যে মই থিক সময়তে গৈ তাত উপস্থিত হৈছো। মই নোযোৱালৈ দেউতাও মোৰ লগতে আছিল। তাত গৈ দেখিলো মই ৰশ্মিৰ বাহিৰে আন কাকোৱে চিনি নাপাওঁ। গতিকে ভিতৰে ভিতৰে অলপ ভয় ভাবো উপজিছিল আৰু মনত নানা ভাবে মোক বাৰুকৈয়ে চিন্তিত কৰি পেলাইছিল। সেই সময়তে আমাৰ কলেজলৈ দুখন মেজিক গাড়ী সোমাই আহিল। বোধহয় সেই দুখন আমি ষ্টেচনলৈ যোৱাৰ বাবে ছাৰহঁতে ভাড়া কৰিছিল। মই ভৱা মতেই হয় যে সেই গাড়ী দুখন আমি ষ্টেচনলৈ যোৱাৰ বাবেই ভাড়া কৰিছে। আমাৰ সকলোৰে বেগ (লাগেজ) বোৰ সেই গাড়ী দুখনৰ পিছফালে সোমাই দিয়া হ'ল আৰু ছাৰহঁতে আমাক সকলোকে গাড়ীত উঠিবলৈ দিলে। তাৰ আগতে আমাৰ কলেজৰ সন্মুখত আমাৰ এখন গ্ৰুপ ফটো লোৱা হৈছিল যাতে আমি জয়পুৰলৈ যোৱা স্মৃতি এটি থাকি যায়। আমাৰ লগত আছিল আমাৰ শিক্ষাগুৰু জীৱেশ্বৰ ছাৰ, যাক আমি চমুকৈ জিবু ছাৰ বুলি মাতো, ইন্দ্ৰাণী মেম, নৱকান্ত ছাৰ আৰু লগতে তেখেতৰ পৰিবাৰ আৰু কণমানি মৰম লগা ছোৱালীজনী যাক সকলোৱে মৰমতে কলিজা বুলি মাতে। তেতিয়া সময় হৈছিল ৰাতিপুৱা আঠ বাজি দহ মিনিট। আমাৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰ দেৱক মাত লগাই কলেজৰ পৰা গুৱাহাটী পল্টন বজাৰ ষ্টেচনলৈ বুলি যাত্ৰা কৰিলোঁ। আমাৰ ৰে'ল যাত্ৰা আছিল দহ বাজি পঁয়ছল্লিশ (১০:৪৫) বজাত। আমি তাৰ আগমুহূৰ্তত গৈ গুৱাহাটী পল্টন বজাৰ ষ্টেচনত উপস্থিত হ'লো। আমি যাত্ৰা কৰা ৰে'লখনৰ নাম আছিল 'GHY SMEBKN EXP'। মোৰ ওচৰৰ চিটটোত মোৰ বান্ধৱী ৰশ্মি বহিলে। আমি গৈ সেই ৰে'লখনত উঠিলো। আমাৰ দবাটোৰ নম্বৰ আছিল S-5 আৰু মোৰ চিট নম্বৰ আছিল 56। মই গৈ তাতে বহিলো। আমি দুয়োজনীয়ে আলোচনা কৰিছিলো যে আমি দুটাক বাহিৰে আমাৰ আৰু কোনো চিনাকি বান্ধৱী নাই। সেইবাবে মনটো কিছু বেয়াও লাগি আছিল। কিন্তু লাহে লাহে আমি ইমানে আপোন হৈ পৰিলো যেন আমি আগৰে চিনাকি আছিলো। আমাৰ ৰে'ল যাত্ৰা আছিল ১০:৪৫ বজাত কিন্তু ১০:৪৫ ত ৰে'লখন যাত্ৰা কৰা নাছিল, বহুত পলম হৈছিল ৰে'লখন যাত্ৰা কৰাত। গতিকে অলপ অধৈৰ্য্য অনুভৱ কৰিছিলো। লাহে লাহে ৰে'ল চলিবলৈ আৰম্ভ কৰিলে। ১২:১২ মান বজাত আমাৰ ৰে'ল যাত্ৰাৰ শুভ আৰম্ভ হ'ল জয়পুৰলৈ আৰু আমি জয়পুৰ অভিমুখে আগবাঢ়ি গ'লো। ৰে'লত আমি অকণো আমনিদায়ক ভাব অনুভৱ কৰা নাছিলো। কাৰণ আমি সকলোৱে স্ফূৰ্তি-তামচা কৰি গৈ আছিলো। কোনোৱে যদি গান গাইছে, কোনোৱে আকৌ চেল্‌ফি তুলিছে, কোনোৱে আকৌ চোৰ-পুলিচও খেলিছে। এনেকৈ আমি সকলোৱে বিভিন্ন ধৰণৰ স্ফূৰ্তি-তামচা কৰি গৈ আছিলো। এই স্ফূৰ্তিত অকল আমি ছাত্ৰীসকলোৱে ভাগ লোৱা নাছিলো আমাৰ জিবু ছাৰেও ভাগ লৈছিল। ছাৰে মাজে মাজে আমি আমনিদায়ক ভাব অনুভৱ কৰিম বুলি ধেমেলীয়া কথাকিছুমান কৈ হাস্য ৰসৰও সৃষ্টি কৰিছিল। সেই সময়ত ছাৰ-মেমহঁতক আমাৰ সমনীয়াৰ নিচিনাই ভাব হৈছিল। ছাৰ-মেমহঁতৰ মৰম আৰু সঁহাৰি দেখি মোৰ সঁচাকৈয়ে বহুত ভাল লাগিছিল। এনেকৈ গৈ গৈ আমি ০৭-০১-২০১৯ সোমবাৰে ৰাতি ২:৫৭ মান বজাত আনন্দ বিহাৰ ষ্টেচন পালোগৈ। আমি সকলোৱে নিজৰ নিজৰ বেগবোৰ লৈ ৰে'লৰ পৰা নামিলো। নামিয়েই খুব ঠাণ্ডা অনুভৱ কৰিলো। গাত বেমাৰ লাগিব বুলি ততালিকে বেগৰ পৰা কাপোৰ এখন উলিয়াই গাত মেৰিয়াই ল'লো। তাৰ পিছত আমি যিখন হোটেল ঠিক কৰিছিলো সেইখন হোটেললৈ বুলি যাব ওলালো। ষ্টেচনৰ পৰা হোটেলখন কিছু দূৰ আছিল বাবে ছাৰহঁতে এখন বাছ ঠিক কৰিলে। আমাৰ বেগবোৰ কিছু গধুৰ আছিল বাবে আমি কুলীৰ

দ্বাৰাই আমাৰ বেগবোৰ বাছখনলৈ লৈ গ'লো আৰু আমি গৈ ৩:২৫ মান বজাত বাছত উঠিলো। গৈ গৈ আমি ৪ (চাৰি) মান বজাত হোটেলখনত উপস্থিত হ'লো। হোটেলখন দেখিবলৈ খুবেই ধুনীয়া আছিল আৰু হোটেলখনৰ নাম আছিল 'Hotel Goyal Palace'। গৈ পাই আমি অলপ সময় তাত বহিলো যিহেতু আমাৰ খুব ভাগৰুৱা অনুভৱ হৈ আছিল। কিন্তু সময়ৰ পিছত আমাক নিজৰ নিজৰ কমত যাবলৈ দিয়া হ'ল। আমি এটা কমত চাৰিজনী ছোৱালী আছিলো, মই, মোৰ বান্ধৱী ৰশ্মি আৰু ৫ম ষাণ্মাষিকৰ দুজনী ছোৱালী। সিহঁতৰ লগত মোৰ আগতে চিনাকি নাছিল যদিও কমত আমি চাৰিজনীয়ে ইমানেই আপোন হৈ পৰিছিলো যেন আমি চিনাকি ল'ৰালি কালৰ বান্ধৱীহে আছিলো। খুব ভাল লাগিছিল সিহঁতৰ লগত থাকি। এজনীৰ নাম আছিল ডলি আৰু আনজনীৰ নাম আছিল পূৰবী। দুয়োজনী খুব ভাল ছোৱালী আছিল। দুয়োজনীৰে মনত অকণো অহংকাৰ ভাব নাছিল, সিহঁতে ৰশ্মি আৰু মোক খুব মৰমেৰে আঁকোৱালি লৈছিল। আমি কমত সোমাই কাপোৰ-কানিবোৰ ঠিক কৰি অলপ সময় জিৰাই গা-পা ধুই ৰাম মন্দিৰলৈ বুলি যাবলৈ সাজু হ'লো। তেতিয়া ৭:৩০ বাজিছিল। আমি সকলোৱে তললৈ নামি আহি ৰাতিপুৱাৰ Breakfast কৰিলোঁ। তাৰ খাদ্যবোৰ কিছু বেলেগ আছিল। আমি Breakfast কৰি সকলোৱে ৰাম মন্দিৰলৈ যাবলৈ সাজু হ'লো ৮:৩০ মান বজাত। তাত যাবলৈ আমি এখন বাছ ভাড়া কৰিছিলো আৰু লগতে এজন গাইডও ঠিক কৰিছিল ছাৰহঁতে আমাক সেই ঠাইবোৰ চিনাকি কৰাই দিবলৈ আৰু তাৰ বিষয়ে জানিবলৈ। গাইডজনে আমাক ধুনীয়াকৈ বুজাই গৈ আছিল আৰু এনেকৈ গৈ গৈ আমি ৰাম মন্দিৰ পালোগৈ। ৰাম মন্দিৰটো দেখিবলৈ ইমানেই ধুনীয়া আছিল যে ক'বলৈ ভাষা নাই। গোটেই মন্দিৰটোত বগা ৰং দিয়া আছিল। সেই ৰাম মন্দিৰৰ ওচৰৰ পাহাৰখনৰ ওপৰত আকৌ এটা শিৱ মন্দিৰ দেখিবলৈ পাইছিলো, কিন্তু গাইডজনে কোৱা মতে তাত হেনো অন্য দিনত কোনো মানুহকে যাব দিয়া নহয়। গতিকে আমি তাত যাব নোৱাৰিলো। সেই শিৱ মন্দিৰটো আমি সকলোৱে দূৰৰ পৰাই উপভোগ কৰিলো। আকৌ গাইডজনে কৈছিল যে 'ৰাজা জয় সিং' নামৰ ৰজাজনৰ নামৰ পৰাই হেনো জয়পুৰ নামটো উৎপত্তি হৈছিল। সংস্কৃতত হেনো সেই চহৰখনক পূৰণ বোলা হয়। তাৰ চমু নাম পুৰ আৰু পুৰ মানে হ'ল চহৰ। জয়পুৰ চহৰখন ৰাজা জয় সিংগে বনাইছিল। ঠিক সেইদৰে উদয়পুৰ নামটো উৎপত্তি হৈছিল উদং সিং ৰজাজনৰ নামেৰে আৰু ভাৰতপুৰ নামটো উৎপত্তি হৈছিল ভাৰত সিং নামৰ ৰজাজনৰ নামেৰে আকৌ মাধৱপুৰ নামটো উৎপত্তি হৈছিল মাধৱ সিং নামৰ ৰজাজনৰ নামেৰে। ১৮৭৬ চনত ইংলেণ্ডৰ ৰাজকুমাৰ 'ব্ৰিট চালবাৰ চাৰ্জ' সেই চহৰলৈ আহিছিল। তেতিয়া সেই ৰাজকুমাৰজনে ৰাম সিং নামৰ ৰজাজনক লগ পাইছিল। তেতিয়া ৰজা ৰাম সিংগে ৰাজকুমাৰজনক ৰজা জয় সিংগে বনোৱা পুৰণি চহৰখনলৈ লৈ গৈছিল যাৰ ৰং আছিল কেৱল গেৰুৱা। তাত গেৰুৱা ৰঙৰ বাহিৰে অন্য ৰং দেখিবলৈ পোৱা নগৈছিল। কিন্তু ৰাজকুমাৰ ব্ৰিট চালবাৰ চাৰ্জ যেতিয়া ৰজা জয় সিংগে বনোৱা পুৰণি চহৰলৈ গৈছিল তেতিয়া হেনো সেই গেৰুৱা ৰঙৰ সলনি Pink Colour (গুলপীয়া ৰং) চহৰখনত দিব কৈছিল আৰু সেইমতেই তেতিয়াৰ পৰা সেই চহৰখনৰ নাম হেনো Pink City হৈছিল। তাত আকৌ এখন চহৰ আছে সেইখনৰ নাম হ'ল জেম ষ্টোন চিটি। জেম ষ্টোন চিটিৰ আটাইতকৈ ডাঙৰ ব্যৱসায় হেনো ষ্টোন ব্যৱসায়। জেম ষ্টোন চিটিৰ পিছত আমি দেখিবলৈ পাইছিলো M.I.Road যাৰ সম্পূৰ্ণ নাম Mirza Ismail Road সেই পথ জয়পুৰৰ সকলোতকৈ প্ৰয়োজনীয় পথ বুলি আমাক গাইডজনে কৈছিল।

ৰাম মন্দিৰৰ পৰা ওলাই আহি আমি দেখিবলৈ পালো যে কোনো কোনোৱে তাত ৰাজস্থানী কাপোৰ পিন্ধি ফটো উঠি আছে। আমিও তালৈ গ'লো। মোৰ বান্ধৱীসকলেও সেই ৰাজস্থানী কাপোৰ পিন্ধি ফটো উঠাত ব্যস্ত হৈ পৰিল। ছাৰ-মেমহঁতেও পিন্ধিলে। আমি কেইগৰাকীমানে পিন্ধা নাছিলো। যিসকলে ৰাজস্থানী পোছাক যোৰ পিন্ধিছিল তেওঁলোকক দেখিবলৈ বহুত ধুনীয়া লাগিছিল। বেছিকৈ ধুনীয়া লাগিছিল আমাৰ কণমানি কলিজাজনীক। এনেকৈ তাত সকলোৱে কিছু আনন্দ উপভোগ কৰি এইবাৰ আমি যাবলৈ ওলালো সঞ্জয় মিউজিয়ামলৈ। সেই গাইডজনেই লৈ গৈছিল আমাক সঞ্জয় মিউজিয়ামলৈ। তাত এজনৰ এশ (১০০) টকাকৈ লোৱা হৈছিল। টিকট কাটি আমি সকলোৱে ভিতৰলৈ সোমাই গ'লো। তাত গৈ দেখিলো কোনো কোনো ৰজাৰ সকলোবোৰ বস্তু তাত ধুনীয়াকৈ সজাই থোৱা আছিল। তাত অন্য এজন গাইডে তাৰ কথাবোৰ আমাক ধুনীয়াকৈ বুজাই দিছিল। তাত ৰজাৰ সৰু কালৰ পৰা সকলোবোৰ বস্তু ধুনীয়াকৈ সজাই থোৱা হৈছিল আৰু বিভিন্ন ধৰণৰ বস্তু তাত দেখিবলৈ পাইছিলো। মিউজিয়ামৰ পৰা ওলাই আহি আমি জল মেহেল চাবলৈ গ'লো। গৈ গৈ আমি জল মেহেল পালোগৈ। জল মেহেল দেখিবলৈ ইমানেই ধুনীয়া আছিল যেন বোকাৰ মাজত এটি পদুমহে ফুলি আছে। জল মেহেলটো গোটেই পানীৰ মাজত ধুনীয়াকৈ সজাই তুলিছিল। তাৰ ওচৰে-পাঁজৰে বহুতো সৰু-সুৰা বজাৰ দেখিবলৈ পাইছিলো। বজাৰখনৰ বস্তুবোৰ ইমানেই ধুনীয়া আছিল যে দেখিয়েই মোৰ সকলোবোৰ বস্তু কিনি ল'বলৈ মন গৈছিল। আমি জল মেহেল উপভোগ কৰি এইবাৰ যাবলৈ ওলালো আমবাবপুৰৰ যোধা আকবৰৰ চীচ মহললৈ। আমি যোধা আকবৰৰ চীচ মহললৈ গ'লো। তাত গৈ দেখিলো যে তাৰ সৌন্দৰ্যৰ কথা ক'বলৈ মোৰ ভাষা নাই। সেই মহলৰ পৰা গোটেই পাহাৰখনৰ সৌন্দৰ্য মই উপভোগ কৰিবলৈ পাইছিলো। কি যে মনোমোহা আছিল সেই দৃশ্য। তাত মই আকৌ এটি মনোমোহা দৃশ্য দেখিবলৈ পাইছিলো তাত অৱস্থিত মহলটো কিছুমান সৰু সৰু আইনা লগোৱা আছিল। সেইবোৰে মহলটো আৰু বেছি সুন্দৰ কৰি তুলিছিল। তাত





এখন ধুনীয়া বাগিচাও দেখিবলৈ পাইছিলো। গাইডজনে কোৱা মতে সেই বাগিচাখনৰ আৰ্হিত হেনো এখন দৰ্জাও বনোৱা হৈছিল। সঁচাকৈয়ে আমি দেখিবলৈ পাইছিলো গাইডজনে কোৱাৰ দৰে দৰ্জাখন। সেইখনৰ ছবি চিত্ৰিত কৰি থোৱা হৈছিল। সঁচাকৈ তাৰ প্ৰত্যেকটো বস্তুৱে চাবলগীয়া। অতি চমৎকাৰ তাৰ প্ৰতিটো বস্তু। আমবাৰ পুৰৰ যোধা আকবৰৰ চীচ মহলৰ সকলোবোৰ বস্তু উপভোগ কৰি আমি সকলোৱে গধূলি ৭:০০ মান বজাত আকৌ হোটেললৈ বুলি ৰাওনা হ'লো। হোটেল গৈ পাই আমি মুখ-হাত ধুই ৰাতিৰ আহাৰ খালো। আহাৰ খাই আমি সকলোৱে নিজৰ নিজৰ কমত গৈ শুই থাকিলো। পিছদিনা অৰ্থাৎ ০৮-০১-২০১৯ মঙ্গলবাৰে ৰাতিপুৱা শুই উঠি গা-পা ধুই Breakfast কৰি ৯:৩০ মান বজাত আমি আজমেৰে পুষ্কৰলৈ বুলি ওলালো। তালৈ আমি বাছত গ'লো আৰু আধা বাটৰ পৰা আমি টেম্পো ভাড়া কৰি ল'লো। গৈ গৈ আমি ঠিক ১২:৪৫ মান বজাত পুষ্কৰ গৈ পালো। গাড়ীত গৈ থাকোতে মই তাত বহুতো গাধ দেখিবলৈ পাইছিলো আৰু সেই গাধবোৰৰ পিঠিত কিছুমান ডাঙৰ ডাঙৰ পাথৰ বোজা হিচাপে দিয়া হৈছিল। তাকে দেখি মোৰ মনত দুখ লাগিছিল কিয়নো এই নিমাত প্ৰাণীবোৰক ইমান কষ্ট দিয়া বাবে। এইবোৰ ভাবি গৈ থাকোতে মই কেতিয়া গৈ পুষ্কৰ পালোগৈ গমকে নাপালো। গাড়ীৰ পৰা নামি কিছুদূৰ গৈ দেখিলো কিছু অদ্ভুত দৃশ্য যিটো দেখি মোৰ খুবেই বেয়া লাগিছিল। তাত মই দেখিছিলো যে কিছুমান পংগু মানুহে মাটিত বাগৰি বাগৰি ভিক্ষা মাগি আছিল। কাৰোবাৰ যদি হাত এখন নাই কাৰোবাৰ আৰু ভৰি এখন নাই, কাৰোবাৰ আকৌ দুয়োখন ভৰিয়েই নাই। এই কৰুণ দৃশ্য দেখি মোৰ মনত ৰাৰকৈয়ে দুখ লাগিছিল। এইবোৰ চাই গৈ থাকোতে মই পুষ্কৰ দৰগাহৰ ওচৰ পালো। মই আগতে জনা নাছিলো সেইটো মছজিদ বুলি। যেতিয়া মই দেখিবলৈ পাইছিলো তাত প্ৰায়বোৰ মুখ কাপোৰেৰে ঢকা আছিল আৰু ল'ৰাবোৰৰ মূৰত একো একোটা বগা টুপী দেখিবলৈ পাইছিলো তেতিয়াই মোৰ মনত ভাব হৈছিল যে ইয়াত নিশ্চয় মুছলিম মানুহে বাস কৰে। কাৰণ তাত মই বেছিভাগ মুছলিম মানুহে দেখিবলৈ পাইছিলো আৰু আমি গম পালো যে সেই মছজিদৰ ভিতৰলৈ সোমাবলৈ হেনো সকলোৱে মূৰত একোখন কাপোৰ ল'ব লাগে। গতিকে আমি সকলোৱে নিজৰ নিজৰ ৰুমাল কেইখনকে আমাৰ মূৰত বান্ধি ল'লো। আমাৰ মাজত কোনোবাৰ হাতত ৰুমাল নাছিল বাবে তাৰ পৰাই কিনি মূৰত বান্ধি ল'লে আৰু আমি মছজিদৰ ভিতৰলৈ সোমাই গ'লো। ভিতৰলৈ গৈ দেখিলো যে মছজিদটোৰ সকলোবোৰ বস্তু কপেৰে তৈয়াৰী আছিল। মই কিছু সময় থৰ হৈ চাই ৰ'লো। কিযে চমৎকাৰ বস্তুবোৰ। তাত আকৌ পুজাৰী সকলে ময়ূৰৰ পাখীৰে আশীৰ্বাদ দিয়ে। এই দৃশ্যবোৰ আজিও মোৰ চকুত ভাহি আছে। সঁচাকৈয়ে অতি সুন্দৰ সেই দৃশ্য। এনেকৈ আমি মছজিদৰ পৰা ওলাই আহি তাৰ আশে-পাশে বহুতো বজাৰ দেখিবলৈ পাইছিলো। নানা ৰঙৰ বেগ, জোতা-চেণ্ডেল, কাপোৰ আদিৰে ভৰি আছিল সেই দোকানবোৰ। মোৰ মছজিদৰ পৰা ওলাই আহি প্ৰথমেই চকু গৈছিল সেই দোকানবোৰলৈ। কি যে ৰং-বিৰঙৰ বস্তুবোৰ সজাই থৈছিল সেই দোকানবোৰত ৰশ্মি আৰু মই ৰ'ব নোৱাৰি জিৰু ছাৰক কৈ আমি এখন দোকানলৈ সোমাই গ'লো আৰু তাৰ পৰা সৰু সৰু বস্তু কেইপদমান কিনি ল'লো। তাৰপিছত আমি টেম্পোৰে বাষ্টেণ্ডলৈ গ'লো। বাছত উঠি আমি আজমিৰলৈ বুলি ওলালো। ১২:৪৫ মান মান বজাত আমি আজমেৰ অৰ্থাৎ ব্ৰহ্মা মন্দিৰ গৈ পাইছো। আজমিৰৰো প্ৰায়বোৰ বস্তু কপেৰে তৈয়াৰী আছিল। তাত গৈও বহুত ভাল লাগিল। আজমিৰৰো সকলোবোৰ বস্তু অতি সুন্দৰ আছিল আজমেৰ চাই আমি হোটেললৈ বুলি বাছত উঠি ৰাওনা হ'লো। হোটেললৈ আহি থাকোতে আমি সকলোৱে বাছখনত বহুত স্ফূৰ্তি কৰিলো। সকলোৱে গাড়ীত গান লগাই দি নাচিবলৈ আৰম্ভ কৰিলোঁ। কোনে কি নাচিছে কোনো ঠিকনা নাই, কেৱল নাচিছেহে নাচিছে। কোনোবাই ভিডিঅ' কৰাত ব্যস্ত আকৌ কোনোবাই চিঞৰি চিঞৰি গান গাইছে, কোনোৱে আকৌ হাত তালি বজাইছে এনেকৈ সকলোৱে আনন্দত মতলীয়া হৈ পৰিছিলো। স্ফূৰ্তি কৰি আহি থাকোতে আমি কেতিয়া হোটেল আহি পালো গমকে নাপালো। হোটেল গৈ পাই আমি মুখ-হাত ধুই অলপ সময় জিৰাই লৈ ৰাতিৰ আহাৰ খালো। ৰাতিৰ আহাৰ খাই আমি আকৌ নিজৰ নিজৰ কমত গ'লো। আমি ৰাতিৰ আহাৰ খাবলৈ যাওঁতে নৱকান্ত ছাৰে ক'লে যে পিছদিনা ৰাতিপুৱাই হেনো আমি আমাৰ কপোৰ-কানিবোৰ বান্ধি সাজু হ'ব লাগিব, কিয়নো আমি ৰাতিপুৱা ফুৰিবলৈ গ'লে হোটেল আহি পাওঁতে আমাৰ গধূলি হ'ব আৰু গধূলি আমি হোটেলখন এৰি দিব লাগিব সেইবাবে আমাক ৰাতিপুৱাই আমাৰ বেগবোৰ বান্ধি সাজু কৰিবলৈ কৈছিল। কিন্তু মই ৰাতিপুৱালৈ নৈ থাকি ৰাতিৰ আহাৰ খাই আহি ৰাতিয়েই মোৰ কপোৰ-কানিবোৰ বান্ধি সাজু কৰি থলো আৰু তাৰ পিছত মই শুই থাকিলো। পিছদিনা ৰাতিপুৱা অৰ্থাৎ ০৯-০১-২০১৯ বুধবাৰে সোনকালে উঠি গা-পা ধুই Breakfast কৰি বাছত উঠিলো চিটি পেলেচলৈ বুলি, আমি ১০:৩৫ মান বজাত চিটি পেলেচ গৈ পালো আৰু চিটি পেলেচৰ সকলোবোৰ বস্তু আমি উপভোগ কৰিলো। সঁচাকৈয়ে বহুত ভাল লাগিছিল চিটি পেলেচলৈ গৈ। চিটি পেলেচ চাই আমি যাবলৈ ওলালো যন্তৰ-মন্তৰ চাবলৈ। তাত গৈ দেখিলো যে কিছুমান গ্ৰহ-নক্ষত্ৰৰ বিষয়ে তাত ধুনীয়াকৈ বুজাই দিয়া আছে। মই যদিও সেইবোৰৰ বিষয়ে ভালকৈ বুজি নাপালো তথাপিও তাত গৈ বহুতেই ভাল লাগিল। যন্তৰ-মন্তৰ চাই আমি যাবলৈ ওলালো হাৱা মেহেললৈ বুলি। গৈ গৈ আমি হাৱা মেহেল পালো। হাৱা মেহেলৰ সৌন্দৰ্য দেখি মই সপোন দেখা যেন পালো। সঁচাকৈয়ে ইমান ধুনীয়া বুলি মই সপোনতো ভবা নাছিলো। তাৰ সৌন্দৰ্যৰ কথা ক'বলৈ ভাষা নাই। কত যে মানুহ আছে সেই সৌন্দৰ্য চাবলৈ। গাইডজনে কোৱা

মতে হাৱা মেহেল হেনো ৰজা প্ৰতাপ সিংঙে বনাইছিল। হাৱা মেহেলৰ সৌন্দৰ্যবোৰ মোৰ চকুত আজিও স্মৃতি হৈ আছে আৰু সদায়েই থাকিব। হাৱা মেহেলৰ পৰা পাহাৰৰ সৌন্দৰ্য, সেই চহৰখনৰ সৌন্দৰ্য মই সকলোবোৰ দেখিবলৈ পাইছিলো। জয়পুৰৰ আটাইতকৈ ভাল লগা ঠাই হ'ল মোৰ বাবে হাৱা মেহেল। সঁচাকৈয়ে অতি আকৰ্ষণীয়, অতি সুন্দৰভাৱে ৰজা প্ৰতাপ সিংঙে এই হাৱা মেহেল সজাই তুলিছিল। অৱশেষত আমি হাৱা মেহেল উপভোগ কৰি তাত এখন গ্ৰুপ ফটো ল'লো কাৰণ সেইদিনাখন সকলোকে Uniform পিন্ধি যাবলৈ দিয়া হৈছিল। কিন্তু এই কথাটো মই আগতে গম পোৱা নাছিলো। সেইবাবে মই Uniform নিয়া নাছিলো। গতিকে মই বাহিৰা কাপোৰ পিন্ধি যাবলগীয়া হৈছিল। গ্ৰুপ ফটোখন লৈ আমি হাৱা মেহেলৰ ওচৰতে থকা এখন ডাঙৰ বজাৰত সোমাই যাকে যি প্ৰয়োজন তাকে কিনি ল'লো। বজাৰ কৰিবলৈ ছাৰহঁতে আমাক এঘণ্টা সময় দিছিল। সেই এঘণ্টাৰ ভিতৰত আমি সকলোৱে বজাৰ কৰি গোটেইখিনি মানুহ এঠাইত গোট হ'লো আৰু তাৰপিছত আমি সকলোৱে বিক্সাত উঠি বাছখনৰ ওচৰলৈ আহিলো। বাছত উঠি আকৌ আমি হোটেললৈ বুলি ৰাওনা হ'লো আৰু গধূলি ৫:৩০ মান বজাত আমি গৈ হোটেল পালো। হোটেল পাই কমত গৈ মুখ-হাত ধুই, সকলোবোৰ বস্তু ঠিকে-ঠাকে আছে নে নাই ভালদৰে চাই-মেলি আমি কমৰ পৰা তললৈ ওলাই আহিলো। কাৰণ সেইদিনাখন আছিল আমাৰ বিদায়। তাৰ পৰা আহিবৰ দিনা মনটো বহুত বেয়া লাগিছিল। আমি সকলোৱে ঘৰলৈ যাওঁ বুলি সাজু হ'লো। সন্ধিয়া ৭:০২ মান বজাত আমি হোটেলখনৰ পৰা বিদায় লৈ, বাছত উঠি আনন্দ বিহাৰ ষ্টেচনলৈ গ'লো। ৰাতি ১:৩০ মান বজাত আমি গৈ আনন্দ বিহাৰ ষ্টেচন পালোগৈ। আমাৰ গুৱাহাটী পল্টন বজাৰ ষ্টেচনলৈ অহা ৰে'ল যাত্ৰা আছিল ৰাতিপুৱা ৬:৪৫ বজাত। গতিকে আমি আনন্দ বিহাৰ ষ্টেচনত বহুত সময় ৰখিব লগা হ'ল। সেইখিনি সময়ত অৱশ্যে মই বহুত আমনি অনুভৱ কৰিছিলো। চকুত টোপনি লাগিলেও তাত শোৱাৰ ব্যৱস্থা নাই বাবে বহি বহিয়ে সময় কটাইছিলো। অৱশেষত আমাৰ ৰে'ল আহি পালে। গুৱাহাটী পল্টন বজাৰ ষ্টেচনলৈ যাত্ৰা কৰা ৰে'লখনৰ নাম আছিল 'North East Exp' আৰু আমাৰ দবা নম্বৰ আছিল S-5 আৰু মোৰ চিট নম্বৰ আছিল 35। মই গৈ মোৰ নিজৰ চিটত বহিলো। ৬:৫৫ মান বজাত আমাৰ ৰে'ল যাত্ৰা হ'ল গুৱাহাটী পল্টন বজাৰ ষ্টেচন অভিমুখে। এনেকৈ আমি ১১-০১-২০১৯ অৰ্থাৎ শুক্ৰবাৰে ৰাতি ১০:২০ মান বজাত গুৱাহাটী পল্টন বজাৰ ষ্টেচন পালো। ষ্টেচনৰ পৰা আমি দুখন মেজিক গাড়ী ভাড়া কৰিলোঁ। এনেকৈ মেজিক গাড়ীত উঠি আমি কলেজলৈ বুলি আহিলো। কোনো কোনোৱে অৱশ্যে আধা বাটতে নামিছিল কাৰণ সিহঁতৰ ঘৰ কলেজ নোপোৱাতে পোৱা বাবে সিহঁতে কলেজলৈ নাহি ঘৰৰ সন্মুখতে নামিছিল। এনেকৈ আমি ১১:২০ মান বজাত কলেজ আহি পালো। কলেজ আহি গাড়ীৰ পৰা নামিয়েই দেখিলো তাত বহুত ভিৰ কাৰণ সকলোকে নিজৰ নিজৰ অভিভাৱকে ঘৰলৈ নিব আহিছে। মইও ইফালে-সিফালে ঘূৰি চাই দেখিলো মোক নিবলৈ মোৰ দাদা আৰু দেউতা আহি ৰৈ আছে। দাদা আৰু দেউতাক দেখি মোৰ মনটো খুব ভাল লাগিল কাৰণ বহুত দিনৰ মূৰত সিহঁতৰ মুখ কেইখন দেখিছিলো। অৱশেষত মই মোৰ সকলো বান্ধৱীকে আৰু লগতে নবকান্ত ছাৰক মাত লগাই দাদা আৰু দেউতাৰ লগত মই ঘৰলৈ বুলি উভতি আহিলো। ঠিক ১২:০০ মান বজাত মই ঘৰ আহি পালো। আহিয়েই মই জিবু ছাৰক ফোন লগাই মই ঘৰ আহি পোৱা খবৰটো জনালোঁ আৰু তাৰ পিছত মই গা-পা ধুই, মায়ে বনাই থোৱা ভাত খাই শুই থাকিলো।

এয়াই আছিল মোৰ জয়পুৰলৈ যোৱা এটি ভাল লগা শুভ যাত্ৰা।

অৱশেষত মই এই যাত্ৰাটোৰ পৰা মোৰ লাভ হোৱা কথাখিনি মই তলত বৰ্ণনা কৰিলোঁ- এই শুভ যাত্ৰাটোৰ পৰা মই বহুখিনি অভিজ্ঞতা লাভ কৰিছো বুলি মই ভাবো। কাৰণ আগতে মই কেতিয়াও এনেকুৱা ধৰণৰ যাত্ৰা কৰি পোৱা নাছিলো। গতিকে এই যাত্ৰাই মোক বহুখিনি জ্ঞান দিছে বুলি মই ভাবো আৰু লগতে এই যাত্ৰাৰ পৰা মই বহুতো নজনা কথা শিকিব পাৰিছো, নেদেখা বস্তু দেখিবলৈ পাইছো আৰু লগতে বহুতো অভিজ্ঞতা লাভ কৰিব পাৰিছো। কাৰণ ইমান এটা দীঘলীয়া যাত্ৰা কৰাৰ অভিজ্ঞতা মোৰ নাছিল কিন্তু এই যাত্ৰাটোৰ পৰা মই সেই অভিজ্ঞতা লাভ কৰিছো। দ্বিতীয়তে, মই কেতিয়াও ৰে'ল যাত্ৰা কৰি পোৱা নাছিলো কিন্তু এই যাত্ৰাটোৰ জৰিয়তে মই ৰে'ল যাত্ৰা কৰাৰো সুযোগ পাইছো। তৃতীয়তে, মই মোৰ বান্ধৱী আৰু লগত শিক্ষাগুৰু সকলৰ লগত একেলগে ভ্ৰমণ কৰাৰ সুযোগ পাইছো। চতুৰ্থতে, মই সপোনত দেখা ঠাইবোৰ প্ৰকৃততে চাবলৈ সুযোগ পাইছো। তাতকৈ ডাঙৰ কথা হ'ল Excursion ত যোৱা ছোৱালীবোৰ আমি সকলোৱে একেখন কলেজত পঢ়ো অথচ আমি ইজনে-সিজনক চিনি নাপাও কিন্তু এই যাত্ৰাই আমাক সকলোকে চিনাকি কৰাই দিয়াত সহায় কৰিলে। ইয়াৰ উপৰিও জয়পুৰ নামটো কেনেকৈ উৎপত্তি হ'ল, হাৱা মহল কোনে বনাইছিল, Pink City কেনেকৈ উৎপত্তি হ'ল, উদয়পুৰ, মাধৱপুৰ, ভাৰতপুৰ এই নামবোৰ কেনেকৈ উৎপত্তি হ'ল, এনেকুৱা ধৰণৰ কিছুমান সৰু সৰু কথাও জানিব পাৰিছো। এইক্ষেত্ৰত মই মোৰ শিক্ষাগুৰু, নবকান্ত ছাৰ, জীৱেশ্বৰ ছাৰ, ইন্দ্ৰাণী মেম, আপোনালোক সকলোকে মই ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু আশাকৰোঁ পিছলৈয়ো যাতে এনেকুৱা ধৰণৰ সুবিধা আমাৰ হাতত আহে। এইখিনি কৈ মই মোৰ লিখনিৰ সামৰণি মাৰিলোঁ। ■





# ভুবনেশ্বৰ আৰু জগন্নাথ পুৰী দৰ্শন ঃ শিক্ষামূলক ভ্ৰমণ

✍ জিনু দাস
*অৰ্থনীতি বিভাগ*

২০২০ চনৰ ফেব্ৰুৱাৰী মাহৰ ৬ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ১৫ গৰাকী ছাত্ৰী আৰু ৫ গৰাকী শিক্ষকক ধৰি মুঠ ২০ গৰাকীৰ এটা দলে ভুবনেশ্বৰ পুৰীলৈ শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ সুবিধা পালো; আগতীয়াকৈ ৰে'লৰ টিকট, থকা-খোৱাৰ সকলো ব্যৱস্থা নিয়াৰিকৈ কৰাৰ পিছত ৬ তাৰিখে ৰাতিপুৱা ৬:২০ বজাত ৰে'লেৰে আমাৰ যাত্ৰা আৰম্ভ হয়। পিছদিনা ৰাতিপুৱা প্ৰায় ৯ মান বজাত আমি ভুবনেশ্বৰ পাওঁ। ভাৰতীয় ৰে'লৰ সময়ৰ নিয়মানুবৰ্তিতা আৰু চাফ-চিকুণতা আগতকৈ বহু উন্নত মানৰ দেখা গ'ল। ভুবনেশ্বৰত আগতে বুক কৰি থোৱা ট্ৰেভেলাৰ এখনে আমালৈ ৰৈ আছিল। সেইখনেৰে আমি পুৰীলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। প্ৰায় ডেৰ ঘণ্টা যোৱা যাত্ৰাৰ পিছত আমি পুৰীৰ হোটেল পালোঁ। হোটেলৰ কোঠাৰ খিৰিকিৰ পৰ্দা আঁতৰাওঁতেই জগন্নাথ মন্দিৰৰ চূড়াটো ৰঙা হালধীয়া পতাকাৰে সাগৰৰ বতাহৰ বিপৰীতে উৰি থকা দেখা পাই মনত বৰ আনন্দ লাগিল। গা-পা ধুই হোটেলত ব্ৰেকফাষ্ট কৰি এইবাৰ আমি কোণাৰ্কত অৱস্থিত সূৰ্য্য মন্দিৰ চাবলৈ গ'লো। সূৰ্য্য মন্দিৰত খচিত ভাস্কৰ্য্য কলাৰ কাৰু কাৰ্যবোৰ দেখি বহু সময় তভক লাগি চাই থাকিলো। অতীতৰ সমাজ ব্যৱস্থাৰ সম্পূৰ্ণ আভাস মন্দিৰত খচিত মূৰ্তিসমূহে প্ৰকাশ কৰিছে। কলিঙ্গ যুদ্ধত মানুহৰ তেজেৰে নৈ বৈ যোৱাত জনসংখ্যা বহুত হ্ৰাস পায়। গতিকে জনসংখ্যা বৃদ্ধিৰ বিভিন্ন কৌশল সমূহৰ অভূতপূৰ্ব কলাকাৰ্যসমূহে প্ৰতিজন পৰ্যটকক আকৰ্ষিত কৰি তুলিছিল। প্ৰায় ৩ ঘণ্টা মান মন্দিৰৰ কাৰুকাৰ্য চাই আমি পুৰীৰ হোটেললৈ উভতি আহিলো।

পিছদিনা অৰ্থাৎ ০৮-০২-২০২০ তাৰিখে আমাৰ জগন্নাথ মন্দিৰ দৰ্শনৰ দিন আছিল। আগদিনা হোটেল ঠিক কৰি দিয়া উড়িয়া পাণ্ডা এজন ৰাতিপুৱা ৫ বজাত মন্দিৰৰ দুৱাৰমুখত ৰৈ আছিল। আমি সকলোৱে গা-পা ধুই মন্দিৰত উপস্থিত হ'লো আৰু সন্মুখৰ সিংহদ্বাৰ খোল খোৱালৈ অপেক্ষা কৰিলোঁ। কিছু আন্ধাৰ আৰু পোহৰৰ মাজত ভক্তসকলে কৃষ্ণৰ ভজন কীৰ্ত্তন কৰি থকা শুনি মন মজি গ'ল। মুখেৰে আমিও গুণগুণাবলৈ ধৰিলোঁ। তেনেতে মন্দিৰৰ দুৱাৰ খোল খালে। আমাৰ কামাখ্যা দৰ্শনৰ নিচিনা তাত শাৰীপাতি যোৱাৰ নিয়ম নাই। ভক্ত সকলে হুৰ-হুৰাই মন্দিৰৰ ভিতৰলৈ সোমাই যোৱা দেখি আমিও হেতা-ওপৰা লগালো। পিছে পাণ্ডাজনে আমাক বাধা দি আৰু অলপ সময় ধৈৰ্য্য ধৰিবলৈ কোৱাত ৰৈ দিলো। আমি বাহিৰত কিনা মালা প্ৰসাদ তেওঁৰ হাতত দিলো। কিছু সময়ৰ পিছত পাণ্ডাজনে আমাক সাজু হ'বলৈ ক'লে আৰু গোটেই দলটোক একগোট হৈ তেওঁৰ পিছে পিছে আহি থাকিব ক'লে। কিছু সময় ভিৰ ঠেলি আগুৱাই গৈ থকাৰ পিছত আঁতৰৰ পৰাই ওখ বেদীত স্থাপিত জগন্নাথ মহাপ্ৰভু, বলোভদ্ৰ আৰু ভগ্নী শুভদ্ৰাক দেখিবলৈ পালো। এক অপূৰ্ব দৰ্শন, প্ৰশান্তিত মনটোৱে গোবিন্দ গোবিন্দ বুলি চিঞৰিবলৈ ধৰিলে। বলোৰামৰ বগা কাঠৰ বিগ্ৰহ, সুভদ্ৰাৰ কিছু হালধীয়া ৰঙৰ বিগ্ৰহ দৰ্শন হ'ল। কিন্তু চকু দুটাই জগন্নাথ মহাপ্ৰভুৰ ক'লা বিগ্ৰহৰ পৰা দৃষ্টি আঁতৰাই আনিবই নুখুজে। ভক্তৰ ভীৰত সন্মুখৰ পৰা কিছু আঁতৰলৈ আহি দেৱালত ভেজা দি বহু সময় প্ৰভুক চাই ৰ'লো। পাণ্ডাই তাতেই আমাক ফোঁট আৰু নিৰ্মালি দিলে। দৰ্শনত সন্তুষ্টি পালো নে নাই বুলি পাণ্ডাই সোধাত নাই পোৱা বুলি ক'লো আৰু তেতিয়াই পাণ্ডাই পুনৰ আমাৰ কেইজনমানক সিংহদুৱাৰেৰে প্ৰভুৰ দৰ্শনলৈ লৈ গ'ল। এইবাৰ যাত্ৰীৰ ভিৰ কিছু কম হোৱাত মাটিত আঠুকাঢ়ি সেৱা এটি কৰিবলৈ সক্ষম হ'লো। পাণ্ডাৰ পিছে পিছে আমি সকলোৱে আন আন মন্দিৰ চাবলৈ গ'লো।

জগন্নাথ মন্দিৰৰ আন এটি অংশ হ'ল ৰান্ধনিঘৰ বা পাকশালা য'ত মহাপ্ৰভুৰ বাবে মহাপ্ৰসাদ ৰন্ধা হয়। পৃথিৱীৰ ভিতৰত বৃহৎ এই পাকশালাত প্ৰায় ১২০০ জন মান মানুহে এই ভোগ ৰন্ধা কাৰ্যৰ লগত জড়িত হয়। চন্দন কাঠৰ ঢেকীত চাউল গুৰি কৰি থকা দৃশ্য, ৭০০ টা মাটিৰ চৌকাত মুঠ ৭ টা মাটিৰ পাত্ৰত ঠাক ঠাককৈ তুলি জুইত বহাই দি ৰন্ধা কাৰ্য্য নেদেখিলে বিশ্বাস নহয়। আচৰিত কথা যে একেবাৰে ওপৰত থকা পাত্ৰটোৰ খাদ্যখিনিহে আগতে সিজে। পাকশালাৰ কাষেদি গঙ্গা-যমুনা দুধাৰি জলধাৰা বৈ গৈছে। জগন্নাথ গোসাঁইলৈ মুঠ ৫৬ বিধ ব্যঞ্জন ৰন্ধা হয় আৰু দিনটোত ৪ বাৰকৈ এই ভোগ ব্যঞ্জন তেওঁলৈ আগবঢ়োৱা হয়। আমাৰ পাণ্ডাজনে

কলপাতত আমাক তাৰে ৮ বিধ ব্যঞ্জন পৰিবেশন কৰিছিল। তাৰ ভিতৰত শুদ্ধ ঘিউত বনোৱা মালপোৱা আৰু বগৰীৰ চাটনিৰ স্বাদ এতিয়াও জিভাত লাগি আছে। কলপাতত দিয়া মহাপ্ৰসাদ আমিও আঙুলি চেলেকাৰ পৰ্যায়লৈ খাবলৈ এৰা নাছিলো। ১০,০০০ জন মানুহৰ বাবে ভোগ বান্ধিলে প্ৰায় ১০০০০০ জন মানুহে এই ভোগ খাবলৈ জোৰে। কাৰণ স্বয়ং লক্ষ্মীদেৱীয়ে এই ভোগ বান্ধে। জগন্নাথ পুৰী হৈছে ভোগৰ ঠাই। এই ভোগ শ্ৰদ্ধা সহকাৰে গ্ৰহণ কৰিলে পেটৰ বিভিন্ন ৰোগৰ পৰা হাত সাৰিব পাৰি বুলি জনবিশ্বাস আছে। সেয়েহে বহু ভক্তই এই ভোগ খাবৰ বাবেই প্ৰতিবছৰে জগন্নাথ পুৰীলৈ আহে। হোটেলত খোৱাতকৈ মন্দিৰৰ চৌপাশত বহি ভোগ খোৱাৰ আনন্দ সুকীয়া। এই ভোগত কোনো ধৰণৰ বিদেশী পাচলি যেনে- আলু, কবি, কেপচিকাম, বিলাহী, জাতিলাউ আদি ব্যৱহাৰ নহয়। আদা, জালুক, মচলা হিচাপে ব্যৱহাৰ হয়। জলকীয়া ব্যৱহাৰ নহয়। ৰন্ধন কাৰ্য্য পুৰণি পৰম্পৰাগতভাৱে সম্পন্ন হয়। খৰিৰ জুই, মাটিৰ চৰু, পটাত পিচা মছলা, শুদ্ধ ঘিউ আদি ব্যৱহাৰ হয়। জুই জ্বলাবলৈ দিয়াচলাইও ব্যৱহাৰ নহয়। প্ৰভুৰ সন্মুখৰ অক্ষয় বন্তিৰ পৰা জুই আনি হোমাগ্নিৰে চৰুৰ তলত জুই দিয়া হয়। বাহিৰা মানুহৰ স্পৰ্শ নিষেধ। গোসাঁইৰ আগত ভোগ পৰিবেশন কৰাৰ আগতে প্ৰধান পুৰোহিতে হাতত পানী লৈ প্ৰভুৰ দৰ্শন পাব লাগিব। যদি নাপায় তেন্তে সেই ভোগ অশুদ্ধি বুলি ধৰা হয় আৰু সাগৰত পেলাই দিয়া হয়। পিছত পুনৰাই এই ভোগ ৰন্ধা হয়। মুঠতে এক অলৌকিক শক্তিৰ দ্বাৰা পৰিচালিত জগন্নাথ পুৰীৰ এই পাকশালা। কেমেৰা বৰ্জন হোৱা বাবে নিজ চকুৰে নেদেখিলে এই বৰ্ণনা আধৰুৱা হৈ ৰয়।

জগন্নাথ মহাপ্ৰভুৰ আৰু এক আচৰিত হ'ব লগা অংশ হৈছে নব কলেবৰ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া পিছলৈ লিখিম বুলি ইমানতে এই লিখনিৰ সামৰণি মাৰিলোঁ। ■

■ ■ ■ ■ ■

## সাঁথৰ

- অ' আই খেৰৰ ছাই কি বস্তুনো নোখোজাকৈ পায়?
- টোপনি।

- অলং দলং ছা মাজৰটো নকওঁ যা শেষৰটো লী উত্তৰটো কি?
- ছাগলী।

- আমাৰ ভাই অজলা, গাৰ বৰণ কজলা, খেদিলে নাযায়, নেখেদিলে যায়, ভাই বৰ জধলা।
- শামুক।

- আন্ধাৰ ৰাতি, পিচল বাট বত্ৰিশডাল গছৰ মাত্ৰ এটা পাত।
- জিভা।

সংগ্ৰাহক ঃ **চুমি দাস**, *স্নাতক, ৪ৰ্থ ষাণ্মাষিক*



# শিতান ভিন্ন দৃষ্টিভঙ্গী


- কলেজীয়া জীৱনৰ অভিজ্ঞতা
- কোন পিনে অসমীয়াৰ জাতীয় উৎসৱ বিহু
- গীতাৰ জীৱনৰ লক্ষ্য
- সংৰক্ষণ
- মানুহৰ ভুল ধাৰণা আৰু ইয়াৰ পৰিণতি
- নাৰীৰ মুক্তি কেতিয়া
- নাৰী শিক্ষাৰ আৱশ্যকতা
- জীৱন দলিচা ঃ এক অভিজ্ঞতা
- Report on Republic day Parade Camp 2020, New Delhi
- গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা, দিনাংক ঃ ০৩ ৰ পৰা ০৬ ফেব্ৰুৱাৰীলৈ, ২০২০ চন
- বিধৱাৰ বিয়া ঃ এক চিন্তা






# কলেজীয়া জীৱনৰ অভিজ্ঞতা

✍ ধীৰামণি তালুকদাৰ
স্নাতক, ৫ম ষাণ্মাষিক

পঢ়ি থকা জীৱনৰ আটাইতকৈ মনোমোহা, ৰঙে ৰসে উপচি পৰা, মধুৰ স্বপ্নালীৰ আবেগেৰে ভৰপূৰ বৈচিত্ৰ্যময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। কলেজীয়া জীৱন আনন্দ মাধুৰ্য্যপূৰ্ণ আশা-আকাংক্ষাৰে ভৰপূৰ। এইছোৱা কালতে ছাত্ৰ-ছাত্ৰীৰ মনত বাস কৰে নতুন নতুন সপোন, নতুন মধুময় কল্পনাই। এনে এছোৱা সময়ৰ মধুৰ অবিস্মৰণীয় স্মৃতি, মানৱ জীৱনৰ সমগ্ৰ কালছোৱাত হৈ ৰয় চিৰ সেউজীয়া, বৰ্ণালীৰ সাতো ৰঙৰ দৰে সৌন্দৰ্যময়।

মুক্ত আকাশৰ তলত, মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱনৰ বাট পোহৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াৰ সুন্দৰ পৰিৱেশ কলেজত বিৰাজমান। নিজৰ প্ৰতিভা মুক্তভাৱে প্ৰকাশ কৰিবলৈ আৰু সেই প্ৰতিভাৰ বিকাশৰ বাবে অলেখ সুযোগ পোৱা যায় কলেজত। স্কুলীয়া জীৱনত পোৱা বাধ্যবাধকতা, কঠোৰ অনুশাসন আদিৰ পৰা কলেজৰ পৰিৱেশ মুক্ত হ'লেও ভৱিষ্যৎ জীৱনৰ লক্ষ্যৰ, আশা-আকাংক্ষা কামনা আদিৰ সোণোৱালী পথ সন্মুখত থকাত স্বাভাৱিকতে দায়িত্বশীলতা আহি পৰে। অৱশ্যে এইটোও নুই কৰিব নোৱাৰি যে প্ৰকৃত দায়িত্ব নুবুজি যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ কঠোৰ শাসনৰ পৰা মুক্ত হৈ নিজকে সম্পূৰ্ণ মুক্তভাৱে এৰি দিয়ে, সেইসকলৰ জীৱন শেষত বিফলতাৰ ভৰাল হৈ পৰে। গতিকে কেতিয়াবা মুক্ত পৰিৱেশে তেওঁলোকৰ জীৱনৰ সুযোগৰ সোণোৱালী পথত বাধা জন্মায় তেওঁলোকৰ জীৱন অন্ধকাৰ কৰি তুলিব পাৰে। সেই দিশলৈ বিদ্যাৰ্থীসকলে লক্ষ্য কৰা উচিত।

ভৱিষ্যতৰ কৃতকাৰ্যতাপূৰ্ণ, সুন্দৰ জীৱন গঢ়াৰ কৰ্মশালা কলেজসমূহ, বিদ্যাৰ্থীসকলৰ সাধনাৰ একোখন মহাআশ্ৰম। এই মহাআশ্ৰমৰ ছাঁত গঢ়ি উঠে ভৱিষ্যতৰ সম্ভাৱনাময় একোটা মহান জীৱন। বিদ্যালয়ৰ শিক্ষা জীৱন সাং কৰি ওলাই অহাসকলে মনত বহুতো সপোন, আশা, লক্ষ্য আদিৰে নিজ নিজ পছন্দৰ একোখন মহাবিদ্যালয়ত প্ৰৱেশ কৰে আৰু তেতিয়াই প্ৰৱেশ কৰিয়ে বহুতো বিদ্যাৰ্থীয়ে কেতিয়াবা বিপৰ্যয়ৰ সন্মুখীন হয় ৰেগিং নামৰ মহামাৰীটোৰ কবলত পৰি। বহুতৰ বাবে ৰেগিং এক বিভীষিকা। এই বিভীষিকাৰ মাজত মানসিক ভাৰসাম্য হেৰুৱাই দুই এক শিক্ষাৰ্থীয়ে শিক্ষাজীৱন অতি কম সময়তে সমাপ্ত কৰে। বৰ্তমান সময়ত বহুতো কলেজত ৰেগিং নামৰ মহামাৰীটোৰ প্ৰভাৱ কমি আহিছে যদিও, কিছুমান মহাবিদ্যালয়ত আজিও চলি থকা দেখা যায়। প্ৰকৃতপক্ষে ৰেগিং এক নিৰ্দোষ ধেমালিহে হোৱা উচিত। ধেমালিৰ সীমা অতিক্ৰম কৰি গৈ কোনো শিক্ষাৰ্থীক মানসিকভাৱে অত্যাচাৰ বা হেঁচা দিব নালাগে, এনে অত্যাচাৰ বা প্ৰভাৱে অৱশেষত বিভীষিকাত পৰিণত হয়।

ইয়াৰ পাচৰ পৰ্যায়টো কিন্তু আকৰ্ষণীয় আৰু অতিশয় সৌন্দৰ্যপূৰ্ণ। কলেজৰ পুৰণি বিদ্যাৰ্থীসকলে নৱাগতসকলক আৱেগ আৰু অনুভূতিৰে আগবঢ়ায় নি আদৰণি জনোৱা অনুষ্ঠানটি মহামানৱৰ মহাসাগৰত মহামিলনৰ মনোৰম নিদৰ্শন। মৰম চেনেহৰ মাজেৰে ভাব বিনিময়ৰ যোগেদি অচিনাকিৰ লগত চিনাকি হৈ আপোনজন বুলি চেনেহেৰে বুকুত সাৱটি লৈ, নৱাগতসকলক দীক্ষিত কৰা এই অনুষ্ঠানটিক আমি দীক্ষাৰম্ভ অনুষ্ঠান বুলি অভিহিত কৰিব পাৰোঁ। এই অনুষ্ঠানটিৰ যোগেদি আমি শিকিবলৈ সমৰ্থ হওঁ নিজৰ দায়িত্ব, কৰ্তব্যৰ কথা।

কলেজসমূহ উচ্চ জ্ঞানৰ মন্দিৰ। উচ্চ শিক্ষাৰে শিক্ষিত, উচ্চ অৰ্হতাসম্পন্ন অধ্যাপক-অধ্যাপিকাসকলৰ উচ্চমানৰ শিক্ষাদান কাৰ্যই এই জ্ঞান মন্দিৰ পোহৰাই তোলে। যাৰ জৰিয়তে এক নতুন জীৱন গঢ়াৰ প্ৰচেষ্টা কৰা হয়, নজনা কথা শিকা হয় বহুতো জ্ঞান অৰ্জনৰ উপৰি নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ কথা বুজা যায়। কলেজত অধ্যয়নৰ সময়ছোৱাৰ মাধুৰ্য্য আৰু বেছি মাধুৰ্য্যময় কৰি তোলে কলেজ সপ্তাহ, সাংস্কৃতিক সমাৰোহ আদি বাৰেৰহণীয়া অনুষ্ঠানসমূহে। সেইবাবে অধ্যয়নৰ এই সময়ছোৱা কেৱল জ্ঞান আহৰণৰ বিস্তীৰ্ণ কলাক্ষেত্ৰই নহয়, ই হৈ পৰে নিজকে স্বকীয় প্ৰতিভা আৰু গুণৰাজিৰে জকমকীয়াকৈ সজোৱাৰ সুন্দৰ এক বিশাল মঞ্চক্ষেত্ৰ। সেইবাবে কলেজত অধ্যয়নৰ কালছোৱা প্ৰতিজন বিদ্যাৰ্থীৰ বাবে হৈ পৰে বৰ মোহনীয়, অতি আপুৰুগীয়া।

শিক্ষা জীৱনৰ আটাইতকৈ মনোৰম কল্পনা, আশা-আকাংক্ষাৰে সমৃদ্ধ এই সময়ছোৱাৰ সদ্ব্যৱহাৰ আৰু জীৱনটোক সঠিক আৰু সত্যৰ পথত পৰিচালনাৰ ওপৰতে আমাৰ সুন্দৰ, মহীয়ান জীৱন নিৰ্ভৰশীল। কল্পনাৰ পৃথিৱীত ডুব গৈ, তাৰ সৌন্দৰ্যত মুগ্ধ হৈ জীৱনৰ একো একোটা পল উপলব্ধি কৰা যায় এই সময়ছোৱাতে।

গতিকে এই সময়ছোৱাই আমাৰ জীৱনলৈ কঢ়িয়াই অনা সোণোৱালী সুযোগবোৰৰ দুৰ্ব্যৱহাৰ নকৰি প্ৰতিটো মুহূৰ্ত সদ্ব্যৱহাৰ কৰাৰ যত্ন কৰা উচিত।

# কোন পিনে অসমীয়াৰ জাতীয় উৎসৱ বিহু

✍ মমতা দাস
স্নাতক, ১ম যাণ্মাষিক

তাহানিৰ বিহু আৰু আজিৰ বিহুৰ মাজত আকাশ পাতালৰ পাৰ্থক্য। তাহানিৰ বিহুৰ সুবাসে সকলোপিনে আমোলমোলাই তুলিছিল। কিন্তু আজিৰ বিহুৰ সুবাস নাই, যেন এটা ফুলদানিত সজাই থোৱা প্লাষ্টিকৰ ফুলৰ থোপা।

জাতীয় উৎসৱ বিহু এতিয়া ক'ত আৰু কোনফালে ধাৱমান। কৃষকসকল এতিয়াও বাৰু সঁচাকৈয়ে বিহুৰ লগত জড়িত নে? গাভৰুসকলে এতিয়া তাঁতত বহি সুন্দৰ ফুলৰ বুটা বাছেনে? এতিয়াৰ ডেকা-গাভৰুৱে সঁচাকৈয়ে মনৰ আনন্দত বুঢ়া আঁহতৰ তলত নাচেনে? এনেবোৰ প্ৰশ্নৰ এতিয়া একো মূল্য নোহোৱা যেনেই হৈ পৰিছে।

কিন্তু বসন্তৰ আগমনে গছ-গছনিত কুঁহিপাত মেলে, কুলি-কেতেকীৰ মাতে আকাশ বতাহ কঁপাই তোলে। গছৰ ডালত কপৌফুল ফুলে। তাহানিৰ কৃষক আৰু আজিৰ কৃষকৰ মাজত পাৰ্থক্য আছে। তাহানিৰ পাহাৰ পৰ্বতত গছ-গছনি আছিল। সময়মতে ধৰাৰ বুকুলৈ বৰষুণ আহিছিল। কৃষকসকল আনন্দত নাচিছিল আৰু আনন্দমনে কৃষিকাৰ্যত নামি পৰিছিল। কিন্তু এতিয়া দ্ৰুতগতিত জনসংখ্যা বৃদ্ধি পাইছে। পাহাৰৰ গছ-গছনি কাটি তহিলং কৰিছে। মাটিৰ উৰ্বৰা শক্তি হ্ৰাস পাইছে। অসৎ কপটসকলৰ তাড়ণাত পৰি কৃষিভূমি অন্যলৈ হস্তান্তৰ হৈছে। এতিয়া কৃষকৰ মুখত হাঁহি নাই, মনৰ আনন্দ নাই, সেয়ে নাচিব পৰা নাই। এতিয়াৰ কৃষকসকল জীৱন-যাপনৰ তাড়ণাত পৰি ক্ৰন্দকাই থাকিবলগা হৈছে। মেৰুদণ্ড যেন ভাঁজ খাই গৈছে। এইদৰে কৃত্ৰিমভাৱে অসমীয়াৰ বিহু আৰু কিমান দিনলৈ চলিব?

এতিয়া সময় আহিছে আমি আমাৰ পুৰণি সংস্কৃতিৰ মাজলৈ আকৌ ঘুৰি যোৱাৰ। ■

# গীতাৰ জীৱনৰ লক্ষ্য

✍ জিমি কলিতা
স্নাতক, ৩য় যাণ্মাষিক

গীতা অতিকৈ দুখীয়া ঘৰৰ একমাত্ৰ ছোৱালী। তাইৰ দেউতাকে দিন হাজিৰা কৰে, মাক ঘৰৰ গৃহিণী আছিল। তেনেকৈ বহুত কষ্টৰে সিহঁতৰ তিনিজনীয়া পৰিয়ালটো চলিছিল। মাক-দেউতাকে ভবিষ্যতৰ সপোন দেখিছিল গীতাৰ ওপৰত আশা কৰিছিল তাই ভালকৈ পঢ়ি-শুনি আগুৱাই যাবলৈ। এই পৃথিৱীত টকাৰ অবিহনে যে একোৱে নহয় এই কথাটো মাক-দেউতাকে বুজিছিল যদিও তাইৰ মাজত এক ৰঙীণ সপোন বিচাৰি পাইছিল। তাইও মাক-দেউতাকক কৈছিল— মই এদিন ডাঙৰ মানুহ হৈ তোমালোকৰ আশা পূৰণ কৰিবলৈ যত্ন কৰিম। গীতাৰ মেট্ৰিক পৰীক্ষাৰ কাষ চাপিলে আৰু ভাল ফল পাবলৈ চেষ্টা কৰিলে। তাইৰ ঘৰুৱা শিক্ষাগুৰুৰ ব্যৱস্থা কৰি দিব পৰা নাছিল মাক-দেউতাকে, আনকি তাই চাকিৰ পোহৰত পঢ়িছিল। তাইৰ পৰীক্ষাৰ ৰিজাল্ট দিলে, তাই দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ অসমীয়া বিভাগত দুই নম্বৰৰ কাৰণে লেটাৰ মাৰ্ক নাপালে, তাইৰ বহুত দুখ লাগিল কান্দিব ধৰিলে। তাইক মাকে ক'লে— আজিকালিৰ প্ৰজন্মৰ দৰে আমি তোমাক একো সুবিধা দিব নোৱাৰাৰ পিছতো যে তুমি ইমান কষ্টৰে ইমান আগবাঢ়িব পাৰিছা তাৰবাবে আমি সুখী। সেইটোৱে আমাৰ কাৰণে গৌৰৱ আৰু ভবিষ্যৎ আগুৱাই যাবলৈ চেষ্টা কৰা। গীতাই ভালকৈ পঢ়িবলৈ চেষ্টা কৰিলে আৰু তাই মিৰ্জাৰ ছোৱালী মহাবিদ্যালয়ত নামভৰ্তি কৰি ভবিষ্যতৰ আশা মাক-দেউতাকৰ ৰঙীণ সপোনবোৰ বুকুত বান্ধি আগুৱাই যাবলৈ চেষ্টা কৰিলে। গীতাই জীৱনৰ লক্ষ্য হিচাপে বাছি লৈছিল মাক-দেউতাকৰ আশা পূৰণ কৰাটো। ■





# সংৰক্ষণ

✍ নিৰল শৰ্মা
মুখ্য সহায়ক

বৰ্তমান বা অতীতৰ যিকোনো স্থাৱৰ বা অস্থাৱৰ সম্পদ ভৱিষ্যতৰ বাবে ৰাখি থোৱা মানেই হ'ল সেই সম্পদ সংৰক্ষণ কৰা। আদিম যুগৰ পৰাই জীৱ মাত্ৰেই সংৰক্ষণ কৰাৰ প্ৰমাণ পোৱা যায়। যাৰ ফলস্বৰূপে আজিও পৃথিৱীৰ লগতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ৰহস্যকে আদি কৰি কিছুমান প্ৰমাণ পোৱা হৈছে। কালক্ৰমত মানুহৰ সংৰক্ষণৰ ফলতেই বিভিন্ন সামগ্ৰীৰ জৰিয়তে সংগ্ৰহালয়বোৰ গঢ় লৈ উঠিছে। আজিৰ আলোচনাত ছাত্ৰ-ছাত্ৰী সকলে কৰিবলগীয়া সংৰক্ষণৰ বিষয়েহে আলোচনা কৰা হৈছে।

অধ্যয়ন কৰা ছাত্ৰ সমাজে বিদ্যা আৰু জ্ঞান অৰ্জন কৰে। তেওঁলোকে বিদ্যা অৰ্জনৰ সময়ত নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে সম্পূৰ্ণ সজাগ নহয় বাবে কিছুমান কথা আনে ক'বলগীয়া হয়। আনে যেতিয়া নতুনকৈ কিছুমান কথা কয় তেতিয়া ছাত্ৰ সকলে সেইবোৰ উপলব্ধি কৰে। তাৰ ফলতেই ছাত্ৰসকলৰ ভৱিষ্যৎ গঢ় লৈ উঠে। নিজৰ নিজৰ ৰুচি অনুযায়ী কিছুমান কাম কৰিবলৈ আৰম্ভ কৰে। বহু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ জৰিয়তেও ৰুচিবোধ জাগ্ৰত হয়। ছাত্ৰসকলৰ সীমিত জ্ঞানেৰে কিছুমান কাম কৰিবলগীয়া বুলি ভাব নহয়, কিন্তু আনে দৃষ্টিগোচৰ কৰাৰ পিছতে তেওঁলোকৰ মাজতো তেনে কাম কৰাৰ বাবে আগ্ৰহ জন্মে।

ছাত্ৰ সমাজে প্ৰথমেই নিজৰ নাম আৰু সম্পূৰ্ণ ঠিকনা সদায় একে হোৱাৰ কথাটোত অতি গুৰুত্ব প্ৰদান কৰিব লাগে। স্কুলীয়া জীৱনতে নাম ঠিকনা শুদ্ধৰূপত জানিব লাগে। ইয়াৰ পিছত প্ৰতি পৰীক্ষাৰ প্ৰৱেশ পত্ৰ, পঞ্জীয়ন পত্ৰ, নম্বৰ তালিকা আৰু প্ৰমাণ পত্ৰ একোটা সুকীয়া ফাইলত মূল সমূহ আৰু সেইবোৰৰ সুন্দৰকৈ কৰা ফটোষ্টেট কমেও দুটাকৈ এটা বেলেগ ফাইলত ৰখাৰ ব্যৱস্থা কৰিব লাগে। সেই আটাইবোৰ প্ৰমাণ পত্ৰ কোনো কাৰণতে ভাঁজ লগাব নালাগে। ইয়াৰ পিছত কলেজীয়া দিনৰ নামভৰ্তিৰ ৰচিদকে আদি কৰি বিভিন্ন প্ৰমাণ পত্ৰ (খেল, সাংস্কৃতিক বা সাহিত্য আদিত প্ৰাপ্ত), বাতৰি কাকতৰ বিভিন্ন বাতৰিৰ কাটিং আদি বেলেগ বেলেগকৈ ফাইল কৰিব লাগে। আন এটা সংৰক্ষণ কৰিব লগা সামগ্ৰী হ'ল ফটো এলবাম আৰু চি.ডি., ভি.ডি.অ'. আদি। এনেবোৰ সামগ্ৰী জীৱনত দ্বিতীয়বাৰ পোৱা নাযায়।

ইয়াৰ বাহিৰেও নিজে ব্যৱহাৰ কৰা নিজৰেই ভাল লগা কাপোৰ, টুপী, জোতা-চেণ্ডেল, ঘড়ী, অটোগ্ৰাফ, খেলনা-পুতলা ইত্যাদি সংৰক্ষণ কৰিব পাৰে। এইবোৰে স্মৃতিবোৰ সেউজীয়া কৰি ৰাখে।

ইয়াৰ উপৰিও পৰিয়ালৰ কিছুমান আপুৰুগীয়া সামগ্ৰী, বিভিন্ন কিতাপ, ফটো, বাচন-বৰ্তন, উপৰি পুৰুষে এৰি থৈ যোৱা সামগ্ৰী, পৰিয়ালৰ মাটি-বাৰী সংক্ৰান্তিয় কাগজ-পত্ৰ, অলংকাৰ ইত্যাদি।

ছাত্ৰসকলে ৰুচি অনুযায়ী আন কিছুমান সামগ্ৰী সংৰক্ষণ কৰিও স্মৃতি ৰক্ষা কৰিব পাৰে। কিছুমান চিঠি-পত্ৰ, মুদ্ৰা, বিভিন্ন টিকট, বিভিন্ন লোকৰ ফটো (সাহিত্যিক, বৈজ্ঞানিক, পুৰস্কাৰপ্ৰাপ্ত লোক, খেলুৱৈ, নেতা আদি)।

ইয়াৰ বাহিৰেও ৰুচি অনুযায়ী ছাত্ৰ সমাজে সকলো পৰাই যদি বিভিন্ন ধৰণে সামগ্ৰী সংৰক্ষণ কৰে তেনেহ'লে এটা সময়ত সেইবোৰ দেখিলে তাৰ পৰা কিছুমান উপকাৰ পাব আৰু মনত স্মৃতিবোৰ সজীৱ হৈ থাকিব। যিসকলে সামগ্ৰীবোৰ যেনি-তেনি ৰাখে তেওঁলোকে সময়ত একোকে বিচাৰি নাপায় আৰু হাৱাশাস্তি খায়। সেয়ে সামগ্ৰী সংৰক্ষণৰ ব্যৱহাৰ সকলো পৰা কৰিব লাগে। এষাৰ ইংৰাজী আপ্ত বাক্যৰে সামৰিব বিচাৰিছো- "Old is Gold"।

■ ■ ■ ■ ■

# মানুহৰ ভুল ধাৰণা আৰু ইয়াৰ পৰিণতি

✍ চন্দামিতা শৰ্মা
*উঃ মাঃ, ২য় বাৰ্ষিক*

বৰ্তমানৰ যুগ হৈছে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগ। বিজ্ঞানে বৰ্তমানৰ সময়ৰ লগত একেলগে খোজ মিলাই আগবাঢ়ি গৈছে। কিন্তু বিজ্ঞানৰ এই চৰম উন্নতিৰ দিনতো দেখোন মানুহৰ কু-কৰ্মবোৰ দিনকদিনে বাঢ়ি গৈ আছে। একালে বিজ্ঞানে আবিষ্কাৰ কৰা বিভিন্ন প্ৰযুক্তি বিদ্যাৰ প্ৰচলন আৰু আনফালে মানুহে সৃষ্টি কৰা কিছুমান অন্ধবিশ্বাস, কু-সংস্কাৰ। বিজ্ঞানে যিদৰে পৃথিৱীখনক আগুৱাই নিয়াৰ প্ৰচেষ্টা চলাইছে তাৰ বিপৰীতে আকৌ কিছুমান অসৎ, অজ্ঞানী লোকে পৃথিৱীখনক অধিক তললৈ নিয়াৰ প্ৰয়াস চলাইছে। বৰ্তমান সমাজত এচাম লোকৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বাবে প্ৰতিবছৰে ঘটি আহিছে ইটোৰ পিচত আনটো ঘটনা। এতিয়াৰ সমাজত বিশেষকৈ বৃদ্ধি পাইছে মবেল পুলিচৰ ঘটনা। যিয়ে নিজে আইন হাতত তুলি লৈ নিজৰ মনলৈ অহা যিকোনো ব্যক্তিকে তেওঁৰ বিষয়ে নজনাকৈয়ে হত্যাৰ দৰে কু-কৰ্ম হাতত লোৱা দেখা গৈছে। ইয়াৰ উদাহৰণ হিচাপে আমি ক'ব পাৰোঁ যে যোৱা ২০১৮ ইং বৰ্ষৰ ৮ জুন তাৰিখে কাৰ্বিআংলং জিলাৰ ডকমকাত সংঘটিত কাণ্ডই সমগ্ৰ ৰাজ্য জোকাৰি গৈছিল।

কাৰ্বিআংলঙৰ প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ গৈছিল নীলোৎপল আৰু অভিজিৎ নামৰ দুই যুৱকে। কিন্তু তেওঁলোকক এই সৌন্দৰ্যই আঁকোৱালি নল'লে। কাৰ্বিআংলঙৰ নৰপিশাচৰ হাতত তেওঁলোকে মৃত্যুবৰণ কৰিলে। এই কৰুণ মৃত্যুই সকলোকে জুৰুলা কৰি থৈ গৈছিল। ছ'চিয়েল মিডিয়াত হোৱা অপপ্ৰচাৰত ভোল গৈ নিজে আইন হাতত তুলি লৈ দুই প্ৰকৃতিপ্ৰেমী যুৱকক সোপাধৰা সজাই হত্যা কৰিলে। সিহঁতে পৃথিৱীৰ বিভিন্ন ঠাই ঘূৰি আহিলে, কিন্তু নিজৰ ঠাইৰেই প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ গৈ ভুল কৰিলে। "আমাক নামাৰিব। আমি কোনো সোপাধৰা নহয়, আমি অসমীয়াহে।" তেওঁলোকে এইদৰে কৈ বাৰে বাৰে অনুৰোধ কৰাৰ পাচতো অসমীয়াই অসমীয়াক চিনি নাপালে? অসমীয়া জাতিটোক সকলোৰে আগত লজ্জিত কৰি তেওঁলোকে কি পালে? ডকমকাত সংঘটিত এই ঘটনাটোক লৈ বহু ঠাইত আন্দোলনো হ'ল, যুৱক দুজনৰ জীৱন শৈলীক লৈ আলোচনাও হ'ল, কাকতে-পত্ৰই কেৱল তেওঁলোকৰ কথা। কিন্তু কি হ'ল— আৱৰ্জীয়ে নৰপিশাচ কেইটাক ধৰিলে আৰু তাতেই সকলো সমাপ্ত। সেই যুৱক দুগৰাকীয়ে জীৱনৰ পথত খোজ পেলাইছিলহে মাত্ৰ। কিন্তু তাতেই থমকি ৰৈ গ'ল সিহঁতৰ খোজ।

এনেকুৱা আৰু বিভিন্ন ধৰণৰ ঘটনা আমাৰ সমাজত চলি আহিছে। ভাৰতত এফালে নাৰীক দেৱী হিচাপে পূজা কৰে আৰু আনফালে সেই দেৱৰূপী নাৰীক নিৰ্যাতন কৰি, ডাইনী সজাই ভাৰতীয় পুৰুষে নিজৰ চৰিত্ৰ উদঙাই আছে। সঁচাকৈয়ে ভাবিলে ই কেৱল আশ্চৰ্যজনক নহয় লজ্জাজনকো। যি সমাজত এগৰাকী নাৰীয়ে দেশ চলাইছে, বিমান উৰুৱাইছে, হেজাৰ হেজাৰ নৱ প্ৰজন্মৰ মাজত শিক্ষাৰ সম্প্ৰসাৰণ ঘটাইছে। এক কথাত ক'বলৈ গ'লে নাৰীয়ে কৰিব নোৱাৰা কাম একোৱেই নাই। বৰ্তমান সমাজত নাৰীয়ে পুৰুষতকৈ বহুগুণে আগুৱাই গৈছে। এইক্ষেত্ৰত জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল যে— 'এজন ল'ৰাক শিক্ষিত কৰি তোলা মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষিত কৰি তোলা মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।' বৰ্তমান বহুতো নাৰীয়ে পুৰুষে কৰিব নোৱাৰা কিছুমান কাম কৰি সমাজৰ প্ৰতিজনী মহিলাৰ বাবে আদৰ্শ হৈ পৰিছে। সংখ্যাত ই তাকৰ যদিও উদাহৰণ স্বৰূপে হিমা দাস— যিয়ে দৌৰ খেলত ভাৰতক প্ৰতিনিধিত্ব কৰি সফলতাৰে অসমৰ বাবে সুনাম কঢ়িয়াই আনিছে, কল্পনা চাওলা— যি ভাৰতৰ প্ৰথম মহিলা মহাকাশ পৰিভ্ৰমণ কৰি বিশ্ববাসীক চমক দেখুৱাইছিল, কনকলতা— যিয়ে ১৪ বছৰ বয়সতে স্বাধীনতাৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছিল, মামণি ৰয়ছম গোস্বামী— যিয়ে বিধৱা মহিলাৰ সংজ্ঞা আৰু নিজৰ জন্মপল্লীৰ ভবিষ্যৎ বাণীও সলনি কৰাই সমাজৰ বাবে সৎ আদৰ্শ হৈ পৰিছিল। কিন্তু সেই নাৰীকেই পুৰুষে বৰ্তমানো যৌতুকৰ বাবে অত্যাচাৰ কৰে, নাৰীক শাৰীৰিক আৰু মানসিকভাৱে দুৰ্বল কৰি আহিছে, নাৰীক ডাইনী সজাই হত্যা কৰিছে। এই অন্ধবিশ্বাস, কু-সংস্কাৰৰ ভুল ধাৰণাৰ পৰা সমাজ বাৰু কেতিয়া মুক্ত হ'ব? আৰু কিমান সময় অপেক্ষা কৰিব লাগিব?

শেষত মই কেৱল ইয়াকেই ক'ব বিচাৰোঁ যে, মানুহবোৰ সকলো বৈজ্ঞানিক মনৰ হওক। তেওঁলোকে ভুল ধাৰণাবোৰ আঁতৰ কৰি এক সুন্দৰ সমাজ গঢ়াত নিজকে নিয়োগ কৰক। তেহে আমাৰ সমাজখন আগুৱাই যাব পাৰিব। ■





# নাৰীৰ মুক্তি কেতিয়া

✍ মিতালী কলিতা
*স্নাতক, ৩য় ষাণ্মাষিক*

মানুহৰ জীৱনৰ ঘাত-প্ৰতিঘাতৰ সীমা নাই বিশেষকৈ নাৰীসকলৰ। আজিকালি এবাৰ কথা প্ৰায়ে শুনা যায় 'Lady's first' এইষাৰ কথাই সাধাৰণ শ্ৰেণীৰ মহিলাৰ বুকুত গুলিয়ে আঘাত কৰাদি কৰে। আকৌ আমি দেখি আহিছোঁ যে, সকলো পূজা-অৰ্চনা দেৱীৰ নামত অৰ্থাৎ নাৰীয়ে আগস্থান পায় কিন্তু তাৰ পিচতো সাম্প্ৰতিক সময়ত দেখা পোৱা যায় যে নাৰীসকলে প্ৰত্যেকদিনে মানসিক, শাৰীৰিক নিৰ্যাতন, বলৎকাৰ, অপমানিত হওঁ বিভিন্ন ব্যৱহাৰৰ মাজেদি। কিয় এনে হয়?

আচলতে সমাজখন পুৰুষকেন্দ্ৰিক চিন্তাৰ সমাজ। ইয়াত নাৰীৰ কোনো স্থান নাই, মান নাই আছে মাথোঁ চাৰিওফালে লঘু-লাঞ্ছনা, বঞ্চনা। আমাৰ সমাজৰ প্ৰত্যেক পৰিয়ালত দেখা যায় যে পৰিয়ালৰ মুৰব্বী কেৱল পুৰুষেই হয়। সকলো সময়তে নাৰী পুৰুষৰ তলতেই থাকিবলগীয়া হয়। আকৌ আনফালে আছে সমাজত নাৰী হোৱা সামাজিক যন্ত্ৰণা। কিছুমান বাক্য শুনো প্ৰায়ে— তুমি ছোৱালী, তুমি তিৰোতা মানুহ এইবোৰ কৰিব নাপায়, এইবোৰ নচুৱা আৰু বহুত কৰ্কথনা। মুঠৰ ওপৰত ক'বলৈ গ'লে নাৰী এগৰাকীয়ে অশেষ কষ্ট কৰি দেশৰ নাম ৰাখিলেও এই তথাকথিত সমাজ ব্যৱস্থাত আমি নাৰীবোৰ মানুহ হোৱাৰ পৰা বঞ্চিত। এগৰাকী ছোৱালী বিয়া দি উলিয়াই দিয়া দিনাৰ পিচত তেওঁৰ লগত দিয়া সম্পদৰ ওপৰত অৰ্থাৎ যৌতুকৰ ওপৰত আজিকালি অধিক গুৰুত্ব দিয়া হৈছে। এই সমাজখনত যদি উপযুক্ত যৌতুক সেই ঘৰখনে পোৱা নাই তেতিয়া নিজৰ গিৰিয়েকে ঘৈণীয়েকক নানান অত্যাচাৰ চলায় লগতে ঘৰৰ সদস্য সকলেও ইয়াৰ লগত জড়িত হৈ বোৱাৰীজনীক শাস্তি দিয়ে। যৌতুকৰ নামতেই বোৱাৰীৰ আত্মহত্যাৰ দৰে ঘটনাও আমি শুনিবলৈ পাওঁ। আনকি বোৱাৰীক হত্যাও কৰা হয়।

বৰ্তমানৰ শিক্ষিত সমাজখনত মানুহৰ অন্ধবিশ্বাস আজিলৈকে আঁতৰ হোৱা নাই। মানুহে আজিও ডাইনী বিশ্বাস কৰে। এগৰাকী মহিলাক নানান কথা বতৰাৰ মাজেদি দুৰ্বলতাৰ সুযোগ বুজি মিছা বদনাম তুলি ডাইনী সজাই মাৰপিট কৰে। গছত বান্ধি ধৰি নি কোবাই কোবাই শেষ কৰে। এনেকুৱা অন্ধবিশ্বাসৰ ফলত নাৰীসকল নিৰ্যাতিত হৈ আছে। কিয় বাৰু? কিয় আমাৰ কোনো সামাজিক নিৰাপত্তা নাই নেকি?

আজিৰ সময়ত পৰিস্থিতি বহুত ভয়ানক হ'ব ধৰিছে। কিয়নো চাবলৈ গ'লে আজিৰ যি সংস্কৃতি, এই সংস্কৃতিয়ে যুৱ প্ৰজন্মৰ ওপৰত বহুত কু-প্ৰভাৱ পেলাইছে। বৰ্তমান সময়ৰ, নৃত্য-গানে ল'ৰা-ছোৱালীবোৰৰ মন থাই পেলাইছে, কেৱল ভোগপ্ৰধান হৈ পৰিছে। আজিকালিৰ সংগীতবোৰ জনসাধাৰণৰ জীৱনৰ লগত জড়িত নহয় তাৰ বিপৰীতে উল্লাসত মতলীয়া হোৱা। সেইবাবে ধৰ্ষণৰ দৰে কাৰ্যবোৰ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। সাজপাৰৰ ক্ষেত্ৰত অপসংস্কৃতিয়ে বাহ লৈছে। দিনবোৰ ইমানেই সংকটজনক হৈ পৰিছে যে আজি অধিকাংশ পুৰুষৰ বাবে নাৰী কেৱল ভোগৰ সামগ্ৰীহে হৈ পৰিছে। অতি আচৰিত হওঁ যেতিয়া বাতৰি কাকতত পিতৃৰ হাতত জীয়ৰীৰ নিৰ্যাতনৰ দৰে ঘটনাও আমি পঢ়িবলৈ পাওঁ। আনকি কণমানি শিশুও আজি পুৰুষৰ কামনাৰ বলি হৈ মৃত্যুক আঁকোৱালি ল'বলগীয়া হয় আমাৰ এই তথাকথিত ভদ্ৰ সমাজখনত। এইবোৰ মানুহৰ শৰীৰত নহয় জন্তুৰ শৰীৰটো নপৰে, এইবোৰ নৰপিশাচ। এনেকুৱা পিশাচবোৰ যেতিয়ালৈ শেষ নহয় তেতিয়ালৈ সকলো নিৰ্যাতন চলিয়ে থাকিব। নাৰীবোৰ প্ৰতি পলে পলে লজ্জিত, অপমানিত, শোষিত। আমাৰ চিঞৰি চিঞৰি কৰৰ মন যায়— অ'ই পিশাচসকল আমাৰ কি এখন হৃদয় নাই, আমি জন্তু নহয় অ' মানুহ হয়, মানুহ বুজিছ। আমাৰ সঁচা মন এটা আছে বুজিছা? আমাক বিচৰা ধৰণে কিয় একো কৰিব নিদিয়, দমাই কিয় ৰাখ? কিন্তু নাই নোৱাৰো আদিম যুগৰ পৰাই এটা দুটা কৰি বহুত ওপৰলৈ অত্যাচাৰ, দমনবোৰ বাঢ়ি গৈ আছে আমি গমেই নাপাওঁ যে কাক কেনেকৈ কোনে কি ধৰণে ব্যৱহাৰ কৰি আছে। এনেকৈয়ে আমি সকলো নাৰীয়ে কম-বেছি পৰিমাণে শোষিত হৈ আছোঁ।

তাৰ পিচতো কিমান সহ্য কৰিম-এনেকৈ নোৱাৰো, মন-মগজু অতিষ্ঠ হৈছে আমাৰ। এই নিৰ্যাতনবোৰৰ বিৰুদ্ধে আমি যুঁজ দিব লাগিব। অকলে মনতে ক্ষোভ দেখুৱাই কোনো লাভ নাই। সমাজ ব্যৱস্থা সলনি কৰিব লাগিব। সমাজৰ এলান্ধু কলিয়া শৃংখল ছিঙি দলবান্ধি নাৰীসকল ৰাজপথলৈ ওলাই আহিব লাগিব আৰু অন্যায়ৰ বিৰুদ্ধে মাত মাতিব লাগিব, প্ৰত্যুত্তৰ দিব শিকিব লাগিব তেতিয়াহে আমি সফল হম। নাৰীসকল সজাগ হৈ ওলাই আহিব লাগিব এখন সাম্যৰ সমাজ গঢ়িবলৈ য'ত নাথাকিব নাৰী-পুৰুষৰ মাজত কোনো ভেদাভেদ, সকলো হ'ব সমান, থাকিব সমান অধিকাৰ। ■

# নাৰী শিক্ষাৰ আৱশ্যকতা

✍ হৰ্ষিতা গোস্বামী
উঃ মাঃ, ১ম বৰ্ষ

*নাৰী নহয় নীৰৱতাৰ চিহ্ন,*
*ই নহয় মৌন,*
*ই মাথোঁ এক শক্তি,*
*জাগ্ৰত কৰে ভক্তি।*

নাৰী...। নাৰীৰ সংজ্ঞা কেনেদৰে দিওঁ তাকে ভাবি বৰ দোমোজাত পৰিছোঁ। নাৰীয়ে হেনো সৰ্বে-সৰ্বা কিন্তু ইয়াৰ পিছতো দেখোন সমাজে নাৰী সত্তাক / নাৰীত্বক অৱহেলিত কৰি আহিছে অতীজৰে পৰা। সকলোৱে ভাবে- নাৰী মানে নীৰৱ আৰু এই নীৰৱতাৰ পৰিণতি সুযোগ। নাৰী আৰু পুৰুষ দুটা ভিন্ন শব্দ যদিও একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। নাৰী সমাজৰ বা পুৰুষৰ প্ৰতিদ্বন্দ্বী নহয়, পৰিপূৰকহে। নাৰী-পুৰুষ উভয়ৰ অৱদানতহে সমাজ এখনৰ উন্নয়ন নিৰ্ভৰ কৰে। ইমানৰ পিছতো লজ্জা আৰু পৰিতাপৰ বিষয় হৈ পৰিছে যে প্ৰতিদিনে হাজাৰ-হাজাৰ নাৰী কুসংস্কাৰ, অন্ধবিশ্বাসৰ বলি হৈ মৃত্যুক আঁকোৱালি ল'ব লগা হৈছে। এনেদৰে আমাৰ সমাজখন অন্ধকাৰৰ মাজত আৱদ্ধ হৈ আছে। আমাৰ সমাজৰ নাৰীসকলে প্ৰতিটো দিশত এখোজ আগুৱাই যাবলৈ এতিয়াও অপাৰগ হৈ আছে আৰু ইয়াৰ কাৰণ চাবলৈ গ'লে নিৰক্ষৰতা আৰু অনগ্ৰসৰতাকে আঙুলিয়াব পাৰি। এগৰাকী নাৰী শাৰীৰিক, মানসিক আৰু শৈক্ষিক সকলো দিশতে পূৰ্ণতা অৰ্জন কৰিব নোৱাৰাৰ ফলস্বৰূপে আমাৰ সমাজত প্ৰতিদিনে হাজাৰ-হাজাৰ নাৰী ধৰ্ষণ তথা নিৰ্যাতন আদিৰ দৰে সমস্যাবোৰৰ মুখামুখি হ'ব লগা হৈছে।

নাৰী শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বহুতো পদক্ষেপ হাতত লোৱা পৰিলক্ষিত হয়। নাৰীসকল শৈক্ষিক ক্ষেত্ৰত যাতে কোনোধৰণৰ বিপদৰ বা সমস্যাৰ সন্মুখীন হ'বলগা নহয় তাৰবাবে নাৰীৰ শৈক্ষিক সমতা আইনখন ১৯৭৪ চনত প্ৰণয়ন কৰা হৈছিল আৰু ইয়াৰ ধাৰা আছিল ৫১৩। ইউনাইটেড ষ্টেট কংগ্ৰেছে লিংগ বৈষম্যৰ ওপৰত ভিত্তি কৰি এই আইনখন গৃহীত কৰাত সহায় কৰিছিল। এই আইনখনকে ১৯৮২, ১৯৮৪, ২০০৩, ২০১০ চনত সংশোধন কৰা হৈছিল। ইয়াৰ পিছতো পৰিতাপৰ বিষয় এয়ে যে- আইনখন আইন ৰূপেই থাকি গ'ল, সমাজে ইয়াক কেতিয়াও কাৰ্যকৰী নকৰে বা ব্যৱহাৰ নকৰে, আৰু ইয়াৰ ফলস্বৰূপেই চাবলৈ গ'লে দেখা যায় যে- আমাৰ দেশত মহিলা স্বাক্ষৰতাৰ হাৰ পুৰুষৰ তুলনাত খুব তাকৰ। ২০১১ চনৰ জৰীপমতে অসমৰ স্বাক্ষৰৰ হাৰ ৭৩.১৮ শতাংশ আৰু ভাৰতৰ ৭৪.০৪ শতাংশ ইয়াৰ বিপৰীতে মহিলাৰ স্বাক্ষৰতাৰ হাৰ অসমত ৬৭.২৭ শতাংশ আৰু ভাৰতৰ ৬৫ শতাংশহে মাথোন। এতিয়াও অসমৰ ৩৩% মহিলাই লিখিব পঢ়িব নাজানে। অসমত পুৰুষ আৰু মহিলাৰ স্বাক্ষৰতাৰ ব্যৱধান ১২ শতাংশ। এনেবোৰ তথ্য লক্ষ্য কৰিলে পৰিলক্ষিত হয় যে- নাৰী সমাজ এতিয়াও শৈক্ষিক ক্ষেত্ৰত বহু গুণে পিছপৰা। যিয়ে আমাৰ সমাজৰ উন্নতিত গুৰুতৰ প্ৰভাৱ পেলাইছে।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল- "এজন পুৰুষক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে দহ জন ব্যক্তিক শিক্ষা দিয়া, অৰ্থাৎ পৰিয়ালক শিক্ষিত কৰা, এখন সমাজক শিক্ষিত কৰা।" শিশুৱে নিজৰ মাতৃৰ পৰাই প্ৰধান শিক্ষাখিনি অৰ্জন কৰে, শিশুৰ বাবে প্ৰথম শিক্ষয়িত্ৰী তেওঁৰ মাতৃ। আৰু এই মাতৃ সকলেই একোগৰাকী নাৰী। গতিকে নাৰীক শিক্ষিত কৰিলেহে সমাজ শিক্ষিত হ'ব। সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰবোৰ দূৰ হ'ব। নাৰীয়ে এখন ঘৰ পৰিপক্কভাৱে চলাব পাৰে, এখন গাঁও চলাব পাৰে, এখন সমাজক সু-পথেৰে গঢ় দি লৈ যাব পাৰে, দেশৰ উন্নতি সাধিব পাৰে, তেনেস্থলত প্ৰতিগৰাকী মহিলাক শিক্ষিত কৰি তোলাটো আমাৰ কৰ্তব্য। ঘৰৰ চাৰিবেৰৰ দেৱালৰ মাজত আৱদ্ধ কৰি ৰখা প্ৰতিগৰাকী নাৰী বহিৰ্জগতখনৰ লগত চিনাকি হোৱাত সহায় কৰে একমাত্ৰ শিক্ষাই। অশিক্ষিত নাৰীৰ তুলনাত এগৰাকী শিক্ষিত নাৰীৰ চিন্তা-ধাৰা আৰু ভাৱ-ভংগী উন্নতমানৰ হোৱা দেখা যায়। শিক্ষিত নাৰীৰে সমাজ গঢ়িলেহে সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস সমূহক নিঃশেষ কৰিব পৰা যাব।





নাৰীক অৱজ্ঞা কৰি সমাজ কেতিয়াও আগবাঢ়িব নোৱাৰে। নাৰীক দুৰ্বলতাৰ প্ৰতীক বুলি নাভাবি সাহসিকতাৰ প্ৰতীক বুলি ভাবি সকলোতে আগবঢ়াই নিয়াটো সমাজৰ কৰ্তব্য।

এগৰাকী নাৰীয়ে নাৰীত্বৰ অস্তিত্বক সন্মান সহকাৰে আগুৱাই নিবলৈ শিক্ষাক আঁকোৱালি লোৱাটো নিতান্তই আৱশ্যকীয়। শিক্ষাৰ এনাজৰিৰে বান্ধ খোৱা জীৱন সঁচাকৈ বৰ আমোদজনক। মানৱ জীৱনৰ চালিকা শক্তিয়েই হৈছে শিক্ষা। যেতিয়া শিক্ষাক কেন্দ্ৰ কৰি চলিবলৈ আমাৰ নাৰী সমাজ আগবাঢ়ি আহিব তেতিয়াহে আমাৰ সমাজৰ উন্নতি নিশ্চিত বুলি আমি ভাবিব পাৰিম। ■

# জীৱন দলিচা ঃ এক অভিজ্ঞতা

✍ গীতাঞ্জলি দাস
স্নাতক, ৪ৰ্থ ষাণ্মাষিক

স্মৃতি পটিত দুকলম ভাব। কলমৰ জৰিয়তে প্ৰকাশ কৰিবলৈ ওলাইছোঁ। সময়ৰ টিকনি ধৰি বতাহ গতিৰে মই মোৰ জীৱনৰ দিঙা মেলি জীৱন সাগৰত উটি গৈ আছোঁ। মোৰ সপোন হৈছে "ৰাজপথ" দিল্লীত Drill কৰা। সপোন পূৰণ কৰিবলৈ NCC Join কৰিলোঁ। হঠাৎ এটা সোণালী সুযোগে মোৰ জীৱনৰ দুৱাৰত টুকুৰিয়াইছিল। দুৱাৰখন খুলি চাই দেখিলোঁ মোৰ সপোনৰ দলিচাই মোৰ জীৱনত দলিচা সিঁচি। প্ৰথমে মোৰ সপোনৰ পৰীক্ষা আৰম্ভ হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ চোতালত। সেই পৰীক্ষাত পাছ কৰিলোঁ। তাৰপিছত Pre-RDC ৰ কাৰণে গ'লো West Bengalৰ Durgapurত। মোৰ জন্মদিনৰ দিনা তালৈ গৈছিলো 06-11-2019 ত। তাত মোৰ আৰম্ভ হ'ল অগ্নি পৰীক্ষা মোৰ জীৱনৰ স্মৃতিৰ পাতত লিখা থোৱা এখন অগ্নি পৰীক্ষা। সেই পৰীক্ষা দিয়া হৈ গ'ল। মই মোৰ ঘৰলৈ গুভতনি মাৰিলোঁ 17-11-2019ত। যদিও ঘৰলৈ আহিছিলো মনত ভয় আছিল। কিন্তু নিজৰ ওপৰত বিশ্বাস আছিল। কাৰণ ঘৰত কথা দিছিলো মই ৰাজপথত Drill কৰিমেই বুলি। কথাতে কয় নহয় নিজৰ ওপৰত বিশ্বাস থাকিলে স্বয়ং ভগৱানেও সেই আশা কাঢ়িব নোৱাৰে। মোৰ লগতো তেনেকুৱা হ'ল। মই RDC (Republic Day Camp) ৰ কাৰণে বাচনি পৰীক্ষাত পাছ কৰিলোঁ। মনত এক অজান শিহৰণে হেঁচি ধৰিলে, হাঁহো নে কান্দো দোমোজাত পৰিলোঁ। কাৰণ মোৰ সপোনে মোক আঁকোৱালিবলৈ অপেক্ষা কৰিছে। অনেক সপোনতে RDCৰ ছবি আঁকি ল'লো। ডিচেম্বৰৰ 30-12-2019 ত মই দিল্লী বুলি যাত্ৰা কৰিলোঁ। 1-1-2020, 12:15 AM ত মই দিল্লী ৰেলৰে ষ্টেচনত ভৰি দিলোঁ। চকুজুৰি সেমেকি উঠিল আৰু মুখত এটা মিচিকিয়া হাঁহি ভাষাৰে বুজাব নোৱাৰা আনন্দ শিহৰণ। ইমানতে মোৰ পৰীক্ষাৰ অন্ত হোৱা নাছিল। ৰাজপথত Drill কৰিবলৈ হ'লে তাত গৈ আৰু পৰীক্ষা দিব লগা হ'ল। হঠাৎ এদিন মোৰ ভৰি দুখনৰ পৰা তেজ বব ধৰিলে আৰু ডাক্তৰে ক'লে "তুমি আৰাম কৰা অতিকৈ দৰকাৰ"। এইক্ষেত্ৰত মিতালী মেমে মোক বহুত সহায় কৰিছিল। মনটোক বান্ধি ৰাখিলো Drill কৰি অহাৰ পিছত জোতা-মোজা খুলি দিলে তেজ বব ধৰে তেনেকৈয়ে মই Drill আৰু সদায় ৰাতি হোৱা Cultural Programme ত Dance কৰিলোঁ। অসমৰ বিহু, ভোৰ তাল, সত্ৰীয়া নৃত্য আদি প্ৰদৰ্শন কৰিলোঁ লগতে ৰাজস্থানৰ 'কালবেলিয়া' Dance কৰিবলৈ সুযোগ পালোঁ। 26-01-2020 দিনটো আহি গ'ল। Drill আৰম্ভ হ'ল। 6 km নৰখাকৈ ৰাজপথৰ বুকুত Drill কৰি গ'লো সন্মুখত India Gate আৰু সোঁফালে ৰাষ্ট্ৰপতি দুয়োপিনে মানুহ ভৰি পৰিছে আৰু সকলোৱে আনন্দতে চিঞৰি আছে। চকুজুৰি সেমেকি উঠিল আৰু ৰাজপথ বিজয় কৰি Drill সম্পূৰ্ণ কৰি জীৱনৰ এই সপোন পূৰণ কৰিলোঁ। জীৱনত পোৱা শিকনি এবাৰ কৰ্ঙালত টঙালি বান্ধি সপোন পূৰণ কৰিবলৈ চেষ্টা কৰা আৰু সেই চেষ্টা কেতিয়াও অথলে নাযায়। মোৰ জীৱন সাৰ্থক।

জয়তু NSS .
জয়তু D.K.G.C
জয় আই অসম। ■

# Report on Republic day Parade Camp 2020, New Delhi

✍ Dr. Mitali Kathkatia
*Dept. of Education*

**Introduction**

Every year a month long Republic day parade camp is organized from 1st January to 31st January at New Delhi in which 200 NSS volunteers and 15 programme officers representing all states ,union territories participate on 26th January, the NSS contingent march on Rajpath, New Delhi. This year also 200 NSS volunteers (100 male and 100 female) representing all states and union territories of India from 112 universities and 196 colleges under the stewardship of 15 programme officers participated in the prestigious NSS contingent march on Rajpath, New Delhi on 26th of January 2020.Dr. Mitali Kathkatia ,Programme officer, NSS unit of Dakshin Kamrup Girls' College, Mirza was selected as the contingent leader from the North- East comprising 8 States( Assam ,Meghalaya, Mizoram, Manipur, Tripura, Nagaland, Arunachal Pradesh and Sikkim) and Miss Gitanjali Das ,also a student of Dakshin Kamrup Girls' College, Mirza , an active NSS volunteer was selected for the participation in the prestigious NSS contingent march on Rajpath on 26th of January 2020.

**The selection of participants for Republic Day Parade Camp**

Each contingent for the NSS Republic Day Parade Camp was selected from the 5 pre-republic day camps organized by the regional directorates of NSS at zonal level. Each volunteers selected for the RD camp must have to go through 10 days pre-RD camp held at different zones. The selection for the pre-RD is made at the university level of different states. The final selection of the NSS volunteers for the RD camp is done by the selection committee comprising of the nominated members of the directorates of NSS who visit the five zonal level camps to select the contingent out of 1000 participating NSS volunteers. Volunteers are selected on the basis of competency and proficiency in parade and cultural performances. The knowledge of NSS and consistency ofparticipation in various NSS activitiesinside and outside the college campus was also considered as an important criteriafor the selection of the volunteers for month long NSS republic day parade camp.

**The objective of the RD camp**

The prime objective of the NSS Republic Day Parade Camp is to develop al-round personality of the NSS volunteers ,making them capable of presenting themselves in a more disciplined way. The sense of brotherhood, patriotism, national integration and unity is





developed among the volunteers through their active participation in various socio- cultural programmes diligently organized during the camp. The RD camp replicate the mini India as participants were selected from all the states and UTs of India .Exchange of tradition, culture, language with one another made the NSS volunteer aware about the rich cultural diversity of India.

**The daily schedule of the RD camp 2020**

The daily schedule of the camp started early morning at 5.00AM and continued till 10 PM. The daily activities include morning assembly, prayers, yoga, physical training, community singing, parade practice, academic sessions, discussions, sharing of experiences, making of news letter, quiz ,debate, programmes on" Ek Bhasrat Shrest Bharat" and cultural evenings. The camp was managed by the NSS officials, student volunteers and contingent leaders. The participation in the republic day parade camp is considered as a matter of great pride for the volunteers and the contingent leaders. It is a recognition in appreciation of the selfless services rendered by the NSS volunteers throughout the country.

**The academic sessions**

Every academic session was blessed with motivational and inspiring speech delivered by the eminent personalities invited from different fields.The volunteers got the opportunity to have a lively interaction with them on various issues. These academic sessions were very fruitful in boosting the morale as well as in broaden the mental horizon of the NSS volunteers .Extempore speech on various issues of national and social interest were the integral part of the academic sessions.

**Cultural evenings and other celebrations of the RD camp 2020**

Cultural extravaganza of different states and culture were also showcased every evening during the camp to culminate the spirit of festivity and patriotism among the volunteers. An eminent personality was also invited to grace every evening. Volunteers made a very promising presentation of Indian culture and traditions. The popular dance form of every state and region were beautifully performed by the volunteers which were very highly appreciated by the guests. The colourful and unique display of various traditional and folk dance and songs by the volunteers created a powerful platform to make them aware about the cultural diversity of India. The festivals celebrated in the month of January were also celebrated in the camp with great ecstasy like celebration of Magh Bihu, Pongal ,Chat Puja , Lohri etc. Birthday celebrations of the NSS volunteers and contingent leaderswhose birthdays were in the month of January needs true appreciation as it showered the positive vive among the participants and helped them to experience a memory that will last the life time.

**Other inspiring events of the RD camp 2020**

Participation in the RD camp offers the greatest opportunities to the volunteers to train themselves for a more disciplined life style, enable them to attain leadership quality and improve communication skill. Integrated personality development was the chief objective

of the camp. The various activities and programmes of the camp were designed in such way to make the volunteers aware about the importance of holding a mission and vision in life and how to channelize their thoughts and actions towards implementing and achieving their goal or mission.

One of the inspiring aspects of the camp was that participants were provided opportunities to meet the eminent personalities from different walks of life. All the contingent leaders and volunteers were privileged to meet and have a photo shoot with Honorable President of India Shri Ramnath Kovind, Honorable Vice-President of India Shri Venkaiah Naidu ,Honorable Prime Minister of India Shei Narendra Modi and Honorable Minister for Youth Affairs And Sports Shri Kiren Rijiju and other eminent personalities in the field of education, health, sports, social service, science and technology, environment, culture etc. Volunteers were greeted beautifully by their inspiring speech. The warm hospitality offered by these personalities at their residents was truly appreciable.

Local Delhi tour and Agra visit were also organized by the camp which were very beneficial in enriching the knowledge of the volunteers about Indian history and culture. A brief felicitation ceremony was also organized by Dr, B.R. Ambedkar University ,Agrato felicitate the participants and contingent leaders of the RD parade camp2020. They also offer a huge spread of delicious lunch to the RDC participants.

Life is a never ending learning experience.Every event and moment of the camp was indeed a life time experience to be cherishedin the days to come. What has been learned is that time is beautiful yet very precious. We should all have to appreciate every chapter we go through in our life because we do not often realize what we have until it is gone, leaving with regret. I am humbled, honored and truly grateful for the profound exposure I have experienced through every little moments I have spent with the NSS family during the month long RD camp 2020. I will always consider these experience as a blessings for my upliftment and a commission to do more for the society and mankind. ■

■ ■ ■ ■ ■





# গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা

## দিনাংক ঃ ০৩ ৰ পৰা ০৬ ফেব্ৰুৱাৰীলৈ, ২০২০ চন

✍ হবিবুৰ ৰহমান
*শিক্ষা বিভাগ*

২০১৮-১৯ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা দুখন অনুষ্ঠিত কৰিবলৈ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে অনুমতি প্ৰদান কৰে। এই প্ৰতিযোগিতাখনি যোৱা ৩ ফেব্ৰুৱাৰী তাৰিখে আৰম্ভ হৈ ৬ ফেব্ৰুৱাৰীত শেষ হয়। এইবাৰৰ প্ৰতিযোগিতা দুখনিত মুঠতে ১৭ খন মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে। দ্বিতীয় দিনা অৰ্থাৎ ০৪-০২-২০২০ তাৰিখে অংশ গ্ৰহণ কৰিব অহা ২ খন মহাবিদ্যালয়ক অনুমতি দিয়া নহ'ল। ০৩-০২-২০২০ ইং তাৰিখে আৰম্ভণি অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° হেমন্ত নাথ ছাৰ, ক্ৰীড়া প্ৰাবিকৰণৰ উপ-সঞ্চালক ড° দীনেশ কলিতাৰ লগতে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

খো-খো ল'ৰাৰ শাখাত ৫ খন মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে। ছোৱালী শাখাত ২ খন মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে। ল'ৰা খো-খো খেলত দক্ষিণ কামৰূপ মহাবিদ্যালয় বিজয়ী হয়। এই মহাবিদ্যালয়ৰ ৰূপম দাস শ্ৰেষ্ঠ খেলুৱৈ হিচাবে বিবেচিত হয়। বিজিত দল হয় মৰিগাঁও মহাবিদ্যালয়। ছোৱালীৰ শাখাত দক্ষিণ কামৰূপ মহাবিদ্যালয় বিজয়ী হয় আৰু বিজিত দল হয় দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়।

বেডমিণ্টন দ্বৈত আৰু একক্কত অংশ গ্ৰহণকাৰী বেছি আছিল। ল'ৰাৰ একক্কত ৩৮ জনে অংশ গ্ৰহণ কৰিছিল। ইয়াৰ চূড়ান্ত খেলৰ দুয়োটা ফলাফল অভিৰুচি শাৰীৰিক শিক্ষা প্ৰতিষ্ঠানে লাভ কৰে। একেদৰে ছোৱালী শাখাৰ দুয়োটা বঁটা লাভ কৰে অভিৰুচি শাৰীৰিক শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰীদ্বয়ে। দ্বৈত ল'ৰা আৰু ছোৱালী দুয়োটা শাখাত অভিৰুচি শাৰীৰিক শিক্ষা প্ৰতিষ্ঠানৰ অংশ গ্ৰহণকাৰী শ্ৰেষ্ঠ হয়। ল'ৰা শাখাত ৰানাৰ্চ আপ মৰিগাঁও মহাবিদ্যালয় আৰু ছোৱালী শাখাত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় ৰানাৰ্চ আপ হয়। ■

■ ■ ■ ■ ■

# সাঁথৰ

- কাউৰী নহয় কিন্তু মুখখন কলা, সাপো নহয় কিন্তু দুখন আছে জিভা, দ্ৰোপদী নহয় কিন্তু পাঁচজন পতি, বাক্যতে জনাই মাথোঁ তেওঁ বৰ সতী।
- ➲ কলম।
- এটা মাছৰ দুখন ফিছা, ডুব মাৰিলেই সকলো মিছা।
- ➲ নাও।

সংগ্ৰাহক ঃ চুমি দাস, *স্নাতক, ৪ৰ্থ ষাণ্মাসিক*

# বিধৱাৰ বিয়া ঃ এক চিন্তা

✍ ৰূপালী ৰাভা
*স্নাতক, ৬ষ্ঠ ষাণ্মাসিক*

প্ৰাচীন কালত সমাজত বিভিন্ন নীতি-নিয়ম আছিল আৰু এই নিয়ম মানি চলিবলৈ লোকসকল বাধ্য আছিল যাৰ ফলত কিছুমান সমস্যাই দেখা দিছিল। সমাজত বিভিন্ন ধৰণৰ সমস্যা আছিল। তাৰ ভিতৰত এটা সমস্যা আছিল বিধবাৰ বিয়া। এই সমস্যা বহুদিনলৈ চলি আছিল। বৰ্তমানেও কোনো কোনো সমাজত প্ৰচলিত।

সমাজত বিধবা বুলিলে বগা সাজ-পাৰ পৰিহিতা, আ-অলংকাৰ নাই, ৰঙীণ সাজ পিন্ধিব নাপাই, ই এক পাপ আৰু যদিহে বিধৱাই বিয়া হয় কৰই নালাগে সিহঁতক সমাজৰ পৰা এঘৰীয়া কৰি দিয়ে। কিয়নো এইবোৰ সমাজৰ নিয়ম।

এবাৰ বিবাহ পাশত আবদ্ধ হোৱাৰ পিছত আৰু বিবাহ হ'ব নোৱাৰে কিন্তু এটা কথা যদিহে পত্নীৰ মৃত্যু হয় তেনেহ'লে স্বামীয়ে কেইদিনমানৰ পিছতে আন এজনীক পত্নী ৰূপে গ্ৰহণ কৰিব পাৰে। আনহাতে স্বামীৰ মৃত্যু হ'লে এজনী পত্নীয়ে আন এজনক স্বামী বৰণ কৰিব নোৱাৰে। ইয়াৰ সমাধান হ'বনে কেতিয়াবা ?

এই সম্পৰ্কে হেমচন্দ্ৰ বৰুৱাই 'আত্ম জীৱন চৰিত'ত অতি সুন্দৰভাৱে প্ৰকাশ কৰিছে এইদৰে- "শাস্ত্ৰ নেলাগে যুক্তিলৈ চালেই বিধবাৰ বিয়াত যে কোনো দোষ নাই তাক বুজিব পাৰি, আৰু শাস্ত্ৰবো যুক্তিয়েই মূল, কিয়নো সেই শাস্ত্ৰতে লিখা আছে "যুক্তিহীন বিচাৰণে ধৰ্ম-হানি-প্ৰজায়তে"।

এতিয়া চাওঁহকচোন মতা-তিৰোতা দুটা সমান জীৱ, ভোক, পিয়াহ, টোপনি, বোধ, ইচ্ছা, অঙ্গ-প্ৰত্যঙ্গ, জন্ম, মৰণ দুইৰো সমান। তথাপি এটাৰ যি স্বত্ব আছে আনটোৰ নাই কথাটো কিমান অন্যায়, ইয়াক যাৰ অলপমান জ্ঞান আছে সিও বুজিব পাৰে। ঈশ্বৰৰ বা স্বভাৱৰ নিয়ম মতে বিধবাৰ বিয়া নিষিদ্ধ হোৱা হ'লে স্বামীৰ মৃত্যুৰ পাছত তিৰোতাৰ মনৰ পৰা সহবাসৰ বাঞ্ছা গুচি গ'লহেঁতেন, কিন্তু সকলোৱেই জানে, তেনে কেতিয়াও নহয়।

হিন্দু শাস্ত্ৰৰ মতে ভাৰ্য্যা স্বামীৰ অৰ্দ্ধাঙ্গিনী আৰু হিন্দু বিলাকে তেওঁলোকৰ বিয়াত অগ্নিৰ আগত দেৱতা আৰু পিতৃবিলাকক সাক্ষী কৰি ভাৰ্য্যাক এইদৰে কয়- "তোমাৰ প্ৰাণে সৈতে মোৰ প্ৰাণক, তোমাৰ হাড়ে সৈতে মোৰ হাড়ক, তোমাৰ মঙহৰ সৈতে মোৰ মঙহক আৰু তোমাৰ ছালেৰ সৈতে মোৰ ছালক মিলাওঁ।" ইয়াৰ দাৰা দেখা যায় যে- স্বামী আৰু ভাৰ্য্যাৰ একে দেহ, একে প্ৰাণ দুইৰো ভিতৰত একো প্ৰভেদ নাই। এনেস্থলত যেতিয়া পুৰুষে ভাৰ্য্যা মৰি গ'লে অৰ্থাৎ তেওঁৰ শৰীৰৰ এভাগ নষ্ট হ'লে তাক পূৰাই ল'ব পাৰে তিৰোতা সেই স্বত্বৰ পৰা বঞ্চিত হয় কিয় ? বিধবা বিবাহৰ বিৰোধীবিলাকে ইয়াৰ কি উত্তৰ দিব ?


এক বহল দৃষ্টিত বিধৱাৰ পুনৰ বিবাহ হ'ব পাৰে। কিন্তু কোনোবা বিধৱাই বিয়া হ'ব নিবিচাৰিলে তাত আপত্তি কৰিব লগা একো নাই। কিন্তু কিছুমান বিধৱাই পুণৰ বিবাহ হ'ব বিচাৰে বা হোৱাটো ভাল তেতিয়া সেই বিয়াত বাধা দিব নালাগে।

আগৰ দিনত যদিহে বিবাহৰ দিনাই কোনো পত্নীৰ স্বামী দুৰ্ঘটনাবশতঃ মৃত্যু হয় তেতিয়াও সেই ছোৱালীজনী গোটেই জীৱন বিধবা হৈ জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল। আচলতে সেইটো হ'ব নালাগে সেই ছোৱালীজনীক পুনৰ বিবাহত আবদ্ধ কৰিব লাগে। কিন্তু বৰ্তমান সময়ত সমাজ সংস্কাৰ হ'ল, সমাজৰ ল'ৰা-ছোৱালী শিক্ষিত হ'ল আৰু এইবোৰ কথা কিছু পৰিমাণে হ'লেও শাম কাটিছে আৰু বৰ্তমান সময়ত পুৰুষৰ দৰে নাৰীসকলৰো বিবাহ হোৱা দেখা যায়, যদিও সামান্য পৰিমাণে গাঁৱলীয়া অঞ্চলত বিধবা বিবাহৰ সমস্যা নথকা নহয় অৱশ্যে আগৰ তুলনাত কম। শিক্ষাৰ জৰিয়তে এই ভুল ধাৰণা, অন্ধবিশ্বাস আঁতৰাব পৰা যাব। গতিকে শুদ্ধ শিক্ষা লাভ কৰি সমাজক শিক্ষিত কৰা আৰু এখন সুস্থ সমাজ গঢ়ি তোলাটো সকলো শিক্ষাৰ্থীৰে গুৰু দায়িত্ব। ■



# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা

- দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ আৰু কিছু ইতিবাচক প্ৰাসংগিক চিন্তা
- দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়
- দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সংৰক্ষিত বাতৰি কাকত
- বিভাগীয় প্ৰতিবেদন
- ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল
- অন্যান্য



# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ আৰু কিছু ইতিবাচক প্ৰাসংগিক চিন্তা

✍ ড° কিশোৰ শৰ্মা
*গ্ৰন্থাগাৰিক*

### আৰম্ভণি ঃ

ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃপুৰুষ ড° এছ.আৰ. ৰংগনাথনে (Dr. Shiyali Ramamrita Ranganathan) গ্ৰন্থাগাৰৰ সংজ্ঞা দিবলৈ গৈ কৈছিল যে— গ্ৰন্থাগাৰ কেৱল কিতাপৰ ভঁৰাল নহয়, এইবিলাক চহকী নিজৰা, যি শিক্ষা আৰু সংস্কৃতিৰ পথাৰখন জলসিঞ্চিত কৰি চহকী কৰে। এখন সমাজ তথা দেশৰ সাহিত্য, সংস্কৃতি-সভ্যতাৰ নিদৰ্শন আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক হৈছে এই গ্ৰন্থাগাৰসমূহ। ড° ৰংগনাথনেই আছিল একমাত্ৰ ভাৰতীয় পণ্ডিত যিয়ে নিজ প্ৰতিভাৰে গ্ৰন্থাগাৰ বিজ্ঞানৰ ব্যাপক উন্নতি কৰি বিশ্বত খ্যাতি লাভ কৰিব পাৰিছিল।

সমাজৰ শৈক্ষিক উন্নতি তথা গৱেষণাৰ ক্ষেত্ৰখনক আগবঢ়াই নিয়াত শিক্ষানুষ্ঠানিক গ্ৰন্থাগাৰৰ (Academic Library) ভূমিকা অপৰিসীম। প্ৰকৃততে কেৱল মাত্ৰ পাঠ্যপুথিৰ (Text Book) যোগান ধৰাই মহাবিদ্যালয় অথবা উচ্চ শিক্ষানুষ্ঠানৰ গ্ৰন্থাগাৰৰ লক্ষ্য নহয়। প্ৰয়োজন অনুসৰি নিৰ্বাচিত বিশ্বকোষ, আন কোষগ্ৰন্থ, অভিধান, সংকলন গ্ৰন্থ, ৰচনাৱলী তথা যথেষ্টসংখ্যক উচ্চমান বিশিষ্ট পৰিপূৰক গ্ৰন্থ, উচ্চমান বিশিষ্ট আলোচনী, গৱেষণামূলক পত্ৰিকা, বিশ্বৰ জ্ঞানবিকাশৰ নতুন তথ্য দিব পৰা বিভিন্ন বিষয়ৰ কিতাপ, আলোচনী আদি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত সংগ্ৰহ কৰা উচিত। ভাৰতবৰ্ষত আধুনিক শিক্ষানুষ্ঠানৰ গ্ৰন্থাগাৰৰ পৰিকল্পিত চিন্তা-চৰ্চা ড° সৰ্বপল্লী ৰাধাকৃষ্ণনক সভাপতিৰূপে লৈ বিশ্ববিদ্যালয় শিক্ষা আয়োগ (১৯৪৮-৪৯) গঠন কৰাৰ লগে লগে আৰম্ভ হোৱা বুলি ক'ব পাৰি। উচ্চশিক্ষা অনুষ্ঠানৰ গ্ৰন্থাগাৰ সম্পৰ্কে ড° ৰাধাকৃষ্ণনৰ মন্তব্য এনেধৰণৰ— "The Library is the heart of all University's work, lectures must be supplemented by work in the Library, and there be no prescribed text book for any course of study."

বৰ্তমান আমি আগবাঢ়িছোঁ একবিংশ শতিকাৰ তৃতীয় দশকৰ পিনে। আজিৰ তথ্য-প্ৰযুক্তিৰ যুগত বিশ্বৰ আন আন উন্নত দেশৰ লগত ফেৰ মাৰিবলৈ হ'লে লাগিব কাৰ্যক্ষম প্ৰতিভাধৰ মানৱ সম্পদ। গতিকে গুণগত মানৰ শিক্ষানুষ্ঠানতহে তেনে মানৱ গঢ় দিব পাৰি। এই মানৱ সম্পদ গঢ় দিয়াত শিক্ষানুষ্ঠানিক গ্ৰন্থাগাৰে এক বিশেষ ভূমিকা ল'ব পাৰে।

### দোকমোকালি ঃ

২০১৫ চনৰ ৭ আগষ্ট। ৰাতিপুৱা মোৰ মোবাইল ফোন বাজি উঠিছিল। ফোন কৰিছিল মোৰ চিনাকি অনুজ, এখন মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকে। তেওঁ মোক কৈছিল— 'কিশোৰ দা, আপোনাৰ বাবে এটা Post ওলাইছে। আজিৰ Assam Tribune খন চাব। ঘৰৰ ওচৰত আহিব বিচাৰে যদি Apply কৰিব'। সেই সময়ত মই বৰপেটা জিলাৰ বি. এইচ. কলেজত (B.H.College, Howly) গ্ৰন্থাগাৰিক হিচাপে কৰ্মৰত। উল্লেখ্য যে NAAC ৰ দ্বাৰা A গ্ৰেড পোৱা নামনি অসমৰ প্ৰথমখন প্ৰাদেশীকৃত কলেজ হৈছে বি. এইচ. কলেজ। সেইদিনাখনেই মই কলেজলৈ আহি Assam Tribune খন চাইছিলোঁ আৰু সেইদিনাই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ স্থায়ী গ্ৰন্থাগাৰিক পদৰ আবেদনৰ বাবে যাৱতীয় কামখিনি আৰম্ভ কৰিছিলোঁ।

### নগুলামুখত ঃ

এই মহাবিদ্যালয়ত আবেদন কৰাৰ পিচত ২০১৫ চনৰ ৩০ আগষ্ট তাৰিখে মহাবিদ্যালয়ে গ্ৰন্থাগাৰটোৰ স্থায়ী গ্ৰন্থাগাৰিক পদৰ বাবে সাক্ষাৎকাৰ অনুষ্ঠিত কৰে আৰু ময়ো সেই সাক্ষাৎকাৰত এগৰাকী প্ৰাৰ্থী হিচাপে উপস্থিত হৈছিলোঁ। সকলো বিভাগীয় কাম সম্পন্ন হোৱাৰ পিচত মই ২০১৬ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে এই মহাবিদ্যালয়ত আনুষ্ঠানিকভাৱে যোগদান কৰোঁ।

### আলিদোমোজা ঃ

এখন মহাবিদ্যালয়ৰ পৰা আন এখন মহাবিদ্যালয়ত যোগদান। নতুন পৰিৱেশ, নতুন চিনাকি, সমস্যা আৰু সমাধানৰ আলিদোমোজা। কেনেকৈ আগবাঢ়ো? সেই সময়ত এই মহাবিদ্যালয়ত NAACৰ Assessment ৰ বাবে পূৰ্ণগতিত কাম চলি আছিল। গতিকে NAAC ৰ Assessment ৰ বাবে গ্ৰন্থাগাৰটো সঠিকভাৱে গঢ় দিব লাগিব। মোৰ বাবে সেয়া এক ডাঙৰ প্ৰত্যাহ্বান। অৱশ্যে ইয়াৰ আগতে মই NAAC Peer Team ৰ তিনিবাৰকৈ মুখামুখি হৈছিলোঁ। আন অনুষ্ঠানত কাম কৰাৰ অভিজ্ঞতা, তিনিবাৰকৈ NAAC Peer Teamৰ মুখামুখি হোৱা, কলিকতাৰ National Libraryত কাম কৰাৰ অভিজ্ঞতা (CRL-Apprenticeship on Library and Information Science), মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰৰ প্ৰণালীবদ্ধ প্ৰচেষ্টা আৰু শিক্ষক-কৰ্মচাৰীৰ উমৈহতীয়া চিন্তা এইবোৰেই মোক NAAC Peer Teamৰ Assessmentৰ বাবে সাহস যোগাইছিল। এটি গ্ৰন্থাগাৰ সুচাৰুৰূপে চলাবলৈ তিনিটা বস্তুৰ অধিক প্ৰয়োজন বুলি মই অনুভৱ কৰোঁ— Proper planning, Manpower আৰু Money.

### অধ্যয়নৰ নাঙলেৰে কৰ্ষণ কৰি প্ৰজ্ঞাৰ বীজ সিঁচা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি ঃ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ জন্ম হৈছিল ১৯৮৮ চনত আৰু তাৰ লগে লগেই জন্ম হৈছিল মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি। বৰ্তমান এই গ্ৰন্থাগাৰত থকা কিতাপ আলোচনী আদিৰ সংখ্যা এনেধৰণৰ—

(১) মুঠ কিতাপৰ সংখ্যা— ১৬৬৭০ খন
(২) প্ৰসংগ পুথি (Reference Book)— ৭৪৯ খন
(৩) গৱেষণামূলক পত্ৰিকা (Research Journal)— ১৩ খন
(৪) আলোচনী— ৮ খন
(৫) বাতৰি কাকত— ৯ খন

বৰ্তমান এই গ্ৰন্থাগাৰত উপলব্ধ Journal সমূহ হ'ল—

(১) University News
(২) Contemporary Education Dialogue
(৩) Environment and urbanization Asia
(৪) Higher Education for future
(৫) Indian Historical Review
(৬) Indian Journal of Gender Studies
(৭) Journal of Creative Communication
(৮) Journal of Interdisciplinary Economics
(৯) Studies in History
(১০) Studies in Indian Politics
(১১) The Medieval History Journal
(১২) আলাপ
(১৩) ঐতিহ্য — The Heritage

ইয়াৰ উপৰিও ইয়াত প্ৰান্তিক, প্ৰকাশ, গৰীয়সী, সাতসৰী আদিকে ধৰি প্ৰায় ৮ খন আলোচনী ৰখা হয়। বৰ্তমান এই গ্ৰন্থাগাৰত থকা বাতৰি কাকতসমূহ হ'ল—

(১) The Assam Tribune
(২) অসমীয়া খবৰ
(৩) দৈনিক অসম
(৪) The Telegraph
(৫) দৈনিক অগ্ৰদূত
(৬) আমাৰ অসম
(৭) নিয়মীয়া বাৰ্তা
(৮) অসমীয়া প্ৰতিদিন
(৯) অসম বাণী

Encyclopaedia Britanica কে ধৰি বিভিন্ন বিষয়ৰ বিশ্বকোষ এই গ্ৰন্থাগাৰত আছে। ইয়াৰ উপৰিও বিভিন্ন বিষয়ৰ অভিধান, অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত প্ৰায় সকলোবোৰ ৰচনাৱলী, বিভিন্ন বিষয়ৰ মূল্যবান প্ৰসংগ পুথি ইয়াত আছে। UGC ৰ INFLIBNET কেন্দ্ৰৰ N-LIST ৰ জৰিয়তে E-Books আৰু E-Journals সংগ্ৰহ কৰা হৈছে। মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ নিজৰ User ID ৰ জৰিয়তে সকলো সময়তে E-Books আৰু E-Journal সমূহ চাব পাৰে। ছাত্ৰীসকলৰ বাবে গ্ৰন্থাগাৰৰ Reading Roomত এই সেৱাৰ বিশেষ ব্যৱস্থা আছে।

ছাত্ৰীসকলক গ্ৰন্থাগাৰৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে 'শ্ৰেষ্ঠ পঢ়ুৱৈ' বঁটা দিয়া হয়। এই বঁটাৰ বাবদ কিতাপ আৰু এখন মানপত্ৰ দিয়া হয়। গ্ৰন্থাগাৰত দেখুওৱা নিয়মানুবৰ্তিতা, তেওঁলোকৰ মাত-কথা, আচাৰ-ব্যৱহাৰ আদি বিভিন্ন দিশ চালি-জাৰি চাই এজনী ছাত্ৰীক প্ৰতিবছৰে এই বঁটাৰ বাবে বাচনি কৰা হয়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি যাতে সুচাৰুৰূপে পৰিচালনা কৰিব পাৰি তাৰ বাবে কিছু নীতি নিয়মৰ প্ৰয়োজন (Library rules)। সেই উদ্দেশ্যে যোৱা ২০১৯ চনৰ ২ জানুৱাৰীত অনুষ্ঠিত লাইব্ৰেৰী কমিটিৰ সভাত গ্ৰন্থাগাৰ পৰিচালনাৰ বাবে কিছু নীতি নিয়ম





সৰ্বসন্মতিক্ৰমে নিৰ্দ্ধাৰণ কৰা হয়। ইতিমধ্যে সকলোখিনি নীতি নিয়ম ছপা কৰি (Rules and Regulations Governing the use of Dakshin Kamrup Girls' College Library) মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰীসকলক দিয়া হৈছে। এই নীতি নিয়মে ছাত্ৰীসকলক গ্ৰন্থাগাৰৰ প্ৰতি আগ্ৰহী কৰাৰ লগতে শৃংখলাবদ্ধভাৱে গ্ৰন্থাগাৰটো ব্যৱহাৰ কৰাত সহায় কৰিব। ২০১৬ চনৰ পৰা বৰ্তমানলৈ এই গ্ৰন্থাগাৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৬ জন গৱেষক ছাত্ৰ-ছাত্ৰীয়ে Annual Membership লৈ এই গ্ৰন্থাগাৰত থকা বিভিন্ন কিতাপ, আলোচনী অধ্যয়ন কৰিছে। ভৱিষ্যতে গৱেষক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাব বুলি আশা কৰিছোঁ।

### অসম চৰকাৰৰ ইতিবাচক চিন্তা ঃ

২০১৮ চনৰ ২৮ জুন তাৰিখে অসম চৰকাৰে অসমৰ মহাবিদ্যালয় সমূহৰ গ্ৰন্থাগাৰিক সকলক মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰূপে (Ex-Officio Member) অন্তৰ্ভুক্ত কৰে। এই সিদ্ধান্তৰ ফলত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক সকলে গ্ৰন্থাগাৰৰ উন্নয়নৰ লগে লগে মহাবিদ্যালয়ৰ উন্নয়নতো বিশেষ ভূমিকা ল'ব পাৰিব। এই সম্পৰ্কে অসম চৰকাৰে প্ৰকাশ কৰা জাননীখন (Notification No. AHE.812/2017/28) এনে ধৰণৰ— In sequel to the earlier Govt. OM No. AHE.331/2008/33 dated 09-07-2009, considering the optimum utilisation of the services of Librarians of the provincialised colleges of Assam, the Governor of Assam is pleased to notify that henceforth the college Librarian shall also be an Ex-officio member of the Governing Body of the college.

### জ্ঞানৰ সীমাবদ্ধতা ঃ

কোনো এটা বিষয়ৰ বুদ্ধিদীপ্ত উপস্থাপন এক জটিল কাম। যেন ভাৱৰ আঁৰে আঁৰে সোণালী বেলিৰ ধেমালি। বুদ্ধিদীপ্তভাৱে কোনো বিষয় লিখি উলিওৱাৰ বাবে যি দক্ষতাৰ প্ৰয়োজন, যি জ্ঞানৰ প্ৰয়োজন সেয়া মোৰ নাই। জ্ঞানৰ সীমাবদ্ধতা মোৰ বাবে এতিয়াও এক ডাঙৰ সমস্যা। গতিকে এই লেখনিত দোষ-ত্ৰুটি থাকিব পাৰে তাৰ বাবে সুহৃদ পাঠক-পাঠিকাসকলে মোৰ জ্ঞানৰ সীমাবদ্ধতাৰ অযোগ্যতালৈ লক্ষ্য কৰি দয়া পৰৱশ হৈ ক্ষমা কৰিব বুলি ভৰসা ৰাখিছোঁ।

"অক্ষমতাক ক্ষমা কৰিব
মইতো নেজানো।
যেহাই মূল্যতো খদ্দৰ কাপোৰ কিনাৰ
সামৰ্থ্য মোৰ নাই।" —হীৰেণ ভট্টাচাৰ্য্য

### সামৰণি ঃ

এখন উচ্চশিক্ষাৰ অনুষ্ঠান হ'ল এক মহান জ্ঞানবৃক্ষ, নজহা-নপমা তাৰ জ্ঞান-সৌৰভ, বুকুত যাৰ প্ৰতিদিনে উদ্‌যাপিত হয় অলেখ সূৰ্যোদয়ৰ উৎসৱ, আশা আৰু সপোনৰ মেলা। এটা জাতিয়ে সামাজিক উত্তৰণৰ দিশত কিদৰে আগুৱাই যায়, সেয়া এখন শিক্ষানুষ্ঠানে সুন্দৰকৈ দেখুৱাই দিয়ে। ১৮৬৯ চনতেই হাৰ্ভাৰ্ড কলেজৰ সভাপতি চাৰ্লছ উইলিয়াম এলিয়টে তেওঁৰ উদ্বোধনী ভাষণত শিক্ষানুষ্ঠানে কেনেদৰে জাতি গঠনত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে তাক ব্যাখ্যা কৰি কৈছিল— The Institutions of Education in any nation are always a faithful mirror in which they are sharply reflected the national history and character (Charles William Eliot, President Harvard College, October 19, 1869)। এটি গ্ৰন্থাগাৰ হ'ল এখন শিক্ষানুষ্ঠানৰ প্ৰধান অংগ। পৰিৱৰ্তিত পৰিস্থিতিত অধ্যয়নৰ অভ্যাস সৃষ্টিত গ্ৰন্থাগাৰে এক শক্তিশালী ভূমিকা গ্ৰহণ কৰিব পাৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ এই গ্ৰন্থাগাৰটোৱেও যাতে সঠিকভাৱে সেৱা আগবঢ়াই এখন বহল পঢ়ুৱৈ সমাজ গঢ়ি তুলি আমাৰ ৰাজ্যখনৰ লগতে দেশখনকো আগবঢ়াই নিব পাৰে তাকে কামনা কৰিলোঁ। ■

■ ■ ■ ■ ■

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়

✍ চাৰিফুন নেচা
স্নাতক, ৬ষ্ঠ ষাণ্মাষিক

### আৰম্ভণি ঃ

দক্ষিণ কামৰূপ অঞ্চলৰ মিৰ্জাত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন অৱস্থিত। এই মহাবিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ অংগ হৈছে মহাবিদ্যালয়ৰ সংগ্ৰহালয়টো। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় স্থাপিত হৈছিল ১৯৮৮ চনত। মহাবিদ্যালয়খন স্থাপিত হোৱাৰ কিছু বছৰ পিছত ১৯৯৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ১২ তাৰিখে সংগ্ৰহালয়টো স্থাপন কৰে। সেয়ে এই তাৰিখটো দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাবে এটা গুৰুত্বপূৰ্ণ দিন। এই দিনটো এতিয়াও সংগ্ৰহালয় প্ৰতিষ্ঠা দিবস হিচাপে পালন কৰা হয়। এই সংগ্ৰহালয়টোৱে দক্ষিণ কামৰূপ অঞ্চলত এক গৌৰৱময় স্থান দখল কৰিছে। পোণতে দক্ষিণ কামৰূপ অঞ্চলৰ গাঁৱে-ভুঞে, পৰ্বতে-পাহাৰে সিঁচৰতি হৈ থকা বুৰঞ্জী আৰু সংস্কৃতিমূলক সমলসমূহ একগোট কৰি এটা সংগ্ৰহালয় খোলাৰ প্ৰয়াস কৰা হৈছিল যাতে, এই অঞ্চলৰ গৌৰৱময় ইতিহাস পুনৰুদ্ধাৰ হয়। সেয়ে ১১ আৰু ১২ ফেব্ৰুৱাৰী ১৯৯৫ ত দুদিনীয়াকৈ পলাশবাৰী সাহিত্য সভাৰ ৩৪ তম্ বৰিহাট অধিবেশনৰ আমন্ত্ৰণক্ৰমে এখন বুৰঞ্জী আৰু সংস্কৃতিমূলক প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। সেই তাৰিখতে আমাৰ সংগ্ৰহালয়টোও প্ৰতিষ্ঠা কৰা হয়।

গ্ৰীচ দেশৰ মিউজ (Muse) অৰ্থাৎ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ প্ৰতীক ৰূপেই মিউজিয়ামৰ জন্ম হয়। খ্ৰীষ্টপূৰ্ব ৪ৰ্থ শ শতিকাত পৃথিৱীৰ সহ-স্থাপন হোৱা বিশ্বৰ সৰ্বপ্ৰথম সংগ্ৰহালয়ৰ জন্মদাতা আছিল মহান দাৰ্শনিক পণ্ডিত প্লেটো।

সংগ্ৰহালয় হৈছে একোটা জাতি বা এখন দেশৰ জনসাধাৰণৰ ঐতিহাসিক তথা কলা-কৃষ্টি, সংস্কৃতিৰ সংৰক্ষণৰ উৎস। য'ত অনুসন্ধিৎসু তথা বিজ্ঞ-জিজ্ঞাসুলোক সকলৰ উপৰিও সাধাৰণ অশিক্ষিত লোক সকলেও অতি সহজে আৰু কম সময়তে সম্যক জ্ঞান আহৰণ কৰিব পাৰে। সংগ্ৰহালয়ৰ সঞ্চিত আৰু প্ৰদৰ্শিত সম্পদসমূহৰ মাজেৰে আমি আনন্দ উপভোগৰ উপৰিও যিমানখিনি জ্ঞান আহৰণ কৰিব পাৰি, বহুতো কিতাপ অধ্যয়ন কৰিও সিমানখিনি জ্ঞান আহৰণ কৰিবলৈ সামৰ্থ্য নহ'ব পাৰে। এই দৃষ্টিকোণৰ পৰা সংগ্ৰহালয়ক মৌলিক শিক্ষাৰ এক কেন্দ্ৰস্থল বুলি ক'ব পাৰি। ভাৰতবৰ্ষত সংগ্ৰহালয় বিজ্ঞানৰ পৰিসৰ বঢ়াৰ লগে লগে বিভিন্ন দিশত বৈজ্ঞানিক ভিত্তিত সংগ্ৰহালয় স্থাপন কৰা দেখা গৈছে। পুৰাতাত্ত্বিক, নৃতাত্ত্বিক, উদ্ভিদ আৰু প্ৰাণী, ঔদ্যোগিক, বাণিজ্যিক, ৰেল, বস্ত্ৰ, শিশু আদি বিভিন্ন দিশত সংগ্ৰহালয় স্থাপন কৰি সেই দিশবোৰত বহলভাৱে বৈজ্ঞানিক ভিত্তিত চিন্তা-চৰ্চা, গৱেষণা, অধ্যয়ণৰ প্ৰসাৰ বৃদ্ধি কৰাত যি অৰিহণা যোগাই আহিছে সি সঁচাকৈয়ে অতুলনীয়। সংক্ষেপতে ক'বলৈ হ'লে সংগ্ৰহালয় হৈছে এক জ্ঞান বিজ্ঞানৰ ভাণ্ডাৰ আৰু প্ৰদৰ্শক।

অসমৰ সংগ্ৰহালয় সম্পৰ্কে পোন প্ৰথমে চিন্তা-চৰ্চা কৰা ব্যক্তিজন আছিল আনন্দ চন্দ্ৰ আগৰৱালা। তেখেতে খেদ কৰি কৈছিল যে- অসমৰ বাহিৰে ভাৰতৰ আইন ঠাইবোৰৰ সকলোতে সংগ্ৰহালয় স্থাপিত হৈছে। সেয়েহে গুৱাহাটীটো এটা সংগ্ৰহালয় হ'ব লাগে। ঠিক এনে এক ধাৰণাৰ বৰ্শৱতী হৈয়েই ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ অক্লান্ত চেষ্টাত অসমত ১৯৪০ চনত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ জন্ম হয়। বিগত ৫৬ বছৰৰ ভিতৰত এই সংগ্ৰহালয়টোৱে জিলা তথা মহকুমা ভিত্তিত বহুতো সংগ্ৰহালয় স্থাপন কৰি অসমৰ সংগ্ৰহালয় বিজ্ঞানৰ ভেটি কিছু হ'লেও দৃঢ় কৰা বুলি ক'ব পৰা হৈছে। অবিভক্ত কামৰূপ জিলাৰ এক পুৰণি ঐতিহ্য আছে। পুৰণি অসম বুৰঞ্জীত কামৰূপৰ ইতিহাসৰ কথা বহলভাৱে লিখা আছে। বিভিন্ন জনগোষ্ঠী/অজনগোষ্ঠীৰে ভৰপূৰ এই জিলাখনৰ বিশেষকৈ দক্ষিণ কামৰূপ অঞ্চলৰ ঠায়ে ঠায়ে পৰি থকা কীৰ্তি চিহ্ন, শিল্প-ভাস্কৰ্য্য, মঠ-মন্দিৰ, সত্ৰ-দেৱালয়, থান-মছজিদসমূহ অতি পুৰণি। পুৰণি সাহিত্য কলা কৃষ্টি আৰু সাংস্কৃতিক সম্ভাৰো বহু পৰিমাণে এই অঞ্চলত দেখা যায়।

সংগ্ৰহালয় হৈছে এখন সমাজৰ প্ৰাচীন তথা আধুনিক সভ্যতাৰ নিদৰ্শন বিদ্যাৰ আলয়, শিক্ষাৰ কেন্দ্ৰস্থল, সংগ্ৰহৰ বাবে সজা ভঁৰাল ঘৰ, পৰ্যটক সকলৰ আমোদৰ ঠাই, গৱেষক সকলৰ গৱেষণা কেন্দ্ৰ, এখন সমাজৰ কলা-কৃষ্টিৰ কেন্দ্ৰ আৰু ভাগৰ পলুৱাই আনন্দ উপভোগ কৰাৰ যেন মনোৰম উদ্যান। সেয়ে বৃহত্তৰ দক্ষিণ





কামৰূপত বুৰঞ্জী অধ্যয়নৰ এটি পৰিৱেশ সৃষ্টি কৰিব পাৰিলে আৰু ছাত্ৰীসকল কিছু পৰিমাণে উপকৃত হ'লে দক্ষিণ কামৰূপৰ এটি পুৰণিকলীয়া অভাৱ পূৰণ হোৱাৰ লগতে আমাৰ শ্ৰম সাৰ্থক হ'ব বুলি আশা কৰিব পাৰি।

### উদ্দেশ্য ঃ

১। এই সংগ্ৰহালয়ৰ প্ৰধান উদ্দেশ্য আছিল আমাৰ সচৰাচৰ চলি অহা অসমৰ ইতিহাসৰ মূল্যবান সা-সামগ্ৰীবোৰ সংৰক্ষিত কৰি ৰাখি তাৰ বিষয়ে ছাত্ৰীসকলক জ্ঞান প্ৰদান কৰা।

২। এই সংগ্ৰহালয়ে ছাত্ৰীসকলক বুৰঞ্জী অধ্যয়নত সজাগ কৰি তোলা।

৩। এই সংগ্ৰহালয়ৰ উদ্দেশ্য হৈছে মহাবিদ্যালয়ৰ ছাত্ৰীসকলক পুৰণিকলীয়া বিষয় বস্তুৰ প্ৰতি উৎসাহিত কৰি তোলা।

৪। সমাজ সচেতন প্ৰতিগৰাকী ছাত্ৰীকে বুৰঞ্জীমূলক শিক্ষা দিয়াৰ লগতে এই অঞ্চলৰ লুপ্ত প্ৰায় গৌৰৱময় ঐতিহ্য পুনৰ জীৱিত কৰি তোলা।

৫। সংগ্ৰহালয়ত সংস্থাপিত কৰা বিভিন্ন ধৰণৰ মূল্যবান সামগ্ৰীসমূহৰ বিষয়ে ছাত্ৰীসকলক জ্ঞান প্ৰদান কৰা।

৬। ঐতিহাসিক দিনৰ পৰা চলি অহা নজনা কথা এই সংগ্ৰহালয়ে ছাত্ৰীসকলক জনাত সহায় কৰা।

৭। এই মহাবিদ্যালয়ৰ ছাত্ৰীসকলে যাতে নিজে সংগ্ৰহালয়ৰ ভিতৰত প্ৰৱেশ কৰি বুৰঞ্জী অধ্যয়ন কৰিব পাৰে আৰু নেদেখা সা-সামগ্ৰীবোৰ পৰ্যবেক্ষণ কৰিব পাৰে।

৮। সংগ্ৰহালয়ৰ ভৱিষ্যতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলক কলা-কৃষ্টি সংস্কৃতিৰ বিষয়ে জনোৱাৰ লগতে নতুন প্ৰজন্মৰ বাবে সংগ্ৰহালয়ত মূল্যবান সামগ্ৰীবোৰ নিৰ্দিষ্টকৈ সংগ্ৰহ কৰি ৰখা।

**দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সংগৃহীত তথ্যসমূহৰ তালিকা ঃ**

| ক্ৰমিক নং | তথ্য | সময় | সংখ্যা |
|---|---|---|---|
| ১ | লিপি ঃ | | |
| | হাজোৰ শিলালিপি | | এখন |
| | ছয়ন্নীয়া সত্ৰৰ তাম্ৰ লিপি | | এখন |
| | চণ্ডিকা দেৱালয়ৰ শিলালিপি | | এখন |
| ২ | মুদ্ৰা ঃ | | |
| | দহ টকীয়া | P/60 960570 | এটা |
| | পঞ্চাশ পইচা | 1947, 1954 | দুটা |
| | পঁচিশ পইচা | 1947 | এটা |
| | বিশ পইচা | 1948 | এটা |
| | দহ পইচা | 1957 | এটা |
| | পাঁচ পইচা | 1962 | এটা |
| | তিনি পইচা | 1967 | এটা |
| | দুই পইচা | 1959 | এটা |
| | এক পইচা | 1959 | দুটা |
| | ৰূপৰ মুদ্ৰা | বিংশ শতিকা | চাৰিটা |
| | তামৰ মুদ্ৰা | অষ্টাদশ শতিকা আৰু ঊনবিংশ শতিকা | আঠটা |
| | ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ মুদ্ৰা | 1845 খ্ৰীষ্টপূৰ্ব | এটা |
| | সাম্প্ৰতিক যুগৰ মুদ্ৰা | বেলেগ বেলেগ সময়ৰ মুদ্ৰা | পঞ্চাশটা |

| | | | |
|---|---|---|---|
| | আধুনিক ভূটানী মুদ্রা<br>জালমোনা আৰু আধুনিক মুদ্রা | | এটা<br>তিনিটা |
| ৩ | দোলা | কুৰি শতিকাৰ আদিভাগ,<br>ঊনবিংশ শতিকাৰ শেষভাগ | দুখন |
| ৪ | পানীৰ পাত্র | আনুমানিক ২৫০ বছৰ | এটা |
| ৫ | বান কাঁহী | আনুমানিক ২৫০ বছৰ | এটা |
| ৬ | আগৰ দিনৰ চেনি থোৱা পাত্র | আনুমানিক ১০০ বছৰ | এটা |
| ৭ | ৰূপৰ ঘটি | আনুমানিক ২৫০ বছৰ | এটা |
| ৮ | ধোৱা খোৱা | আনুমানিক ২০০ বছৰ | এটা |
| ৯ | হোকা | বিংশ শতিকাৰ আদিভাগ | এটা |
| ১০ | যঁতৰ | বিংশ শতিকাৰ আদিভাগ | এটা |
| ১১ | শিলৰ কাঁহী | আনুমানিক ২০০ বছৰ | এখন |
| ১২ | কাঠৰ খৰম | আনুমানিক ২০০ বছৰ | এজোৰ |
| ১৩ | পাণ ঋটা | আনুমানিক ৩০০ বছৰ | এটা |
| ১৪ | কাণৰ ফুটি | আনুমানিক ১৫০ বছৰ | দুযোৰ |
| ১৫ | কল গাহন | বিংশ শতিকাৰ আদিভাগ | এটা |
| ১৬ | চাহ কৰা পাত্র (মাটিৰ) | আনুমানিক ২০০ বছৰ | এটা |
| ১৭ | টেবুল ঘড়ী | আনুমানিক ১০০ বছৰ | এটা |
| ১৮ | হাৰিকেন লেম্প (পিতলৰ) | আনুমানিক ২৫০ বছৰ | এটা |
| ১৯ | লুকি বাজাৰ বাসগৃহৰ ইটা | আনুমানিক ৩০০ বছৰ | চাৰিটা |
| ২০ | কাঠৰ চৰিয়া | আনুমানিক ১০০ বছৰ | এটা |
| ২১ | শামুকৰ খোলা | 1990 | দুটা |
| ২২ | কাঠৰ কুঠাৰ | আনুমানিক ১০০ বছৰ | এখন |
| ২৩ | পহুৰ শিং | 1999 | এটা |
| ২৪ | পখীৰ বাঁহ | | এখন |
| ২৫ | বাঁহৰ সা-সঁজুলি | | ২৫ বিধ |
| ২৬ | কিছুমান জীৱ-জন্তুৰ জোঁকাৰ ফটো | | ১২ খন |
| ২৭ | মূৰ্ত্তি ঃ<br>মাটিৰ চতুৰ মূৰ্ত্তি<br>ড° ভূপেন হাজৰিকা<br>মামণি ৰয়ছম গোস্বামী<br>জ্যোতি প্রসাদ আগৰৱালা<br>বিষ্ণু ৰাভা<br>মাটিৰ মূৰ্ত্তি | | এটা<br><br><br><br><br><br>দুটা |
| ২৮ | যুদ্ধৰ সামগ্রী ঃ<br>মান খেদা তলোৱাল | আহোম ৰাজত্বৰ শেষভাগ আৰু<br>বৃটিছ ৰাজত্বৰ আৰম্ভণি | এখন |





| | | | |
|---|---|---|---|
| | মান কটা তৰোৱাল<br>মানৱ দিনৰ তৰোৱাল | আনুমানিক ১৫০ বছৰ<br>আনুমানিক 1818-1826 | এখন<br>দুখন |
| ২৯ | নেওঠনি | বিংশ শতিকাৰ আদিভাগ | এখন |
| ৩০ | কিস্তি | বিংশ শতিকাৰ আদিভাগ | এখন |
| ৩১ | জন্ম পত্রিকা (কোষ্ঠী) | 1325 | এখন |
| ৩২ | বিহা (পকোৱা সূতা) | প্রায় ১০০ বছৰ | এখন |
| ৩৩ | সাঁচিপাতৰ পুথি | | ৪১ খন |
| ৩৪ | ASSAM TRIBUNE | 1988 ইং চনৰ পৰা বৰ্তমানলৈ | ১০,৭৮০ খন |
| ৩৫ | অসম বুৰঞ্জী (A History of Assam) | 1906 | |

ওপৰত উল্লেখ কৰা তথ্যসমূহৰ ভিতৰত মূৰ্ত্তিৰ বাহিৰে ১৫০ বিধ সামগ্ৰীৰ বিস্তৃত তথ্য সংগ্ৰহ কৰা হৈছে। তাৰ ভিতৰত ৫০ বিধ সামগ্ৰী আমাৰ সংগ্ৰহালয়ত সংৰক্ষণৰ দিহা কৰা হৈছে। বাকীখিনিৰ গৰাকীসকলে পৰ্য্যায়ক্ৰমে আমাক দিয়াৰ প্ৰতিশ্ৰুতি দিছে। অঞ্চলটোৰ বিভিন্ন ঠাইৰ পৰা এতিয়াও নানান তথ্যৰ সন্ধান আমালৈ আহি আছে।

সংগ্ৰহালয়ৰ সামগ্ৰীসমূহ ৰখাৰ কাৰণে চাৰিটা 'শ্বকেচ' ড° গজেন্দ্ৰ অধিকাৰীদেৱে দান হিচাপে আগবঢ়াইছে। তদুপৰি প্ৰতিষ্ঠা দিৱসৰ পৰা আলোচনাচক্ৰলৈ সকলোবোৰ অনুষ্ঠান Video Cassette ৰ জৰিয়তে সংৰক্ষণ কৰি ৰাখিছে। এই সংগ্ৰহালয়ৰ দ্বিতীয় বৰ্ষৰ 'বীণাপাণি মহন্ত' স্মৃতি ন্যাস আৰম্ভ কৰা হয়।

## সুবিধা ঃ

সংগ্ৰহালয়টো হৈছে অতীত সমাজৰ কলা-কৃষ্টিৰ কেন্দ্ৰ। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ এই সংগ্ৰহালয়টোৰ যোগেদি ছাত্ৰীসকলে জ্ঞানী হ'ব পাৰিছে। ই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলক বহুতো নজনা আৰু নেদেখা পুৰণি কলা-কৃষ্টি তথা তথ্যপাতিৰ প্ৰতি আকৰ্ষিত কৰি তুলিছে। ইতিহাস, পুৰাতাত্বিক, নৃতাত্বিক জ্ঞান দানত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়টোৱে অৰিহণা যোগাই আহিছে। এই সংগ্ৰহালয়টো বৰ্তমান চালুকীয়া অৱস্থাত আছে যদিও অতি সোনকালে এই অনুষ্ঠানটোৱে পূৰ্ণাংগ অৱস্থা লাভ কৰিব বুলি আশা কৰা হৈছে।

এই সংগ্ৰহালয়ে ছাত্ৰীসকলক তথ্যপাতি তথা সা-সামগ্ৰীসমূহ পুনৰ সংস্থাপিত কৰি ৰখাত বিশেষ অৰিহণা যোগাইছে। বিশেষকৈ ছাত্ৰীসকলক ঐতিহাসিক যুগৰ সা-সামগ্ৰীবোৰৰ সৈতে চিনাকি হোৱাত সহায় কৰিছে। এই সংগ্ৰহালয়টোৱে সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলৰ বুৰঞ্জী তথা সাংস্কৃতিক দিশ প্ৰতিফলিত কৰিছে।

## সামৰণি ঃ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সংৰক্ষিত তথ্যসমূহৰ যোগেদি এই অঞ্চলটোৰ বহুতো লোকে নজনা কথা জানিব পাৰিছে। অঞ্চলটোৰ ওচৰে-পাজৰে থকা মানুহখিনিও যথেষ্ট জ্ঞানী হ'ব পাৰিছে। মহাবিদ্যালয়ৰ ছাত্ৰীসকলকো এই সংগ্ৰহালয়টোৰ প্ৰতি আকৰ্ষণীয় কৰি তুলিছে। এই সংগ্ৰহালয়টোৱে প্ৰত্যেক ছাত্ৰীৰ লগতে বিশিষ্ট ব্যক্তিসকল, শিক্ষক-শিক্ষয়িত্ৰীসকল তথা বাইজক আমোদ দিয়াৰ লগতে পুৰণি সামগ্ৰীসমূহ দেখি ইতিহাস অধ্যয়নৰ কথা পুনৰ মনল�ৈ অনাত আগ্ৰহী কৰিছে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগৃহীত সকলোখিনি পুৰণি বস্তু আমাৰ পিছৰ সকলৰ কাৰণে অতি আকৰ্ষণীয় হ'ব আৰু তেওঁলোকে আমাৰ অতীতৰ বিষয়ে যথেষ্ট জ্ঞান লাভ কৰিব পাৰিব।

## মতামত ঃ

মই ক'ব বিচাৰো যে- এই সংগ্ৰহালয়টোৰ জৰিয়তে ইয়াৰ পৰা আমি বহুতো জ্ঞান লাভ কৰিছো, নেদেখা তথ্যসমূহৰ সৈতে মুখামুখি হ'ব পাৰিছো। সেইবাবে মই গৌৰবান্বিত। বৰ্তমান অৱস্থাতকৈ যদি এই সংগ্ৰহালয়টো উন্নত কৰিব পৰা যায়, তেতিয়াহ'লে সংগ্ৰহালয়টো দেখিবলৈ আকৰ্ষণীয় হৈ উঠিব। এই সংগ্ৰহালয়টোত যদি সংগৃহীত তথ্যবোৰ আমি চাফ-চিকুণ আৰু পৰিপাটিকৈ ৰাখো তেতিয়াহ'লে এই সামগ্ৰীবোৰ দেখিবলৈ স্পষ্ট হ'ব আৰু উজ্বল হৈ উঠিব। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰত্যেক ছাত্ৰীয়ে কোনো মানুহৰ ঘৰত যদি ঐতিহ্যপূৰ্ণ সম্পদসমূহ অ'ত-ত'ত অপৰিপাটিকৈ ৰখা দেখিছে তেতিয়াহ'লে আমাৰ মহাবিদ্যালয়ৰ সংগ্ৰহালয়ৰ বাবে সংগ্ৰহ কৰি অনাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলোঁ, লগতে ইয়াৰ জৰিয়তে যেন সমগ্ৰ দক্ষিণ কামৰূপৰ বুৰঞ্জী তথা সাংস্কৃতিক দিশ প্ৰতিফলিত হয় তাৰে আশা কৰিলোঁ।

**প্ৰকল্প প্ৰস্তুত কৰণত সহায়ক পুথিসমূহ ঃ**

১। Museum Buletin - Dakshin Kamrup Girls' College Museum (Volume - 1, 2002)

২। Museum Buletin (Volume-III, 11 February-2010)

৪। কপালীম (2012-13) - সংঘমিত্রা সিন্‌হা

**প্ৰকল্পপত্ৰৰ তথ্য সংগ্ৰহ কৰোঁতে সহায় কৰা ব্যক্তিসকল ঃ**

১। ড° লীলাৱতী চৌধুৰী (তত্ত্বাৱধায়িকা)

২। সংঘমিত্রা সিন্‌হা

৩। ড° নবকান্ত অধিকাৰী

৪। বিপুল দলে

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সংৰক্ষিত বাতৰি কাকত

✍ নমিতা কুমাৰী

*স্নাতক, ৬ষ্ঠ ষাণ্মাষিক*

কামৰূপ গ্ৰাম্য জিলাৰ মিৰ্জাত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন অৱস্থিত। এই মহাবিদ্যালয়খন ১৯৮৮ চনৰ ২০ নৱেম্বৰ তাৰিখে স্থাপন কৰা হয়। এই মহাবিদ্যালয়খনত এটা সংগ্ৰহালয় ১৯৯৫ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে প্ৰতিস্থা কৰা হয়। এই সংগ্ৰহালয়টোত বহুতো আপুৰুগীয়া সম্পদ সংৰক্ষিত কৰি ৰখা হৈছে। ইয়াৰ ভিতৰত বাতৰি কাকতৰ কথা উল্লেখ কৰিব পাৰি। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত বাতৰি কাকত সমূহো সংৰক্ষিত কৰি ৰখা হৈছে। ইয়াৰ গুৰুত্বপূৰ্ণ উদ্দেশ্যৰ ভিতৰত উল্লেখ কৰিব পাৰি যে-

(১) শিক্ষাৰ্থীসকলে যাতে দেশৰ বিভিন্ন প্ৰান্তত ঘটি থকা ঘটনা সম্পৰ্কে পোনপটীয়াভাৱে জানিব পাৰে।

(২) ইয়াৰ আন এক অন্যতম উদ্দেশ্য হ'ল যাতে শিক্ষাৰ্থীসকলে বহুতো নজনা কথা জানিব পাৰে।

(৩) ইয়াৰ সহায়ত সৎ নাগৰিক হিচাপে গঢ়ি উঠিব পাৰে।

(৪) ইয়াৰ ভৱিষ্যতে যাতে শিক্ষাৰ্থীসকলে নিজৰ প্ৰতিভাসমূহ বিকাশ কৰাৰ সুবিধা পায়।

(৫) এই বাতৰি কাকত সমূহে শিক্ষাৰ্থীসকলক অকল পাঠ্যক্ৰমৰ মাজতে অন্তৰ্ভুক্ত কৰি নাৰাখি দেশৰ বিভিন্ন প্ৰান্তৰ ৰাজনীতিৰ প্ৰতিটো পদক্ষেপ সম্পৰ্কে জনাৰ সুবিধা প্ৰদান কৰে।

(৬) এই বিলাকৰ উপৰিও ইয়াৰ আন এক অন্যতম উদ্দেশ্য হৈছে যে শিক্ষাৰ্থীসকলে যাতে বিভিন্ন জাতি-জনজাতি আৰু ভাষা-সংস্কৃতি আদিৰ বিষয়ে জানিব পাৰে।

(৭) শিক্ষাৰ্থীসকলৰ জ্ঞান বৃদ্ধিত সহায় কৰাটোও ইয়াৰ আন এক অন্যতম উদ্দেশ্য।

(৮) ইয়াৰ ভৱিষ্যতে ব্যৰ্থ হোৱা শিক্ষাৰ্থীসকলে যাতে জীৱনত আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা পায়।

(৯) ইয়াৰ উপৰিও আন এটা অন্যতম উদ্দেশ্য হৈছে যে শিক্ষাৰ্থীসকলৰ ব্যক্তিত্ব সুস্থ-সবল ৰূপত গঢ়ি তোলা।

(১০) শিক্ষাৰ্থীসকলৰ মনত দেশপ্ৰেমৰ ভাৱ জাগ্ৰত কৰি তোলা ইয়াৰ এক প্ৰধান উদ্দেশ্য।





ওপৰত উল্লেখিত উদ্দেশ্যসমূহৰ উপৰিও ইয়াত কিছুমান আন উদ্দেশ্যও নিহিত হৈ আছে। এই সংগ্ৰহালয়টোত সংৰক্ষিত কৰি ৰখা বাতৰি কাকত সমূহৰ যোগেদি শিক্ষাৰ্থীসকলৰ মাজত এক যোগসূত্ৰ ৰক্ষা কৰি ওচৰ সম্বন্ধ গঢ়ি তোলাৰ প্ৰয়াস কৰা হয়। এই বাতৰি কাকতসমূহৰ যোগেদি শিক্ষাৰ্থীসকলে নিজকে এক বিশ্ব ভাতৃত্বৰ মনোভাৱেৰে বান্ধি পেলোৱাৰ সুবিধা পায়। এই বাতৰি কাকতসমূহৰ জৰিয়তে এই মহাবিদ্যালয়ত অধ্যয়ণৰত শিক্ষাৰ্থীসকলে বৰ্তমান দেশৰ বিষয়ে পোনপটীয়াভাৱে জানিব পাৰে বা অতীত কালত হৈ যোৱা বিভিন্ন ঘটনা বা তথ্য সম্পৰ্কে জানিব পাৰে। এই সংৰক্ষিত কৰি ৰখা বাতৰি কাকতসমূহে যাতে ছাত্ৰীসকলক সমাজৰ প্ৰতি সচেতন, দেশৰ প্ৰতি সচেতন কৰি তুলিব পাৰে লগতে শিক্ষাৰ্থীসকলৰ জ্ঞান বৃদ্ধিত যাতে সহায় কৰিব পাৰে তাৰে প্ৰয়াস কৰা। শিক্ষাৰ্থীসকলৰ মাজত দেশপ্ৰেমৰ মনোভাৱ গঢ়ি তোলাৰ চেষ্টা কৰা হৈছে। গতিকে দেখা যায় যে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়টোত সংৰক্ষিত বাতৰি কাকতসমূহে ইয়াত অধ্যয়ণৰত শিক্ষাৰ্থীসকলক যথেষ্ট উপকৃত কৰিছে।

### বাতৰি কাকতৰ উৎপত্তি ঃ

নিত্য নৱ আবিষ্কাৰে পৃথিৱীক ন ন প্ৰগতিৰ পথত আগুৱাই লৈ গৈছে। সেই অভাৱৰ তাড়ণাতেই নিশ্চয় এদিন বাতৰি কাকতৰ জন্ম হৈছিল। সৰ্বপ্ৰথম বাতৰি কাকতৰ উদ্ভাৱন হৈছিল চীন দেশত। ইউৰোপত ইটালীৰ ভেনিচ নগৰত প্ৰথম বাতৰি কাকত উদ্ভাৱন হয় সেই বাতৰি কাকতৰ নাম আছিল "গেজেট"। ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ দিনত বাতৰি কাকত প্ৰকাশিত হয়। ভাৰতত ইংৰাজ ৰাজত্বৰ আৰম্ভণিৰ পৰাই বাতৰি কাকত "ইণ্ডিয়া গেজেট"- ১৭৪৪ চনত প্ৰকাশিত হৈছিল। ইয়াৰ পাছৰ পৰাই ইংৰাজী আৰু দেশীয় বিভিন্ন ভাষাত বাতৰি কাকত প্ৰকাশিত হয়। সেইবোৰ হৈছে- ৰয়টাৰ, ইউ.পি.আই ইত্যাদি। অসমত প্ৰথম বাতৰি কাকত প্ৰচলন কৰে খ্ৰীষ্টান মিছনেৰীসকলে আৰু সেই কাকতখনৰ নাম আছিল "অৰুণোদই"। এই বাতৰি কাকতখন ১৮৪৬ চনত প্ৰকাশিত হয়। তাৰ পাছৰ পৰা বিভিন্ন সময়ত বিভিন্ন বাতৰি কাকত অসমত প্ৰকাশ পাইছে। সেইবোৰ হ'ল- অসম বান্ধৱ, অসম বিলাসিনী, মৌ বাঁহী, দৈনিক অসম, দৈনিক জনমভূমি, ইংৰাজীৰ দ্য আচাম ট্ৰিবিউন, আসাম এক্সপ্ৰেছ, নিউজ ষ্টাৰ আদি প্ৰকাশিত হয়। সুখৰ কথা এয়ে যে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত এই বাতৰি কাকতসমূহৰ কিছুমান সংৰক্ষিত কৰি ৰখা হৈছে। ইয়াৰ ভিতৰত দৈনিক অসম আৰু দ্য আচাম ট্ৰিবিউন অন্যতম। এই দুখন বাতৰি কাকতৰ বিষয়ে নিম্নলিখিত তথ্যসমূহ আগবঢ়োৱা হ'ল—

### দৈনিক অসম ঃ

দৈনিক অসম হৈছে এখন পুৰণি অসমীয়া বাতৰি কাকত। কাকতখন প্ৰকাশ হৈছিল ১৯৬৫ চনৰ ৪ আগষ্টত। স্বৰ্গীয় ৰাধাগোবিন্দ বৰুৱাৰ একান্ত প্ৰচেষ্টাৰ ফলত এই বাতৰি কাকতৰ জন্ম হয়। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা এই কাকতখন প্ৰকাশিত হয়। বৰ্তমান দৈনিক অসমৰ সম্পাদকজনৰ নাম হ'ল প্ৰফুল্ল গোবিন্দ বৰুৱা। ইয়াৰ মুখ্য কাৰ্যালয় গুৱাহাটীত। এই কাকতখন ইন্টাৰনেটতো পোৱা যায়। এই কাকতখনত ১৪ টা পৃষ্ঠা সন্নিৱিষ্ট আছে, য'ত প্ৰত্যেক পৃষ্ঠা অনুসৰি বাতৰিৰ বিভিন্ন প্ৰকাৰবোৰ শ্ৰেণীকৰণ কৰা হয়। এই বাতৰি কাকতখন দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়টো যিমান চনত প্ৰতিষ্ঠা কৰা হৈছিল তেতিয়াৰ পৰা বৰ্তমানলৈকে ধাৰাবাহিকভাৱে এই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ প্ৰচেষ্টাত সংগ্ৰহালয়ত সংৰক্ষিত কৰি আহিছে। এই দৈনিক অসম বাতৰি কাকতখন ১৯৯৫ চনৰ পৰা ২০১৬ চনলৈ এই সংগ্ৰহালয়টোত বাইণ্ডিং কৰি ৰখা হৈছে। মুঠতে সংগ্ৰহালয়টোত দৈনিক অসমৰ বাইণ্ডিং ৮০ টা খণ্ড আছে।

**দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সংৰক্ষিত বাতৰি কাকতসমূহৰ তালিকা ঃ**

| দৈনিক অসম | মাহ | বছৰ |
|---|---|---|
| 1 | May, August and September | 1982 |
| 2 | June, July and August | 1991 |
| 3 | January, February and March | 1996 |
| 4 | April, May and June | 1996 |
| 5 | October to December | 2000 |
| 6 | October to December | 2010 |
| 7 | January to March | 2015 |
| 8 | July, August and September | 2015 |
| 9 | October to December | 2015 |
| 10 | April to July | 2016 |
| 11 | October to December | 2017 |

### দ্য আচাম ট্ৰিবিউন ঃ

দ্য আচাম ট্ৰিবিউন হৈছে এখন ইংৰাজী ভাষাৰ দৈনিক বাতৰি কাকত। এই বাতৰি কাকতখন প্ৰথম প্ৰকাশ হয় ১৯৩৯ চনৰ ৪ আগষ্টত। এই বাতৰি কাকতখন ৮০ বছৰ আগেয়ে প্ৰকাশ পাইছিল। আচাম ট্ৰিবিউন বাতৰি কাকতখনৰ প্ৰতিষ্ঠাপক গৰাকীৰ নাম হ'ল- ৰাধা গোবিন্দ বৰুৱা। কাকতখনৰ বৰ্তমান সম্পাদকজনৰ নাম হ'ল- প্ৰফুল্ল গোবিন্দ বৰুৱা আৰু কাৰ্যবাহি সম্পাদকজনৰ নাম হ'ল- পি.জে. বৰুৱা। দ্য আচাম ট্ৰিবিউন বাতৰি কাকতখন অসমৰ দক্ষিণে পশ্চিমে অধিক জনপ্ৰিয় হৈ পৰিছে। দ্য আচাম ট্ৰিবিউন বাতৰি কাকতখন দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়টোত ১৯৮৮ চনৰ পৰা বৰ্তমানলৈ সংৰক্ষিত কৰি অহা হৈছে। এই বাতৰি কাকতখন সংগ্ৰহ কৰিছিল ড° গজেন্দ্ৰ অধিকাৰী দেৱে আৰু তেওঁ এই বাতৰি কাকতখনৰ দাতাও আছিল। উল্লেখযোগ্য যে ড° গজেন্দ্ৰ অধিকাৰী দেৱে আচাম ট্ৰিবিউন বাতৰি কাকতখনৰ সংগ্ৰহখিনি দান কৰি আহিছে।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সংৰক্ষিত বাতৰি কাকতৰ সংখ্যাৰ তালিকা ঃ-

| The Assam Tribune | মাহ | বছৰ |
|---|---|---|
| 1 | June, July and August | 1982 |
| 2 | May to July | 1991 |
| 3 | July to September | 1992 |
| 4 | November to December | 2003 |
| 5 | January to March | 2008 |
| 6 | April to June | 2010 |
| 7 | July to September | 2010 |
| 8 | October to December | 2010 |
| 9 | April to June | 2011 |
| 10 | October to December | 2011 |
| 11 | January to March | 2012 |
| 12. | January to March | 2013 |

### সামৰণি ঃ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত থকা সংগ্ৰহালয়টোৰ বাবে আমি যথেষ্ট গৌৰৱান্বিত। এই বাতৰি কাকতসমূহৰ দ্বাৰা ইয়াত অধ্যয়নৰত শিক্ষাৰ্থীসকল যথেষ্ট উপকৃত হৈছে। ইয়াৰ দ্বাৰা প্ৰতিজন গৱেষকেও নিজ নিজ বিষয় সম্পৰ্কে গৱেষণা কৰাত অনুপ্ৰেৰণা পায়। পঢ়ুৱৈসকলক নিজ নিজ জীৱনত আগুৱাই যোৱাত অনুপ্ৰেৰণা দিয়ে। এই মহাবিদ্যালয়খনৰ সংগ্ৰহালয়টোত সংৰক্ষিত বাতৰি কাকতসমূহ পৰিপাটিকৈ ৰখাৰ ব্যৱস্থা কৰিব লাগে, যাতে পঢ়ুৱৈ বা গৱেষকসকলে গৱেষণা কাৰ্যত আগুৱাই যোৱাত কোনো বাধাৰ সন্মুখীন নহয়। এই সংগ্ৰহালয়টো আগতকৈও অধিক উন্নত কৰা উচিত। ইয়াত সংৰক্ষিত বাতৰি কাকতসমূহৰ দ্বাৰা অধ্যয়ণৰত শিক্ষাৰ্থীসকলে যাতে আগলৈয়ো বহুতো নজনা কথা জানিব পাৰে তাৰবাবে সুবিধা প্ৰদান কৰা উচিত। এই সংগ্ৰহালয়টোত আগতকৈয়ো অধিক বাতৰি কাকত সংগ্ৰহ কৰিব লাগে, যাতে ইয়াৰ দ্বাৰা পঢ়ুৱৈ বা গৱেষক সকলে নতুন নতুন তথ্য পাব পাৰে আৰু শিক্ষাৰ্থীসকলক বিভিন্ন প্ৰকাৰে উপকৃত কৰিব পাৰে তাকেই আমি কামনা কৰো। ■

তথ্য সংগ্ৰহ ঃ

১। ড° সংঘমিত্ৰা সিনহা — ইতিহাস বিভাগৰ সহযোগী অধ্যাপিকা।
২। ড° নৱকান্ত অধিকাৰী — ইতিহাস বিভাগৰ সহযোগী অধ্যাপক।
৩। শ্ৰীবিপুন দলে — ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক।







# উপ-সভানেত্ৰীৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো, যিসকল ব্যক্তিৰ অশেষ পৰিশ্ৰম, মহানুভৱতা, কষ্টৰ ফলত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ উপ-সভানেত্ৰীৰ দৰে দায়িত্বশীল পদত মোক অধিষ্ঠিত কৰাই মহাবিদ্যালয়ৰ হকে কাম কৰাৰ বাবে সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰী তথা বাইদেউ, বান্ধৱীলৈ মই কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

(ক) মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস ঃ উপ-সভানেত্ৰী পদত শপত গ্ৰহণ কৰি কাৰ্যভাৰ লোৱাৰ পিছত আমাৰ প্ৰথম কাৰ্যসূচী আছিল ৩১ তম্ মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস। বিগত বছৰৰ দৰে এইবেলিও ২০-১১-২০১৮ ইং তাৰিখে প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

(খ) সৰস্বতী পূজা ঃ ১০-০২-২০১৯ ইং তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা আৰু শিক্ষক-কৰ্মচাৰীবৃন্দৰ একান্ত সহযোগত মহাবিদ্যালয়ত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ শ্ৰীচৰণত পুষ্পাঞ্জলি প্ৰদান কৰা হয়। অইন বেলিতকৈ আমাৰ কাৰ্যকালৰ সৰস্বতী পূজাৰ খিচিৰি বিতৰণ কিছু সুকীয়া আছিল। পৰম্পৰাগত তথা ৰং-বিৰঙৰ সাজ-পোছাকেৰে উজ্বলি উঠা ছাত্ৰীসকলৰ উপস্থিতিয়ে আমাক উৎসাহিত কৰি তুলিছিল। লগতে নিমন্ত্ৰিত অতিথিৰ অভ্যাৰ্থনা দিনৰ ২ মান বজাৰ পৰা আৰম্ভ হয়।

(গ) বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ বিগত বছৰ কেইটিৰ দৰে এইবেলিও তিনিদিনীয়া কাৰ্যসূচীৰে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ইং ০৪-০২-২০১৯ ইং তাৰিখৰ পৰা ০৬-০২-২০১৯ ইং তাৰিখলৈ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে এইবেলি সাংস্কৃতিক শোভাযাত্ৰা উদ্‌যাপন কৰা হৈছিল। অতি সুন্দৰকৈ আৰু মনোমোহা দৃশ্যৰে তিনিদিনীয়া কাৰ্যসূচীৰে বিভিন্ন খেল-ধেমালি আৰু নৃত্য, গীত, মাত আদিৰে অনুষ্ঠিত কৰা হৈছিল।

(ঘ) **আন্তৰ্জাতিক নাৰী দিৱস ঃ** ৮ মাৰ্চ, ২০১৯ ত দক্ষিণ কামৰূপত ছোৱালী মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। য'ত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে The Mrs. United Nations 2017 খ্যাত Roshni Hasan. তেওঁ "Balance for better" ৰ ওপৰত বিশেষভাৱে বক্তব্য আগবঢ়ায়।

(ঙ) **নৱাগত আদৰণি সভা ঃ** ইং ২১-০৮-২০১৯ তাৰিখে নৱাগত আদৰণি সভাৰ কাৰ্যসূচীৰ সভাত সভাপতিত্ব কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী মহোদয়ে। এইবেলি নৱাগত আদৰণি সভাত প্ৰত্যেক ছাত্ৰীয়ে মহাবিদ্যালয় পৰম্পৰাগত সাজৰ লগতে কলেজ ইউনিফ্ৰম পৰিধান কৰি অহাটো বাধ্যতামূলক আছিল। বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠানেৰে উখল-মাখল পৰিৱেশৰ মাজেৰে সময়বোৰ অতিবাহিত হৈছিল। তাৰ পিছতেই দিনৰ ২ মান বজাৰ পৰাই মুকলি সভা অনুষ্ঠিত হৈছিল। বিজেপিৰ বিজয় কুমাৰ গুপ্তা, পলাশবাৰী সমষ্টিৰ বিধায়ক প্ৰণৱ কলিতা দেৱ, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি, উপদেষ্টাকে ধৰি বহু কেইগৰাকী ব্যক্তি উপস্থিত থাকে। নৱাগত আদৰণি সভাৰ নিমন্ত্ৰিত অতিথি শিল্পী ৰূপে উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপলিনা ডেকা আৰু অভিনেত্ৰী অমৃতা গগৈ।

(চ) **গুৰুজনাৰ ৪৫০ সংখ্যক তিৰোভাৱ তিথি উদ্‌যাপন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ ৪৫০ সংখ্যক তিৰোভাৱ তিথি উদ্‌যাপন কৰা হৈছিল দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত। ৰাতিপুৱাৰে পৰা গুৰুজনাৰ গুণানুকীৰ্ত্তন, হৰি নামৰ ধ্বনি আৰু ৫০০ বো অধিক ছাত্ৰীৰ উপস্থিতিয়ে মহাবিদ্যালয়ৰ চৌহদ গুৱনি কৰে। অনুষ্ঠানৰ শেষত প্ৰসাদ বিতৰণ আৰু খিচিৰৰ ব্যৱস্থা কৰা হয়।

সামৰণি ঃ

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত দায়িত্ব পালনৰ স্বাৰ্থত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুলৰ ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। অনাগত দিনবোৰত আমাৰ মহাবিদ্যালয়খন সকলো দিশতে উজ্বলি উঠক এই কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"*
*"জয়তু ছাত্ৰী একতা সভা"*

*ধন্যবাদেৰে-*
বৰষা নাথ



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ, যিসকল নমস্য ব্যক্তিৰ ত্যাগ, সাধনা, মহানুভৱতা আৰু অক্লান্ত পৰিশ্ৰমৰ ফলশ্ৰুতিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনি গঢ়ি উঠিবলৈ সক্ষম হৈছে।

যোৱা ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ পদত মোক অধিষ্ঠিত কৰাই মনৰ অদম্য হেঁপাহক বাস্তৱ ৰূপ দিবলৈ লগতে মহাবিদ্যালয়ৰ হকে দায়িত্বশীল কৰ্মকৰ্তা ৰূপে কাম কৰাৰ সুযোগ কণ দিয়া বাবে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰী বান্ধৱী, বাইদেউ আৰু ভন্টিসকলোলৈ মোৰ অন্তৰৰ নিভৃতকোণৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**কাৰ্যকালৰ কিছু বিৱৰণ ঃ**

(ক) **মহাবিদ্যালয় প্ৰতিষ্ঠা দিবস ঃ** সাধাৰণ সম্পাদিকা হৈ শপত গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল ৩১ তম্ মহাবিদ্যালয় প্ৰতিষ্ঠা দিবস। আনবেলিৰ দৰে এইবেলিও ২০-১১-২০১৮ ইং তাৰিখে ৰাতিপুৱা ৯ বজাত অধ্যক্ষ মহোদয়ে পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে। তাৰপিছত শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ লগতে সাধাৰণ সম্পাদিকাৰ ভাষণ ৰখাৰ পিছতেই কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ সহযোগত প্ৰতিষ্ঠা দিবসৰ কাৰ্যসূচীৰ অন্ত পৰে।

(খ) **বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বৰ্ষবোৰৰ দৰেই এইবেলিও ০৪-০২-২০১৯ ইং তাৰিখৰ পৰা ০৬-০২-২০১৯ ইং তাৰিখলৈ তিনিদিনীয়াকৈ মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হৈছিল। আৰম্ভণিৰ দিনাখন সাংস্কৃতিক শোভাযাত্ৰাৰে মহাবিদ্যালয়ৰ চৌহদ উৎসৱমুখৰ কৰি তোলা হয়। বিভিন্ন খেল-ধেমালি, সাংস্কৃতিক প্ৰতিযোগিতা, সাহিত্য, তৰ্ক, ছাত্ৰী জিৰণি কোঠাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে শিল্পী অতিথি অসমৰ জনপ্ৰিয় গায়িকা মানসী দেৱী। এই ছেগতে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন দিশত সাফল্য লাভ কৰা সকলো ছাত্ৰীলৈ মই শুভেচ্ছা জ্ঞাপন কৰিলোঁ। লগতে সমূহ অংশ গ্ৰহণকাৰী তথা প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে চলাই নিয়া বিচাৰক মণ্ডলীলৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ।

(গ) **সৰস্বতী পূজা ঃ** ১০-০২-২০১৯ ইং তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা আৰু শিক্ষক-কৰ্মচাৰীবৃন্দৰ একান্ত সহযোগত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ শ্ৰীচৰণত পুষ্পাঞ্জলি প্ৰদান কৰা হয়। অইন বেলিতকৈ আমাৰ কাৰ্যকালৰ সৰস্বতী পূজাৰ খিচিৰি বিতৰণ কিছু সুকীয়া আছিল। পৰম্পৰাগত তথা বং-বিৰঙৰ সাজ-পোছাকেৰে উজ্বলি উঠা ছাত্ৰীসকলৰ উপস্থিতিয়ে আমাক উৎসাহিত কৰি তুলিছিল। লগতে নিমন্ত্ৰিত অতিথিৰি অভ্যৰ্থনা দিনৰ ২ মান বজাৰ পৰা আৰম্ভ হয়।

(ঘ) **আন্তৰ্জাতিক নাৰী দিৱস ঃ** ৮ মাৰ্চ, ২০১৯ ত দক্ষিণ কামৰূপত ছোৱালী মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। য'ত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে The Mrs. United Nations 2017 খ্যাত Roshni Hasan. তেওঁ "Balance for better" ৰ ওপৰত বিশেষভাৱে বক্তব্য আগবঢ়ায়।

(ঙ) **নৱাগত আদৰণি সভা ঃ** ন-পুৰণি ছাত্ৰীৰ হেঁপাহৰ অনুষ্ঠানৰ লগতে ৰঙীণ সপোন বাস্তৱায়িত কৰাৰ আশাৰে মহাবিদ্যালয়ত খোজ পেলোৱা নৱাগত ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্য ০২-০৮-২০১৯ ইং তাৰিখে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। এইবেলি নৱাগত আদৰণি সভাত প্ৰত্যেক ছাত্ৰীয়ে মহাবিদ্যালয়ৰ পৰাম্পৰাগত সাজ (কলেজ ইউনিফ্ৰম) পৰিধান কৰি অহাটো বাধ্যতামূলক আছিল। ইয়াক প্ৰত্যেক ছাত্ৰীয়ে দৃঢ়ভাৱে মনা পৰিলক্ষিত হয়।

নৱাগত আদৰণি সভাৰ বিষয়বস্তু নিৰ্বাচন কৰোঁতে কেতবোৰ দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। যেনে ঃ জেং বিহু, বিয়া নাম, ওজাপালি ইত্যাদি। বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠানেৰে উখল-মাখল পৰিৱেশৰ মাজেৰে সময়বোৰ অতিবাহিত হয়। তাৰ পিছতেই দিনৰ ১ মান বজাৰ পৰাই মুকলি সভা অনুষ্ঠিত হয়। বিজেপিৰ নেতা বিজয় কুমাৰ গুপ্তা, পলাশবাৰী সমষ্টিৰ বিধায়ক প্ৰণৱ কলিতা দেৱ, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি, উপদেষ্টাকে ধৰি বহু কেইগৰাকী ব্যক্তি উপস্থিত থাকে। আৰৌ, ছাত্ৰীসকলৰ ভালে সংখ্যক অভিভাৱক উপস্থিত থকাৰ লগতে দক্ষিণ কামৰূপৰ উদ্যোগী মহিলা তথা মহাবিদ্যালয়ৰ দুগৰাকী মেধাৱী ছাত্ৰীক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। নৱাগত আদৰণি সভাৰ নিমন্ত্ৰিত শিল্পী অতিথি ৰূপে উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপলিনা ডেকা আৰু অভিনেত্ৰী অমৃতা গগৈ।

(চ) **গুৰুজনাৰ ৪৫০ সংখ্যক তিৰোভাৱ তিথি উদ্‌যাপন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ ৪৫০ সংখ্যক তিৰোভাৱ তিথি উদ্‌যাপন কৰা হৈছিল দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত। পুৱাৰে পৰা গুৰুজনাৰ গুণানুকীৰ্ত্তন, হৰি নামৰ ধ্বনি আৰু ৫০০ ৰো অধিক ছাত্ৰীৰ উপস্থিতিয়ে মহাবিদ্যালয়ৰ চৌহদ গুৱনি কৰে। অনুষ্ঠানৰ শেষত প্ৰসাদ বিতৰণ আৰু খিচিৰৰ ব্যৱস্থা কৰা হয়।

**সামৰণি ঃ**

এই সুযোগতে মোক সকলো সময়তে দিহা-পৰামৰ্শ দি আগবাঢ়ি যোৱাত সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, মহাবিদ্যালৰ প্ৰতিজন ছাৰ-বাইদেউলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত দায়িত্ব পালনৰ ক্ষেত্ৰত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে ছাত্ৰী একতা সভাৰ সদস্যসকল তথা মোৰ মৰমৰ ছাত্ৰী বান্ধৱীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

এবাৰ কথা ক'বই লাগিব যে, ছাত্ৰী বান্ধৱী তথা ভন্টিসকলৰ অগাধ মৰম, ভালপোৱা, উৎসাহ উদ্দীপনাইহে মোক সাধাৰণ সম্পাদিকা হোৱাৰ বাট মুকলি কৰিছিল। গতিকে, এওঁলোকৰ ওচৰত মই সদায় ঋণী হৈ ৰ'ম।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদনৰ অন্ত পেলালো।

*'জয় আই অসম'*
*'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'*
*'জয়তু ছাত্ৰী একতা সভা'*

*ধন্যবাদেৰে-*

শিখাৰাণী ঠাকুৰীয়া



# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত যিসকলে দেশৰ বাবে প্ৰাণ আহুতি দি গৈছে, যিসকল সমাজ সচেতন সমাজপ্ৰিয়, দায়িত্বশীল ব্যক্তিৰ অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আজি এগচি চাকি ৰূপে উজ্বলি উঠিবলৈ সক্ষম হৈছে। সেইসকল চিৰ নমস্য মহান ব্যক্তিক মই শ্ৰদ্ধাৰে প্ৰণাম জনাই লুঁৰিছো।

২০১৮-১৯ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকাৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিলোঁ। ছাত্ৰী বান্ধৱীসকলৰ সহযোগিতা তথা বাইদেউ-ভণ্টিসকলৰ মৰম-স্নেহে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকা পদত মোক নিৰ্বাচিত কৰিছিল। সেই সুযোগ লাভ কৰি মহাবিদ্যালয়ৰ বিভিন্ন কাম তথা নিয়মৰ বিষয়ে জানিব বা শিকিবলৈ পোৱাৰ বাবে মই তেওঁলোকক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ যাচিলোঁ।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ**

**সৰস্বতী পূজা ঃ**

প্ৰত্যেক বছৰৰ দৰে মোৰ কাৰ্যকালৰ ১০-০২-২০১৯ ইং তাৰিখে উলহ-মালহেৰে মহাবিদ্যালয়ত সৰস্বতী পূজা পালন কৰা হয়। সেইদিনা শিক্ষক-কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ সহযোগত বিদ্যাৰ দেৱী মা সৰস্বতীৰ শ্ৰীচৰণত সভক্তিৰে পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। অহিন বেলিৰ দৰে এইবেলিও প্ৰাচীৰ পত্ৰিকা শ্ৰীপঞ্চমী উন্মোচন কৰা হয়। পূজাৰ সহায়িকা হিচাপে বহাৰ উপৰিও অন্যান্য কামত পূজাখন চলাই নিয়াত মোৰ ফালৰ পৰা বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ**

মোৰ কাৰ্যকালৰ দ্বিতীয় কাৰ্যসূচী আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। ০৪-০২-২০১৯ ইং সোমবাৰৰ পৰা ০৬-০২-২০১৯ ইং বুধবাৰলৈ তিনিদিনীয়াকাৰ্যসূচীৰে আমাৰ মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হৈছিল। এই তিনিদিনত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

০৪-০২-২০১৯ ইং তাৰিখে আমাৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰা। এই শোভাযাত্ৰাত অংশ গ্ৰহণ কৰা বিভাগ সমূহ আছিল ক্ৰমে- অসমীয়া, ইংৰাজী, গাৰ্হস্থ্য বিজ্ঞান, দৰ্শন, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান বিভাগৰ লগতে আমাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS Unit)ৰ ফালৰ পৰা এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হৈছিল। এই শোভাযাত্ৰাৰ দ্বাৰা আমাৰ মহাবিদ্যালয়ৰ বিভাগসমূহে বাইজৰ আগত বাৰেবৰণীয়া সংস্কৃতি প্ৰদৰ্শন কৰা দেখা গৈছিল। প্ৰত্যেক বিভাগে বিভিন্ন সংস্কৃতি পৰিৱেশন কৰাত সাংস্কৃতিক শোভাযাত্ৰা অতি আকৰ্ষণীয় হৈছিল। সাংস্কৃতিক শোভাযাত্ৰাত বিচাৰকৰ আসন অলংকৃত কৰা মাননীয় অনিল চন্দ্ৰ কলিতা দেৱ আৰু চন্দ্ৰ কুমাৰ দাস দেৱৰ এই ছেগতে আন্তৰিক শলাগ লৈছো। এই প্ৰতিযোগিতাত প্ৰথম স্থান- অসমীয়া বিভাগ, দ্বিতীয় স্থান - দৰ্শন বিভাগ, তৃতীয় স্থান - বুৰঞ্জী বিভাগে লাভ কৰিবলৈ সক্ষম হৈছিল।

মহাবিদ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰাৰ অন্ত পৰাৰ লগে লগে আমি সাংস্কৃতিক অনুষ্ঠানৰ বিভিন্ন প্ৰতিযোগিতা, বৰগীত, লোকগীত, জ্যোতি সংগীত, ৰাভা সংগীত, বিয়ানাম আৰু অসমীয়া পৰম্পৰাগত সাজ-পাৰ, ভেশচন, কইনা প্ৰতিযোগিতা ইত্যাদি অনুষ্ঠিত কৰা হৈছিল। উক্ত কাৰ্যসূচীৰে আমাৰ সাংস্কৃতিক অনুষ্ঠানৰ প্ৰথম দিনাৰ সামৰণি ঘটে।

০৫-০২-২০১৯ ইং তাৰিখে মহাবিদ্যালয়ৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী ভূপেন্দ্ৰ সংগীত, দীপালী বৰঠাকুৰৰ গীত, আধুনিক গীত, জিকিৰ, একক আধুনিক নৃত্য, দলীয় আধুনিক নৃত্য, আকস্মিক নৃত্য, একক লোক নৃত্য, দলীয় লোক নৃত্য ইত্যাদি প্ৰতিযোগিতাসমূহ আৰম্ভ কৰা হয়। এই অনুষ্ঠানসমূহত একাংশ ছাত্ৰীৰ উৎসাহ দেখি লগতে অংশ গ্ৰহণ কৰিবলৈ আগ্ৰহী হোৱা দেখি মই নথৈ আনন্দিত হৈছিলোঁ। কিন্তু আমাৰ মহাবিদ্যালয়ৰ একাংশ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিব নিবিচাৰে- মই আশাকৰোঁ যে আহিবলগীয়া দিনবোৰত তেওঁলোকে সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে সমূহ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰে যেন।

প্ৰতিযোগিতাসমূহ চলাই নিয়াত সহায় কৰা বিচাৰকমণ্ডলীলৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ। কাৰণ এওঁলোকৰ সহায়-সহযোগিতা নহ'লে আমি কেতিয়াও প্ৰতিযোগিতাসমূহ চলাই নিয়াটো সম্ভৱ নাছিল। বিচাৰক হিচাপে আমাৰ লগত উপস্থিত আছিল আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী- কৰবী কলিতা (সুগায়িকা), সাধনা কুমাৰী (সুগায়িকা, শিক্ষয়িত্ৰী), ভূমিকা নাথ (নৃত্য শিল্পী, শিক্ষয়িত্ৰী), পূৰবী ঠাকুৰীয়া (নৃত্য শিল্পী, অধ্যাপিকা), মিনাক্ষী দেৱী (সুগায়িকা, শিক্ষয়িত্ৰী) লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলেও বিচাৰকৰ আসন অলংকৃত কৰি আমাক উৎসাহিত কৰে।

তৃতীয় দিনাখন ০৬-০২-২০১৯ ইং তাৰিখে আমাৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ অন্তিম দিন তথা প্ৰতিযোগিতা সমূহৰ বঁটা বিতৰণী সভা আছিল। মহাবিদ্যালয় সপ্তাহৰ নিমন্ত্ৰিত অতিথি আছিল বিশিষ্ট কণ্ঠশিল্পী 'মানসী দেৱী'। বঁটা বিতৰণী সভাত মানসী দেৱীৰ সুমধুৰ গীতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলক আপ্লুত কৰে।

**নৱাগত আদৰণি সভা ঃ**

নৱাগত ছাত্ৰীক আদৰণি জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা নৱাগত আদৰণি সভা হ'ল মোৰ তৃতীয় কাৰ্যসূচী।

২১-০৮-২০১৯ ইং তাৰিখে বিভিন্ন গীত, নৃত্য আদি সাংস্কৃতিক কাৰ্যসূচীৰে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। সৰস্বতী বন্দনা, বৰগীত, লোকগীত, জ্যোতি সংগীত, পাশ্চাত্য সংগীত, ভূপেন্দ্ৰ সংগীত, বিহুগীত, সত্ৰীয় নৃত্য, দেশপ্ৰেমমূলক নৃত্য, আধুনিক নৃত্য, ভাৰত নাট্যম, বড়ো নৃত্য, তিৱা নৃত্য, ৰাভা নৃত্য, বিহু নৃত্য, একক অভিনয়, দলীয় নাট আৰু দিহা নাম, আদি ন-পুৰণি ছাত্ৰীসকলে পৰিৱেশন কৰে। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা উপলক্ষে অহিনবেলিৰ দৰে এইবেলিও কলেজ ইউনিফ্ৰম পৰিধান কৰাটো বাধ্যতামূলক আছিল আৰু ইয়াক ছাত্ৰীসকলে দৃঢ়ভাৱে মানি চলিছিল। ছাত্ৰীসকলৰ অংশ গ্ৰহণ তথা নিজৰ নিজৰ প্ৰতিভাৰ প্ৰদৰ্শন কৰাত উৎসাহ দেখি মই খুবেই আনন্দিত, উৎসাহিত হৈছিলো। অনাগত দিনত যাতে ইয়াতকৈ অধিক ছোৱালী নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে তাৰে কামনা কৰিলোঁ। এই সভাত আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় তথা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে মুখ্য অতিথি হিচাপে কেইগৰাকীমান বিশেষ ব্যক্তি উপস্থিত থাকে। বৰ্তমানৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপলিনা ডেকা আৰু বিশিষ্ট অভিনেত্ৰী অমৃতা গগৈক মুখ্য অতিথি হিচাপে নিমন্ত্ৰিত কৰা হৈছিল। বিভিন্ন নৃত্য-গীতেৰে এই নৱাগত আদৰণি সভাৰ সমাপ্তি ঘটে।

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি ঃ**

মই জনাৰ পাই সুখী যে নৱাগত আদৰণি সভাৰ পিছত মই এই ০১-০৯-২০১৯ ইং তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথিৰ কাৰ্যসূচী তথা প্ৰতিযোগিতা হিচাপে আগভাগ ল'ব পাইছোঁ। এই তিথিত আমি নাম-কীৰ্তন কৰাৰ লগতে বৰগীত, দিহা নাম আৰু থিতাতে লিখি উলিওৱা এক ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি মোৰ অন্তিম কাৰ্যসূচী আছিল।

**সামৰণি ঃ**

প্ৰতিবেদনৰ শেষত সকলো সময়তে সহায়-সহযোগিতা আগবঢ়োৱা তত্ত্বাৱধায়ক ড° জগন্নাথ বৰ্মন ছাৰ দেৱলৈ আন্তৰিক শ্ৰদ্ধা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিভিন্ন কাৰ্যসূচী তথা অনুষ্ঠান সমূহ আগবঢ়াই নিয়াত দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে আমাৰ কলেজৰ অধ্যক্ষ, উপাধ্যক্ষ, ছাৰ-বাইদেউ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰী একতা সভাৰ সমূহ সদস্যৰ লগতে NSS Unit ৰ ছাত্ৰীসমূহকে ধৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰিলোঁ। সুযোগ আৰু সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধৱীক পুনৰ ধন্যবাদ জনালোঁ।

মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় বা আমাৰ মহাবিদ্যালয়ে যি উন্নতি আৰু বিজয়ৰ জখলাৰে আগবাঢ়ি গৈ আছে তাতকৈ অত্যাধিক উন্নতি আৰু বিজয়েৰে উজ্বলি থাকে যেন। শেষত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ ইতিৰেখা ইয়াতে টানিলো।

*'জয় আই অসম'*
*'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'*
*'জয়তু ছাত্ৰী একতা সভা'*
*'জয়তু সাংস্কৃতিক বিভাগ'*

*ধন্যবাদেৰে-*
কংকনা দাস



# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল বীৰ শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণাম জনালোঁ, যিসকল মহান ব্যক্তিয়ে নিজৰ জীৱনটো বলিদান দি আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই আৰু দক্ষিণ কামৰূপৰ ভিতৰত একমাত্ৰ স্ত্ৰী শিক্ষাৰ শিক্ষানুষ্ঠান হিচাপে এই পবিত্ৰ জ্ঞানৰ মন্দিৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনি গঢ়ি তুলি আমাৰ মনত জ্ঞানৰ জ্যোতি বিলালে। মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

মই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০১৮-২০১৯ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সমাজসেৱা বিভাগৰ সম্পাদিকা পদত যিসকল ছাত্ৰী বান্ধৱীয়ে মোক যোগ্য বুলি নিৰ্বাচিত কৰি সহায়-সহযোগিতা আগবঢ়ালে, সেইসকল ছাত্ৰী বান্ধৱীক মই বিশেষ কৃতজ্ঞতা জনালোঁ।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সমাজসেৱা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মই সঁচাকৈয়ে সুখী হৈছো, এই পদত থকা সময়ত মই আমাৰ মহাবিদ্যালয়ৰ সন্মান অটুট ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ**

সমাজসেৱা বিভাগৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী হিচাপে আমাৰ মহাবিদ্যালয়ৰ চাফ-চিকুণ কৰিছিলো আৰু মই দিনটোত চাফ-চিকুণ কৰাত আমাৰ মহাবিদ্যালয়ৰ সমূহ সদস্যই তাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়খন চাফ-চিকুণ কৰাত সহায়-সহযোগিতা আগবঢ়াইছিল।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ**

বিগত বছৰ কেইটিবদৰে এইবেলিও ০৪-০২-২০১৯ ইং তাৰিখৰ পৰা ০৬-০২-২০১৯ ইং তাৰিখলৈ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ পতা হয়। এই সময়ছোৱাত চাফ-চিকুণ কৰা, আন আন খেলসমূহ আৰু সাংস্কৃতিক অনুষ্ঠানসমূহ সুচাৰুৰূপে চলায় নিয়াত সহায়-সহযোগিতা আগবঢ়াইছিল।

**সৰস্বতী পূজা ঃ**

বিগত বছৰৰ দৰে এইবছৰো ১০-০২-২০১৯ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত সৰস্বতী পূজাখনি অনুষ্ঠিত কৰা হয়। মোৰ ফালৰপৰা এই পূজাখন ভালদৰে চলাই নিয়াৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলো।

**নৱাগত আদৰণি সভা ঃ**

বিগত বছৰৰ দৰে এইবেলিও ২১-০৮-২০১৯ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত নৱাগত আদৰণি সভাখন শৃংখলাবদ্ধভাৱে চলায় নিয়াত মোৰ সামৰ্থ্য অনুযায়ী সহায়-সহযোগিতা আগবঢ়াইছিলো।

**কৃতজ্ঞতাৰ শৰাই ঃ**

মোৰ কাৰ্যকালৰ সময়ছোৱাত সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বিভাগৰ তত্ত্বাৱধায়িকা জিনু দাস বাইদেউ, N.S.S. বিভাগৰ সদস্যসকল লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল আৰু কৰ্মচাৰী সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, শেষত মোৰ মৰমৰ ছাত্ৰী বান্ধৱীসকললৈ ধন্যবাদ জনাইছোঁ।

সদৌ শেষত সম্পাদিকাৰ ভাৰ লৈ অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় সৰ্বাংগীন উন্নতি তথা গৌৰৱোজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

*"জয় আই অসম"*

*"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"*

*ধন্যবাদেৰে-*

**পূজা ৰাজ্বীকি**







# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত যিসকল নমস্য ব্যক্তিৰ ত্যাগ, সাধনা, মহানুভৱতা, লোকহিতৈষী, অক্লান্ত পৰিশ্ৰম, অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আজি বিদ্যাৰ মন্দিৰ হিচাপে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে, সেইসকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মনত বহুত হেঁপাহ আৰু আশাৰে মহাবিদ্যালয়খনক এক নতুন ৰূপ দিয়াৰ সপোনেৰে ২০১৮-১৯ বৰ্ষৰ ছাত্ৰী একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাত প্ৰতিদ্বন্দ্বিতা কৰিছিলোঁ। এই পদটিত জয়ী হ'বৰ বাবে বৰ্তমানৰ সাধাৰণ সম্পাদিকা জিন্টী তালুকদাৰে বিশেষভাৱে মোক সহায়ৰ হাত আগবঢ়াইছিল। তাৰ উপৰিও মোৰ বান্ধৱী তথা ভণ্টি সকলে অহৰহ চেষ্টা কৰিছিল। তেওঁলোকক মোৰ ফালৰপৰা মৰম আৰু ধন্যবাদ যাচিলোঁ।

**কাৰ্যকালৰ চমু বিৱৰণ ঃ**

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ কাৰ্যসূচী দুদিনীয়াকৈ আয়োজন কৰা হয় অৰ্থাৎ ০১-০২-২০১৯ ইং তাৰিখ আৰু ০২-০২-২০১৯ ইং তাৰিখে। আয়োজন কৰা প্ৰতিযোগিতাসমূহ হৈছে- আকস্মিক বক্তৃতা, কুইজ প্ৰতিযোগিতা, অসমীয়া কবিতা আবৃত্তি, ইংৰাজী কবিতা আবৃত্তি, তৰ্ক প্ৰতিযোগিতা আদি। ইয়াৰ ভিতৰত কুইজ প্ৰতিযোগিতাখনি আটাইতকৈ আকৰ্ষণীয় হৈছিল। কিয়নো তাত প্ৰায় ১০ টা দলে অংশ গ্ৰহন কৰিছিল।

এই বিষয়ৰ তত্ত্বাৱধায়ক কমলেশ্বৰ বৰা ছাৰে অতি নিষ্ঠাৰে তথা নিয়মানুবৰ্তিতাৰে নিজ দায়িত্ব সুচাৰুৰূপে পালন কৰি যোৱাৰ লগতে মোকো অশেষ সহায়ৰ হাত আগবঢ়াইছিল। সেয়েহে তেওঁক অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ছাৰ সঁচাকৈয়ে এগৰাকী সহনশীল ব্যক্তি। ছাৰৰ প্ৰতিটো কথাতে মই উৎসাহ আৰু সাহস পাইছিলো আৰু সেইবাবে সকলো কাম যিমান পাৰো নিয়াৰিকৈ কৰিব চেষ্টা কৰিছিলো। অৱশেষত কমলেশ্বৰ বৰা ছাৰদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা মাগিছো।

**সামৰণি ঃ**

অৱশেষত প্ৰতিবেদন সামৰাৰ প্ৰাক্‌মুহূৰ্তত মোৰ কাৰ্যকালৰ বিভিন্ন দিশত সহায় কৰা ছাত্ৰী একতা সভাৰ সমূহ সদস্যকে ধৰি মোৰ সকলো বান্ধৱীকে শ্ৰদ্ধাৰে সুঁৱৰি অজানিতে কৰা ভুলৰ ক্ষমা বিচাৰিছোঁ। লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ লগতে বিজয়ৰ শিখৰলৈ আগবাঢ়ি যোৱাৰ কামনা কৰিলোঁ। সকলো ছাত্ৰী বান্ধৱীক অনুৰোধ কৰিলোঁ যাতে মহাবিদ্যালয়খনৰ নিয়ম-নীতিসমূহ মানি চলি শৃংখলাবদ্ধতা তথা শান্তিৰ বতৰা অটুট ৰাখে তাৰে কামনাৰে মই মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

*"জয় আই অসম"*

*"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"*

*"জয়তু ছাত্ৰী একতা সভা"*

ধন্যবাদেৰে-

*গীতা দাস*



# খেল বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই বীৰ শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। যিসকল মহান ব্যক্তিয়ে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল তেওঁলোকলৈও মোৰ পৰম শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মোৰ শিক্ষাগুৰু সকললৈ আৰু ছাত্ৰী বান্ধৱী সকললৈ অশেষ অভিনন্দন জনালোঁ।

২০১৮-১৯ বৰ্ষৰ ছাত্ৰী একতা সভাৰ খেল বিভাগৰ সম্পাদিকা পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিলোঁ। মোক ছাত্ৰী বান্ধৱীসকলে যোগ্য বুলি ভাবি নিৰ্বাচিত কৰিছিল। মহাবিদ্যালয়ৰ বিভিন্ন কাম তথা নিয়মৰ বিষয়ে জানিব বা শিকিবলৈ পোৱাৰ বাবে মই তেওঁলোকক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ যাচিলোঁ।

বৰ্তমান যুগত খেল-ধেমালি শিক্ষাৰ এক অপৰিহাৰ্য অংশ। কিয়নো ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ জ্ঞান আহৰণ কৰাৰ উপৰিও মনৰ উৎকৰ্ষ সাধন কৰাৰ কাৰণে খেল-ধেমালিৰ বাবকৈয়ে প্ৰয়োজনীয়। ইয়ে প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকলৰ শৰীৰৰ অংগ-প্ৰত্যংগ ভালে থকাৰ লগতে বাহিৰৰ জগতৰ লগত পৰিচয় হ'বলৈ সুযোগ পায়।

**সৰস্বতী পূজা ঃ** প্ৰত্যেক বছৰৰ দৰে মোৰ কাৰ্যকালৰ ১০-০২-২০১৯ ইং তাৰিখে উলহ-মালহেৰে মহাবিদ্যালয়ত সৰস্বতী পূজা পালন কৰা হয়। সেইদিনা শিক্ষক কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ সহযোগত বিদ্যাৰ দেৱী মা সৰস্বতীৰ শ্ৰীচৰণত সভক্তিৰে পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। অইন বেলিৰ দৰে এইবেলিও প্ৰাচীৰ পত্ৰিকা শ্ৰীপঞ্চমী উন্মোচন কৰা হয়। অন্যান্য কামত পূজাখন চলাই নিয়াত মোৰ ফালৰ পৰা বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়াইছিলো।

**গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা জাগীৰোডত আন্তঃ মহাবিদ্যালয় (খো-খো) খেল ঃ** ২৮-০১-২০১৯ ইং তাৰিখৰ পৰা ৩০-০১-২০১৯ ইং তাৰিখলৈ জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা খো-খো খেলৰ বাবে কলেজৰ ফালৰ পৰা এটা দল লৈ গৈছিলোঁ। তিনিদিনীয়া কাৰ্যসূচীৰে এই খেল অনুষ্ঠিত হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফালৰ পৰা জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা খো-খো খেলত দ্বিতীয় স্থান লাভ কৰি কলেজলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিলোঁ।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** যোৱাবেলিৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি সুচাৰুৰূপে পৰিচালনা কৰা হয় যদিও এইবেলি মহাবিদ্যালয় সপ্তাহত খেল বিভাগৰ তৰফৰপৰা বিভিন্ন খেল-ধেমালি পতা হৈছিল। যেনে- দৌৰ, শ্বটপুট, ডিচ্‌কাচ থ্ৰো, জেভলিং থ্ৰো, হাইজাম্প, লংজাম্প, বিলেবেচ, কাবাডী, পাঞ্জা, ৰছী টনা, স্কিপিং আদি। এই খেল পৰিচালনা কৰাৰ লগতে মই নিজে আনন্দিত হৈছিলো। কাৰণ মই ভবামতে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিলো আৰু কিছুমানে অংশ গ্ৰহণ কৰা নাছিল। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ পৰা কম পৰিমাণেহে সঁহাৰি পোৱা যায়। এনে কাৰ্যই কেৱল আমাৰ ছাত্ৰীৰ খেলা-ধূলাৰ প্ৰতি থকা অমনোযোগিতা আৰু প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ সাহস নথকা দুৰ্বলতাখিনিকে বুজায়।

এজন ভাল খেলুৱৈ হ'বলৈ হ'লে আমি খেল-ধেমালিৰ প্ৰতি আগ্ৰহী হ'ব লাগে। এজন ভাল মেধাবী ছাত্ৰ-ছাত্ৰী হ'বলৈ হ'লে যিদৰে শিক্ষাৰ প্ৰয়োজন ঠিক তেনেদৰে খেলৰ মানদণ্ড উন্নত কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীক লাগে খেলৰ প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু সা-সুবিধা। খেল-ধেমালিৰ সম্পাদিকা হিচাপে মই লক্ষ্য কৰিছো যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীয়ে খেলা-ধূলাৰ প্ৰতি আগ্ৰহী নহয়। আমাৰ মহাবিদ্যালয়ত খেলৰ বিভিন্ন সুবিধা আছে। ছাত্ৰীসকলক মোৰ এটাই অনুৰোধ যেন তেওঁলোকে গুৰুত্ব বুজি সময় মতে অনুশীলনৰ দ্বাৰা নিজৰ সু-প্ৰতিভা বিকাশৰ বাবে প্ৰচেষ্টা হাতত লয়।

শেষত মহাবিদ্যালয় সপ্তাহত খেল বিভাগৰ তৰফৰ পৰা খেলসমূহ পৰিচালনা কৰাত সহায় কৰা তত্বাৱধায়ক শ্ৰদ্ধাৰ হবিবুৰ ৰহমান ছাৰ, ড° আজিজুল হক ছাৰ, ড° বিপুল দলে ছাৰৰ লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*'জয় আই অসম'*
*'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'*

*ধন্যবাদেৰে-*
হেমপ্ৰভা দাস







# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল লোকে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল, তেওঁলোকলৈ মোৰ পৰম শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু সকললৈ মোৰ শ্ৰদ্ধা আৰু সমূহ বাইদেউ তথা ছাত্ৰী বান্ধৱী আৰু লগতে ভণ্টি সকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ হিয়াভৰা মৰম যাচিলোঁ।

২০১৮-২০১৯ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

কিছুদিন পিছতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, তত্বাৱধায়ক ছাৰ, শিক্ষাগুৰু সকলৰ লগতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সদস্য সকলৰ লগত শপত গ্ৰহণ কৰা হয়। সেইদিনাখনে মই নিজে শপত লৈছিলো যে মহাবিদ্যালয়ৰ কাম-কাজ মই সুকলমে পালন কৰি যাম।

সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হৈছিল। বিগত বৰ্ষৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উলহ-মালহেৰে পালন কৰা হয়। এইবেলিও আমাৰ মহাবিদ্যালয় সপ্তাহ (৪, ৫, ৬ ফেব্ৰুৱাৰীত) অনুষ্ঠিত হয়। ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা ছাত্ৰীসকলৰ মাজত হোৱা প্ৰতিযোগিতা সমূহ হ'ল- কেৰম, পাঞ্জা, কইনা প্ৰতিযোগিতা, জেতুকা বুলোৱা, চিলাই, পুষ্প সজ্জা, মজিয়া সজ্জা, মিউজিক চেয়াৰ, উঠা-বহা, ৰন্ধন, পাৰ-পানী, খোপা বন্ধা ইত্যাদি। ইয়াতে প্ৰতিযোগীৰ সংখ্যা যথেষ্ট উৎসাহজনক আছিল।

মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণকাৰী সকলো ছাত্ৰীলৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ লগতে পুৰস্কাৰপ্ৰাপ্ত ছাত্ৰীসকললৈও অভিনন্দন জ্ঞাপন কৰিছোঁ। এই প্ৰতিযোগিতাসমূহ পৰিপাটিকৈ চলাই নিয়াৰ বাবে বিচাৰক মণ্ডলীলৈও মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিগত বছৰৰ দৰে এইবেলিও ১০ ফেব্ৰুৱাৰী, ২০১৯ ইং তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হৈছিল। মোৰ ফালৰ পৰা এই পূজাখন ভালদৰে চলাই নিয়াৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। N.S.S.ৰ লগতে বাইদেউ তথা ছাত্ৰী বান্ধৱীৰ লগত খিচিৰি বিলোৱাত সহায় কৰিছিলো। সেইদিনাখনৰ দিনটো বহুত আনন্দৰ আছিল।

মোৰ কাৰ্যকালৰ শেষ-কাৰ্যসূচী আছিল নৱাগত আদৰণি সভা। নৱাগত আদৰণি সভাখন ২১ আগষ্ট, ২০১৯ ইং তাৰিখে অনুষ্ঠিত কৰা হৈছিল। এই সভাখনত নতুন ছাত্ৰীসকলক আদৰণি জনোৱাৰ লগতে নিমন্ত্ৰণ কৰি অনা বিশিষ্ট গুণী-জ্ঞানীসকলৰ বহমূলীয়া ভাষণৰ জৰিয়তে ছাত্ৰীসকলক সু-পৰামৰ্শ দি উন্নতিৰ দিশত আগুৱাই যোৱাত প্ৰেৰণা যোগোৱা হয় আৰু এই নৱাগত আদৰণি সভাখন মহাবিদ্যালয়ৰ ছাত্ৰীসকলে গীত, নৃত্য, নাটক আদি প্ৰদৰ্শন কৰি অতি উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়।

ছাত্ৰী জিৰণি কোঠাটোৰ মই মোৰ সকলো কাম সুকলমে পালন কৰিছো। ছাত্ৰী জিৰণি কোঠাটো পৰিষ্কাৰ কৰি ৰখাটো কেৱল মই বা মহাবিদ্যালয় কৰ্তৃপক্ষৰেই দায়িত্ব নহয়, মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰো সমানে দায়িত্ব। সেয়েহে মই সকলো ছাত্ৰীকে ছাত্ৰী জিৰণি কোঠাটো পৰিষ্কাৰ আৰু পৰিপাটিকৈ ৰাখিবলৈ অনুৰোধ কৰিলোঁ।

মোৰ কাৰ্যকালৰ সময়ত সকলো বিষয়তে শুদ্ধ বিচাৰ বিবেচনা আৰু উপদেশ দি সহায় কৰাৰ বাবে দৰ্শন বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা অলকা গোস্বামী বাইদেউলৈ মোৰ ফালৰপৰা ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মোৰ চমু কাৰ্যকাল চোৱাত অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয় আই অসম"*
*"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"*
*"জয়তু ছাত্ৰী একতা সভা"*

*ধন্যবাদেৰে-*
মৰমী দাস

# ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

4, 5. 6-2019

## খেল বিভাগ

**১। ৪০০ মিটাৰ দৌৰ ঃ**

প্ৰথম স্থান ঃ নুৰজাহান বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ অনামিকা ৰাভা *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ তৃষ্ণা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
নিবেদিতা ঠাকুৰীয়া *(উঃ মাঃ, ১ম বৰ্ষ)*

**২। ৪X৪০০ ৰিলেৰেচ ঃ**

প্ৰথম স্থান ঃ নুৰজাহান বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
শান্ত্বনা দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
প্ৰিয়ংকা দাস *(উঃ মাঃ, ২য় বৰ্ষ)*
কৱৰী কলিতা *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ লভিতা দাস *(উঃ মাঃ, ২য় বৰ্ষ)*
সোণমণি বেগম *(উঃ মাঃ, ২য় বৰ্ষ)*
লিপিকা দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
মিতালী ৰাভা *(স্নাতক, ২য় ষাণ্মাসিক)*

**৩। ৪X১০০ ৰিলেৰেচ ঃ**

প্ৰথম স্থান ঃ নুৰজাহান বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
কাকলি কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
প্ৰিয়ংকা দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
কৱৰী কলিতা *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ লভিতা দাস *(উঃ মাঃ, ২য় বৰ্ষ)*
নিকিতা গোস্বামী *(উঃ মাঃ, ১ম বৰ্ষ)*
লিপিকা দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
সোণমণি বেগম *(উঃ মাঃ, ২য় বৰ্ষ)*

**৪। জেভলিন থ্ৰো ঃ**

প্ৰথম স্থান ঃ কাকলি কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ তৃষ্ণা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ মিনাক্ষী ৰাভা *(উঃ মাঃ, ১ম বৰ্ষ)*

**৫। লং জাম্প ঃ**

প্ৰথম স্থান ঃ শান্ত্বনা দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ তৃষ্ণা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ পাৰবিন চুলতানা *(উঃ মাঃ, ১ম বৰ্ষ)*

**৬। হাই জাম্প ঃ**

প্ৰথম স্থান ঃ লভিতা নাথ *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ পাৰবিন চুলতানা *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ নুৰজাহান বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**৭। ট্ৰিপল জাম্প ঃ**

প্ৰথম স্থান ঃ পাৰবিন চুলতানা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ মিতালী ৰাভা *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ লভিতা দাস *(উঃ মাঃ, ২য় বৰ্ষ)*

**৮। স্কিপিং ঃ**

প্ৰথম স্থান ঃ চুমি কলিতা *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ হীৰামণি নাথ *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ লক্ষ্মী দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
মিতালী ৰাভা *(স্নাতক, ২য় ষাণ্মাসিক)*

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

**১। তৰ্ক প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ কংকনা মজুমদাৰ *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ বণিতা দাস *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ মিতালী দেৱী *(স্নাতক, ২য় ষাণ্মাসিক)*

**২। অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ মিতালী কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ অনিন্দিতা দাস *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ নমিতা কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*

**৩। ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ মিতালী কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ নাজনিন বেগম *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
নমিতা কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*

**৪। কুইজ প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ ডলী চৌধুৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
পূৰবী বৰা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
বৰ্ণালী দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
বৰ্ণালী বড়ো *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ নিকিতা গোস্বামী *(উঃ মাঃ, ১ম বৰ্ষ)*
চাজিদা বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*
পম্পী ঠাকুৰীয়া *(উঃ মাঃ, ১ম বৰ্ষ)*
ৰুমী দাস *(উঃ মাঃ, ১ম বৰ্ষ)*





তৃতীয় স্থান ঃ নেহা দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
সবিতা মজুমদাৰ *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
অঞ্জনা বেগম *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**৫। আকস্মিক বক্তৃতা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ কংকনা মজুমদাৰ *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ৰৰবা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
জুপিতৰা বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ ছাজিদা বেগম *(স্নাতক, ২য় ষাণ্মাসিক)*
নিচুকণি বঁটা ঃ টুটুমণি দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
নমিতা কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*

## সাহিত্য আৰু আলোচনী বিভাগ

**১। থিতাতে লিখা ৰচনা প্ৰতিযোগিতা ঃ**

**বিষয় ঃ অসমীয়া সমাজত নাৰীৰ স্থান**

প্ৰথম স্থান ঃ পূৰবী বৰা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ ৰীতা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
নমিতা ঠাকুৰীয়া *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**২। থিতাতে লিখা ৰস ৰচনা প্ৰতিযোগিতা ঃ**

**বিষয় ঃ বৰ্তমানৰ সাজ-পাৰ**

প্ৰথম স্থান ঃ নমিতা ঠাকুৰীয়া *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ টুটুমণি দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ ৰশ্মিউল চুলতানা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**৩। থিতাতে লিখা কবিতা প্ৰতিযোগিতা ঃ**

**বিষয় ঃ প্ৰাকৃতিক সৌন্দৰ্য**

প্ৰথম স্থান ঃ চন্দ্ৰানী কলিতা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ৰশ্মিউল চুলতানা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ মণিষা শৰ্মা *(স্নাতক, ২য় ষাণ্মাসিক)*
চাৰ্জিদা বেগম *(স্নাতক, ২য় ষাণ্মাসিক)*

**৪। থিতাতে লিখা পেৰডী কবিতা প্ৰতিযোগিতা ঃ**

বিষয় ঃ ৰঙালী বিহু
নিচুকণি বঁটাঃ চন্দ্ৰানী কলিতা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**৫। থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতা ঃ**

বিষয় ঃ স্থানীয় বিধায়কলৈ বানপানীৰ সমস্যা সম্পৰ্কে অৱগত কৰোৱা।

প্ৰথম স্থান ঃ চন্দ্ৰানী কলিতা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ৰীতা কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ চাৰ্জিদা বেগম *(উঃ মাঃ ১ম বৰ্ষ)*
নিচুকণি বঁটা ঃ পূৰবী বৰা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**৬। আকস্মিক লিখিত প্ৰতিযোগিতা ঃ**

বিষয় ঃ কলম
প্ৰথম স্থান ঃ ৰশ্মিউল চুলতানা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
বিষয় ঃ পুতলা নাচ
দ্বিতীয় স্থান ঃ লক্ষ্মী দাস *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
বিষয় ঃ কলগছ
তৃতীয় স্থান ঃ সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
বিষয় ঃ ঢোল
তৃতীয় স্থান ঃ চাৰ্জিদা বেগম *(উঃ মাঃ ১ম বৰ্ষ)*
বিষয় ঃ চাহ চেকনী
তৃতীয় স্থান ঃ চেমিম চুলতানা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
নিচুকণি বঁটা ঃ জ্যোৎস্না নাথ *(উঃ মাঃ ১ম বৰ্ষ)*

**৭। থিতাতে লিখা চিত্ৰাংকন প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ দীপান্বিতা ৰাভা *(উঃ মাঃ ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ গীতাঞ্জলি দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ জ্যোৎস্না নাথ *(উঃ মাঃ ১ম বৰ্ষ)*

**৮। থিতাতে লিখা চুটিগল্প প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ ৰীতা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ শিখাৰাণী ঠাকুৰীয়া *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ ৰৰষা মজুমদাৰ *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

## সাংস্কৃতিক বিভাগ

**১। সাংস্কৃতিক শোভাযাত্ৰা ঃ**

প্ৰথম স্থান ঃ অসমীয়া বিভাগ
দ্বিতীয় স্থান ঃ দৰ্শন বিভাগ
তৃতীয় স্থান ঃ বুৰঞ্জী বিভাগ

**২। বৰগীত প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ জুমণি ভৰালী *(স্নাতক, ২য় ষাণ্মাসিক)*

**৩। লোকগীত প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ৰৰষা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ টিনা তালুকদাৰ *(স্নাতক, ২য় ষাণ্মাসিক)*

**৪। জ্যোতি সংগীত প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
ৰৰষা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*

দ্বিতীয় স্থান ঃ টিনা তালুকদাৰ *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ জুনমণি ভৰালী *(স্নাতক, ২য় ষাণ্মাসিক)*

**৫। বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
নিভা ৰাভা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ৰবষা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*

**৬। অসমৰ পৰম্পৰাগত মহিলা সাজ-পাৰ প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ নিভা ৰাভা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ দুলুমণি কলিতা *(উঃ মাঃ, ১ম বৰ্ষ)*
অনিন্দিতা দাস *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ দেৱযানী দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
ৰবষা নাথ *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
নিচুকণি বঁটাঃ মৌচুমী কলিতা *(উঃ মাঃ, ২য় বৰ্ষ)*

**৭। বিয়া নাম প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ সাগৰিকা পুষ্পানন্দৰ দল *(স্নাতক, ২য় ষাণ্মাসিক)*
ৰবষা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
ৰুমা কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
কণিকা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ জিণ্টি তালুকদাৰৰ দল *(উঃ মাঃ, ২য় বৰ্ষ)*
কংকনা কলিতা
মন্দিৰা দলৈ
শিল্পা নাথ
প্ৰিয়ংকা নাথ
বৰ্ণালী ঠাকুৰীয়া
ডিম্পী চুলতানা
ধৃতিস্মিতা দাস
মণি কংকনা দাস
অৰ্পনা গোস্বামী
তৃতীয় স্থান ঃ টিনা তালুকদাৰৰ দল *(স্নাতক, ২য় ষাণ্মাসিক)*
দুলুমণি নাথ
মিতালী দেৱী
ৰীতা দাস
লভিতা নাথ
নিচুকণি বঁটাঃ প্ৰিয়ংকা দাসৰ দল *(স্নাতক, ২য় ষাণ্মাসিক)*
কংকনা দাস
হেমপ্ৰভা দাস
মিতালী কলিতা

**৮। ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ ৰবষা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*

**৯। দিপালী বৰঠাকুৰৰ গীতৰ প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ ৰবষা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ টিনা তালুকদাৰ *(স্নাতক, ২য় ষাণ্মাসিক)*

**১০। আধুনিক গীত প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
ৰবষা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ টিনা তালুকদাৰ *(স্নাতক, ২য় ষাণ্মাসিক)*

**১১। জিকিৰ প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ টিনা তালুকদাৰ *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ ৰবষা মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
শ্ৰেষ্ঠা গায়িকা ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*

**১২। আধুনিক নৃত্য প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ মৌচুমী কলিতা *(উঃ মাঃ, ২য় বৰ্ষ)*
দ্বিতীয় স্থান ঃ সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ নিতামণি দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
অনিন্দিতা দাস *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
নিচুকণি বঁটাঃ নিৰ্মালী বড়ো *(উঃ মাঃ, ১ম বৰ্ষ)*

**১৩। দলীয় আধুনিক নৃত্য প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ অনিন্দিতা দাসৰ দল *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
দেৱযানী দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
পূজা দাস *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ স্বপ্না ৰাভাৰ দল
নিভা ৰাভা
মিৰা ৰাভা
বন্দনা ৰাভা
তৃতীয় স্থান ঃ দেৱযানী দাসৰ দল *(স্নাতক, ২য় ষাণ্মাসিক)*
নাজমা বেগম *(স্নাতক, ২য় ষাণ্মাসিক)*
নিচুকণি বঁটা ঃ প্ৰিয়ংকা দাসৰ দল *(স্নাতক, ২য় ষাণ্মাসিক)*
কংকনা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
হেমপ্ৰভা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*





**১৪। একক লোকনৃত্য প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ
দ্বিতীয় স্থান ঃ কল্যাণী বৈশ্য *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ কংকনা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*

**১৫। দলীয় লোকনৃত্য প্ৰতিযোগিতা ঃ**
নিচুকণি বঁটাঃ সবিতা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
ধৰিত্ৰী কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
ডলি কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
দুলুমণি কলিতা *(উঃ মাঃ, ১ম বৰ্ষ)*

**১৬। আকস্মিক নৃত্য প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ সাগৰিকা পুষ্পানন্দ *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ দেৱযানী দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
অনিন্দিতা দাস *(স্নাতকোত্তৰ, ২য় ষাণ্মাসিক)*
তৃতীয় স্থান ঃ নিতামণি দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
মৌচুমী কলিতা *(উঃ মাঃ, ২য় বৰ্ষ)*

## ছাত্ৰী জিৰণি কোঠাৰ প্ৰতিযোগিতাৰ ফলাফল

**১। ৰন্ধন প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ অৰ্চনা দাস *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ চিমা কলিতা *(উঃ মাঃ, ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ জুমি তালুকদাৰ *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**২। মজিয়া সজ্জা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ মৰমী দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ চন্দ্ৰামিকা দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ বন্দনা দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

**৩। চিনাই প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ ৰুণু দাস *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ চন্দ্ৰামিকা দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ পূৰৱী ৰবা *(স্নাতক, ৬ষ্ঠ ষাণ্মাষিসক)*

**৪। জেতুকা বুলোৱা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ চাৰ্জিদা বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ ধৃতি ঠাকুৰীয়া *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ কাকুমণি দেৱী *(উঃ মাঃ, ১ম বৰ্ষ)*

**৫। খোপা বন্ধা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ অনামিকা ৰাভা
দ্বিতীয় স্থান ঃ মমীয়াৰা বেগম
তৃতীয় স্থান ঃ ৰুণু দাস
ডলি চৌধুৰী
উদ্গণিমূলক বঁটা ঃ মৰমী দাস *(স্নাতক, ২য় ষাণ্মাসিক)*

**৬। কেৰম প্ৰতিযোগিতা ঃ**

(একক)
প্ৰথম স্থান ঃ জুমি তালুকদাৰ *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ নিভা মেধী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ বৰ্ণালী দাস *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

(দ্বৈত)
প্ৰথম স্থান ঃ জুমি তালুকদাৰ *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
নিভা মেধী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ কাকলি কুমাৰী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
নাজমা বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ চন্দ্ৰমা দাস *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
বৰ্ণালী দাস *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*

**৭। পাঞ্জা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ লভিতা নাথ *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ অনামিকা ৰাভা *(উঃ মাঃ ১ম বৰ্ষ)*
তৃতীয় স্থান ঃ জেচমিন বেগম *(স্নাতক, ২য় ষাণ্মাসিক)*

**৮। উঠা-বহা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ মৌচুমী বেগম *(উঃ মাঃ, ১ম বৰ্ষ)*
দ্বিতীয় স্থান ঃ ছবিফুল নেচা *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ মৰমী দাস *(স্নাতক, ২য় ষাণ্মাসিক)*

**৯। পাৰ-পানী প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ নমিতা কলিতা *(স্নাতক, ২য় ষাণ্মাসিক)*
দ্বিতীয় স্থান ঃ জুমি তালুকদাৰ *(স্নাতক, ৪ৰ্থ ষাণ্মাসিক)*
তৃতীয় স্থান ঃ নিভা মেধী *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

## শ্ৰেষ্ঠ প্ৰতিযোগীসকল

শ্ৰেষ্ঠ গায়িকা ঃ বনশ্ৰী মহন্ত *(স্নাতক, ২য় ষাণ্মাসিক)*
শ্ৰেষ্ঠ খেলুৱৈ ঃ নুৰজাহান বেগম *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*
তৃষ্ণা দাস *(স্নাতক, ২য় ষাণ্মাসিক)*
শ্ৰেষ্ঠ কাবাদী খেলুৱৈ ঃ শান্তনা দাস *(স্নাতক, ৬ষ্ঠ ষাণ্মাসিক)*

## Students who successfully completed B.A. in Major Course from our college in the Year 2019

**Assamese :**
1. Anjana Das
2. Anu Mali
3. Anusmita Kalita
4. Binita Kachari
5. Chandramika Das
6. Chandrani Kalita
7. Chayanika Kalita
8. Dharitri Rabha
9. Dhriti Thakuria
10. Dipanjali Talukdar
11. Himadri Thakuria
12. Himakshi Deka
13. Hiramani Kumari
14. Jonali Baishya
15. Mani Mali
16. Momi Hazarika
17. Mousumi Hira
18. Nabanita Kalita
19. Namita Thakuria
20. Nasrin Sultana
21. Nijara Rabha
22. Nikumani Das
23. Papari Kalita
24. Purnima Rabha
25. Rakhi Mali
26. Rasmiul Sultana
27. Sagarika Rabha
28. Sajida Begum
29. Sajira Begum
30. Sanjima Rabha
31. Sumi Mahanta

**Economics :**
1. Barasha Mazumdar
2. Barnali Das
3. Doli Choudhury
4. Jintimoni Nath
5. Purabi Bora
6. Purnima Das
7. Tulika Kalita

**Education :**
1. Doli Talukdar
2. Elora Mazumdar
3. Jita Sarma
4. Jupitara Nath
5. Namita Kumari
6. Puja Balmiki
7. Sangita Kalita
8. Sarifun Nessa
9. Semim Sultana
10. Semima Begum
11. Thunumoni Das
12. Tutumoni Das

**English :**
1. Ajina Begum
2. Dixita Bhargav
3. Inamun Akhtar

**History :**
1. Kakali Kumari
2. Malti Saha
3. Manju Begum
4. Minakshi Nath
5. Nazma Begum
6. Nurjahan Begum
7. Purabi Mali
8. Rasma Begum

**Philosophy:**
1. Gitika Das
2. Himamayee Hazarika
3. Kanika Talukdar
4. Kangkana Basumatary
5. Mrinmoyee Kalita
6. Rekhamoni Devi
7. Riya Tarfdar
8. Sabita Begum
9. Santana Das
10. Suravi Talukdar





## Students who successfully completed M.A. in Assamese from our college in the year, 2019

1. Alimun Nessa
2. Anamika Talukdar
3. Barasha Choudhury
4. Barnali Nath
5. Dhitisri Ray
6. Hiramani Thakuria
7. Juri Kalita
8. Jyotshna Begum
9. Kabita Devi
10. Karabi Devi
11. Latika Patowary
12. Lilima Begum
13. Madhusmita Talukdar
14. Minakshi Mazumdar
15. Najira Begum
16. Priyanka Das
17. Sonali Das
18. Tutumani Kalita

## PRINCIPAL, TEACHING AND NON-TEACHING STAFF

**PRINCIPAL : Dr. Gajendra Adhikary,** *M.A. (Double), Ph. D.*

**Dept. of Assamese :**
1. Dr. Saraswati Kalita *M.A. (Double), M.Phil., Ph.D.*
2. Dr. Jahnobi Devi, *M.A., M.Phil, Ph.D., NET*
3. Jamuna Mali, *M.A.*
4. Dr. Jagannath Barman, *M.A., Ph.D. HoD*
5. Sewali Medhi, *M.A. SLET*
6. Rumi Das, *M.A., NET, (Guest Lecturer)*
7. Nilakshi Medhi, *M.A. (Guest Lecturer)*
8. Pranjit Sharma, *M.A. (Guest Lecturer)*
9. Jibesh Ch. Roy, *M.A. (Guest Lecturer)*

**Dept. of Economics :**
1. Jinu Das, *M.A.*
2. Dr. Nibedita Devi, *M.A., Ph.D.*
3. Indrani Devi, *M.A., (HoD)*
4. Dr. Manashree Das, *M.Sc. Ph.D*

**Dept. of Education :**
1. Habibur Rahman, *M.A.*
2. Dr. Lilabati Choudhury, *M.A.(Double), M.Phil, Ph.D.*
3. Dr. Mitali Kathkatia, *M.A., B.Ed., Ph.D. HoD*
4. Rita Bhattacharya, *M.A., B.Ed.*
5. Babita Rajok, *M.A., B.Ed. (Guest Lecturer)*

**Dept. of English :**
1. Dr. Malabika Roy, *M.A., Ph.D.*
2. Dr. Minakshi Bairagi, *M.A. Ph.D.*
3. Dr. Ranjan Bhuyan, *M.A., Ph.D. (Head of the Dept.)*
4. Anisha Das, *M.A. (Guest Lecturer)*
5. Kanika Das, *M.A. (Guest Lecturer)*

**Department of History :**
1. Sanghamitra Sinha, *M.A.*
2. Dr. Narakanta Adhikary, *M.A., Ph.D. (HoD)*
3. Ripun Doley, *M.A. Ph.D.*
4. Ankita Borgohain, *M.A., M.Phil. (Guest Lecturer)*

**Dept. of Home Science :**
1. Ranjana Deka, *M.Sc. M.Phil.*
2. Richa Kalita, *M.Sc. (Guest Lecturer)*

**Dept. of Philosophy :**
1. Mitali Goswami, *M.A. (Head of the Dept.)*
2. Alaka Das, *M.A.*
3. Kamaleswar Bora, *M.A., M.Phil., SLET*
4. Debajit Rabha, *M.A. (Guest Lecturer)*

**Dept. of Political Science :**
1. Haren Das, *M.A., HoD*
2. Dr. Azizul Haque, *M.A., Ph.D.*
3. Dr. Haren Ch. Kalita, *M.A., B.Ed., Ph.D.*
4. Archana Kalita, *M.A. (Guest Lecturer)*
5. Saurabh Kalita, *M.A. (Guest Lecturer)*

**Environmental Science**
1. Nibedita Thakuria, *M.Sc.*

**Mass Communication Journalisim :**
1. Nabanita Barman, *M.C.J.*
2. Mridusmita Das, *M.C.J.*

## THE LIBRARY STAFF OF OUR COLLEGE

1. Kishor Sarma, *M.A. M.L.I.Sc, B.Ed., NET, Ph.D.*
2. Khiroda Das, *Library Bearer*

## THE NON-TEACHING STAFF OF OUR COLLEGE

1. Niral Sarma, *B.A. (Hons.), Head Assistant*
2. Suruchi Das, *B.A., Office Assistant*
3. Kalpana Mayee Mazumdar, *Office Assistant*
4. Pradip Ch. Borah, *Office Assistant*
5. Subala Thakuria, *Office Assistant*
6. Sankar Kalita, *B.A., Office Assistant*
7. Kushal Kalita, *B.A., Office Assistant*
8. Dhrubajyoti Kalita, *B.Com (M)*
9. Rukmini Bora, *Laboratory Barear*
10. Jiten Das, *Grade IV Employee*
11. Ratneswar Das, *Grade IV Employee*
12. Nirmal Das, *Grade IV Employee*
13. Hiren Talukdar, *Grade IV Employee*
14. Nagen Ch. Das, *Grade IV Employee*
15. Jugal Das, *Grade IV Employee*
16. Nareswar Das, *Grade IV Employee*
17. Satyacharan Das, *Night chowkidar*
18. Suren Talukdar, *Night Chowkidar*
19. Mousumi Kalita, *Computer Instructor*

## THE UNION BODY AND THE TEACHERS-INCHARGE

| | | |
|---|---|---|
| President | : | Dr. Gajendra Adhikary |
| In-charge, Union Body | : | Dr. Ranjan Bhuyan |
| Vice-President | : | Barasha Nath |
| In-Charge General Secretary /Asstt. General Secretary | : | Dr. Ranjan Bhuyan |
| General Secretary | : | Sikharani Thakuria |
| Asstt. General Secretary | : | Priyanka Das |
| In-Charge Cultural | : | Dr. Jagannath Barman |
| Cultural Secretary | : | Kangkana Das |
| In-Charge, Magazine | : | Dr. Lilabati Choudhury |
| Editor 'Sudakshina' | : | Mitali Kalita |
| In-Charge, Debate of Symposium | : | Prof. Kamaleswar Borah |
| Debate Secretary | : | Reeta Das |
| In-Charge, Sports | : | Prof. Habibur Rahman |
| Sports Secretary | : | Hemprabha Das |
| In-Charge, Girls' Common Room | : | Prof. Alaka Das |
| Girls' Common Room Secretary | : | Marami Das |
| In-Charge, Social Service | : | Prof. Jinu Das |
| Social Service Secretary | : | Puja Balmiki |





## GOVERNING BODY-2018-19 D.K GIRLS' COLLEGE, MIRZA

| | | |
|---|---|---|
| 1. President | : | Mrs. Hira Neog<br>*Rtd., Associate Prof. D.K. College, Mirza* |
| 2. Secretary | : | Dr. Gajendra Adhikary<br>*Principal, D.K. Girls' College, Mirza* |
| 3. Special Invitee | : | Mr. Pranab Kalita<br>*Honourable M.L.A. of Palashbari Assembly Constituency* |
| 4. Members (ex-officio) | : | (i) Dr. Ranjan Bhuyan<br>*Vice-Principal, D.K. Girl's College, Mirza*<br>(ii) Dr. Kishor Sarma<br>*Librarian, D.K. Girl's College, Mirza* |
| 5. Guardian Members | : | (i) Sri Dwijen Kalita, *Makadhuj, Simina*<br>(ii) Sri Jugal Choudhury, *Bhathipara, Kukurmara*<br>(iii) Mrs. Manju Das, *Rangamati* |
| 6. Donor Member | : | Sri Gobinda Kalita, *Mirza* |
| 7. G.U. Nominee | : | (i) Prof. Jogen Chandra Kalita<br>*Dept. of Zoology, Gauhati University*<br>(ii) Prof. J. Tamuli<br>*Dept. of Linguistics, Gauhati University* |
| 8. Teacher Member | : | (i) Mr. Habibur Rahman<br>*Associate Professor, Dept. of Education*<br>(ii) Dr. Jagannath Barman<br>*Associate Professor, Head of the Dept. of Assamese* |
| 9. Non Teaching Member | : | (i) Sri Niral Sarma, Head Assistant |

## GENERAL SECRETARIES OF THE STUDENT'S UNION SINCE 1988

| | | | | | |
|---|---|---|---|---|---|
| 1. | Tanuja Goswami | 1988-1989 | 17. | Binita Kalita | 2004-2005 |
| 2. | Himadri Deka | 1989-1990 | 18. | Hemlata Rabha | 2005-2006 |
| 3. | Kamaljeet Sing Laumba | 1990-1991 | 19. | Priyanka Thakuria | 2006-2007 |
| 4. | Manju Medhi | 1991-1992 | 20. | Runu Choudhury | 2007-2008 |
| 5. | Mamani Baishya | 1992-1993 | 21. | Purnima Talukdar | 2008-2009 |
| 6. | Nani Mahanta | 1993-1994 | 22. | Suman Kumari | 2009-2010 |
| 7. | Seetala Das | 1994-1995 | 23. | Kalindri Das | 2010-2011 |
| 8. | Geetanjali Kalita | 1995-1996 | 24. | Minakshi Thakuria | 2011-2012 |
| 9. | Rumarani Saikia | 1996-1997 | 25. | Purnima Das | 2012-2013 |
| 10. | Geetika Thakuria | 1997-1998 | 26. | Jutika Thakuria | 2013-2014 |
| 11. | Nijara Kalita | 1998-1999 | 27. | Aliviya Talukdar | 2014-2015 |
| 12. | Jayshree Choudhury | 1999-2000 | 28. | Dipti Choudhory | 2015-2016 |
| 13. | Nipumani Mali | 2000-2001 | 29. | Malti Saha | 2016-2017 |
| 14. | Merina Begam | 2001-2002 | 30. | Barasha Nath | 2017-2018 |
| 15. | Deepika Thakuria | 2002-2003 | 31. | Sikharani Thakuria | 2018-2019 |
| 16. | Alaka Das | 2003-2004 | | | |

## EX-EDITORS AND IN-CHARGES OF 'SUDAKSHINA'

| VOLUME | YEAR | EDITOR | PROF. IN-CHARGE |
|---|---|---|---|
| I | 1993 | Swapna Das | Dr. Gajendra Adhikary |
| | | Beauty Kakati | Bimal Mazumdar |
| II | 1994 | Kanan Kumari Talukdar | Dr. Gajendra Adhikary |
| III | 1995 | Jyotsna Kalita | Dr. Gajendra Adhikary |
| IV | 1996 | Chandramita Kalita | Dr. Gajendra Adhikary |
| V | 1997 | Dipika Das | Dr. Gajendra Adhikary |
| | | | Dr. Jagannath Barman |
| VI | 1998 | Jonti Kalita | Dr. Gajendra Adhikary |
| | | | Dr. Jagannath Barman |
| VII | 1999 | Pranita Das | Dr. Gajendra Adhikary |
| | | | Dr. Jagannath Barman |
| VIII | 2000 | Kalyani Kalita | Dr. Jagannath Barman |
| | | | Minakshi Bairagi |
| IX | 2001 | Babita Deka | Dr. Jahnobi Devi |
| X | 2002 | Pallabi Nath | Nara Kanta Adhikary |
| XI | 2003 | Jitumoni Rabha | Minakshi Bairagi |
| XII | 2004 | Parul Begum | Dr. Jagannath Barman |
| XIII | 2005 | Bandana Bordoloi | Dr. Ranjana Bhuyan |
| XIV | 2006 | Maina Thakuria | Dr. Jagannath Barman |
| XV | 2007 | Rubi Goswami | Dr. Haren Kalita |
| XVI | 2008 | Irani Kalita | Dr. Nibedita Devi |
| XVII | 2009 | Dipali Medhi | Dr. Jahnobi Devi |
| XVIII | 2010 | Kabita Das | Dr. Jahnobi Devi |
| XIX | 2011 | Reeta Kalita | Dr. Kamaleswar Borah |
| XX | 2012 | Minakshi Kumari | Dr. Jahnobi Devi |
| XXI | 2013 | Mitali Das | Dr. Jahnobi Devi |
| XXII | 2014 | Bhumika Nath | Dr. Mitali Kathkatiya |
| XXIII | 2015 | Barnali Talukdar | Dr. Lilabati Choudhory |
| XXIV | 2016 | Mamata Nazmin | Dr. Saraswati Kalita |
| XXV | 2017 | Priyanka Das | Jamuna Mali |
| XXVI | 2018 | Priyanka Das | Dr. Malabika Roy |
| XXVII | 2019 | Mitali kalita | Dr. Lilabati Choudhury |



# ACHIEVEMENTS OF OUR COLLEGE, 2018-19



Sri Sikha Rani Thakuria has been awarded the **'Bhupendra Kumar Choudhury Memorial Trust'** Award for the year 2018 for securing highest mark 94% in the subject of Home Science in the Higher Secondary Final Examination, 2018 (Arts).



Sri Kalyani Talukdar has been awarded the **'Gajendra Chandra Kalita Memorial Trust'** Award for the year 2018 for securing highest mark in Philosophy Major Course in the B.A. 6th Semester Examination, 2018.



Sri Barnali Goswami has been awarded the **'Gajendra Chandra Kalita Memorial Trust'** Award for the year 2018 for securing highest marks 87.20% in the Higher Secondary Final Examination, 2018.



Sri Nurjahan Begum, the best athletes of the college has been awarded the **'Bongshidhar Mahajan Memorial Trust'** Award 2018-19.



Sri Upasana Devi has secured highest marks 98% in the subject of Economics in the Higher Secondary Final Examination, 2019.



Sri Pratibha Bhattacharjee has been declared 1st class 1st position in Bechelor of Mass Communication and Journalism in the year 2019, she scored 76% marks.



Sri Dipa Rangpi, H.S. 1st year won Silver Medal in **"Samarkala Vovinam"** National Competition held in Guwahati, Gold Medal in **"Thai Boxing"** National Competition, held in Hyderabad in 2019 and Bronze Medal in "Samarkala Vovinam" held in Gujrat, 2020.



Dr. Mitali Kathkatia, Associate Professor, Dept. of Education participated in the Republic Day Parade Camp in New Delhi, 2020 as a contingent leader from North-East NSS programme officer.



Sri Gitanjali Das, B.A., 4th Sem., a NSS Volounteer participated in the Republic Day Parade Camp, 2020, New Delhi.



Sri Harshita Goswami, H.S. 1st year was adjudged second position in the Debate Competition organized by the Asom Sahitya Sabha, 2020, Suwalkuchi



Sri Kangkana Kalita and Sanaya Farhan won the Runurs-up trophy in the G.U. Inter college Badminton Competition, 2020 held in D.K.G.C., Mirza




Kho-Kho Team, D.K. Girls' College, Mirza, won the Runners-up Trophy in the G.U. Inter College Kho-Kho Competition, 2020, held in D.K. Girls' College, Mirza.

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা



অধ্যক্ষ- ড° গজেন্দ্ৰ অধিকাৰী, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়




উপাধ্যক্ষ - ড° ৰঞ্জন ভূঞা, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

## অধ্যক্ষ-উপাধ্যক্ষৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়




বহি বাওঁফালৰ পৰা ঃ ড° বিপুল দলে, ড° মালবিকা বসু, ড° জাহ্নবী দেৱী, ৰঞ্জনা ডেকা, ড° মিতালী কাটকটীয়া, হৰেণ দাস, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), ড° জগন্নাথ বৰ্মন, ইন্দ্ৰাণী দেৱী, ড° সৰস্বতী কলিতা, জিনু দাস, মিতালী গোস্বামী, ড° নবকান্ত অধিকাৰী।

থিয় হৈ বাওঁফালৰ পৰা ঃ কমলেশ্বৰ বৰা, ড° হৰেণ চন্দ্ৰ কলিতা, ড° মিনাক্ষী বৈৰাগী, দেৱজিৎ ৰাভা, প্ৰাণজিৎ শৰ্মা, বন্ধু দাস, জীৱেশ চন্দ্ৰ ৰায়, ড° আজিজুল হক, ৰীতা ভট্টাচাৰ্য, ড° লীলাৱতী চৌধুৰী, ড° নিবেদীতা দেৱী, যমুনা মালী, শেৱালী মেধী, ড° মনশ্ৰী দাস, ৱবিতা বজক।

থিয় হৈ বাওঁফালৰ পৰা ঃ নিবেদিতা ঠাকুৰীয়া, কণিকা দাস, অনিশা দাস, ৰিচা কলিতা, নৱনীতা বৰ্মন।

## কৰ্মচাৰীবৃন্দ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়



বহি বাওঁফালৰ পৰা ঃ কুশল কলিতা, প্ৰদীপ বৰা, শংকৰ কলিতা, নিৰল শৰ্মা, সুৱটী দাস, সুৰলা ঠাকুৰীয়া, কল্পনাময়ী মজুমদাৰ, ৰুক্মিনী বৰা।

থিয় হৈ বাওঁফালৰ পৰা ঃ নিৰ্মল দাস, যুগল দাস, ৰত্নেশ্বৰ দাস, হিৰেণ দাস, জিতেন দাস, নবেশ্বৰ দাস, ধ্ৰুৱজ্যোতি কলিতা, ক্ষীৰোদা দাস, নগেন চন্দ্ৰ দাস।

## অধ্যক্ষ আৰু উপাধ্যক্ষৰ সৈতে গ্ৰন্থাগাৰিক আৰু কৰ্মচাৰী, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়



বাওঁফালৰ পৰা ঃ ক্ষীৰোদা দাস, সুৰলা ঠাকুৰীয়া, ড° কিশোৰ শৰ্মা, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ)।

## ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিশেষ মুহূৰ্তসমূহ

















# ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিশেষ মুহূৰ্তসমূহ





























২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিশেষ মুহূৰ্তসমূহ























## ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিশেষ মুহূৰ্তসমূহ















## ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰীপঞ্চমী প্ৰস্তুতিকৰণ ও উন্মোচন, সৰস্বতী পূজা আৰু নৱাগত আদৰণী সভাৰ বিশেষ মুহূৰ্তসমূহ













## ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা আৰু বিভিন্ন কাৰ্যসূচীৰ বিশেষ মুহূৰ্তসমূহ













## ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিশেষ মুহূৰ্তসমূহ



















## ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচীৰ বিশেষ মুহূৰ্তসমূহ






















## ২০১৮-২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচীৰ বিশেষ মুহূৰ্তসমূহ






















G.U. Inter College
Kho-Kho & Badminton Tournament
গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয়
খো-খো আৰু বেডমিণ্টন টুৰ্ণামেণ্ট